

দৈনিক

# বাতৰি কাকত

সত্য আৰু ন্যায়ৰ সপক্ষে



PUBLISHED SIMULTANEOUSLY FROM GUWAHATI & JORHAT

RNI REGD. NO. ASSASS/2003/15035 • E-paper: centralread.com • email: dainikbatorikakot@gmail.com

VOL XXIII, No. 234 ত্ৰিবিংশ বছৰ, সংখ্যা- ২৩৪, ২৩ জুলাই, বৃহস্পতিবাৰ, ২০২৬, ৬ শাওন, ১৯৪৫ শক, BATORI KAKOT, Thursday, 23 July, 2026, Guwahati Edition / গুৱাহাটী সংস্কৰণ মূল্য ঃ ৭.০০ টকা


২৫ খন জিলাৰ ৭৪ ৰাজহ চক্ৰৰ ১,৭০০ খন গাঁও প্লাৱিত

# উজনিত প্ৰলয়ংকাৰী বান- ৩১ গৰাকী লোকৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২২ জুলাই ঃ** অসমত অব্যাহত থকা ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা বান পৰিস্থিতি অত্যন্ত জটিল আৰু সংকটজনক হৈ পৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ শেহতীয়া তথ্য অনুসৰি, ৰাজ্যখনৰ ২৫খন জিলাৰ ৭৪টা ৰাজহ চক্ৰৰ অন্তৰ্গত ১,৭০০খন গাঁও সম্পূৰ্ণৰূপে প্লাৱিত হৈ পৰিছে। এই বানৰ ফলত বৰ্তমানলৈকে মুঠ ৭,২৭,৫০৬গৰাকী লোক প্ৰত্যক্ষভাৱে প্ৰভাৱিত হৈছে। ক্ষতিগ্ৰস্ত জিলাৰ সংখ্যা হ'ল ২৫ খন, একেদৰে ৭৪টা ৰাজহ চক্ৰৰ অন্তৰ্গত ১,৭০০খন গাঁও বানৰ কবলত পৰিছে। তদুপৰি ৭,২৭,৫০৬গৰাকী লোক আক্ৰান্ত হোৱাৰ বিপৰীতে বানত মৃত্যু হৈছে ৩১গৰাকী। ইপিনে এইবাৰৰ বানত এতিয়ালৈ ৪০১টা ঘৰ সম্পূৰ্ণৰূপে নষ্ট হোৱাৰ বিপৰীতে ১,৮৪৮টা ঘৰ আংশিকভাৱে ক্ষতি হৈছে। তদুপৰি ১৮৫টা পশু ধনৰ মৃত্যু হয় বুলি তথ্যত প্ৰকাশ। জিলা অনুসৰি শিৱসাগৰত ১৪, চৰাইদেউত ৬, যোৰহাটত ৫, ■ এঘাৰ পৃষ্ঠাত





## কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত প্ৰদেশ কংগ্ৰেছৰ সমদল



**ষ্টাফ ৰিপ'ৰ্টাৰ, ২২ জুলাই ঃ** নীট পৰীক্ষা কেলেংকাৰীৰ নৈতিক দায়িত্ব স্বীকাৰ কৰি কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ তাৎক্ষণিক পদত্যাগৰ দাবীত বুধবাৰে প্ৰদেশ কংগ্ৰেছে ৰাজীৱ ভৱনৰ পৰা এক প্ৰতিবাদী সমদল উলিয়ায়। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ তাৎক্ষণিক পদত্যাগৰ লগতে সংসদত এই বিষয়ত সবিস্তাৰ আলোচনা আৰু দিল্লীত প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীৰ বিৰুদ্ধে ৰুজু কৰা সকলো এফআইআৰ অবিলম্বে ■ এঘাৰ পৃষ্ঠাত

দুৰ্গত পৰিয়াল-আশ্ৰয় শিবিৰত থকা বৰ্নাত্যৰে মত বিনিময়


## বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ২২ জুলাই ঃ** উজনি অসমৰ ভয়াৱহ বান পৰিস্থিতিৰ মাজতে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চৰাইদেউ জিলাৰ সোণাৰিৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। বানত ক্ষতিগ্ৰস্ত গাঁওসমূহ পৰিদৰ্শন কৰাৰ লগতে তেওঁ সাহায্য শিবিৰত আশ্ৰয় লোৱা পৰিয়ালসমূহৰ সৈতে মত-বিনিময় কৰে। পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনৰ বিষয়াসকলৰ ■ এঘাৰ পৃষ্ঠাত

নীট- ইউ জি পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল, প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰীৰ ওপৰত দিল্লী আৰক্ষীৰ বৰ্বৰ আক্ৰমণক ধিক্কাৰ

## প্ৰধানমন্ত্ৰীৰ বাসভৱনৰ সমীপত বিৰোধীৰ প্ৰতিবাদ



**নতুন দিল্লী, ২২ জুলাই ঃ** দিল্লীত ছাত্ৰ আৰু যুৱক-যুৱতীৰ শোভাযাত্ৰাৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ বাসগৃহৰ সমীপত লাঠী আৰু কন্দুৱা গেছৰে 'পুলিচৰ আক্ৰমণ'ৰ প্ৰতিবাদত মঙলবাৰে বিয়লি কংগ্ৰেছৰ সাংসদসকলৰ সৈতে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খৰ্গে আৰু প্ৰিয়ংকা গান্ধী ভাদ্ৰাৰ লগতে লোকসভাৰ বিৰোধী দলৰ নেতা ■ এঘাৰ পৃষ্ঠাত

## তিতাবৰত বাঢ়নী পানীয়ে উটুৱাই নিলে দুগৰাকী কিশোৰীক

## মৃতকৰ পৰিয়ালৰ ঘৰত ৰাজহ মন্ত্ৰী কেশৱ মহন্ত

৪ লাখকৈ সাহায্য ঘোষণা



**বাতৰি কাকত, যোৰহাট, ২২ জুলাই ঃ** যোৰহাট জিলাৰ তিতাবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত নাৰায়নপুৰ পাণবাৰী চাহ বাগিচাৰ বৰলাইনত কালি বিয়লি বৰজানৰ বাঢ়নি পানীয়ে উটুৱাই নিয়াৰ ফলত ছোনিয়া পাহাৰীয়া (১৬ বছৰ) আৰু সুস্মিতা মিৰ্ধা (১৫) নামৰ দুগৰাকী কিশোৰীৰ সলিল সমাধি ঘটে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই আজি আগবেলা চাহ ■ এঘাৰ পৃষ্ঠাত

হিতাধিকাৰীলৈ মচুৰ দাইল- চেনি বিতৰণ আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা মন্ত্ৰী ৰায়ৰ

## নিৰ্ধাৰিত সময়ত বিতৰণ সুনিশ্চিত কৰিবলৈ নিৰ্দেশ যোগান মন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২২ জুলাই ঃ** খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি জনতা ভৱনৰ কাৰ্যালয় সভাকক্ষত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰে। বৈঠকত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনৰ হিতাধিকাৰীসকলৰ মাজত মচুৰ দাইল আৰু চেনি বিতৰণৰ বাবে গ্ৰহণ কৰা আঁচনিৰ প্ৰস্তুতি সম্পৰ্কত বিভাগীয় বিষয়া আৰু নাফেডৰ প্ৰতিনিধিসকলৰ পৰা বুজ লয়। বৈঠকত মচুৰ দাইল আৰু চেনিৰ ক্ৰয়, যোগান আৰু বিতৰণ ব্যৱস্থাৰ প্ৰস্তুতি সন্দৰ্ভত সামগ্ৰিক অগ্ৰগতিৰ বিশদ পৰ্যালোচনা কৰা হয়। ৰাজ্যৰ সকলো যোগ্য হিতাধিকাৰীয়ে সময়মতে এই খাদ্য সামগ্ৰীসমূহ লাভ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মন্ত্ৰী কৌশিক ৰায়ে সামগ্ৰী যোগানকাৰী সংস্থা নাফেড আৰু বিভাগীয় বিষয়াসকলৰ মাজত অধিক সমন্বয় ৰক্ষা কৰাৰ বাবে নিৰ্দেশ দিয়ে। তেওঁ নিৰ্ধাৰিত সময়সীমা ■ এঘাৰ পৃষ্ঠাত



## ৰূপহীহাট-চামগুৰিত ৪৫ সহস্ৰাধিক হিতাধিকাৰীক চেক বিতৰণ কৃষি মন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ২২ জুলাই ঃ** কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি নগাঁও জিলাৰ ৰূপহীহাট আৰু চামগুৰি বিধানসভা সমষ্টিত অনুষ্ঠিত দুখন বৃহৎ ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আঁচনিৰ ■ এঘাৰ পৃষ্ঠাত

কেন্দ্ৰৰ পৰা প্ৰতিবেদন বিচাৰিলে দিল্লী উচ্চ ন্যায়ালয়ে

## ক'কৰোচৰ সংসদ চলো অভিযানত দিল্লী আৰক্ষীৰ শক্তি প্ৰয়োগ

**নতুন দিল্লী, ২২ জুলাই ঃ** ককৰোচ জনতা পাৰ্টিৰ সংসদ অভিযানত আৰক্ষীয়ে ব্যৱহাৰ কৰা 'অত্যধিক শক্তি' সন্দৰ্ভত কেন্দ্ৰৰ বিবৃতি বিচাৰিছে দিল্লী উচ্চ ন্যায়ালয়ে। এই সন্দৰ্ভত চাৰি সপ্তাহৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰ আৰু দিল্লী আৰক্ষীয়ে বিবৃতি দিব লাগিব। ইয়াৰ উপৰিও ঘটনাৰ দিনটোৰ লগত জড়িত সকলো চিচিটিভি ফুটেজ, ভিডিঅ'গ্ৰাফী আৰু অন্যান্য ৰেকৰ্ড সংৰক্ষণ কৰিবলৈও আৰক্ষীক নিৰ্দেশ দিছে আদালতে। ■ এঘাৰ পৃষ্ঠাত



## দিল্লী হাইক'ৰ্টৰ নিৰ্দেশত ছফদৰজং হাস্পতালৰ পৰা ৰিলিজ কৰিলে সোণম ৱাংচুকক



**নতুন দিল্লী, ২২ জুলাই ঃ** দিল্লী উচ্চ ন্যায়ালয়ৰ এই নিৰ্দেশৰ পিছতে মঙলবাৰে সন্ধিয়া ছফদাৰজং হাস্পতালে সোণম ৱাংচুকক ঘৰলৈ যাবলৈ দিয়ে। গুৰুগ্ৰামৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। ছফদাৰজং হাস্পতালে ছুটীৰ সময়ত ৱাংচুকৰ শাৰীৰিক অৱস্থা সুস্থিৰ বুলি অৱগত কৰে। মঙলবাৰে দিল্লী উচ্চ ন্যায়ালয়ে ■ এঘাৰ পৃষ্ঠাত

ক্ষোভ উজাৰিলে ভগ্নী পামী বৰঠাকুৰে

## আদালতৰ মজিয়াত জুবিন গাৰ্গক বদনামী কৰাৰ চেষ্টা অধিবক্তাৰ


**ষ্টাফ ৰিপ'ৰ্টাৰ, ২২ জুলাই ঃ** ফাষ্টট্ৰেক আদালতত চলি আছে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ বিচাৰ প্ৰক্ৰিয়া। এইবাৰ আদালতে লিপিবদ্ধ কৰিলে জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰৰ ভাষ্য। কিন্তু মৃত্যুৰ পিছতো যেন জুবিন গাৰ্গৰ নামৰ সত্তাটোক বদনামী কৰিবলৈ এৰা নাই জুবিন হত্যাৰ অভিযুক্ত অধিবক্তাই। বিচাৰ প্ৰক্ৰিয়াৰ মাজতে আদালতৰ মজিয়াত বাৰে-বাৰে জুবিন গাৰ্গক সুৰাপায়ীৰূপে প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰিছে অভিযুক্তৰ অধিবক্তাই। সাক্ষ্যদানৰ অন্তত সংবাদ মাধ্যমৰ আগত ক্ষোভ উজাৰিলে জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰে। জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰে কয়— মই যিখিনি কৈছো, সেইখিনি আদালতে লিপিবদ্ধ কৰিছে। মোৰ কথাখিনিয়ে গোচৰটোত সহায় কৰিব। মোৰ কথাখিনি সত্য আৰু প্ৰমাণৰ ভিত্তিত কৈছো। এটা কথা বেয়া লাগিছে যে যিগৰাকী জুবিন গাৰ্গে অসমক বিশ্বৰ মানদণ্ডলৈ লৈ ■ এঘাৰ পৃষ্ঠাত



ড° ববি শৰ্মা বৰুৱাৰ ছবিলৈ 'ছুপাৰ মামা' বঁটা

## আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত অসমীয়া ছবি 'ৰ'দৰ পাখি'লৈ জুৰীৰ বিশেষ সন্মান

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২২ জুলাই ঃ** বিশিষ্ট চলচ্চিত্ৰ পৰিচালিকা ড° ববি শৰ্মা বৰুৱা পৰিচালিত অসমীয়া ছবি 'ৰ'দৰ পাখি' (মৰ্ণিং চানছাইন)এ ৰাছিয়াৰ ৰাজধানী মস্কোত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ মেড বাই উইমেন'ত জুৰী স্পেচিয়েল মেনচন-ছুপাৰ মামা বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। যোৱা ৮ জুলাইৰ পৰা ১২ জুলাই, ২০২৬লৈ মস্কোত অনুষ্ঠিত এই আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ প্ৰতিযোগিতা শাখাত ছবিখন আনুষ্ঠানিকভাৱে নিৰ্বাচিত হৈছিল। ■ এঘাৰ পৃষ্ঠাত



'শ্ৰী ৰঘুপতি'ৰ পিছত পুনৰ একেলগে ৰবি শৰ্মা-সুব্ৰত কাকতি

## মুক্তিৰ পূৰ্বে চৰ্চাত 'ঐ পুলিচ'ৰ ট্ৰেইলাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২২ জুলাই ঃ** অসমীয়া চলচ্চিত্ৰপ্ৰেমীৰ অপেক্ষাৰ তালিকাত থকা এই বছৰৰ অন্যতম বহুচৰ্চিত ছবি 'ঐ পুলিচ'ক লৈ ছবিপ্ৰেমিৰ মাজত দেখা গৈছে ব্যাপক উছাহ। ৰুটষ্টক এণ্টাৰটেইনমেণ্টছৰ বেনাৰত নিৰ্মিত আহিবলগীয়া পূৰ্ণদৈৰ্ঘ্যৰ ছবি 'ঐ পুলিচ'ৰ ট্ৰেইলাৰ উন্মোচনৰ জৰিয়তে সোমবাৰে গুৱাহাটীত আনুষ্ঠানিকভাৱে আৰম্ভ হয় এই বহু প্ৰত্যাশিত ছবিখনৰ মুক্তিৰ ক্ষণগণনা। উল্লেখ্য যে ছবিখনৰ মুকলি কৰা ট্ৰেইলাৰত একেলগে দেখা যাব একচন, হাস্যৰস, আৱেগ আৰু পাৰিবাৰিক মনোৰঞ্জনৰ সমাহাৰ। একে সময়তে, আৰক্ষীকেন্দ্ৰিক কাহিনীৰ সীমাবদ্ধতাক নেওচি এক ভিন্ন স্বাদৰ কাহিনীও দৰ্শকৰ আগত তুলি ধৰিছে এই ট্ৰেইলাৰে। অহা ৭ আগষ্টত ছবিগৃহত মুক্তি পাবলগীয়া ■ এঘাৰ পৃষ্ঠাত




## কাৰ্বি পাহাৰৰ পৰা নামি অহা পানীয়ে বুৰাব বৰমপুৰ-কঠীয়াতলী অঞ্চল

**বাতৰি কাকত, কামপুৰ, ২২ জুলাই ঃ** যোৱা পাঁচ দিনৰলৈকে বৰমপুৰ সমষ্টিৰ কঠীয়াতলী কামপুৰত বৰষুণৰ পানীৰ বাদে বান পানীৰ কোনো আশংকা নাছিল। কিন্তু নাগালেণ্ডত ঘটা ডাৱৰ বিস্ফুৰণৰ পানী কাৰ্বি পাহাৰে বাগৰি পানীয়ে ইতিমধ্যে ডকমকা, হাওৰাঘাট হৈ যমুনানৈৰে কঢ়িয়াই ডবকা আদি প্লাৱিত কৰি বয়াবহ পানী নিশাৰীনৈত পৰি যমুনামুখৰ বৰমপুৰ সমষ্টি এলেকাৰ কৃষি ভূমি প্লাৱিত কৰিছে। নিশাৰী নৈ খন যমুনামুখৰ পৰা বাগৰি প্ৰায় কুৰি কিলোমিটাৰ উত্তৰে আহি ■ এঘাৰ পৃষ্ঠাত

## Declaration

I, LAIMATI BALA BRAHMA, W/O Mugaram Brahma, R/O Village–Binyakhata, P.O.–Binyakhata, P.S.–Gossaigaon, Dist.–Kokrajhar, BTC (Assam), declare that due to a bona fide mistake, my name has been recorded as LAIMATI BRAHMA in my Assam Gramin Vikash Bank Account No. 7132010011082 instead of my correct name LAIMATI BALA BRAHMA. Vide an Affidavit before Notary Public on 21/07/2026.

## Affidavit

VIDE an Affidavit sworn before the Notary, Kokrajhar on 21/07/2026, I JOHIRUDDIN SHEIKH, S/O Abed Ali, R/O Vill.-Joypur, P.O. & P.S.-Kokrajhar, Dist.-Kokrajhar, Assam, PIN-783370, declare that due to a bona fide mistake, my name has been recorded as JOHIR SHEIKH instead of my correct name JOHIRUDDIN SHEIKH in the Jamabandi records of Kokrajhar Revenue Circle. to land covered by Dag No. 77 & Dag No. 79 under Patta No. 10. JOHIR SHEIKH and JOHIRUDDIN SHEIKH are one and the same person

## Declaration

I, FATIK CHANDRA BARMAN, S/O Tari Chandra Barman, R/O Vill. - No.1 Satbil, P.O.- Binnakhata, P.S.- Gossaigaon, Dist.- Kokrajhar, BTC, Assam, declare that due to a bona fide mistake, my name has been recorded as FATIK BARMAN in my Assam Gramin Vikash Bank Account (A/C No. 7132029012890) instead of my correct name FATIK CHANDRA BARMAN. Vide an Affidavit before Notary Public on 21/07/2026.

## Declaration

I, CHANDANA BRAHMA, W/O Basu Barman, D/O Baneswar Brahma, R/O Vill.-Aminkata, P.O.-Aminkata, P.S.- Gossaigaon, Dist.-Kokrajhar, BTC (Assam), declare that due to a bona fide mistake, my name has been wrongly recorded as SANDANA BRAHMA in my Assam Gramin Vikash Bank Account No. 7132026000462. My actual and correct name is CHANDANA BRAHMA. Vide an Affidavit before the Notary Public on 20/07/2026.

## নাম শুধৰণি

মৰিগাঁও জিলাৰ দহালী মকৰীয়া কিছামৰ ১৫৪ আৰু ৪২ নং পটাৰ ১৪৬, ১৪৮, ১৭০, ১৯৩, ১৯৪, ১৬৭ আৰু ১৬৮ নং দাগৰ মাটিৰ পটাত মোৰ পিতৃৰ নামটো নৰেশ্বৰ বাহাদুৰ, পিতা- শ্বেৰ বাহাদুৰ বুলি ভুলকৈ লিপিবদ্ধ হৈ আছে । প্ৰকৃততে হ'ব লাগে নৰেশ্বৰ বৰদলৈ, পিতা- গুন্টে বৰদলৈ।

**সোনমনি বৰদলৈ**
পিতা- নৰেশ্বৰ বৰদলৈ (মৃত)
দহালী মকৰীয়া
ডাক- শিলচাং
জিলা- মৰিগাঁও (অসম)

## Affidavit

Vide an Affidavit sworn before the Notary, Kokrajhar on 21/07/2026, I, KHALEK ALI CHAKLADER, C/O Late Sakim Ali Chaklader, R/O Ward No. 6, P.O. & P.S. Kokrajhar, Dist. Kokrajhar, BTC, Assam–783370, do hereby declare that my name has been wrongly recorded as "ABDUL KHALEK ALI" in my Assam Gramin Bikash Bank Savings Account No. 7137010014241 instead of my correct name "KHALEK ALI CHAKLADER". Both names refer to one and the same person.

## Declaration

Me and my husband's correct names is/are Samaina Brahma, C/O- Marendra Basumatary and same name has been recorded in my Aadhaar card No. 8660-0152-9009 & EPIC No.HHK0008994. Due to a bona fide mistake, me and my husband's names have been erroneously recorded in my AGV Bank Passbook, Account No. 7136026055217 maintained at Kachugaon Branch as " Somaina Basumatary, C/O- Morendra Basumatary instead of the correct. Samaina Brahma, C/O-Marendra Basumatary and Somaina Basumatary, C/O- Morendra Basumatary" refer to one identical person represents me and my husband.

**Samaina Brahma**
C/O- Marendra Basumatary
D/O-Dalendra Brahma
Vill-Thakamtukum
Takampur F.V.
P.O.- Takampur
P.S.-Kachugaon
District- Kokrajhar, BTC, (Assam).

## Declaration

I Hajera khatun D/o:- late Montaj Ali here by solemnly affirm and declare that I am a citizen of India by birth and permanent resident of the below mentioned address.That my actual and correct name is Hajera khatun and my father's actual and correct name is Montaj Ali which is correctly recorted in my some other relevant documents.That my name has been wrongly recorded as Roshida khatun instead of Hajera khatun and my father's name has been wrongly recorded as Motaj Ali instead of Montaj Ali in the land record vide patta No.52, Dag No.118.situated at village:- Islampur, Mouza:- Jania under Baghbar Revenue Circle,Dist- Barpeta (Assam). That Hajera khatun and Roshida khatun is the one and same person i.e.myself and Montaj Ali and Motaj Ali is the one and same person i.e.my father.That I made this Affidavit before the Notary public Barpeta to produce it is a piece of documents before the authority concern.

**Hajera khatun**
D/o:- late Montaj Ali.
Vill-Islampur.
PO- kadong.
PS- Kalgachia.
Dist- Barpeta (Assam).

## Declaration

I do hereby declare throuth NOTARY PUBLIC Kamrup Metro Guwahati dtd. 18/07/2026, that my actual name is CHANDA BASFORE D/o. Golap Chand Basfore aged about 44 years, by religion-Hindu, resident of Railway Qtr. No. DS/9/F, Rest Camp, Pandu, P.O. Pandu, P.S. Jalukbari, Guwahati-781012, Dist. Kamrup(M), Assam in my all relevant documents. Do to mistake my name is recorded in Adhar Card vide No. 833624701386 as CHANDRA BASFORE instead of CHANDA BASFORE. both names are same and one person none else.

# বিন্নাকান্দিত ধনদাবীৰে কংগ্ৰেছ নেতাৰ আতংক ঃ চৰকাৰী কামত দিছে বাধা

**গুৱাহাটী, ২২ জুলাই ঃ** বিন্নাকান্দি উন্নয়ন খণ্ডৰ অধীনত বৰবালি গাঁও পঞ্চায়তত আতংকৰ সৃষ্টি কৰিছে কামাল হুছেইন নামৰ এগৰাকী স্থানীয় কংগ্ৰেছ নেতাই। পত্নী ৱাৰ্ড মেম্বাৰ হোৱাৰ সুবাদতে বিভিন্ন চৰকাৰী আঁচনিৰ পৰা ধন দাবী, ব্লেকমেইলিঙত নামি পৰিছে কামাল। শেহতীয়াকৈ পঞ্চায়তখনৰ Construction of Brick Cannel from D1 Cannel to Dakhin Devosthan Paddyfield নামৰ MGNREGAৰ আঁচনিত ধনদাবীৰ অভিযোগত গ্ৰেপ্তাৰ হৈছিল কামাল। জামিনত মুকলি হোৱা কামালৰ বিৰুদ্ধে ৰুজু হৈ আছে মোৱাঝাৰ থানাত ১০৭ নম্বৰৰ এটা গোচৰ। ভাৰতীয় ন্যায় সংহিতাৰ ৩০৮(৪)/৩২৪(৪) আৰু PDPAৰ ৩(১) ধাৰাত ৰুজু হৈ আছে গোচৰ। জামিনত মুকলি হৈ অহাৰ পিছতো নিজৰ কুকীৰ্তিৰ অন্ত পেলোৱা নাই কামালে। ভুৱা অভিযোগ ব্লেকমেইলিঙত পুনৰ নামি পৰাৰ যো-জা চলাইছে ধুৰন্ধৰ কামালে। ভুৱা অভিযোগেৰে উন্নয়নমূলক কামত বাধাৰ সৃষ্টি কৰা কামালৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী স্থানীয় ৰাইজৰ। সম্পূৰ্ণ বিভাগীয় নীতি-নিয়ম মতে কাম কৰাৰ পিছতো কেৱল ন্যস্ত স্বাৰ্থৰ বাবে কামালে এটাৰ পিছত এটা ভুৱা অভিযোগেৰে ব্লেক মেইলিং চলাই যোৱাৰ অভিযোগ। কামালৰ এই কুকীৰ্তিৰ বিষয়ে বৰবালি গাঁও পঞ্চায়তৰ সাধাৰণ জনতাই হোজাইৰ জিলা আয়ুক্তক ২৯ জানুৱাৰী ২০২৬ত এখন ৰাজহুৱা অভিযোগ পত্ৰও দাখিল কৰিছে। অভিযোগ পত্ৰত কামালৰ ব্লেক মেইলিঙৰ বিষয়ে আখৰে আখৰে প্ৰকাশ কৰিছে স্থানীয় ৰাইজে।



# বকোৰ সমাজপ্ৰাণ ৰাতি ৰাম বড়োৰ সোঁৱৰণী গ্ৰন্থ প্ৰকাশ-স্মৃতিচাৰণ সভা আয়োজন

**বাতৰি কাকত, বকো, ২২ জুলাই ঃ** কামৰূপ জিলাৰ বৃহত্তৰ বকোত সমাজ সংগঠকৰ জৰিয়তে সমাজপ্ৰাণ সন্মান পোৱা বকো শোলামুখৰ ৰাতি ৰাম বড়োৰ বিগত ২০০৪ চনতে পৰলোকপ্ৰাপ্তি ঘটিছিল। জীৱিত কালত এই গৰাকী ৰাতি ৰাম বড়োই বৃহত্তৰ অঞ্চলটোত বহু সংখ্যক অনুস্থান প্ৰতিস্থানৰ জন্মদাতা আৰু স্বপ্নদ্ৰষ্টা আছিল। বকো দৈনিক মিলন বজাৰ সমিতি, বকো ছোৱালী হাইস্কুল ; ডেউচৰ আঞ্চলিক হাইস্কুল, ছাটাবাৰী আঞ্চলিক হাইস্কুলকে ধৰি বহু সংখ্যক শৈক্ষিক সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ প্ৰতিস্থাপক আছিল প্ৰয়াত ৰাতি ৰাম বড়ো। এই গৰাকী অফুৰন্ত গুণৰ অধিকাৰী ৰাতি ৰাম বড়োৰ পৰলোক গমনত বহু অনুস্থান প্ৰতিস্থানৰ মুৰব্বীহীন হৈছিল। সেই সময়ত বহু সংখ্যক শুভাকাংক্ষীয়ে তেওঁৰ সামাজিক আৰু শৈক্ষিক কৰ্মৰাজিক সোঁৱৰণ কৰিব পৰা নাছিল। সেয়ে ৰাতি ৰাম বড়োই সামাজিক আৰু শৈক্ষিক তথা সুষ্ঠ সমাজ গঠনৰ বাবে কৰা অৱদানক সোঁৱৰণ কৰিবলৈ অতি সোনকালে এখনি সোঁৱৰণী গ্ৰন্থ প্ৰকাশ কৰাৰ ব্যৱস্থা আৰু ৰাজহুৱা স্মৃতিচাৰণ সভা আয়োজনৰ প্ৰস্তুতি চলিছে। এই উপলক্ষে আজি বকোস্থিত সংগীত মহাবিদ্যালয়ত আয়োজন কৰে ৰাজহুৱা সভা। প্ৰয়াত ৰাতি ৰাম বড়োৰ বৰ জোৱাই তথা অৱসৰপ্ৰাপ্ত শিক্ষক দেৱেন চন্দ্ৰ বড়োৰ তৎপৰতাত আয়োজন কৰা সাধাৰণ সভাৰ প্ৰাকক্ষণত প্ৰয়াত সমাজকৰ্মী ৰাতি ৰাম বড়োৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে যতীন পাঠক আৰু নগেন কলিতাই। সোঁৱৰণী অনুস্থানত উপস্থিত সকলোৱে ৰাতি ৰাম বড়োৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি আৰু পুষ্পাঞ্জলী অৰ্পণ কৰে। সভাত ৰাতি ৰাম বড়োৰ সামাজিক জীৱন দৰ্শনৰ ওপৰত আলোকপাত কৰি সোঁৱৰণী গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা আৰু ৰাজহুৱা স্মৃতিচাৰণ সভা আয়োজনৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই উপলক্ষে বকো সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ নগেন কলিতাৰ সঞ্চালনাত অনুষ্ঠিত হয় সাধাৰণ সভা। সভাত সমাজপ্ৰাণ ৰাতি ৰাম বড়োৰ সামাজিক কৰ্মৰাজিৰ ওপৰত আলোকপাত কৰি অতি সোনকালে ৰাজহুৱা স্মৃতিচাৰণ সভা আৰু সোঁৱৰণ গ্ৰন্থ প্ৰকাশ কৰাৰ সিদ্ধান্তগ্ৰহণ কৰে। সেই উপলক্ষে নগেন কলিতাক সভাপতি, সুৰেণ চন্দ্ৰ কলিতাক উপ সভাপতি আৰু দেৱেন চন্দ্ৰ বড়ো আৰু সত্যজিৎ ৰাভাক যুটীয়া সম্পাদক হিচাপে লৈ গঠন কৰে সোঁৱৰণ গ্ৰন্থ সম্পাদনা সমিতি খন। সমিতি খনে অহা তিনি মাহৰ ভিতৰত বিস্তৃত কাৰ্য্যক্ৰমণিকাৰে স্মৃতিচাৰণ সভা আৰু সোঁৱৰণ গ্ৰন্থ উন্মোচনী অনুষ্ঠান আয়োজন কৰিব বুলি ঘোষণা কৰে। ৰাজহুৱা সাধাৰণ সভাত বকো সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ নগেন কলিতা, জেষ্ঠ সমাজ কৰ্মী তথা ধৰ্মপ্ৰাণ যতীন পাঠক,অৱসৰপ্ৰাপ্ত শিক্ষক তথা বকো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সুৰেণ চন্দ্ৰ কলিতা, অৱসৰপ্ৰাপ্ত বন বিষয়া প্ৰহ্লাদ বড়ো, অৱসৰপ্ৰাপ্ত শিক্ষক গীৰিন্দ্ৰ কুমাৰ চৌধুৰী, সত্যজিৎ ৰাভা, অৱসৰপ্ৰাপ্ত অভিযন্তা তথা জেষ্ঠ সমাজ কৰ্মী হৰকান্ত দাস, সমাজ কৰ্মী বেণুধৰ ৰাভা, বকো সাহিত্য সভা শতদল শাখাৰ সম্পাদক জনাৰ্দ্দন বড়ো, ভাৰত চৌধুৰী, বিষ্ণু বড়ো, সুৰেণ বড়ো, নলিনী কুমাৰ খাখলাৰীৰ উপৰিও বহু সংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# নগাঁৱৰ ফিজিক্সৱালা বিদ্যাপীঠ পাঠশালাত নীট পৰীক্ষাত সফলতা লাভ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা



**বাতৰি কাকত, নগাঁও, ২২ জুলাই ঃ** প্ৰত্যেক বছৰৰ দৰে এই বছৰো সদ্যঘোষিত সৰ্বভাৰতীয় মেডিকেল প্ৰবেশ পৰীক্ষাত নগাঁৱৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান ফিজিক্সৱালাই সফলতাৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। প্ৰতিষ্ঠানখনৰ পৰা এই বছৰত নীট পৰীক্ষাত অৱতীৰ্ণ হোৱা মুঠ ১০০ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১০০জনেই মেডিকেল প্ৰবেশ পৰীক্ষাত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে শিক্ষানুষ্ঠান খনৰ পৰা নীটত সফলতা লাভ কৰা সৰ্বমুঠ ১৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰ সুবিধা লাভ কৰিব। শিক্ষানুষ্ঠান খনৰ পৰা ৰাজবীৰ বৰাই (৫৮৭) সৰ্বোচ্চ নাম্বাৰ লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে প্ৰতিষ্ঠান খনৰ কৰ্তৃপক্ষৰ ফালৰ পৰা জানিবলৈ দিয়া মতে- ইতিমধ্যে শিক্ষানুষ্ঠান খনত অষ্টম মানৰ পৰা দশম মানলৈ ছেৱা আৰু চি বি এ চি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অলিম্পিয়াড পৰীক্ষাৰ প্ৰস্তুতি, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ অধ্যয়নৰ লগতে নীট আৰু জে,ই,ই পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে কোচিঙৰো ব্যৱস্থা আছে। উল্লেখ যে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ নীট- জে ই ই পৰীক্ষাত সফলতা লাভ কৰিব নোৱাৰা ছাত্ৰ-ছাত্ৰী সকলৰ বাবে অহা ২৮ জুলাই কৰা পুনৰ পাঠদানৰ ব্যৱস্থা কৰা হৈছে বুলি শিক্ষানুষ্ঠান খনৰ কতৃপক্ষৰ ফালৰ পৰা জানিবলৈ দিয়ে। তদুপৰি শিক্ষানুষ্ঠান খনৰ ফালৰ পৰা মেডিকেল প্ৰবেশ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ১৫ গৰাকী ছাত্ৰ-ছাত্ৰীক কেক কাটি বিশেষ ভাৱে সম্বৰ্ধনা জনোৱা হয়।

# অভয়াপুৰীত জ্ঞান-বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**বাতৰি কাকত, অভয়াপুৰী, ২২ জুলাই ঃ** অভয়াপুৰীত জ্ঞান-বিজ্ঞান সমিতিৰ মাণ্ডলিক কাৰ্যালয়ত বঙাইগাঁও জিলা জ্ঞান বিজ্ঞান সমিতিৰ উদ্যোগত দিনযোৱা কাৰ্যসূচীৰে যোৱা ১৮ জুলাই তাৰিখে প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয় ।প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱা ৯ বজাত জ্ঞান-বিজ্ঞান সমিতিৰ পতাকা উত্তোলন কৰে সভাপতি মহেন্দ্ৰ নাৰায়ণ কাকতিয়ে। তাৰ পিছত অনুষ্ঠিত হোৱা মুকলি সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে মুখ্য অতিথি হিচাপে উপস্থিত থকা অভয়াপুৰী সমষ্টিৰ বিধায়ক ভূপেন ৰায়ে আৰু সহযোগ কৰে বঙাইগাঁও জিলা জ্ঞান-বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠাপক সচিব মাণিক চন্দ্ৰ শৰ্মাই । অভয়াপুৰী জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি তপন দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ৰজো বালা নাথে। উদ্দেশ্য ব্যাখ্যাৰ পিছত জিলা সভাপতি মহেন্দ্ৰ নাৰায়ণ কাকতিয়ে জ্ঞান-বিজ্ঞান সমিতিৰ তত্ত্বাৱধানত বঙাইগাঁও জিলাত নৱৈ দশকৰ পৰা চলা পূৰ্ণ সাক্ষৰতা অভিযান, আমাৰ পঞ্চায়ত আমাৰ কাম আৰু বৰ্তমান মহিলা প্ৰচেষ্টা গোটে কৰি অহা বিভিন্ন কামৰ বিশদ বিৱৰণ সভাৰ আগত দাঙি ধৰে। বঙাইগাঁও জিলা জ্ঞান -বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠাপক সচিব মাণিক চন্দ্ৰ শৰ্মাই ১৯৯০ চনত প্ৰতিষ্ঠা হোৱা বঙাইগাঁও জিলা জ্ঞান- বিজ্ঞান সমিতিয়ে বঙাইগাঁও জিলাৰ উপৰিও ধুবুৰী, কোকৰাঝাৰ আদিতো সাক্ষৰতা অভিযানৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে নানা গীত-মাত, সভা- সমিতিবোৰ কেনেকৈ অনুষ্ঠিত কৰিছিল তাক বহলাই ব্যাখ্যা কৰে। বঙাইগাঁও জিলা জ্ঞান- বিজ্ঞান সমিতিৰ প্ৰথম গৰাকী সভাপতি আছিল বঙাইগাঁও জিলাৰ প্ৰথম গৰাকী উপায়ুক্ত দীনেশ চন্দ্ৰ বৰ্মণ । সভাত মুখ্য অতিথি হিচাপে উপস্থিত থকা অভয়াপুৰী সমষ্টিৰ বিধায়ক ভূপেন ৰায়ে সাক্ষৰতা অভিযানৰ কথা উল্লেখ কৰি আজিৰ পৰা দুকুৰি বছৰ আগৰ আৰু বৰ্তমানৰ বঙাইগাঁও জিলাৰ শিক্ষাৰ ক্ষেত্ৰখনৰ তুলনামূলক বৰ্ণনা ডাঙি ধৰি বিভিন্ন সমস্যা আৰু বিধায়ক হিচাপে সেইবোৰ কেনেকৈ সমাধান কৰিছিল বা কৰিব্বলৈ চেষ্টা কৰিছিল সেয়া উদাহৰণ সহকাৰে সভাত ব্যক্ত কৰাৰ লগতে বৰ্তমান সময়ৰ শিক্ষা ব্যৱস্থাৰ কথাও উল্লেখ কৰে। উল্লেখনীয় যে মুখ্য অতিথি ভূপেন ৰায়ে ভাষণ আগবঢ়োৱাৰ আগে আগে বঙাইগাঁও জিলা জ্ঞান - বিজ্ঞান সমিতিৰ ফালৰ পৰা এখন ফুলাম গামোচা, এটি শৰাই আৰু ফুলাম জাপিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তাৰ পিছতে নৱ সাক্ষৰ আনাতি ৰায়ে লিখা 'সৰুতে ' নামৰ কবিতা এটি পাঠ কৰে ইক্ৰামূল ইচলামে। সভাত উপস্থিত থকা বিশিষ্ট ব্যক্তি সকল ক্ৰমে অকণ কৰ্মকাৰ, তাৰাপদ দাস, উৎপল নাথ, চিত্ত ৰায়, ৰাণী ব্ৰহ্ম, জানকী কাকতি, পিনু দাস আৰু সদানন্দ ৰায় । সভাত শলাগৰ শৰাই আগবঢ়ায় সম্পাদক ৰজো বালা নাথে । সভাপতিয়ে সাৰুৱা ভাষণ প্ৰদান কৰাৰ অন্তত জাতীয় সংগীত পৰিৱেশনৰ পিছত সভা ভঙ্গ হোৱা বুলি ঘোষণা কৰে। প্ৰসঙ্গ ক্ৰমে উল্লেখনীয় যে সভাৰ শেষত বঙাইগাঁও জিলা জ্ঞান-বিজ্ঞান সমিতিৰ সম্পাদক ৰজোবালা নাথৰ উদ্যোগত মহিলা প্ৰচেষ্টা আত্মসহায়ক গোটৰ সহযোগত ধূপ কাঠি প্ৰস্তুত কৰণৰ ওপৰত এটি কৰ্মশালা অনুষ্ঠিত হয় ।কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে জোনালী নাথ।

## নাম শুধৰণি

মোৰ প্ৰকৃত আৰু শুদ্ধ নাম সুমেবালা হাজং (SUMEBALA HAJONG)। কিন্তু মোৰ ভূমিৰ নথি-পত্ৰ, অৰ্থাৎ জমাবন্দী আৰু জৰীপযুক্ত গাঁৱৰ চিঠা প্ৰতিলিপিত, দাগ নং- ২৫৫, পট্টা নং- ১৯৫, মাৰগাঁও যতনা ৰাজহ গাঁও, মানকাচৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ভূমিৰ নথিত ভুলবশতঃ মোৰ নাম জুনিলা হাজং (JUNILA HAJONG) বুলি লিপিবদ্ধ হৈছে।

ইয়াৰ দ্বাৰা জনোৱা হৈছে যে, 'সুমেবালা হাজং' আৰু 'জুনিলা হাজং' এই দুয়োটা নাম একে অৰ্থাৎ, উভয় নাম মোৰেই আৰু মই একে ব্যক্তি।

**সুমেবালা হাজং**
স্বামী- বজেন্দ্ৰ হাজং
গাঁও- মাৰগাঁও যতনা
ডাকঘৰ- কালাপানী
থানা- মানকাচৰ
জিলা- দক্ষিণ শালমাৰা, মানকাচৰ

## Name Correction

My actual and correct name is MADHABI KALITA, which is recorded in my all-other relevant documents, but in my son's JeetpriangshuDas Educational documents of KV IIT Guwahati wherein my name has been recorded as MADHABI DAS instead of MADHABI KALITA. I do hereby declare that MADHABI KALITA and MADHABI DAS is the one and same person having single identity i.e. myself.

**MADHABI KALITA**
Wife of Rabin Das
Village- Dakshin Bejera, Janigog
P.O.- Janigog
District- Nalbari, Assam
PIN-781334

### সংস্কৃতিকী ভূৱনেশ্বৰ, গুৱাহাটীৰ দৰ্পণ ডেন্স একাডেমীৰ যুটীয়া উদ্যোগ

# গুৱাহাটীত ভাৰত আন্তৰ্জাতিক নৃত্য মহোৎসৱ




**বাতৰি কাকত, বিলাসীপাৰা, ২২ জুলাই ঃ** ভূৱনেশ্বৰৰ সংস্কৃতিকী আৰু গুৱাহাটীৰ দৰ্পণ ডেন্স একাডেমীৰ যুটীয়া উদ্যোগত আমবাৰীৰ অসম ৰাজ্যিক সংগ্ৰহালয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত দুদিনীয়াকৈ বিয়লি তিনি বজাৰ পৰা অনুষ্ঠিত হৈছে ভাৰত আন্তৰ্জাতিক নৃত্য মহোৎসৱ ২০২৬ উক্ত অনুষ্ঠানত ধুবুৰী জিলাৰ শংকৰদেৱ কলা নিকেতন সত্ৰীয়া কেন্দ্ৰ বিলাসীপাৰাৰ অধ্যক্ষ শুভ বিভাস বিশ্বাস ক ফিউচাৰ ফেচ এৱাৰ্ড ২০২৫ প্ৰদান কৰা হয়। শুভ বিশ্বাস দূৰদৰ্শন কেন্দ্ৰ এগৰাকী বি গ্ৰেড স্বীকৃতিপ্ৰাপ্ত নৃত্য শিল্পী। বিশ্বাসে ইণ্ডিয়া বুক অফ ৰেকৰ্ডছ খিতাপ অৰ্জন কৰিবলৈও সক্ষম হৈছে । উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে সংগীত নাটক অকাডেমী বঁটাপ্ৰাপ্ত কথক নৃত্যশিল্পী গুৰু বিপুল দাস আৰু সন্মানীয় অতিথি হিচাপে সংগীত নাটক অকাডেমী বঁটাপ্ৰাপ্ত সত্ৰীয়া নৃত্যশিল্পী তথা টপ গ্ৰেড শিল্পী গুৰু অনিতা শৰ্মা, মণিপুৰী নৃত্যশিল্পী গুৰু এল কৰুণা দেৱী আৰু সংগীত নাটক অকাডেমীৰ সত্ৰীয়া কেন্দ্ৰৰ সঞ্চালক ড° প্ৰতিভা শৰ্মা উপস্থিত থাকে। উৎসৱত অতিথি হিচাপে কথক নৃত্যশিল্পী গুৰু বিজয় শ্ৰীবাস্তৱ, ওস্তাদ বিছমিল্লা খাঁ যুৱ পুৰস্কাৰপ্ৰাপক সত্ৰীয়া নৃত্যৰ টপ গ্ৰেড শিল্পী ডাঃ মীঞ্জনন্দা বৰঠাকুৰ, ভাৰত নাট্যম শিল্পী গুৰু উপাসনা মহন্ত গগৈ, উড়িচী নৃত্যশিল্পী অংকিতা কুলাভী আদিকে ধৰি ফিউচাৰ ফেচ এৱাৰ্ড ২০২৫ৰ বিচাৰক মণ্ডলী হিচাপে দায়িত্ব পালন কৰা কেইবাগৰাকীও বিশিষ্ট নৃত্যশিল্পী উপস্থিত থাকি মহোৎসৱৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উল্লেখ্য যে সাংবাদিক তথা নৃত্য সমালোচক শ্যাম হৰি চক্ৰৰ পৰিকল্পনাৰে ভুৱনেশ্বৰত এই মহোৎসৱৰ আৰম্ভণি কৰা হৈছিল। পাছলৈ নতুন দিল্লী, কলাকাতা, মুম্বাই, মণিপুৰ,বাংগালুৰু, জলপাইগুড়ি আদিকে ধৰি ভাৰতৰ বিভিন্ন অঞ্চলত এইনৃত্য মহোৎসৱ অনুষ্ঠিত হৈ আহিছে। অসমৰ দৰ্পণ ডেন্স একাডেমীৰ উদ্যোগত ২০১৯ চনৰে পৰা এই মহোৎসৱ ২০২০-২০২১ বৰ্ষক বাদ দি প্ৰতিবছৰে বৰ্তমানলৈকে গুৱাহাটীত অনুষ্ঠিত কৰা হৈ আহিছে।

# জাগীৰোডৰ বাঘজাপতগ্ৰীষ্মকালীন অভিনয় কৰ্মশালা

**বাতৰি কাকত, জাগীৰোড, ২২ জুলাই ঃ** গ্ৰীষ্মকালীন সময় চোৱাত ছাত্ৰ-ছাত্ৰীসকলক অভিনয়ৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ প্ৰয়াসেৰে জাগীৰোডৰ বাঘজাপত আজিৰে পৰা ৰবি ক্ৰিয়চনৰ উদ্যোগত সাদিনীয়াকৈ অনুষ্ঠিত হয় গ্ৰীষ্মকালীন অভিনয় কৰ্মশালা। কৰ্মশালা খনি উদ্বোধন কৰে সাংস্কৃতিক কৰ্মী তথা বাঘজাপ গাঁও পঞ্চায়তৰ সভাপতি প্ৰদীপ দেউৰীয়ে । ভাষণ প্ৰসংগত দেউৰীয়ে আয়োজক মণ্ডলীৰ এনে ব্যতিক্ৰমী প্ৰয়াসক ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰি কয় যে এনে ধৰণৰ কৰ্মশালাই উঠি অহা প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত নটৰাজ আৰু অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সমাজ সেৱক কুমুদ চন্দ্ৰ ডেকাই। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত শ্বহীদ সূৰ্য বৰা মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি শান্তনু হাজৰিকাই অংশ গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক সাৰুৱা ভাষণ প্ৰদান কৰে। সৰ্বাংসুন্দৰ অনুষ্ঠানটিত তিৱা স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্যবাহী সদস্যা বিনীতা দৈমাৰী , জাগীভকতগাঁও মণ্ডল বিজেপিৰ সভানেত্ৰী মল্লিকা বৰদলৈ, সম্পাদক প্ৰসন্ন ডেকা, জাগীভকতগাঁও বিজেপিৰ মণ্ডল মহিলা মৰ্চাৰ সভানেত্ৰী প্ৰাঞ্জুমিকা বৰা, ৰবি ক্ৰিয়েচনৰ সভাপতি বিশ্বজিৎ দেউৰী, সম্পাদক ৰমেন ডেকা শচজিতুগ্নআদিৰ লগতে অঞ্চলটোৰ বিশিষ্ট বহু কেইগৰাকী ব্যক্তি সকল উপস্থিত থাকে। আনহাতে ছাত্ৰ নেতা জ্যোতিৰ্ময় গোস্বামীয়ে আঁতধৰা অনুষ্ঠানটিত সমাজসেৱক জয়ন্ত সাগৰ শইকীয়া, অভিনয় কৰ্মশালা পৰিচালনা সমিতিৰ সভাপতি নৰেন চাহানী, সম্পাদক দিপুমণি শইকীয়া কৰ্মকৰ্তা ডিম্বেশ্বৰ ডেকা, অভিজিৎ ডেকা (পাপু) আদিৰ লগতে অভিনয় কৰ্মশালাত অংশ গ্ৰহণ কৰা প্ৰশিক্ষাৰ্থী তথা অভিভাৱক সকল উপস্থিত থাকে। স্বহীদ সূৰ্য বৰা মাধ্যমিক বিদ্যালয় প্ৰাংগনত অনুষ্ঠিত হোৱা মঞ্চ আৰু কেমেৰা উভয় বিষয়ত কৰ্মশালাত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে অভিনেতা আৰু পৰিচালক জিৎ কলিতা । শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰা কৰ্মশালাৰ পৰৱৰ্তী সময়ত প্ৰশিক্ষক তথা সমল ব্যক্তি হিচাপে জনপ্ৰিয় অভিনেতা কমল লোচন, স্নিগ্ধা গগৈ, উপাসনা প্ৰিয়ম আৰু দিগন্ত ভৰালী উপস্থিত থাকিব। স্মৰ্তব্য যে আঠ বছৰ উৰ্ধৰ সকলোৱে এই প্ৰশিক্ষণত অংশ গ্ৰহণ কৰিব পাৰিব বুলি উদ্যক্তা মণ্ডলীয়ে জানিবলৈ দিয়ে।

# কঠীয়াতলীত পথ দুৰ্ঘটনা

**বাতৰি কাকত, কচুৱা, ২২ জুলাই ঃ** কঠীয়াতলীত আজি বাইক আৰু মেজিকৰ মাজত মুখামুখি সংঘৰ্ষ হোৱাৰ ফলত দুজন লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। জানিব পৰা মতে কঠীয়াতলী দিশৰপৰা আহি থকা বাইক আৰোহী আৰু কামপুৰ দিশৰপৰা আহি থকা মেজিক গাড়ীৰ মাজত এই মুখামুখি সংঘৰ্ষ হয়। দুৰ্ঘটনাটোত মেজিক গাড়ীখনে খুন্দা মাৰি কাষৰ নলাৰ ওপৰত উঠি যায়। দুয়োকে সংকটজনক অৱস্থাত স্থানীয় ৰাইজে চিকিৎসালয়লৈ প্ৰেৰণ কৰে । আঘাতপ্ৰাপ্ত লোক কেইজনৰ সবিশেষ এতিয়াও জানিব পৰা হোৱা নাই । দুৰ্ঘটনা সংঘটিত হোৱা মেজিক গাড়ীখনৰ নম্বৰ এ এছ ০২ ডি চি৭৬৭৭ আৰু বাইকখনৰ নম্বৰ হৈছে এ এছ ০২ কে ১৯৮।

# অসম পশু চিকিৎসা-মীন বিশ্ববিদ্যালয়ৰ প্ৰথম পৰিচালনা পৰিষদৰ সভা

**গুৱাহাটী, ২২ জুলাই ঃ** অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয় (AVFU)ৰ প্ৰথম পৰিচালনা পৰিষদ (Board of Management)ৰ সভা বিশ্ববিদ্যালয়ৰ মুখ্য কাৰ্যালয়, খানাপাৰাত আজি উপাচাৰ্য অধ্যাপক নিৰঞ্জন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়ক ড° বীৰেন্দ্ৰ কুমাৰ শৰ্মাই সকলো সদস্যক আদৰণি জনায় আৰু সভাৰ সভাপতি তথা উপাচাৰ্যক উদ্বোধনী বক্তব্য আগবঢ়াবলৈ অনুৰোধ জনায়। সভাপতিয়ে সকলো সদস্যক স্বাগতম জনাই আৰু পঞ্জীয়কক কাৰ্যসূচী অনুসৰি সভাৰ কাৰ্যবিধি আগবঢ়াই নিবলৈ অনুৰোধ কৰে। পৰিচালনা পৰিষদে বিশ্ববিদ্যালয়খনৰ প্ৰতীক-চিহ্ন (Logo), মূলমন্ত্ৰ (Tagline) আৰু পতাকা (Flag) অনুমোদন কৰাৰ লগতে ২০২৬ চনৰ কমন এণ্ট্ৰেন্স টেষ্ট (CET)ৰ জৰিয়তে পশু চিকিৎসা আৰু মীন বিজ্ঞানৰ স্নাতক (UG) পাঠ্যক্ৰমত নামভৰ্তিৰ অনুমোদন জনায়। বিশ্ববিদ্যালয়ৰ নিয়মীয়া কাৰ্যসম্পাদনৰ বাবে অসম কৃষি বিশ্ববিদ্যালয় (AAU)ৰ প্ৰৱৰ্তিত বিধি, নিয়মাৱলী আৰু চাকৰি-নিয়মাৱলী গ্ৰহণ, বিত্ত সমিতিলৈ এজন সদস্য মনোনয়ন, গৱেষণা উপদেষ্টা আৰু সম্প্ৰসাৰণ শিক্ষা সমিতিৰ গঠনক পশ্চাৎ অনুমোদন (Post-facto approval), কেইবাটাও নতুন বিধিবদ্ধ বিষয়াৰ পদ পূৰণ, আৰু বিশ্ববিদ্যালয়ৰ অধীনত এখন দুগ্ধ মহাবিদ্যালয় স্থাপনৰ পৰামৰ্শও অনুমোদন জনোৱা হয়। সভাত মাননীয় উপাচাৰ্য আৰু বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ উপৰিও উপস্থিত থকা আন সন্মানীয় সদস্যসকল




হ'ল- ড° অভিজিৎ মিত্ৰ (উপাচাৰ্য, পণ্ডিত দীনদয়াল উপাধ্যায় পশু চিকিৎসা বিজ্ঞান বিশ্ববিদ্যালয় তথা গো অনুসন্ধান সংস্থা, অনলাইন), ড° তপন দাস (বিধায়ক, দিমৰীয়া), ড° দণ্ডেশ্বৰ ডেকা (সভাপতি, অসম পশু চিকিৎসা পৰিষদ), অসম চৰকাৰৰ বিভাগীয় সচিব ক্ৰমে মধু সুদন নাথ (IAS, কৃষি), ইছফাকুৰ ৰহমান (IAS, বিত্ত), অনিল চন্দ্ৰ দেউৰী (ACS, পশুপালন আৰু পশু চিকিৎসা), কস্তুৰী ভৰালী (ACS, দক্ষতা, নিয়োগ আৰু উদ্যোগ), প্ৰশান্ত বৰকাকতি (ACS, অতিৰিক্ত সচিব, মীন), বিভাগীয় সঞ্চালক ক্ৰমে শ্ৰীমতী পাঞ্চালী কাকতি (IAS, দুগ্ধ উন্নয়ন), গৌৰী শংকৰ দাস (ACS, মীন), ড° অশ্বিনী কুমাৰ (IFS, ৰাজ্যিক চিৰিয়াখানা তথা উদ্ভিদ উদ্যান), তথা পশুপালন ক্ষেত্ৰৰ প্ৰগতিশীল কৃষক ড° গৌতম শৰ্মা, মীন ক্ষেত্ৰৰ প্ৰগতিশীল কৃষক ৰতি ৰঞ্জন দাস, উদ্যোগী নিৰৱ মেধি, মহিলা সমাজকৰ্মী পুৰবী ৰয় আৰু শিক্ষক প্ৰতিনিধি ক্ৰমে ড° দিলীপ কুমাৰ ডেকা, (পশু চিকিৎসা অনুষদ) আৰু ড° দীপক কুমাৰ শৰ্মা, (মীন অনুষদ)। পৰিচালনা পৰিষদৰ সদস্যসকলে বিশ্ববিদ্যালয়খনক সামগ্ৰিকভাৱে আগুৱাই নিয়াৰ ক্ষেত্ৰত জড়িত সকলো পক্ষই কৰা সহযোগিতাৰ শলাগ লয়। লগতে সমাজৰ সামগ্ৰিক কল্যাণৰ বাবে শৈক্ষিক উৎকৰ্ষ, গৱেষণা, উদ্ভাৱন আৰু সম্প্ৰসাৰণমূলক কাৰ্যকলাপ অধিক শক্তিশালী কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে।

# হাওৰাঘাটত মাকৈ ড্ৰেগনৰ বীজ বিতৰণ

**বাতৰি কাকত, হাওৰাঘাট, ২২ জুলাই ঃ** কাৰ্বি আংলং জিলাৰ হাওৰাঘাট কৃষি উন্নয়ন চক্ৰৰ উদ্যোগত হাওৰাঘাটৰ ভি ডি চি কাৰ্যালয়ত প্ৰাংগনত বৃহৎ সংখ্যক কৃষক ৰাইজৰ মাজত মাকৈ আৰু ড্ৰেগনৰ বীজ বিতৰণ কৰা হয়। উন্নত মানৰ বীজ বিতৰণ কাৰ্যসূচীত হাওৰাঘাটৰ ভি ডি চিৰ অধ্যক্ষ দেউৰী লেকথে হাওৰাঘাট কৃষি উন্নয়ন চক্ৰৰ সহকাৰী কৃষি পৰিদৰ্শক তপন বৰা কৃষি সম্প্ৰসাৰণ সহায়ক জয়ন্ত ডেকা আৰু মৃদুল বৰাই উপস্থিত থকাৰ লগতে ভি ডি চি কাৰ্যালয়ৰ সমূহ বিষয় ববীয়াই কাৰ্যসূচীত উপস্থিত থাকে। অঞ্চলটোৰ কৃষক ৰাইজৰ সুবিধাৰ অৰ্থে এই বীজ সমূহ কৃষক সকলক প্ৰদান কৰা হৈছে আৰু এই খেতিৰ দ্বাৰা কৃষক সকলক উপকৃত হব বুলি আশা প্ৰকাশ কৰিছে কৃষি বিষয়াসকলে। আন হাতে কৃষক সকলেও বীজ সমূহ লাভ কৰি গভীৰ সন্তোষ প্ৰকাশ কৰিছে আৰু কৃষি কাৰ্য সম্পাদনা কৰি কৃষি সামগ্ৰী সমূহ বজাৰত উপলব্ধ কৰিবলৈ কৃষক সকলক আহ্বান জনাইছে কৃষি বিষয়াসকলে।

## অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ অধিৱেশন স্থগিত

**ষ্টাফ ৰিপ'ৰ্টাৰ, নাজিৰা, ২২ জুলাই ঃ** ২২,২৩ আৰু ২৪ জুলাইত নাজিৰা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ আতিথ্যত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৪৫ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনখনি কাৰেং ঘৰৰ বাকৰিত অৱস্থিত গড়গাঁও মহাবিদ্যালয়ত অনুষ্ঠিত হোৱাৰ কথা আছিল। নাজিৰাত হোৱা বানপানীৰ বাবে অধিৱেশনস্থলীৰ লগত যোগাযোগ বিচ্ছিন্ন হোৱাত অধিৱেশনখন সামৰিক ভাৱে স্থগিত ৰখা হৈছে বুলি অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি নীলাক্ষী গগৈ আৰু প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে আদৰণী সমিতিৰ লগত আলোচনা কৰি জানিবলৈ দিয়ে।

## হাজৰিকাপাৰাত বাল্য বিবাহ-শিশু নিৰ্যাতনৰ সন্দৰ্ভত সজাগতা সভা

**ইন্দাদুল হক, ছিপাঝাৰ, ২২ জুলাই ঃ** অসম ভলীবল মিছন, ১০০ ৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰ ভলীবল লীগৰ হাজৰিকাপাৰা ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ খেলুৱৈ সকলৰ দ্বাৰা আজি এবছৰ ধৰি ইউনিছেফৰ দ্বাৰা বাল্য বিবাহ, শিশু নিৰ্যাতন, শিশু শ্ৰমিক বন্ধ কৰা কাৰ্যসূচী ৰূপায়ন হৈ আছে। প্ৰশিক্ষণ কেন্দ্ৰৰ খেলুৱৈ সকলে হাজৰিকাপাৰা অঞ্চলৰ সচেতন ব্যক্তি সকলক উক্ত বিষয়সমূহ ৰোধ কৰাৰ ক্ষেত্ৰত সচেতন হ'বলৈ প্ৰায়োজন বোধে খেলুৱৈ সকলক উক্ত কাৰ্যসূচী সমূহ সুচলভাৱে ৰূপায়িত কৰিবলৈ তেওঁলোকে সহযোগিতা কামনা কৰে । উক্ত কাৰ্যসূচীত ৰাষ্ট্ৰীয় ভলীবল ৰেফাৰী জয়ন্ত কুমাৰ শৰ্মা, ৰাজ্যিক ভলীবল ৰেফাৰী শিৱ প্ৰসাদ শৰ্মা, ৰাষ্ট্ৰীয় ভলীবল খেলুৱৈ সঞ্জীৱ শৰ্মা, হাজৰিকাপাৰা সাহিত্য সভাৰ সভাপতি হৰেশ্বৰ চহৰীয়া, যুৱ সাংবাদিক মানসজ্যোতি বৰুৱা, দ্বীপজ্যোতি চহৰীয়া প্ৰমুখ্যে কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# কাৰ্বি আংলঙত বানৰ বিভীষিকা



**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ২২ জুলাইঃ** উজনি অসমৰ পিছত এইবাৰ বানৰ সংহাৰী ৰূপ মধ্য অসমত। বিশেষকৈ পাহাৰীয়া জিলা কাৰ্বি আংলং জিলাত বানে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। জিলাখনৰ প্ৰকৃতিৰ অনুপম সৌন্দৰ্যৰ আকৰ কান্তিলাংছ আৰু ভিৰবাৰ পাহাৰৰ পৰা বৈ অহা মুষলধাৰ বৰষুণৰ পানীয়ে বুৰাই পেলাইছে দেনগাওঁ, ডকমকা সহ কাষৰীয়া প্ৰায় ২৭ খনৰো অধিক কাৰ্বি গাওঁ। যোৱা নিশাৰে পৰা গাঁৱকেইখনত আৱদ্ধ হৈ পৰে শতাধিক লোক। জলবন্দী হৈ পৰে পোহনীয়া জীৱ-জন্তু। পূৰ্বে কোনোদিনে ভয়ংকৰ বান বিভীষিকা দেখা নাই কাৰ্বি আংলংবাসীয়ে। হঠাৎ পাহাৰৰ পৰা নামি অহা বৰষুণৰ পানীয়ে অস্বাভাৱিক বান-বিভীষিকাৰ সৃষ্টি কৰে। বানত এজন যুৱক নিখোঁজ হৈ পৰাত আজি পুৱাৰ ভাগত যুৱকজনৰ মৃতদেহ উদ্ধাৰ হয়। কালি দুপৰীয়া বানৰ পানীত মাছ ধৰিবলৈ যোৱাৰ সময়ত বানে উটুৱাই নিছিল যুৱকজনক। কাৰ্বি আংলং জিলাৰ ডকমকাত বানত উটি যোৱা যুৱকজনৰ মৃতদেহ আজি পুৱাৰ ভাগত এচডিআৰএফে উদ্ধাৰ কৰিছে। যুৱকজনৰ নাম ৰাহুল এ !। বুলি জানিব পৰা গৈছে। কাৰ্বি আংলং জিলাত হঠাৎ বানে সংহাৰী ৰূপ ধাৰণ কৰাৰ সময়ত স্থানীয় প্ৰশাসনৰ ভূমিকাক লৈ সৰৱ হৈ পৰে স্থানীয় ৰাইজ। ৰাইজৰ অভিযোগ মতে, বানৰ সময়ত প্ৰশাসনে কোনো ধৰণৰ তৎপৰতা দেখুৱা নাই। ইপিনে ভয়ংকৰ বানৰ কবলত পৰা ডবকা-ডিফু সংযোগী ৩৬ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত একঁকাল পানী হোৱাৰ ফলত পথছোৱাদে যাতায়াত বন্ধ হৈ পৰিছে। ভয়ংকৰ বানে ডকমকাত ডিফু সংযোগী ৰাষ্ট্ৰীয় ঘাইপথৰ এছোৱা উটুৱাই লৈ যোৱাত সম্প্ৰতি পথছোৱাৰে সকলো ধৰণৰ যাতায়াত বন্ধ হৈ পৰে। হোজাই জিলা প্ৰশাসন আৰু কাৰ্বি আংলং জিলা প্ৰশাসনে পথছোৱা বন্ধ কৰি দিছে। ফলত ডিমাপুৰ, নাগালেণ্ড, মনিপুৰ অভিমুখী সকলো ধৰণৰ যাতায়াত ব্যাহত হৈ পৰিছে। ইপিনে ডবকাতো বানে সংহাৰী ৰূপ ধাৰণ কৰিছে। ডবকাৰ বুঢ়ীগংগা পাহাৰৰ পৰা বৈ অহা দেউৰীজান আৰু বোকাজান নৈৰ পানীত সুতাৰগাওঁ পঞ্চায়তৰ এক বিস্তৃৰ্ণ অঞ্চল বানত ডুব গৈছে। বিশেষকৈ ডবকা পৌৰসভা এলেকাৰ দুই নম্বৰ ৱাৰ্ড, সুতাৰগাওঁ পঞ্চায়তৰ কেবাখনো গাঁৱৰ ঘৰ-দুৱাৰ বানৰ কবলত পৰিছে। বিশেষকৈ ডবকা পৌৰসভা এলেকাত দেউৰীজান নৈৰ সোঁতত কোনো লোকে মাটি দি ভেটা দিয়াৰ ফলত পানী নামি অহাৰ সকলো পথ বন্ধ হৈ পৰিছে। প্ৰতি বছৰ বাৰিষাৰ সময়ত এই অঞ্চলৰ ৰাইজে বানত ককবকাই থাকিবলগীয়া হয়। সোমবাৰে ডবকা ৰাজহ চক্ৰ বিষয়াই বিভিন্ন বিভাগৰ বিষয়া সকলক লৈ পৰিস্থিতি নিৰীক্ষণ কৰিছে। যোৱা দুদিনৰ পৰা হোৱা মুষলধাৰ বৰষুণৰ ফলত যমুনা নৈৰ পানী ফেনে ফুটুকাৰে বাঢ়িছে। ইপিনে কাৰ্বি আংলঙত বান সদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱাত সেই পানীখিনিও আহি যমুনা নৈত পৰিছে। ফলত যমুনাৰ বানে যিকোনো সময়ত ভয়ংকৰ ৰূপ ধাৰণ কৰিব পাৰে। ফলত ডবকা চহৰৰ পৰা নাহৰগাওঁ সংযোগী যমুনা নৈৰ ওপৰত থকা শতিকা প্ৰাচীন দলংখনৰ ওপৰেদি সকলো ধৰণৰ যাতায়াত বন্ধ কৰা হৈছে। বান পৰিস্থিতি উন্নত হলে পুনৰ দলংখন মুকলি কৰি দিয়া হ'ব।

# বানপানীৰ কবলত গুৱাহাটী-ডিব্ৰুগড় সংযোগী পথ যান-বাহন চলাচল ব্যাহত

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২২ জুলাই ঃ** ৰাজ্যজুৰি অব্যাহত থকা প্ৰলয়ংকাৰী বান পৰিস্থিতিৰ বাবে জনজীৱন স্তব্ধ হৈ পৰাৰ লগতে যাতায়াত ব্যৱস্থাও চূড়ান্তভাৱে ব্যাহত হৈ পৰিছে। বিশেষকৈ গুৱাহাটী-ডিব্ৰুগড় সংযোগী ৰাষ্ট্ৰীয় ঘাইপথৰ কেইবাটাও স্থান জলমগ্ন হৈ পৰাত যান-বাহন চলাচলৰ ক্ষেত্ৰত জটিলতা সৃষ্টি হৈছে। বানপানীৰ ফলত শিৱসাগৰ আৰু যোৰহাট জিলাৰ একাধিক অংশৰ পথ প্লাৱিত হৈছে। ইয়াৰ ফলত গুৱাহাটীৰ পৰা ডিব্ৰুগড় অভিমুখে অহা বাহনসমূহৰ চলাচল সাময়িকভাৱে স্তব্ধ হৈ পৰিছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি যান-বাহনসমূহক কলিয়াবৰৰ পৰা বিকল্প পথলৈ ঘূৰাই দিয়া হৈছে। ডিব্ৰুগড় জিলা প্ৰশাসনে এক নিৰ্দেশনা জাৰি কৰি ডিব্ৰুগড়মুখী বাহনসমূহক তেজপুৰ-বিশ্বনাথ চাৰিআলি হৈ বগীবিল দলঙৰ মাজেৰে চলাচল কৰিবলৈ পৰামৰ্শ দিছে। বান পৰিস্থিতি শাম কটাৰ পিছত আৰু পথৰ অৱস্থা স্বাভাৱিক হ'লেই পূৰ্বৰ দৰে ৰাষ্ট্ৰীয় ঘাইপথত পুনৰ যান-বাহন চলাচল আৰম্ভ কৰা হ'ব বুলি প্ৰশাসনে জনাইছে। লগতে প্ৰশাসনে চালকসকলক যান-বাহন আৰক্ষীৰ সকলো নিৰ্দেশনা মানি চলিবলৈ আৰু প্ৰয়োজন নহ'লে প্লাৱিত পথসমূহেৰে যাত্ৰা নকৰিবলৈ আহ্বান জনাইছে। পথৰ লগতে ৰে'ল যাতায়াতৰ ওপৰতো বানপানীয়ে ব্যাপক প্ৰভাৱ পেলাইছে। এই বান পৰিস্থিতিৰ বাবে উজনিমুৱা পাঁচখন আৰু নামনিমুৱা পাঁচখনকৈ মুঠ দহখন ৰে'ল বাতিল কৰা হৈছে। বাতিল হোৱা ৰে'লসমূহৰ ভিতৰত শিলিগুড়ি—ডিব্ৰুগড় পেচেঞ্জাৰ, ৰঙীয়া-তিনিচুকীয়া ইণ্টাৰচিটি, লামডিং-তিনিচুকীয়া ডেম' ৰে'ল আদিকে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ ৰে'ল সেৱা অন্তৰ্ভুক্ত হৈ আছে।

# হাৰিভাঙাত নলবাৰী জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আইন সজাগতা সভা

**কুমুদ বৰ্মন, টিহু, ২২ জুলাইঃ** টিহুৰ সমীপৰ হাৰিভাঙাস্থিত পশ্চিম নাম্বৰভাগ গাঁও পঞ্চায়তৰ কাৰ্যালয় প্ৰাংগণত আজি নলবাৰী জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আৰু জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব জুৰী দত্তৰ দিক-নিৰ্দেশনা আৰু আন্তৰিক প্ৰচেষ্টাত এখন আইন সজাগতা সভা সফলতাৰে সম্পন্ন হয় ।সভাত অধিবক্তা অঞ্জুৰাণী দাসে 'অসম লোকায়ুক্ত আৰু উপ-লোকায়ুক্ত আইন, ১৯৮৫ (২০২২ সংশোধনীসহ)' সম্পৰ্কে বক্তব্য ৰাখি লোকায়ুক্তৰ উদ্দেশ্য, দুৰ্নীতি বা অনিয়মৰ অভিযোগ দাখিলৰ পদ্ধতি, প্ৰয়োজনীয় নথি-পত্ৰ, মিছা অভিযোগৰ পৰিণাম আৰু জনসাধাৰণৰ ভূমিকা সম্পৰ্কে উপস্থিত ৰাইজক অৱগত কৰে । ইয়াৰ পিছতে অদ্ধ আইনী স্বেচ্ছাসেৱক ৰঞ্জিত তালুকদাৰে আইন খনৰ মূল বিষয় সমূহ সংক্ষেপে ব্যাখ্যা কৰি চৰকাৰী জনসেৱকৰ বিৰুদ্ধে দুৰ্নীতি বা অনিয়মৰ ক্ষেত্ৰত আইনসম্মত ভাৱে লোকায়ুক্তৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। লগতে লগতে যিকোনো আইনী সহায় সম্পৰ্কে অধিক জানিব বা সহায়ৰ প্ৰয়োজন হ'লে তেওঁৰ সৈতে যোগাযোগ কৰিবলৈও ৰাইজক আহ্বান জনায়। উপস্থিত ৰাইজে বিষয়বস্তুসমূহ গভীৰ আগ্ৰহেৰে গ্ৰহণ কৰে আৰু এনে আইন সজাগতা কাৰ্যসূচীয়ে আইনী সচেতনতা বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি বিভিন্নজনে মত প্ৰকাশ কৰে।

# তেজপুৰত সোনম ৱাংচুকৰ আন্দোলনৰ প্ৰতি সমৰ্থনৰে একাধিক স্থানত উত্তাল প্ৰতিবাদ

**বাতৰি কাকত,তেজপুৰ, ২২ জুলাইঃ** অন্যায় দেখিও তোমাৰ মনত যদি খং উঠা নাই,তেন্তে বুজিবা তুমি গোলামীক স্বীকাৰ কৰি লৈছা। অন্যায় মুক্ত ভাৰত,ভয়মুক্ত ভাৰত বিচাৰি দেশৰ ভিন্ন প্ৰান্তৰ লগতে আজি তেজপুৰতো এক গণ অৱস্থান কাৰ্যসূচীত অনুৰণিত হ'ল এই ধ্বনি। উচ্চাৰিত হ'ল সম্ৰাট অশোকৰ পৰা মহাত্মা গান্ধীলৈ সত্য আৰু অহিংস পন্থাৰ অপৰাজিত শক্তিৰ প্ৰাসংগিকতাৰ কথাও। দেশৰ লাখ লাখ শিক্ষাৰ্থীৰ সুৰক্ষিত শৈক্ষিক ভৱিষ্যতৰ বাবে ২৮ জুনৰ পৰা অনশনৰত দেশৰ বিশিষ্ট উদ্ভাৱক, পৰিৱেশ বিজ্ঞানী সোনম ৱাংচুক আৰু হেজাৰ হেজাৰ শিক্ষাৰ্থীৰ অহিংস- গণতান্ত্ৰিক আন্দোলনৰ প্ৰতি সহমৰ্মিতা জনাই আজি দিনৰ ৰ বজাৰ পৰা তেজপুৰৰ ভূপেন হাজৰিকা কলাভূমিৰ সন্মুখত তেজপুৰৰ ভালেসংখ্যক বিশিষ্ট নাগৰিক, বিভিন্ন সংগঠনৰ প্ৰতিনিধি আৰু শিক্ষা প্ৰতিষ্ঠানৰ ছাত্ৰ ছাত্ৰীয়ে এক 'গণ অৱস্থান'ৰে প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। শৈক্ষিক সংস্কাৰ আৰু প্ৰশ্নকাকত ফাদিলকে ধৰি শৈক্ষিক ক্ষেত্ৰত সংঘটিত হৈ অহা শিক্ষাৰ্থীসকলৰ জীৱনক লৈ হেতালি খেলা কাণ্ডৰ বাবে চৰকাৰে নৈতিক দায়িত্ব স্বীকাৰ কৰাৰ দাবীত আয়োজিত গণ অৱস্থানত সমবেত প্ৰতিবাদকাৰীসকলে কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰেই ৱাংচুকসহ আন্দোলনৰত শিক্ষাৰ্থীসকলৰ স'তে গণতান্ত্ৰিক আলোচনাৰ উদ্যোগ গ্ৰহণ কৰক, শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগ কৰক, এনটিএ বাতিল কৰক ৰাজহুৱা শিক্ষা ৰক্ষা কৰক, দেশৰ শিক্ষা ব্যৱস্থা সুস্থ নিকা গণতান্ত্ৰিক কৰি তোলক, ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি খেলা বন্ধ কৰক,গণতান্ত্ৰিক আন্দোলনত পুলিচৰ হস্তক্ষেপ বন্ধ কৰক আদি শ্লোগানেৰে প্ৰতিবাদস্থলীৰ পৰিৱেশ উত্তাল কৰি তোলে। এই গণ অৱস্থান কাৰ্যসূচীত অংশ লৈ তেজপুৰ নাগৰিক সমাজৰ সভাপতি তথা দৰং মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক পূৰ্ণেশ্বৰ নাথে কয় যে আজি আমি আমাৰ গণতান্ত্ৰিক অধিকাৰ সুৰক্ষিত কৰাৰ বাবে একত্ৰিত হৈছো। দেশৰ পৰাধীনতাৰ সময়তো গণতান্ত্ৰিক আন্দোলনৰ প্ৰতি শাসকগোষ্ঠীয়ে শ্ৰদ্ধা জনাইছিল। কিন্তু বৰ্তমানৰ শাসক শ্ৰেণীয়ে ছাত্ৰ ছাত্ৰীৰ নায্য দাবী শুনাতো দূৰৰ কথা, প্ৰতিবাদী কণ্ঠ ৰোধ কৰাৰ বাবেহে উঠি পৰি লাগিব ধৰিছে। তিনিঘণ্টীয়া এই প্ৰতিবাদী কাৰ্যসূচীত অংশ লৈ বিশিষ্ট সমাজকৰ্মী মিনাক্ষী ভূএগ, নাট্যকাৰ ঐশ্বৰ্য কাকতি, তেজপুৰ নাগৰিক সমাজৰ উপ সভাপতি পুলীন ভট্টাচাৰ্য,সুলেখক শান্তনু বৰুৱা আৰু লক্ষী শইকীয়া, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° ভূপেন শইকীয়া, চি পি আই এম এলৰ ৰুবুল শৰ্মা, জনসাংস্কৃতিক পৰিষদৰ ৰাজু বৰুৱা, তেজপুৰ নাগৰিক সমাজৰ সম্পাদক অঞ্জন গোস্বামী,সদৌ অসম সাংবাদিক সন্থাৰ সভাপতি পংকজ কুমাৰ নাথ,এআই ডি এছ অ'ৰ ৰাজ্যিক উপসভাপতি পল্লৱ পেগু, জিলা সভাপতি নয়নমণি চৌধুৰী,উপ সভাপতি মাধুৰ্য গগৈ আৰু আদিত্য গগৈ, চি পি এমৰ জিলা সম্পাদক মনেশ্বৰ বড়োসহ বহুকেইগৰাকী বিশিষ্ট নাগৰিকে তেওঁলোকৰ বক্তব্যত দেশৰ শিক্ষা ব্যৱস্থাক সুস্থ আৰু নিকা কৰাৰ উদ্দেশ্যে দেশৰ ছাত্ৰসমাজে তুলি ধৰা ন্যায্য দাবীসমূহ শীঘ্ৰে মানি ল'বলৈ চৰকাৰক দাবী জনায়। প্ৰতিবাদকাৰীসকলে সুধাকণ্ঠ ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে' শীৰ্ষক প্ৰখ্যাত গীত সমস্বৰে পৰিৱেশন কৰি কাৰ্যসূচীৰ সমাপ্তি ঘটায়। আনহাতে,নতুন দিল্লীৰ চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাৰ পৰাই ৱাংচুকে বাৰ্তাৰ জৰিয়তে আজিৰ দ্বিতীয় স্বাধীনতাৰূপী সংসদ যাত্ৰা সফল কৰাৰ বাবে আহ্বান জনোৱা দিনটোতে চিপিআইশ্চএমগ্নৰ শোণিতপুৰ জিলা কমিটিৰ উদ্যোগতো সোমবাৰে এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়। তেজপুৰ হেমবৰুৱা ভৱন চৌহদৰ সন্মুখত বামপন্থী দলটোৰ অসম ৰাজ্যিক কমিটিৰ সদস্য ৰবিন তামুলী, শোণিতপুৰ জিলা সম্পাদক মনেশ্বৰ বড়ো,জিলা সম্পাদক মণ্ডলীৰ সদস্য সুভ্ৰাংশু ৰঞ্জন দেব আৰু অমিতাভ চৌধুৰী,কৃষক নেতা লীলা ভূএগ আৰু জ্যোতি নাথ,জিলা কমিটিৰ জ্যেষ্ঠ সদস্য ভবানন্দ ৰায়ৰ লগতে জিলাখনৰ জিলাখনৰ ভিন্ন প্ৰান্তৰ কৰ্মকৰ্তা আৰু সমৰ্থকসকল দিনৰ ১১ বজাত সমবেত হয় আৰু দেশজোৰা প্ৰতিবাদী কাৰ্যসূচীৰ অংশ হিচাপে প্ৰতিবাদী বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে 'সোনম ৱাংচুক আৰু আন্দোলনকাৰীসকলৰ ওপৰত চলোৱা সকলো দমনমূলক ব্যৱস্থা অবিলম্বে বন্ধ কৰক', 'আন্দোলনকাৰীসকলৰ সংবিধানসন্মত গণতান্ত্ৰিক অধিকাৰ আৰু শান্তিপূৰ্ণ প্ৰতিবাদৰ অধিকাৰ নিশ্চিত কৰক', 'শিক্ষা ব্যৱস্থা সংক্ৰান্ত দাবীসমূহৰ ওপৰত আন্দোলনকাৰীসকলৰ সৈতে তৎক্ষণাত আলোচনা আৰম্ভ কৰক' 'কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগ কৰক,' 'ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা বাতিল আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ প্ৰত্যাহাৰৰ দাবীসমূহ গুৰুত্বসহকাৰে বিবেচনা কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰক', 'গণতন্ত্ৰ, সংবিধান আৰু নাগৰিকৰ মৌলিক অধিকাৰ সুৰক্ষা নিশ্চিত কৰক' আদি শ্ল'গান আৰু দাবীৰে পৰিৱেশ উত্তাল কৰি তোলে ।প্ৰতিবাদকাৰী নেতাসকলে প্ৰতিবাদস্থলীত প্ৰদান কৰা বক্তব্যত ৱাংচুক আৰু তেওঁৰ স'তে আন্দোলনত জড়িত হোৱা সকলোৰে ওপৰত চলোৱা বলপূৰ্বক দমনমূলক ব্যৱস্থাৰ প্ৰতি গভীৰ উদ্বেগ প্ৰকাশ কৰি কয় যে,দেশৰ শিক্ষা ব্যৱস্থাত বিৰাজ কৰা অনিয়ম, প্ৰশ্নকাকত ফাদিল, শিক্ষাৰ বাণিজ্যিকীকৰণ, ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা ৰ ভূমিকা আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ বিৰুদ্ধে গণতান্ত্ৰিকভাৱে দাবী উত্থাপন কৰি থকা অৱস্থাত আন্দোলনকাৰীসকলৰ ওপৰত বলপ্ৰয়োগ, বাধা-নিষেধ আৰু দমনমূলক ব্যৱস্থা গ্ৰহণ কৰাটো ভাৰতৰ সংবিধান প্ৰদত্ত মত প্ৰকাশৰ স্বাধীনতা আৰু গণতান্ত্ৰিক অধিকাৰ পৰিপন্থী। গণতন্ত্ৰত জনতাৰ দাবীৰ উত্তৰ বলপ্ৰয়োগেৰে নহয়, আলোচনাৰ জৰিয়তেহে দিব লাগে। সেয়েহে চৰকাৰক তৎক্ষণাত হস্তক্ষেপ কৰি গণতান্ত্ৰিক পৰিৱেশ পুনঃস্থাপন কৰাৰ বাবে আহ্বান জনায়। উল্লেখ্য যে, প্ৰতিবাদকাৰীসকলে প্ৰসংগক্ৰমে সকলো সচেতন নাগৰিকক এই গণতান্ত্ৰিক আন্দোলনত ওলাই আহিবলৈকো আহ্বান জনায়। ইয়াৰ পাছত বামপন্থীদলটোৰ কৰ্মকৰ্তা- আৰু সমৰ্থকসকলে উপৰোক্ত দাবী সম্বলিত শ্ল'গান দি চহৰখনৰ মূলপথৰে এক প্ৰতিবাদী সমদল কাৰ্যসূচী ৰূপায়ণ কৰে ।

**Name Correction**

My actual and correct name is Suren Kakoti in my all official and none official documents including Aadhaar card. But my name has wrongly recorded in my Jamabandi copy, patta No-250,Lot 08 under Nonoi Namkori Gaon, Nagaon district as Suren Sut instead of Suren Kakoti. Actually Suren Sut and Suren Kakoti are Same and single person.

**Suren Kakoti**
Uria Gaon,
Nonoi, Nagaon.

**Affidavit**

I, JOYFUL BEGUM, W/o - Abdur Rouf Khan, D/o- Abdul Jalil, a resident of Vill- Bhomrabil No-2, PO- Haraputa, PS - Gossaigaon, Dist- Kokrajhar, Assam do hereby solemnly affirmed and declared by an affidavit before the Notary public, Govt of Assam at Bilasipara on 21/07/2026 that My actual and correct name is JOYFUL BEGUM, as well as my father's correct name is Abdul Jalil as per my Aadhaar card, PAN Card and other documents, But my name has been wrongly recorded in my SBI Bank Account vide A/C No. 36001894466 under Gossaigaon Branch as JOYFUL BIBI in place of JOYFUL BEGUM as well as my father's name has been wrongly recorded as Abdul Jalil Sheikh in place of Abdul Jalil. That, JOYFUL BEGUM and JOYFUL BIBI are the same person having one identical person i.e. myself as well as Abdul Jalil and Abdul Jalil Sheikh are the same persons having one identical persons who are my father.

**Name Correction**

My actual/correct name/surname is REBATI BRAHMA and the same name/surname has been recorded in my AADHAAR Card vide No. 4393 5587 7650, PAN Card vide No- FSKPB2783L & Voter ID Card vide No-GJP6837985 including my all other relevant documents.Due to bonafide mistake my name/surname has been recorded in my Assam Gramin Vikash Bank Account vide A/C. No. 7136010010172 maintained at Kachugaon Branch as REBOTI BALA BRAHMA in place of the correct. Both, REBATI BRAHMA and REBOTI BALA BRAHMA is the same and one identical person i.e. myself.

**REBATI BRAHMA**
W/O. Amarendra Brahma
Vill- Fersuabari
P.O. Patakata
P.S. Kachugaon
Dist.- Kokrajhar, BTC, (Assam)
PIN- 783350.

**Name Correction**

My actual and correct name is SHAHAJAHAN MIAH. But my name has been wrongly recorded as SHAJAHAN in my Land records vide Patta No.176, Dag No. 238 situated at Revenue village Moynabandha, under Mankachar Revenue Circle.

That, the names SHAHAJAHAN MIAH & SHAJAHAN are the same and one identical person i.e.myself.

**SHAHAJAHAN MIAH**
S/O. Golam Rahman.
Vill- Roghupara.
P.O. Fekamari.
P.S. South Salmara.
Dist. South Salmara, Mankachar.

**নাম শুধৰণি**

মোৰ প্ৰকৃত আৰু শুদ্ধ নাম কামাল আলী। হাজো ৰাজহ চক্ৰৰ হাজো মৌজাৰ হিৰাজানি ৰাজহ গাঁৱৰ ৪৯ নং পট্টাৰ ১৯১/২৬১ দাগৰ মোৰ ভূমিৰ জমাবন্দীত ভুলবশতঃ মঝা কামাল আলী অন্তৰ্ভুক্ত হৈছে। ২২-৭-২৬ তাৰিখত গুৱাহাটী মহানগৰ আদালতত কামাল আলী আৰু মঝা কামাল আলী একেজন আৰু এজনেই ব্যক্তি বুলি শপতনামা দাখিল কৰিছোঁ।

**কামাল আলী**
পিতা- শুকুৰ আলী
গাঁও- হিৰাজানি
পোঃ অঃ- কলিতাকুছি
থানা- হাজো, কামৰূপ, অসম

**Name Correction**

My actual and correct name is "MARJINA KHATUN" which is recorded in all my official and non official documents. But my name has been wrongly recorded in my Assam Gramin Vikas Bank passbook , Silongoni Branch. Bearing Vide A/C no-7264029019952 as "MARJINA BEGUM" instead of "MARJINA KHATUN" MARJINA KHATUN and "MARJINA BEGUM " are the name of same and single person.

**MARJINA KHATUN**
W/O- ISMAIL ALI
Vill- Katimari Pather
P.O- Herapati
P/S- Nagaon Sadar
Dist- Nagaon (Assam)
Pin: 782002.

**Name Correction**

My actual and correct name is "JYOTSNARA BEGAM" which is recorded in all my official and non official documents. But my name has been wrongly recorded in my Assam Gramin Vikas Bank passbook , Silongoni Branch. Bearing Vide A/C no-7264027001436 as "JUSNARA BEGUM" instead of "JYOTSNARA BEGAM "JYOTSNARA BEGAM" and "JUSNARA BEGUM" are the name of same and single person.

**JYOTSNARA BEGAM**
W/O: Abdur Rahman
Vill: Katimari Pather
P.O: Herapati
P/S: Nagaon Sadar
Dist: Nagaon (Assam)
Pin: 782002.

**Name Correction**

My actual and correct name is Bipul Nath S/o Tarani Kanta Nath, Vill- Mathurapur (Khalihaguri), P.o-Tihu, P.s- Tihu, Dist- Nalbari (Assam). But my name has been Wrongly recorded in my Land documents (Jamabandi) as "Sanatan Nath instead of Bipul Nath. Bipul Nath and Sanatan Nath is the same and one person.

**Bipul Nath**
S/o- Tarani Kanta Nath
Vill- Mathurapur (Khalihaguri)
Dist - Nalbari (Assam)
P.o-Tihu, (781371).

## গ্ৰন্থ আলোচনা ঃ

# নিঃসংগ শংখৰ ছাঁ

■ পৱন বৰ্মন

ঋতুবাস্তৱ হাজৰিকাৰ কবিতা সংকলন 'নসংগ শংখৰ ছাঁ' পঢ়িলোঁ। এমুঠি ভাল লগা কবিতাৰে সংকলনখন সজাই তুলিছে। কবিতাৰ পাঠক হিচাপে মই একেবাৰে অপৰিপক্ক, তৎসত্বেও কবি হাজৰিকাৰ কবিতা সংকলনখন পঢ়োঁতে মনৰ মাজত উকমুকাই থকা কিছু কথা প্ৰকাশ কৰিব মন গ'ল ।

কবিতানো কি?

কবিতা কি তাৰ সঠিক উত্তৰ হয়তো নোলাব, কিন্তু কবিতা সম্পৰ্কত আমাৰ কিছু ছাঁ-পোহৰৰ দৰে ধাৰণা আছে। তাহানিৰে পৰা মুনিহ-জ্ঞানীসকলে কবিতা চৰ্চা কৰি আহিছে, কবিতাৰ ওপৰত বিস্তাৰিত আলোচনা হৈছে। মানুহে প্ৰকৃতিৰ বিভিন্ন দিশ নিপুণ ভাৱে পৰ্যবেক্ষণ কৰি থাকোঁতে মন-মগজুত সৃষ্টি হোৱা অলেখ স্পষ্ট-অস্পষ্ট ভাৱবোৰ কবিয়ে শব্দৰ যাদুকৰী ভাষাৰে প্ৰকাশ কৰে। ঋতুবাস্তৱ হাজৰিকাৰ কবিতা পঢ়ি অনুমান কৰিব পাৰিছোঁ তেখেত এজন অনুভৱী লগতে কৌশলী কবি। তেওঁৰ কবিতাত যিদৰে বিচাৰি পাও প্ৰেম আৰু বিষাদ তেনেকৈ তেওঁক ক'ব পাৰি বিদ্ৰোহী কবি বুলিও। সমাজৰ বিভিন্ন দিশৰ ঘটনা প্ৰবাহ দেখি-শুনি কবিৰ মন-মগজুত সৃষ্টি হোৱা অলেখ স্পষ্ট-অস্পষ্ট ভাৱনাবোৰ কবিয়ে শব্দৰে সঠিক জোখ-মাপত ব্যৱহাৰ কৰিছে যেন অনুমান হয় । কবি হাজৰিকাৰই শ্লেষপূৰ্ণ কাব্যভংগীমাৰে আমি আমাকে ক'বলগীয়া কথাবোৰ কবিতাৰে চিত্ৰিত কৰিবলৈ যত্ন কৰিছে ।

সংকলন খনৰ প্ৰথম কবিতাটিতে কবিয়ে কৈছে-

> 'কথাবোৰ যেতিয়া তোৰ-মোৰ হ'ল
> ভাল নলগা হ'ল
> তোৰ - মোক
> মোৰ - তোক - (সহোদৰ)

এই কবিতাটিত কবিয়ে অলংকাৰ অবিহনে আমাৰ সেই দৃশ্যটো তুলি ধৰিছে য'ত (শৈশৱ) আমাৰ ভাই-ভনীৰ মাজত তোৰ-মোৰ বুলি বিশেষ একো নাথাকে, সকলো আমাৰ আৰু যেতিয়ালৈ আমাৰ হৈ থাকে আমি সুখী। ডাঙৰ হৈ অহাৰ লগে লগে আমাৰ মগজুত বাহ লয় এক দুৰাকাংক্ষি ব্যাধি, ফলত আমি হৈ পৰোঁ স্বাৰ্থপৰ। আমি নিচিনা হৈ পৰোঁ আমাৰ সহোদৰকো, ইজনে সিজনৰ প্ৰতি বিদ্বেষী হৈ পৰোঁ। এয়া আমাৰ বাবে অনাকাংক্ষিত এখন জীয়া ছবি ।

'শামুক' কবিতাটি চুটি কিন্তু পাঠকে নিজস্ব ভাৱনাৰে সজাই ল'ব পৰা এটি ঘন অৰ্থৱহ কবিতা।

আমাৰ নবীন কবিসকলৰ মনত সাধাৰণতে প্ৰেম আৰু বিদ্ৰোহৰ কবিতাই বাহ সাজে। এই দুই ধৰণৰ কবিতাই আমাক বৰকৈ আকৰ্ষিতও কৰে। বিদ্ৰোহী কবিতাৰ ভাষা কঠোৰ। যিমানে ভাষাৰ কঠোৰতা বেছি হয় সিমানেই বিদ্ৰোহী কবিতাই পাঠকক আকৰ্ষিত কৰি মনত ঝংকাৰৰ সৃষ্টি কৰে। কবি হাজৰিকাৰৰ তেনে এটি কবিতা 'বাদানুবাদ'।

> 'নাতিদূৰৈত পাগলী তিৰোতা এজনীৰ
> স্তন খামুচি কান্দি আছে এটা জাৰজ (শিশু)
> এনেদৰে
> শৰীৰৰ প্ৰত্যেক অংগ প্ৰত্যংগৰ বাদানুবাদত
> মই হৈ পৰিছোঁ এটা অকামিলা মানুহ - (বাদানুবাদ)

কবি হাজৰিকাই বাদানুবাদ কবিতাটিত শ্লেষপূৰ্ণ কাব্যভংগীমাৰে সমাজৰ মানুহ হিচাপে জীৱ শ্ৰেষ্ঠ হ'বলৈ ক'বলগীয়া বহু কথা কবিতাটিৰ দ্বাৰা প্ৰকাশ কৰিছে। আমি নিজেই জীৱ শ্ৰেষ্ঠ খিতাপ দখল কৰা জীৱ আৰু সেই কথা আমাক কেতিয়াবা সোঁৱৰাই দিবলগীয়া হয়। আমি আমাৰ মাজতে সৃষ্টি কৰি লৈছোঁ উচ্চ-নীচ, ধনী-দুখীয়া, ক'লা-বগা কিমান যে কি! কোনোয়ে উদৰ পূৰাই খায় কোনোয়ে খুদ-কণৰো ভাগ্য নহয়! আমাৰ মাজত কিয় এই বিভাজন কিয় এই বাদানুবাদ? আমি হেৰুৱাইছোঁ নেকি আমাৰ ভিতৰৰ মানৱতা!

> 'কোঠাৰ ভিতৰত মই আকৌ মৰিছোঁ'
> মই (কবি) মানুহ হিচাপে জীয়াই আছোঁ নে?

নে মোৰ আত্মা ইতিমধ্যে মৰি গৈছে! হয় আমি যেন মৰিছোঁ, মৰিছে আমাৰ মানৱতা আৰু হৈ পৰিছোঁ পিশাচ সদৃশ অকামিলা মানুহ।

কবি হাজৰিকাৰ অনুভৱ বৰ চিন্তাগধুৰ কেতিয়াবা কবিৰ মনত কিছু কথাই আউল লগাই -কাৰোবাৰ মুখলৈ চাই কৈ দিব নোৱাৰি বুকুৰ যন্ত্ৰনা অথবা বিদ্ৰোহৰ কথা - (সহজতে একোৰে কৈ দিব নোৱাৰি)

আমি একোৰে ঘপহকৈ কৈ দিব নোৱাৰো। কেতিয়াবা হাঁহিৰ আঁৰৰ ছবি খনো কৰুণ হৈ পৰে। ঠিক তেনেকৈ চকুলোৰ পিছতো থাকে কপটতা।

'সময়' কবিতাটি আমাৰ প্ৰত্যেকৰে বাবে, আমি জীয়াই থাকিবলৈ সংগ্ৰাম কৰিবই লাগিব। নহ'লে আমি হৈ পৰিম নিস্কৰ্মা, এলেহুৱা। তেতিয়া সময়ে আমাক ক্ষমা নকৰিব আৰু তেতিয়া আমি ভাগ্যক দোষীলে নহ'ব। প্ৰাণবায়ু থকালৈ নিজক জীয়াবলৈ আপ্ৰাণ চেষ্টা কৰিব লাগিব। জীৱনত দুখ-বেদনা আছে থাকিব, দুঃসময় পাৰ হ'ব এই বিশ্বাসেই অদৃশ্য দুহাত। এই দুহাত খামুচি পাৰ কৰিব লাগিব জীৱন যুদ্ধ।

'মৃত শব্দবোৰ' কবিতাটি চুটি যদিও কবিতাটি পাঠকে নিজা অনুভৱেৰে চিত্ৰায়ন কৰি ল'ব পাৰে - এইখিনিতে লুকাই থাকে কবিৰ সাৰ্থকতাও। কবিতাটি পঢ়ি আমাৰ অনুভৱ হৈছে - কবিৰ মনলৈ অতীতৰ স্মৃতি বৈ আহি কবিক আমনি কৰিছে, কবিৰ মনটো গধুৰ হৈ পৰিছে, কবিক ঘেৰি ধৰিছে এক অকল্পনীয় বেদনাই। কবি ইয়াৰ পৰা পৰিত্ৰাণ বিচাৰিছে, লিখিব বিচাৰিছে কবিতা, যেন শব্দৰ মাজত বিলীন হৈ পৰিব।

'ৰাতিবাদ' পঢ়ি বিভোৰ হৈ পৰিছোঁ, কবিতাটি একেবাৰে সৰল যদিও চিত্ৰকল্প সাংঘাতিক, শ্লেষ আৰু কৌতুকময়তাৰে পূৰ্ণ এটি চিন্তাগধুৰ কবিতা।

> 'পৃথিৱীৰ বহু বদনামৰ ভাৰ জাপি দিয়া
> হয় ৰাতিক বহু জঘন্য সময়ৰ সাক্ষী ৰাতি' - (ৰাতিবাদ)

ৰাতি বদনামী কিন্তু ৰাতিৰ দোষ বা কি! পোহৰ নোহোৱা সুযোগত কোনো জাপি দিয়ে ৰাতিক সেই বদনাম? ৰাতি মাথোঁ নিৰৱ সাক্ষী সেই নাৰকীয় ঘটনাবোৰৰ, সেইবাবেই ৰাতি বদনামী। ৰাতি কিছুলোকৰ (ভোকৰ ভাত) কিছুলোকৰ 'হাট' - যিদৰে কবি ৰাতিকলৈ সংকিত তেনেকৈ ৰাতিকলৈ আশাবাদীও। কাৰণ ৰাতিৰ আশ্ৰয়তে বহু লোকে গোটাইছে পেটৰ ভাতমুঠি। ৰাতিবাদ থাকিব কিন্তু বিষয় হ'ল মানুহ হিচাপে ৰাতি বিশ্ৰাম ল'ম নে মুখাপিন্ধি ঘূৰিম!

'বাঁহ ফুলিছে' এটি বাঙ্ময় কবিতা। কবিতাটিত এটি লোকবিশ্বাসকলৈ কায়দাৰে চিত্ৰাংকন কৰিছে - বাঁহ ফুলা আমাৰ লোকবিশ্বাস মতে অশুভ লক্ষণ। বাঁহ ফুলিলে দুৰ্ভিক্ষ হয় বুলি জনমানসত এক ধাৰণা আছে। কবিয়ে অনুভৱ কৰিছে যেন আমাৰ সমাজখনতো দুৰ্ভিক্ষই দেখা দিছে। ৰাতি পাহাৰত গুলী ফুটিছে! কিন্তু গুলী কিয় ফুটে? নিশ্চিতভাৱে কাৰোবাক হত্যা কৰা হ'ব। অকাল মৃত্যু ঘটিব মানুহ নতুবা কোনোবা অজলা-আপচু জীৱৰ। ইয়াৰ আঁৰত থাকে সংকিৰ্ণ স্বাৰ্থ, হিংসা ইত্যাদি। এই কপটতা ভয়াৱহ।

'শেষ নিশা চৰাইৰ বাঁহবোৰেত কোনোয়ে জুই দি গোপনে আঁতৰি গৈছে' কিমান নিষ্ঠুৰ হ'লে জুই দিব পাৰে বাসস্থানত? কিন্তু কাহানিও জীৱকুলৰ মানুহৰ বাহিৰে অন্য জীৱৰ মাজত এনে হিংসা নাই, আঁচৰিত আমি মানুহ! কবিৰ চিন্তা হৈছে সমাজখন কোনপিনে গতি কৰিছে? কবিৰ এই সংশয় বাস্তৱিক। কবি উপলব্ধি কৰিছে এই দুৰ্ভিক্ষৰ ভয়াৱহতা সেয়ে সাৱধান কৰি দিছে। বাঁহ ফুলিছে।

'ভৰিচেলেকাৰ জাত নাই'- (ভৰিচেলেকা) সমাজ ব্যৱস্থাৰ আটাইতকৈ ভয়াৱহ তথা মেৰুদণ্ডহীন প্ৰাণী এইবিধ দুঠেঙীয়া। তাতকৈ চিন্তনীয় কথাটো হৈছে এই ভৰিচেলেকাৰ সংখ্যাটো কম নহয়। ইহঁতৰ কোনো জাত নাই, কোনো ধৰ্ম নাই, নাই কোনো বৰণ হঠাৎ সলনি হৈ যায়। কবিয়ে দেখিছে ভৰিচেলেকিলে কেনেকৈ বিপুল সম্পদৰ গৰাকী হ'ব পাৰি কিন্তু তেওঁলোক কেতিয়াও মূৰ তুলি খোজ দিব নোৱাৰে।

কবি দেখিছে যদি মূৰ তুলি থাকিব লাগে, যদি বিবেক বিক্ৰী নকৰে তেতিয়া কঠোৰ শ্ৰম কৰিবলগীয়া হয়, প্ৰাপ্যৰ পৰাও বঞ্চিত হৈ পৰে আৰু যদি তৈলমৰ্দন কৰিব পাৰে কোনো কথা নাই সকলো যেন সম্ভৱ।

> 'মোৰ চকুযোৰ কাব্যিক সেইবুলি মৃত্যুত কবিতা নেদেখোঁ' - (কাব্যিক চকু)

কবিয়ে প্ৰকৃতিৰ প্ৰতিটো বস্তুকে সুক্ষ্মভাৱে পৰ্যবেক্ষণ কৰে। কবিতা লিখাতো সহজ কাৰবাৰ নহয়। সেইবাবে বিভিন্ন সময়ত বিজ্ঞজনে কবিতাক স্বৰ্গীয়, ৰহস্যময়ী আদি অভিধাৰে অভিব্যঞ্জিত কৰিছে। কবি সকলে প্ৰকৃতিৰ আমি দেখা সাধাৰণ ছবিকো কাব্যিক দৃষ্টিৰে অসাধাৰণ ৰূপে চিত্ৰকল্প কৰিব পাৰে। কবি হাজৰিকাৰইয়ো এই ধৰণীৰ সকলো বস্তুকে কাব্যিক দৃষ্টিৰে চোৱা চেষ্টা কৰিছে কিন্তু বেয়াক ভাল আৰু ভালক বেয়া ৰূপে প্ৰতিষ্ঠা কৰিব বিচৰা নাই।

> 'নিজৰাবোৰ একোজনী চঞ্চলা গাভৰু
> আৰ্ত শিশুবোৰ আন্ধাৰ' - (কাব্যিক চকু)

কবিয়ে দেখিছে পাহাৰৰ দাঁতিত চঞ্চলা গাভৰুই নাচি আছে কবিৰ মন পুলকিত কৰি তুলিছে একে সময়তে আৰ্ত শিশুবোৰে কবিক বধিৰ কৰি তুলিছে। ভৱিষ্যত হীন সপোনবোৰে কবিলৈ হাত মেলি ৰৈ আছে। শিশুবোৰে পাব লাগে সকলো সম্ভাৱনাময় উৎকৰ্ষ সাধনাৰ এক সুস্থ পৰিৱেশ তেনেস্থলত যদি তেওঁলোকেই ভাৱাক্ৰান্ত সমাজ খনে কেনেকৈ জ্যোতিষ্কৰ পিনে ধাৱমান হ'ব?

> 'চকু বুৰাই সামৰি থ'লোঁ বুকুৰ শোক
> মুঠি মাৰি সামৰি থ'লোঁ ক্ষোভ' - (নিঃসংগ শংখৰ ছাঁ)

মানুহ সামাজিক প্ৰাণী, মানুহে অতীজৰে পৰা সমাজ পাতি বাস কৰি আহিছে আৰু ইজনে সিজনৰ প্ৰতি দায়বদ্ধ। আমি সুখ-দুখ সকলোতে কাৰোবাৰ সংগ বিচাৰোঁ, বিচাৰোঁ হৃদয়ৰ অকৃত্ৰিম ভালপোৱা কিন্তু;কবি যেন নিঃসংগ! শোকত ভাঙি পৰা সময়তো চকুলোকে আপোন কৰি, মনৰ প্ৰচণ্ড ক্ষোভ কষ্টেৰে নিয়ন্ত্ৰণ কৰিছে। প্ৰকৃততে আমাৰ বহুতৰে একেই দশা, ভিৰৰ মাজতো নিঃসংগ।

নিজক হেৰুৱা বৰ কষ্টকৰ।কবি (এডজাষ্ট)কৰোঁতে কৰোঁতে যেন নিজস্বতা নোহোৱা হৈ যোৱাৰ উপক্ৰম হৈছে কিন্তু কবিৰ এই মৰ্মবেদনা কোনেও যেন উপলব্ধি কৰিব পৰা নাই।

> 'যাৰেই কোলাত গুজিছোঁ মুখ
> সিয়ে পিঠিত গোপনে বহুৱাই ছুৰী' - (আত্মশ্লেষ)

আমি সকলে জানো বিস্বাসঘাটতাৰ সমান ডাঙৰ শত্ৰু আৰু কোনো নাই। কবি বাৰে বাৰে বিস্বাসঘাটকতাৰ বলি হৈছে। শত্ৰুক সমুখ-সমৰৰ পৰা যুঁজ দিয়া আত্মবিশ্বাস গোটাব পাৰি কিন্তু যদি আপোন হৈ পিছফালে খাপপিতি ৰয় তেতিয়া সেই শত্ৰুৰ পৰা পৰিত্ৰাণ পোৱা দুৰূহ। কবিৰ এই দুঃসময়ত কবি অকলশৰীয়া চাৰিওফালে বিশ্বাসঘাটকতাৰ দাবানল। এই সকলোৰে লগত যুঁজ দিওঁ কবি কিন্তু মনোবল হেৰুৱা নাই, পৰি উঠি আকৌ নতুম উদ্যমেৰে জীৱন যুদ্ধত অৱতীৰ্ণ হৈছে। এই যুঁজ যেন আমাৰো।

সামাজিক সমস্যাসমূহৰ ক্ষেত্ৰত কবি হাজৰিকাৰ অধিক সৰব, সমাজখনৰ নীৰিহ মানুহখিনিৰ অভাৱ, অভিযোগ তেওঁলোকৰ ভাৱাক্ৰান্ত জীৱনৰ আৰ্তনাদ কবিতাৰে প্ৰতিবাদ কৰিছে। তেখেতৰ ক্ষোভ আছে সমাজখনৰ বিভিন্ন দিশত, সেয়েহে কবি কৈছে -'আধিকাৰ বিচাৰি ৰাজপথত সমদল হয় ৰাষ্ট্ৰীৰ ভেল্কিবাজীত কঙাল দেশৰ মানুহ মুখ থাকিও নিমাত বৌদ্ধিক সমাজ' - (ৰৈ যাওঁ)

হত্যা, ধৰ্ষণ, প্ৰতাৰণা... সাধাৰণ জনতাৰ ন্যায় ক'ত? অন্ন, বস্ত্ৰ, বাসস্থান সকলোতে অনিয়ম, ভ্ৰষ্টাচাৰ! বৰ্তমানৰ সমাজখন আমি দেখিছোঁ, দেখিছোঁ সাধাৰণ জনতাৰ মৰ্মবেদনা আৰু দেখিছোঁ ৰাষ্ট্ৰৰ প্ৰতাৰণা। নেতাৰ ভেল্কিবাজী কথা আৰু মৰি মৰি জীয়াই থকা জনতা। এই শোষিত, নিষ্পেষিত মানুহ খিনি সদায়ে এনেকৈ থাকিব নেকি? বৌদ্ধিক সমাজ নিমাত কিয়? তেওঁলোকৰ বিবেক বিক্ৰী হৈ গ'ল নেকি! কবি আচৰিত! যদি সমাজৰ বৌদ্ধিক মহল ৰাষ্ট্ৰৰ লগত লীন হৈ যায় সমাজৰ নীৰিহ মানুহখিনি ক'লৈ যাব কি কৰিব? তেওঁলোক নিৰুপায়, নিৰুপায় কবি নিজেও।

কবিতা পঢ়িতাৰ ওপৰত কথা কোৱা কাৰবাৰটো সহজ নহয়। ইয়াৰ বাবে লাগে গভীৰ অধ্যয়ন আৰু নিৰৱ সাধনা য'ত মই একেবাৰে চালুকীয়া। এয়া মাথোঁ সংকলনখনৰ দুটিমান কবিতাৰ ওপৰত মোৰ অনুভৱ, হয়তো কবি আৰু অন্য পাঠকৰ ভাৱনাৰ সৈতে মোৰ অনুভৱৰ কোনো মিল নহ'বও পাৰে। কবিতাৰ সাধক সকলৰ দৃষ্টিত হয়তো হাজৰিকাৰ কবিতাসমূহত অধিক ঘন অৰ্থ ঘণীভূত হৈ আছে।

শেষত কবি হাজৰিকাৰ কাব্য প্ৰতিভাৰ উত্তৰোত্তৰ কামনা কৰিলোঁ। নতুন কবি সকলকলৈ আমি আশাবাদী। হাজৰিকাৰো এইখন প্ৰথম কবিতা পুথি, আহি থকা সময়ত তেখেতে অধিক পূৰ্ঠ কবিতা উপহাৰ দিব বুলি বিশ্বাস ৰাখিছোঁ।

ফোন নং ঃ ৯৬১৩১-৭৪৭১০

# নিজৰ গুণবোৰ নিজে বখান কৰি নুফুৰিব

চন্দ্ৰ শেখৰ পৰাজুলী

আজিৰ সময়ত আমাৰ জীৱন প্ৰণালী ইমানেই জটিল হৈ পৰিছে যে, আজিকালি কিছুমান মানুহে কেৱল খ্যাতি অৰ্জনৰ পাছতহে দৌৰিবলৈ আৰম্ভ কৰি দিছে। অৰ্থাৎ এতিয়াৰ সময়ত কিছুমান মানুহৰ মনত কেৱল বিখ্যাত ব্যক্তি হোৱাৰ এক মানসিক বাসনাৰ সৃষ্টি হোৱা দেখিবলৈ পোৱা যায়। সেই অনুসৰি মানুহে আজিকালি নিজকে আনতকৈ পৃথক বা আনতকৈ অধিক গুণসম্পন্ন বুলি সমাজৰ আগত নানান নিদৰ্শন দাঙি ধৰা দেখা যায়। আচলতে আমাৰ সমাজত বিৰাজমান ভণ্ড কিন্তু জ্ঞানী ব্যক্তিসকলে সঁচা অৰ্থত ক'বলৈ গ'লে প্ৰকৃততে এজন গুণসম্পন্ন ব্যক্তিৰ প্ৰধান আৰু একেবাৰে সাধাৰণ বৈশিষ্ট্য কি সেয়াই নিৰূপণ কৰিব নোৱাৰে। মই এতিয়ালৈকে উপলব্ধি কৰা মতে, এজন প্ৰকৃত জ্ঞানী আৰু গুণসম্পন্ন ব্যক্তি এজনে নিজে কৰা কাৰ্যবোৰৰ বা নিজৰ গুণসমূহ নিজে বখান কৰি নুফুৰে। অৰ্থাৎ নিজ মুখেদি নিজৰ প্ৰশংসা বুটলি আৰু আনৰ আগত নিজকে একেবাৰে ডাঙৰ মানুহ সাজি বৰ বেয়া পায় প্ৰকৃত অৰ্থত এজন গুণসম্পন্ন ব্যক্তিয়ে।

চাওঁক আপুনি যদি প্ৰকৃততে এজন জ্ঞানী আৰু গুণসম্পন্ন ব্যক্তি বুলি নিজকে বিবেচনা কৰে তেন্তে নিজৰ গুণবোৰ নিজে বখান কৰি নুফুৰিব। বৰ্তমান সময়ত নিজে নিজকে শ্ৰেষ্ঠ সাজিবলৈ বিচৰা ভণ্ড আৰু মূৰ্খ মানুহৰ সংখ্যা এই সংসাৰত অজস্ৰ আছে। কিন্তু তেওঁলোকে জ্ঞানী মানুহৰ লগত তুলনা কৰিবলৈ গৈ মুখা পৰিধান কৰা সত্বেও তেওঁলোকৰ প্ৰকৃত পৰিচয় জগতৰ আগত উজাগৰ হৈ পৰে। আপুনি কেনেকুৱা মানুহ, আপুনি প্ৰকৃততে কি বিচাৰে,কি কৰে অন্যান্য সকলোখিনি কথা-বতৰা লগতে আপোনাৰ ব্যক্তিত্ব, স্বভাৱ চৰিত্ৰৰ বিষয়ে আপোনাৰ ঘৰৰ মানুহবোৰতকৈ অন্য বাহিৰৰ মানুহে বৰকৈ লক্ষ্য কৰি থাকে। গতিকে আপুনি নিশ্চিত হৈ আপোনাৰ যাত্ৰা অব্যাহত ৰাখক। আৰু আপুনি সচাকৈ যদি সমাজ এখনৰ বাবে শলাগনীয় পাত্ৰ তেন্তে লাহে লাহে হ'লেও সমাজৰ অন্যান্য মানুহে নিজে নিজেই আপোনাক আদৰ, মৰম, সন্মান প্ৰদানৰ উপৰিও আপোনাৰ সৎ আৰু মহান ব্যক্তিত্বৰ পৰিচয় ঠায়ে ঠায়ে দাঙি ধৰিব। মোৰ মতে আপুনি যদি পাৰে তেন্তে নিজে কেৱল নিজৰ বেয়া দিশবোৰ লৈয়ে মানুহবোৰৰ আগত চৰ্চা কৰক। এনেধৰণৰ প্ৰক্ৰিয়াৰ জৰিয়তে এসময়ত গৈ আপুনি নিজৰ ভুল সমূহ নিজে সংশোধন কৰিবলৈ সক্ষম হ'ব।

# অসমীয়া ভাষাৰ উদ্ধাৰ কৰ্তা মাইলচ ব্ৰনচন চাহাবক আমি অসমীয়াই কিমান মনত ৰাখিছো ?

মুৰুলী বৰুৱা

এটা জাতিৰ নিজৰ মাতৃভাষাক বাদ দি বা আওকাণ কৰি সেই জাতিটোৰ জাতীয় সংস্কৃতি, পৰম্পৰা আৰু ইতিহাস ধৰি ৰখাটো কেতিয়াও সম্ভৱ নহয়। একে আষাৰে ক'বলৈ গ'লে যি জাতিয়ে নিজৰ মাতৃভাষা হেৰুৱাই সেই জাতিয়ে কালক্ৰমত এদিন নিজৰ শিপাও হেৰুৱাই পেলায়। এনেকৈয়ে এদিন ইতিহাসৰ পৃষ্ঠাত অদৃশ্য হৈ পৰে সেই জাতিটোৰ অস্তিত্ব। অসমীয়া ভাষালৈও এদিন এনে এক সঙ্কট আহিছিল। কিন্তু অসমীয়া ভাষা আৰু অসমীয়া জাতিৰ বাবে সৌভাগ্যৰ কথা যে এদিন হঠাৎ সাত-সাগৰ-তেৰ-নদীৰ সিপাৰৰ পৰা আমাৰ চেনেহী ভাষাটোক উদ্ধাৰ কৰিবলৈ এজন দেৱদূত সদৃশ আমেৰিকান বাপ্টিষ্ট মিছনেৰীৰ পদাপৰ্ণ ঘটিছিল অসমত। তেওঁৰ অসমলৈ অহাৰ উদ্দেশ্য আছিল ধৰ্মপ্ৰচাৰ। কিন্তু এটা সময়ত অসমীয়া ভাষা, অসমীয়া মানুহ অসমৰ প্ৰেমত পৰিছিল তেওঁ। তেতিয়াই তেওঁ আন্তৰিকতাৰে হৃদয়ঙ্গম কৰিছিল অসমীয়া সংস্কৃতি, অসমীয়া আৰু অসমৰ অস্তিত্বক জীয়াই ৰখাৰ লগতে অসমীয়া মানুহখিনিৰ মাজত ভাৱ বিনিময় কৰিবলৈ হ'লে অসমীয়া ভাষাটোক উদ্ধাৰ কৰিব লাগিব। এক বিজ্ঞানসন্মত প্ৰণালীবদ্ধ প্ৰক্ৰিয়াৰে অসমীয়া ভাষাটোক যদি প্ৰতিষ্ঠা কৰা বা উদ্ধাৰ কৰা নহয়, তেতিয়া এই ভাষাটো এদিন নোহোৱা হৈ যাব। সাত-সাগৰ-তেৰ-নদীৰ সিপাৰৰ এই গৰাকী অসমীয়া ভাষাৰ উদ্ধাৰকৰ্তাই অসমলৈ অহাৰ পূৰ্বে কোনোদিনেই তেওঁ লগ পোৱা নাছিল অসমীয়া মানুহ বা কেতিয়াও শুনা নাছিল অসমীয়া ভাষা। তেওঁ অসমত পদাৰ্পণ কৰিয়েই এক ঐশ্বৰিক শক্তিৰ বলতেই হয়তো হৃদয়ঙ্গম কৰি লৈছিল অসমীয়া ভাষাটো। অতি কম সময়ৰ ভিতৰতেই বুজি পাইছিল, আয়ত্ত কৰিছিল অসমীয়া শব্দ। শিক্ষা আৰু ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যৰে অসমলৈ অহা মাইলচ ব্ৰনচন চাহাবে বুজি পাইছিল মাতৃভাষাক বাদ দি কেতিয়াও এটা জাতিৰ মাজত শিক্ষাৰ প্ৰসাৰ সম্ভৱ নহয়। সেয়ে তেওঁ এক যুগান্তকাৰী সিদ্ধান্তৰে অসমীয়া ভাষাটোক উদ্ধাৰ, প্ৰতিষ্ঠা আৰু সংৰক্ষণৰ বাবে নতুন পৰিকল্পনাৰে অভিযান আৰম্ভ কৰিলে। আৰম্ভ হ'ল অসমীয়া ভাষা উদ্ধাৰৰ এক নতুন বিপ্লৱ। যিটো কাম তেতিয়ালৈকে কোনো অসমীয়াই কৰিব পৰা নাছিল। ব্ৰনচন চাহাবে অসমীয়া ভাষাৰ উদ্ধাৰৰ ক্ষেত্ৰত আৰম্ভ কৰা এই যুগান্তকাৰী অভিযান তেওঁৰ সৃষ্টি আৰু কৰ্মৰ কথা অসমীয়া জাতীয় ইতিহাসত সদায়ে সোণালী আখৰেৰে লিপিবদ্ধ হৈ থাকিব।

মাইলচ ব্ৰনচন চাহাবৰ অসম আগমন আৰু পৰিচয় ঃ

অসমীয়া ভাষাৰ উদ্ধাৰ আৰু প্ৰতিষ্ঠাৰ ক্ষেত্ৰত জীৱনৰ আধাখিনি সময় পাৰ কৰা মাইলচ ব্ৰনচন চাহাবৰ জন্ম হৈছিল ১৮১২ চনৰ ২০ জুলাই তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্ক চহৰত। তেওঁ এগৰাকী বাপ্টিষ্ট আছিল। ১৮৩৬ চনত ব্ৰনচন চাহাবৰ বন্ধু জেকব থমাচ আৰু সপৰিয়ালে ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে সুদূৰ আমেৰিকাৰ পৰা অসম অভিমুখে ৰাওনা হৈছিল। তেওঁলোক অসমলৈ আহিছিল American Commissioners for foreign Board ৰ অনুমতি সাপেক্ষে। সুদূৰ আমেৰিকাৰ পৰা এই দুই পৰিয়ালে সুকলমে আহি কলিকতা পোৱাৰ পাছত অতি বিপদ সংকুল যাত্ৰাৰে ১৮৩৭ চনৰ ১৭ জুলাইত তেওঁলোক শদিয়া পাইছিলগৈ। কিন্তু দুৰ্ভাগ্যবশতঃ অসমলৈ অহাৰ পথতেই ভৰ বাৰিষা ব্ৰহ্মপুত্ৰইদি উজাই আহোঁতে নাও দুৰ্ঘটনাত ব্ৰনচন চাহাবৰ বন্ধু জেকব থমাচৰ মৃত্যু হয়। তাতোকৈ দুৰ্ভাগ্যৰ কথা পৰৱৰ্তী সময়ত এই অসম ভূমিতেই ব্ৰনচন চাহাবৰ পত্নী, ভগ্নীৰো মৃত্যু হৈছিল। সকলো আত্মীয়ক অকালতে হেৰুৱাই অকলশৰীয়া হৈ পৰিছিল তেওঁ। ভাবিলে আচৰিত লাগে আত্মীয় বিয়োগজনিত শোক তল পেলাই তেওঁ মূল লক্ষ্য ধৰ্ম প্ৰচাৰ আৰু অসমীয়া ভাষাৰ উদ্ধাৰৰ হ'কে আশাশুধীয়াভাৱে কাম কৰি গৈছিল। বিচলিত হোৱা নাছিল মূল লক্ষ্যৰ পৰা। যি আশা বুকুত বান্ধি তেওঁ সাত-সাগৰ-তেৰ-নদীৰ সিপাৰৰ পৰা অসম পাইছিল, শদিয়াত কেন্দ্ৰ স্থাপন কৰিছিল, সেই সপোনে প্ৰথম অৱস্থাত সফলতা লাভ কৰা নাছিল। আৰম্ভ হৈছিল তেওঁলোকৰ ওপৰত একাংশ স্থানীয় খাম্তি, চিংফৌ আদি জনজাতীয় লোকৰ আক্ৰমণ। প্ৰথম অৱস্থাত এই সকল সহজ-সৰল জনজাতীয় লোকৰ বাবে মিছনাৰী সকল আছিল তেনেই অচিনাকি। এনেবোৰ কাৰণতে ১৮৩৮ চনত ব্ৰনচন চাহাবে তেওঁ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে প্ৰতিষ্ঠা কৰা শদিয়াৰ কেন্দ্ৰটি তাৰ পৰা উঠাই জয়পুৰলৈ লৈ গৈছিল। সেইখিনি সময়তেই চিংফৌ আৰু নগা জনগোষ্ঠীয় লোকসকলৰ কথিত ভাষাত অসমীয়া ভাষাৰ লগত সংযোগ সাধন কৰাৰ উদ্দেশ্যে তেওঁ লিখি উলিয়াইছিল - a spelling Book and vocabulary in English, Assamese, Singphow and Naga নামৰ এখন গ্ৰন্থ। কিন্তু বিভিন্ন অসুবিধা তথা কাৰকৰ বাবে মিছনৰ কেন্দ্ৰ তাৰ পৰাও উঠাই আনিব লগীয়া হৈছিল তেতিয়া। উপযুক্ত পৰিৱেশৰ অভাৱৰ বাবেই বাৰ্কাৰ পৰিয়াল, ব্ৰাউন পৰিয়াল আৰু কাট্টাৰে শিৱসাগৰত আৰম্ভ কৰে নতুন কেন্দ্ৰ। উল্লেখ্য যে, ১৮৪১ চনৰ ১৩ মে তাৰিখে নিধিৰাম নামৰ এগৰাকী অসমীয়া ডেকাক খ্ৰীষ্ট ধৰ্মত দীক্ষিত কৰাইছিল আৰু তেওঁৱে আছিল প্ৰথমগৰাকী অসমীয়া খ্ৰীষ্টান লোক।

মাইলচ ব্ৰনচন আৰু নগাঁও ঃ ১৮৪ৰ চনৰ চ অক্টোবৰ তাৰিখে এইগৰাকী মনিষীৰ পদাৰ্পণ ঘটে নগাঁৱত। ধৰ্ম প্ৰচাৰৰ সামন্তৰালভাৱে শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ মহৎ উদ্দেশ্যৰে নগাঁৱত ভৰি দিয়ে। দুখীয়া আৰু গৃহহীন ল'ৰা-ছোৱালীবোৰৰ বাবে প্ৰথমেই তেওঁ এখন বিদ্যালয় খোলাৰ পৰিকল্পনা কৰে। তেওঁৰ একক প্ৰচেষ্টাতেই প্ৰতিষ্ঠা কৰিছিল 'Orphan institute' নামেৰে এখন অনাথ আশ্ৰম। সেইখিনি সময়তেই তেওঁ স্ত্ৰী শিক্ষাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰি কিছু কাম কৰিছিল। উল্লেখ্য যে, তেওঁ প্ৰতিষ্ঠা কৰা এই শিক্ষা প্ৰতিষ্ঠানেই এটা সময়ত নগাঁও মিচন স্কুল ৰূপে পৰিচিত হৈছিল। যিখন প্ৰতিষ্ঠান এতিয়া সমগ্ৰ অসমৰ শৈক্ষিক ক্ষেত্ৰখনৰ এক উল্লেখযোগ্য শিক্ষানুষ্ঠান ৰূপে সমাদৃত। এই প্ৰতিষ্ঠানৰ জৰিয়তেই স্ত্ৰী শিক্ষা আৰু অসমীয়া ল'ৰাক বিজ্ঞান সন্মত কৃষি পদ্ধতি আৰু উদ্যান বিষয়ৰ জ্ঞান দিয়াৰ প্ৰথম প্ৰয়াস কৰিছিল তেওঁ। তেওঁৱেই ১৮৪৫ চনত নগাৱঁত বাপ্টিষ্ট মণ্ডলী (গীৰ্জা) প্ৰতিষ্ঠা কৰিছিল। ৰেভাঃ মাইলচ ব্ৰনচন চাহাবেই আছিল এই মণ্ডলীৰ প্ৰথম গৰাকী পালক (Pastor), তেঁৱেই প্ৰথমে নগাঁৱত তেতিয়া বহুলভাৱে প্ৰচলিট ফটিকা আৰু কানিৰ প্ৰচলন বন্ধ কৰিবৰ বাবে সেইখিনি সময়ৰ নগাঁৱৰ sub-asistant কমিচনাৰ আনন্দৰাম ঢেকিয়াল ফুকনলৈ পত্ৰ লিখি অসমীয়া সমাজখন সংস্কাৰৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লৈছিল। ইয়াৰ উপৰিও চনত নগাৱঁত এখন দাঁতৰ চিকিৎসালয় প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত তেওঁ নিজে আৰ্থিক সাহায্য আগবঢ়াই বিশেষ উদ্যোগ গ্ৰহণ কৰিছিল।

অসমীয়া ভাষা প্ৰসাৰ আৰু প্ৰতিষ্ঠাত মাইলচ ব্ৰনচম চাহাবৰ অৱদানঃ

মৃতপ্ৰায় অসমীয়া ভাষাটোৰ পুনৰ উদ্ধাৰ প্ৰতিষ্ঠা আৰু প্ৰসাৰৰ ক্ষেত্ৰত মাইলচ ব্ৰনচন চাহাবে যিখিনি কাম কৰিলে, যি ত্যাগ স্বীকাৰ কৰিলে তাৰ বাবে প্ৰতিজন অসমীয়াই যুগ যুগান্তৰলৈ তেওঁৰ ওচৰত কৃতজ্ঞ হৈ থাকিব লাগিব। তেওঁ সুদীৰ্ঘ ১২ বছৰ কঠোৰ পৰিশ্ৰম কৰি চৈধ্য হাজাৰ শব্দ সম্বলিত ইংৰাজী অসমীয়া অভিধান ( dictionary in Asamese and English) ১৮৬৭ চনত প্ৰকাশ কৰি উলিয়ায়। ইংৰাজী ভাষাৰ এই প্ৰথমখন অভিধান ছপা হৈছিল শিৱসাগৰৰ আমেৰিকান বাপ্টিষ্ট মিচন প্ৰেচত। অভিধানখন প্ৰথম প্ৰকাশত ৮০০ কপি ছপা কৰা হৈছিল। অসমীয়া ভাষাৰ ইতিহাসৰ মাইলৰ খুঁটি স্বৰূপ এই অভিধানখন অসমীয়া ভাষা আৰু জাতীয় জীৱনৰ স্বতন্ত্ৰতাৰ এক বলিষ্ঠ পদক্ষেপ বুলি ইতিহাসৰ পৃষ্ঠাত সদায় সোণালী আখৰেৰে লিপিবদ্ধ হৈ ৰ'ব। অসমীয়া ভাষাৰ হ'কে যুঁজ দিয়া এইগৰাকী সেনাধ্যক্ষক ১৮৫৪ চনত গুণাভিৰাম বৰুৱাই অতি উচ্ছ প্ৰশংসাৰে উপচাই পেলাইছিল। তেওঁৱেই প্ৰথম অসমীয়া ভাষা চৰকাৰী ভাষা হ'ব লাগে বুলি ৰাইজৰ চহী সংগ্ৰহ কৰিছিল। এই গৰাকী মিচনাৰীয়ে সৰ্বতে অসমীয়া ভাষা প্ৰচলনৰ বাবে এক আন্দোলন গঢ়ি তুলিছিল। তেঁৱেই প্ৰথম ১৮৫৫ চনৰ ২৫ মে' তাৰিখে কলিকতাৰ পৰা প্ৰকাশিত এখন কাকতত অসমত অসমীয়া ভাষা প্ৰচলনৰ ক্ষেত্ৰত যুক্তি সহকাৰে চিঠি লিখিছিল। সুদীৰ্ঘ ৩৭ বছৰ অসমীয়া ভাষাৰ হ'কে যুঁজ দিয়াৰ মূৰত ১৮৬৭চনৰ ১৯ এপ্ৰিলত বৃটিছ চৰকাৰৰ শিক্ষা বিভাগৰ সিধান্ত মৰ্মে সেই বছৰৰে ২৫ জুলাই তাৰিখত অসমৰ আদালত আৰু বিদ্যালয় সমূহত অসমীয়া ভাষাৰ প্ৰচলন হয়। উল্লেখ্য যে, খ্ৰীষ্টধৰ্মৰ বহু ইংৰাজী ধৰ্মীয় গীত তেওঁ অসমীয়ালৈ অনুবাদ কৰিছিল। যি সমূহ গীত আজিও অসমীয়া খ্ৰীষ্টীয় সমাজত প্ৰচলিত হৈ আছে। অসমীয়া ভাষা প্ৰতিষ্ঠা আন্দোলনৰ তেওঁ আছিল প্ৰথম গৰাকী সেনাপতি। বাইবেলৰো বহু স্তুতি তেওঁ অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। ব্ৰনচন চাহাবে প্ৰকাশ কৰা প্ৰথমখন ইংৰাজী অসমীয়া অভিধানত অতি নিভাঁজ অসমীয়া শব্দই ঠাই পোৱাৰ লগতে ইয়াৰ আখৰ জোঁটনি আৰু বানান সমূহ উচ্ছাৰণৰ ৰীতিৰ ওপৰত দৃষ্টি ৰাখি কৰা হৈছিল। সতেন্দ্ৰনাথ শৰ্মাৰ 'অসমৰ সমীক্ষাত্মক ইতিবৃত্ত দশম সংস্কৰণ'ৰ ২৫৩/২৫৪ পৃষ্ঠাত উল্লেখ থকা তথ্যমতে তেতিয়াৰ অসমৰ শিক্ষাধিকাৰ ৰবিনচন চাহাবে অসমৰ সকলোবোৰ চৰকাৰী কাম-কাজত অসমীয়া ভাষা প্ৰচলনৰ বিপৰীতে ওকালতি কৰাৰ বিপৰীতে মাইলচ ব্ৰনচন চাহাবে অকাট্য যুক্তিসহ ইয়াৰ প্ৰতিবাদ কৰি অসমত অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত অতি বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰাৰ তথ্য প্ৰকাশ পাইছে। (আগলৈ)

# দুখৰ সময়ত আপোনালোকক মাত দিবলৈ আহিছো

## সকলো দিশতেই সহায়ৰ আশ্বাস ঃ মুখ্যমন্ত্ৰীৰ

**বাতৰি কাকত, ষ্টাফ ৰিপ'ৰ্টাৰ, নাজিৰা, ২২ জুলাই ঃ** নাজিৰা সমজিলাৰ সৰ্বাধিক অঞ্চল বানে ব্যাপক ক্ষতিসাধন কৰাৰ লগতে একপ্ৰকাৰ সৰ্বস্ৰান্ত কৰা বানাক্ৰান্ত ৰাইজৰ সমস্যাৰ বুজ লবৰ বাবে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নাজিৰাৰ চন্টক চাহ বাগিচাৰ পূজা মণ্ডপত উপস্থিত হৈ ক্ষতিগ্ৰস্ত ৰাইজক উদ্দেশ্যি কয় যে আজি আপোনালোকৰ দুখৰ সময়ত মই আপোনালোকক মাত দিবৰ কাৰণে আহিছো। কাৰণ মোক নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোঁহাই ডাঙৰীয়াই কৈছে যে ঘৰ উটি গৈছে, কাগজ উটি গৈছে, চাৰ্টিফিকেট উটি গৈছে, গৰু-ছাগলী সব নোহোৱা হৈছে আৰু ঘৰৰ ওপৰেৰে পানী গৈছে। আৰু এতিয়াও ঘৰত বালি সোমাই আছে, ঘৰত থকাৰ পৰিৱেশ নাই। আপোনালোকক মই ইমানকে কথা দিলোঁ যে যিমান মানুহৰ ক্ষতি হৈছে, সকলোকে আমি সহায় কৰি দিম যাতে আপোনালোকে অকনমান হ'লেও শান্তি পাব পাৰে। আপোনালোকে একদম চিন্তা নকৰিব। আমি আপোনালোকক ঘৰৰ ল'ৰাৰ দৰে যিমান পাৰো আপোনালোকক আমি সহায় কৰি দিম।কেইটামান দিন পানীটো কমিব লাগিব, তাৰ কাৰণে অকনমান আপোনালোকৰ কষ্ট হব। কিন্তু চৰকাৰৰ ফালৰ পৰা ঘৰৰ পৰা আদি কৰি কাগজ-পত্ৰ, বাচন-বৰ্তন, কাপোৰ-কানি,গৰু-ছাগলী সকলো যিমান পাৰো মই আপোনালোকক সহায় কৰি দিম।আপোনালোকে চিন্তা নকৰিব, মই আপোনালোকক আকৌ এবাৰ মোৰ সমবেদনা জনালোঁ। আৰু সকলোকে এনেকে দেখি মনটো বহুত বেয়া লাগিছে। দুখৰ দিনকেইটা ভগৱানে যেন সকলোকে সুকলমে ৰাখে ।ইফালে সাংবাদিকেৰে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে নাজিৰাৰ ৰাইজক দুখৰ সময়ত মই লগ কৰিবৰ কাৰণে আহিছিলোঁ। ইয়াত পৰিৱেশ বহুত বেয়া। বহুত স্থানত এতিয়ালৈকে যাব পৰা অৱস্থাত নাই। পলস পৰি ৰাস্তা-ঘাট সব বন্ধ হৈ গৈছে। ঘৰ-বাৰীবোৰ ভাঙি গৈছে, গৰু-ছাগলী যথেষ্ট মৃত্যু হৈছে। আৰু যথেষ্ট মিছিং লোকো এতিয়ালৈকে আমি বিচাৰি পোৱা নাই।পৰিৱেশটো বহুখিনি চিন্তাৰ বিষয়। মইআজি অকণমান বুজ ললোঁ আৰু যিমান পাৰোঁ চৰকাৰৰ ফালৰ পৰা ৰাইজক আমি সম্পূৰ্ণ সহায় আগবঢ়াম। ৫০ জন লোক সন্ধানহীন হৈ আছে বুলি বিধায়ক মহোদয়ে জনাইছে, হয়তো সংখ্যাটো আৰু বেছিও হ'ব পাৰে। আৰু এতিয়ালৈকে ১৮ জনৰ মৃতদেহ আমি পাইছোঁ। আৰু ১৮ ৰ ওপৰত ৫০ জন বা তাতকৈ বেছি এতিয়াও সন্ধানহীন হৈ আছে। 'একেবাৰে বিহুৱৰততো অৱস্থাই নাই, প্ৰতিটো ঘৰেই এফে' হৈছে। আমি যিমান পাৰোঁ সহায় কৰিম ৰাইজক দুখৰ সময়ত। মই আমাৰ ৰাস্তা-ঘাটৰ পৰা ঘৰ-দুৱাৰ, গৰু-ছাগলী যাক যেনেকে পাৰোঁ আমি সহায় কৰিম। 'মই এটাই কথা কওঁ যে বহুত গাঁৱত এতিয়ালৈকে আমি যাবই পৰা নাই। যোৱাৰো ৰাস্তা নাই, আৰু একেবাৰে আমি বিচ্ছিন্ন হৈ আছোঁ। তাত থকা মানুহখিনিৰ কিমান কষ্ট ইয়াৰ পৰা আমি অনুভৱ কৰিব নোৱাৰোঁ, বা ক্ষয়-ক্ষতিৰো অনুভৱ কৰিব নোৱাৰোঁ। কিন্তু আজিৰ পৰা অকণমান ৰাস্তাবোৰ খোলা আৰম্ভ হৈছে আৰু আমি যিমান পাৰোঁ আজিৰ পৰা আমি ৰিলিফ আৰু সহায় আমি আগবঢ়াম। 'বেচিকেলি মূল কাৰণটো নাগালেণ্ডত ডাৱৰ বিস্ফোৰণ বা আন কিবা কাৰণ এতিয়ালৈকে তো ফটক কৰি ক'ব পৰা নাযায়। কিন্তু পানীটোতো নাগালেণ্ডৰ পৰা নামি আহিছে। এতিয়া নাগালেণ্ডত ডাৱৰ বিস্ফোৰণৰ কাৰণে নামি আহিছে নে তাত পাহাৰ কটাৰ কাৰণে নামি আহিছে গোটেই বিষয়বোৰ নাগালেণ্ড চৰকাৰৰ লগত কথা পাতিব লাগিব। কিন্তু তেওঁলোকে ডাৱৰ বিস্ফোৰণ হোৱাৰ লগে লগে আমাক জনাইছিলে যে এটা ডাঙৰ ডাৱৰ বিস্ফোৰণ হৈছে, গতিকে নামনিত আপোনালোক সাৱধান হওক। কিন্তু এক-দেৰ ঘণ্টা সময় পোৱা গৈছিল। কোৱা আৰু হোৱাৰ মাজত এক-দেৰ ঘণ্টা সময়। 'কেন্দ্ৰীয় চৰকাৰৰ পৰা সহায়ৰ কোনো অসুবিধা নাই। কেন্দ্ৰীয় চৰকাৰক আমি যি খুজোঁ তাকে দিব,



সেইটো লৈ কোনো সমস্যা নাই। সমস্যাটো আছে যে আমি কেনেকৈ এতিয়া গৈ পাওঁ মানুহখিনিৰ মাজত। বাকী আমাৰ চৰকাৰী সাহায্যৰ কাৰণে কোনো চিন্তা কৰিবলগীয়া নাই। আৰু যি প্ৰয়োজন হয় কেন্দ্ৰীয় চৰকাৰে আমাক সেয়া দিবই, সেইটো লৈ পেলাই কোনো কথা নাই। কথাটো হ'ল যে মানুহৰ মাজত এতিয়া আমি কেনেকৈ গৈ পাওঁ, মানুহখিনিক কেনেকৈ আমি সহায় কৰিব পাৰোঁ। 'এতিয়ালৈকে বিহুৱৰ পঞ্চায়ত সম্পূৰ্ণ বিধ্বস্ত হোৱা বুলি কৈছে। লগতে ৰমণী, ৰক্সহদৈ,শিমলুগুৰি এই কেইখন পঞ্চায়তো ক্ষতিগ্ৰস্ত হোৱা বুলি কৈছে। কিন্তু একজেক্ট ক্ষয়-ক্ষতি আৰু দুটা-এদিন লাগিব গম পাবলৈ। মই এতিয়া ক্ষতিগ্ৰস্ত অঞ্চললৈ যিমান পাৰোঁ যাবলৈ চেষ্টা কৰিম। মই আকৌ আহিম, ৰাইজক যাতে সম্পূৰ্ণভাৱে আমি সহায় কৰিব পাৰোঁ। মই আহি থাকিম যেতিয়ালৈকে ৰাইজৰ দুখখিনি দূৰ নহয়। সাংবাদিকে কৰা প্ৰশ্ন উত্তৰত সাংবাদিকক উদ্দেশ্যি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে আপোনালোক সাংবাদিক, আপোনালোকেতো বহুত জাগাত এতিয়ালৈকে যাব পৰা নাই। গতিকে এই সময়ত কোনোবাই কমেন্ট এটা দিয়াতো সহজ, কিন্তু প্ৰাকৃতিক যিটো অৱস্থা হৈছে, এইটো তো আপোনালোক নিজেও সাক্ষী হৈ আছে। গতিকে আমাক দোষ দিলে যদি সমস্যাৰ সমাধান হয় বেলেগ কথা। আৰু কোনোবাই যদি গাফিলতি কৰিছে তাকো চোৱা যাব। শেষত মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে আজি আটাইতকৈ ডাঙৰ সমস্যাটো হৈছে মানুহখিনিক সহায় কৰা।নাজিৰা সমষ্টিৰ চন্টকত আজি মুখ্যমন্ত্ৰীৰ লগত উপস্থিত থাকে মন্ত্ৰী সুশান্ত বৰগোঁহাই আৰু নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোঁহাই।

# বৰক্ষেত্ৰীৰ বগুৰিহাটীৰ সংগীত শিক্ষক পংকজ কুমাৰ মেধি'ৰ সাংস্কৃতিক উত্তৰনত সাধনা



**বাতৰি কাকত, মুকালমুৱা, ২২ জুলাই ঃ** সংস্কৃতি'ৰ উত্তৰনত সাধনা কৰি অৱদান আগবঢ়োৱা অনন্য নিদৰ্শন জাগাৰাৰ বগুৰিহাটীৰ পংকজ কুমাৰ মেধি ।বৰক্ষেত্ৰী জাগাৰা অঞ্চলৰ নিৱাসী মেধিয়ে সংগীত'ৰ উত্তৰনত ধাৰাবাহিকভাৱে চলাইছে সাধনা । ১৯৭৪ চনত নলবাৰী জিলাৰ বগুৰিহাটীত জন্মগ্ৰহন কৰা মেধিয়ে ষষ্ঠ শ্ৰেনীৰ পৰা চলাই আহিছে সংগীতৰ লগতে কি বৰ্ড , গীতাৰ, হাৰমনিয়ামৰ চৰ্চা ।১৯৮৯ চনৰ পৰা সংগীত শিক্ষকতাৰ পাতনি মেলিছিল মেধিয়ে । স্বৰ্গীয় মুক্তাৰাম মেধি আৰু ডালিমী মেধি'ৰ পুত্ৰ পংকজ কুমাৰ মেধি য়ে ১৯৯৪ চনত ভাত খাণ্ডে সংগীত বিদ্যাপীঠ, লক্ষ্নৌ ৰ পৰা সংগীত বিষাৰদ উত্তীৰ্ন হয় । জ্যোতি সংগীত, ৰাভা সংগীত, বৰগীত, লোকসংগীত, আধুনিক গীত, জিকিৰ, ভূপেন্দ্ৰ সংগীতৰ লগতে হিয়াৰ আমঠু জুবিন গাৰ্গ'ৰ গীতসমূহ বিভিন্ন অনুষ্ঠানত পৰিৱেশন কৰাৰ উপৰিওঁ ছাত্ৰ - ছাত্ৰীসকলক নিয়াৰিকৈ সংগীতৰ শিক্ষা বিলায় সাংস্কৃতিক ক্ষেত্ৰখনৰ জাগ্ৰতৰ ধাৰা অব্যাহত ৰাখিছে ।কালদিস্থিত আদৰ্শ বিদ্যালয়, বৰতলাস্থিত ফ্লৰেঞ্চ ইংৰাজী বিদ্যালয়কে আদি কৰি ১৯৯৮ চনৰ পৰা যাঠিকুছি জনতা হাইস্কুল, গোৰবাদল'ৰ পৰা আৰম্ভনি কৰিছিল সংগীতৰ শিক্ষকতা । দুৰ্ভাগ্যজনকভাৱে আজি পৰ্যন্ত চৰকাৰী শিক্ষকতাৰ পৰিচয় লাভ নকৰিলে মেধিয়ে । বৰ্তমান নলবাৰী জিলাৰ বিভিন্ন অঞ্চলত ছাত্ৰ -ছাত্ৰীসকলক ঘৰুৱাভাৱে সংগীতৰ শিক্ষা প্ৰদান কৰি আহিছে ।মানৱতাৰ স্বাৰ্থত সংগীতৰ প্ৰতি আগ্ৰহী দৰিদ্ৰ পৰিয়ালৰ লৰা- ছোৱালীক বিনামূলীয়াকৈ সংগীতৰ শিক্ষা দান কৰি আহিছে। হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ কালজয়ী গীতসমূহে যে অসমীয়া সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিছে তাৰেই এক অনন্য প্ৰয়াস অব্যাহত ৰাখিছে মেধি'য়ে ।পুৰণি লোক-সংস্কৃতি আৰু কলাসমূহ জীয়াই ৰখাত যি ধাৰা অব্যাহত ৰাখিছে সেইটো এক অনবদ্য।

## তেজপুৰত চুৰি মটৰচাইকেলসহ চোৰক গ্ৰেপ্তাৰ

**বাতৰি কাকত, তেজপুৰ, ২২ জুলাই ঃ** তেজপুৰৰ বৰঘাট আৰক্ষী চকীৰ অন্তৰ্গত উৰিয়ামগুৰিত যোৱা নিশা এখন মটৰচাইকেল উদ্ধাৰ কৰাৰ লগতে মটৰচাইকেল চোৰকো গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি যোৱা নিশা প্ৰায় নবজাত এ এছ ১২ইউ ৭৩৮০ নম্বৰৰ মটৰচাইকেলখন চুৰি হোৱা বুলি গৰাকী ফজলুৰ ৰহমানে আৰক্ষীক অভিযোগ দাখিল কৰে । ইয়াৰ পিচতে আৰক্ষীয়ে বৰঘাট আৰক্ষীয়ে অভিযান চলায় আৰু নিশা প্ৰায় ১২-৩০ বজাত স্থানীয় উৰিয়ামগুৰিৰ এক গোপনস্থানত চোৰে লুকুৱাই ৰখা অৱস্থাৰ পৰা মটৰচাইকেলখন উদ্ধাৰ কৰে । উল্লেখ্য যে, এই চুৰি ঘটনাত জড়িত নুৰ জামালক (২৫) নিশাই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় ।

*চেঙাৰ আলোপতি খাটিয়ামাৰিত চুৰি কাণ্ডক লৈ চাঞ্চল্য*

## সোনৰ আ-অলংকাৰ সহ প্ৰায় দুই লাখ টকাৰ সামগ্ৰী চুৰি কৰি নিলে চোৰে

**বাতৰি কাকত,আলোপতি, ২২ জুলাই ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ আলোপতিচৰ আৰক্ষী থানাৰ অন্তৰ্গত আলোপতি খাটিয়ামাৰি গাঁওত সংঘটিত এক চুৰিকাণ্ডৰ ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে গাঁওখনৰ শিক্ষক ছৈয়দ আলীৰ ঘৰত কোনো নথকাৰ সুযোগত ঘৰৰ তলা ভাঙি ভিতৰত প্ৰৱেশ কৰি চোৰে চুৰি কাণ্ড সংঘটিত কৰে। গৃহস্থই গোৱালপাৰাৰ জলেশ্বৰত আলহী ঘৰত গৈছিল পৰিয়ালৰ সৈতে ফুৰিবলৈ সেই সুযোগতেই দুৱাৰৰ তলা ভাঙি ঘৰৰ ভিতৰত সোমাই আলমিৰা, টেবুল, শ্বোকেজ আদিৰ তলা ভাঙি লণ্ডভণ্ড কৰি চোৰে সোণৰ অলংকাৰ চুৰি কৰি লৈ যায়। ঘৰ খনৰ গৰাকীয়ে আলহী ঘৰত থকা অৱস্থাত ঘৰৰ ওচৰ চুবুৰীয়াৰ পৰা ঘৰৰ লাভ কৰি ইতিমধ্যে ঘৰ আহি পোৱাৰ পিছতেই সমগ্ৰ চুৰি কাণ্ডৰ তথ্য পোহৰলৈ আহে। গৃহস্থ ,শিক্ষক ছৈয়দ আলীয়ে জনোৱা মতে আনুমানিক দুই লাখ টকাৰ সোণৰ গহনা চুৰি কৰি লৈ যায় চোৰে । এনে ঘটনা সন্দৰ্ভত ঘৰৰ গৰাকী ছৈয়দ আলীয়ে ইতিমধ্যে স্থানীয় আলোপতিচৰ আৰক্ষী থানাত এক এজাহাৰ দাখিল কৰাত ঘটনাস্থলীত আৰক্ষীৰ এটি দল উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে তদন্ত অব্যাহত ৰাখিছে। ঘৰখনৰ গৰাকীৰ লগতে সচেতন ৰাইজে শীঘ্ৰে এই চুৰি কাণ্ডত জড়িত চোৰৰ দলটোক কৰায়ত্ব কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ আৰক্ষী প্ৰশাসনক দাবী জনাইছে ।

# কৃতি শিক্ষক মাণিক কলিতাৰ মৃত্যুত শোকাকুল পৰিৱেশ



**বাতৰি কাকত, ঘগ্ৰাপাৰ, ২২ জুলাই ঃ** নলবাৰী জিলাৰ পূব প্ৰান্তৰ বৰখানাজান গাওঁৰ কৃতি শিক্ষক মানিক কলিতা (৮২) ৰ যোৱা কালি আবেলি প্ৰায় ৪-৩০ বজাত নিজ গৃহত বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। তেওঁৰ বৃহত্তৰ পূব নলবাৰী অঞ্চলত গভীৰ শোকৰ ছাঁ পৰে। অতি মানৱতাবাদী তথা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ একান্ত সেৱক মানিক কলিতা বৰখানাজান শ্ৰীশ্ৰীমাধৱদেৱ প্ৰাথমিক শাখাৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছিল। শিক্ষক হিচাপেও মানিক কলিতাৰ সু নাম আছিল। বিভিন্ন বিদ্যালয়ত শিক্ষাকতা কৰি ১৮২ নং কেন্দুকুছি প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ এক শৰণ নাম ধৰ্ম প্ৰচাৰৰ ব্যৱস্থা কৰিছিল। ২০০৭ চনৰ ২ ফেব্ৰুৱাৰীত মানিক কলিতাক উত্তৰ পূব খাতা শাখা ছাত্ৰ সন্থাই কৃতি শিক্ষক হিচাপে সম্বৰ্ধনা জ্ঞাপন কৰিছিল। ইফালে মানিক কলিতাক ২০২৪ চনত সদৌ অসম বহাগী উৎসৱ সমিতিয়ে কৃতি শিক্ষক হিচাপে দেৱীৰাম দাস সোঁৱৰণী বঁটা প্ৰদান কৰিছিল। তেওঁৰ মৃত্যুত শ্ৰীমন্ত শংকৰদেৱ সংঘ নলবাৰী জিলা শাখা সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰে। আনহাতে কৃতি শিক্ষক মানিক কলিতাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থা,ঘগ্ৰাপাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মুখ্য চিকিৎসা বিষয়া ডাঃ সুৰেন্দ্ৰ মজুমদাৰ, নলবাৰী জিলা সাংবাদিক সন্থাকে ধৰি বৰখানাজান গাওঁ উন্নয়ন সমিতি, বৰখানাজান প্ৰাথমিক শাখা আদিয়ে। মৃত্যুৰ সময়ত তেওঁ পত্নী ৰশ্মি কলিতা, দুইপুত্ৰ ,এগৰাকী জীয়ৰীকে ধৰি নাতি নাতিনী সহ অনেক গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়।

## সোণৰ আ-অলংকাৰ চুৰি কৰি আৰক্ষীৰ জালত



**বাতৰি কাকত, ধুবুৰী, ২২ জুলাই ঃ** ধুবুৰীৰ বগুলামাৰী অঞ্চলত আৰক্ষীয়ে অভিযান চলাই সোণৰ আ-অলংকাৰ চুৰি কৰা এজন চোৰক আটক কৰিবলৈ সক্ষম হয়। আটকাধিন চোৰজন ধুবুৰীৰ আইৰণজংলা প্ৰথম খণ্ড গাওঁৰ ৰমজান আলী ভূএগ্ৰা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে ধুবুৰী চহৰৰ ১ নং ৱাৰ্ডৰ এটা বাসগৃহত ৰাজ মিস্ত্ৰী আৰু শ্ৰমিক মিলি ঘৰখনত কাম কৰি আছিল। কাম শেষ হোৱাৰ পিছৰে পৰা ঘৰখনত থকা এগৰাকী যুৱতীৰ সোণৰ আ-অলংকাৰ চুৰি হোৱা বুলি জানিবলৈ পাইবহু খোজ বিচাৰ কৰাৰ পাছতো চুৰি হোৱা সোণৰ আ-অলংকাৰখিনি বিচাৰি নোপোৱাত ৰাজ মিস্ত্ৰী বা তেওঁৰ শ্ৰমিকে চুৰি কৰা বুলি সন্দেহ কৰে। তাৰপিছতে ঘটনা সন্দৰ্ভত যুৱতী গৰাকীয়ে ধুবুৰী সদৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিত ধুবুৰী সদৰ আৰক্ষীৰ নগৰ উপ-পৰিদৰ্শক প্ৰশান্ত দাসৰ নেতৃত্বত ৰাইডাৰ পাৰ্টীৰ সহযোগত মাত্ৰ তিনি ঘণ্টাৰ ভিতৰত বগুলামাৰী অঞ্চলৰ পৰা চোৰজনক কৰায়ত্ব কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ৰমজান আলী ভূএগ্ৰাক সোধা পোছা কৰাত সোণৰ আ-অলংকাৰখিনি তেওঁ চুৰি কৰা বুলি স্বীকাৰ কৰে আৰু সোণৰ আ-অলংকাৰখিনি উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে উদ্ধাৰকৃত সোণৰ আ-অলংকাৰখিনিৰ লগতে ৰমজান আলী ভূএগ্ৰাক আটক কৰি থানালৈ লৈ আনে। আৰক্ষীৰ এনেধৰণৰ প্ৰচেষ্টাক ভুক্ত ভোগী যুৱতী গৰাকী প্ৰশংসা কৰাৰ লগতে বহুত বহুত ধন্যবাদ জ্ঞাপন কৰে।

*কলগাছিয়াত আৰক্ষীৰ সফল অভিযান*

# ৯ টাকৈ ম'বাইল ফোন, এটা বৈদ্যুতিক মটৰ সহ চাৰিজন গভাইত চোৰ আটক



**বাতৰি কাকত, কলগাছিয়া, ২২ জুলাই ঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত টাপেশ্বৰা আৰু নদিয়াপাৰা গাঁৱত যোৱা নিশা গোপন সূত্ৰৰ ভিত্তিত এক বিশেষ অভিযান চলায় কলগাছিয়া থানা আৰু বৰভিঠা আৰক্ষী চকীৰ এটা আৰক্ষীৰ দলে। আৰক্ষী বিষয়া হিতেশ হালৈৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে অভিযান চলাই চাৰিটাকৈ গভাইত চোৰক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ তথ্য অনুসৰি, নদিয়াপাৰা গাঁৱৰ শ্বহিদুল ইছলামৰ পুত্ৰ শ্বাহাজুৰ ৰহমান, ইয়াছিন আলীৰ পুত্ৰ বাহাৰুল ইছলাম, টাপেশ্বৰা গাঁৱৰ সাহেব আলীৰ পুত্ৰ ছামেজ উদ্দিন আৰু স্বফিকুল ইছলামৰ পুত্ৰ আজিজুল হকক চুৰি কাণ্ডৰ অভিযোগত গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। অভিযুক্তকেই জনৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি বিভিন্ন অঞ্চলত চুৰি কাণ্ড সংঘটিত কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছিল। জানিব পৰা মতে, তিতাপানী আৰু বাংকাভাঙা গাঁৱত সংঘটিত হোৱা শেহতীয়া চুৰি কাণ্ডত অভিযুক্তকেইজনে ৯টাকৈ ম'বাইল ফোন আৰু এটা বৈদ্যুতিক মটৰ চুৰি কৰিছিল। এই ঘটনাৰ পিছতে অঞ্চলটোত আতংকৰ পৰিৱেশ সৃষ্টি হৈছিল আৰু ক্ষতিগ্ৰস্ত লোকে আৰক্ষীৰ কাষ চাপিছিল। অভিযোগ লাভ কৰাৰ পিছতে আৰক্ষীয়ে চুৰি হোৱা ম'বাইল ফোনসমূহৰ প্ৰযুক্তিগত তথ্য আৰু অন্যান্য সূত্ৰৰ সহায়ত তদন্ত আৰম্ভ কৰে। তদন্তৰ অগ্ৰগতিত টাপেশ্বৰা আৰু নদিয়াপাৰা গাঁৱত অভিযান চলাই চাৰি অভিযুক্ত চোৰক আটক কৰাৰ লগতে চুৰি হোৱা ৯টাকৈ মোবাইল ফোন আৰু এটা বৈদ্যুতিক মটৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ সূত্ৰে জানিবলৈ দিয়ে যে, এই চাৰিজন অভিযুক্তৰ বিৰুদ্ধে অঞ্চলটোৰ আন কেইবাটাও চুৰি কাণ্ডৰ অভিযোগ তদন্তৰ আওতালৈ অনা হৈছে। সম্প্ৰতি ৭৪/২০২৬ নম্বৰ গোচৰ ৰুজু কৰি ঘটনাটোৰ অধিক তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে। বুধবাৰে কলগাছিয়া আৰক্ষীয়ে চোৰ চাৰিজনক বৰপেটা জেল হাজোতলৈ প্ৰেৰণ কৰে। তদন্তৰ জৰিয়তে আন কোনো ব্যক্তি এই চুৰি চক্ৰৰ সৈতে জড়িত আছে নেকি, সেই দিশতো অনুসন্ধান অব্যাহত আছে। ইফালে, ধাৰাবাহিক চুৰি কাণ্ডত অতিষ্ঠ স্থানীয় ৰাইজে আৰক্ষীৰ এই অভিযানক আদৰণি জনাইছে। বাংকাভাঙা গাঁৱৰ গাঁও প্ৰধানে অভিযুক্তকেইজনৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে। যাতে ভৱিষ্যতে এনে অপৰাধ পুনৰ সংঘটিত নহয়।

<u>২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত বন্ধন বেংকৰ মুঠ ব্যৱসায় ৰৰশতাংশ বৃদ্ধি</u>

# মুঠ ঋণৰ পৰিমাণ ১৬ শতাংশ বৃদ্ধি পাই ১.৫৬ লাখ কোটি টকা হৈছে

*মুঠ জমা ধন ৭শতাংশ বৃদ্ধিৰে ১.৬৫ লাখ কোটি টকা হৈছে। মুঠ জমা ধনৰ ভিতৰত খুচুৰা জমা ধনৰ অংশ ৭৪ শতাংশ। কাৰেণ্ট একাউণ্ট আৰু ছেভিংছ একাউণ্টৰ অনুপাত ২৯.৪ শতাংশ*

**বাতৰি কাকত, কলকাতা, ২২ জুলাই ঃ** বন্ধন বেংকে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকৰ বিত্তীয় ফলাফল ঘোষণা কৰিছে। এই সময়ছোৱাত বেংকৰ মুঠ ব্যৱসায় ৰৰ শতাংশৰো অধিক বৃদ্ধি পাহ ৩.২ লাখ কোটিতকৈ অধিক টকালৈ উন্নীত হৈছে। একে সময়তে বেংকৰ মুঠ জমা ধনৰ ভিতৰত খুচুৰা গ্ৰাহকৰ জমা ধনৰ অংশ ৭৪ শতাংশলৈ বৃদ্ধি পাইছে। শাখা নেটৱৰ্কৰ সম্প্ৰসাৰণ, উন্নত কাৰ্যক্ষমতা আৰু গ্ৰাহকসকলক উন্নত সেৱা আগবঢ়োৱাৰ ধাৰাবাহিক প্ৰচেষ্টাৰ ফলতেই এই ব্যৱসায়িক বৃদ্ধি সম্ভৱ হৈছে। এই ত্ৰৈমাসিকত বেংকৰ প্ৰকৃত লাভ ৫০২ কোটি টকা। বৰ্তমান বন্ধন বেংকে দেশৰ ৩৬খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত ৩৫খনত বিস্তৃত প্ৰায় ৬,৪০০টা বেংকিং আউটলেটৰ জৰিয়তে প্ৰায় ৩.২ কোটি গ্ৰাহকক সেৱা আগবঢ়াই আছে। বেংকখনত ৭৪,৫০০ৰো অধিক কৰ্মচাৰী কৰ্মৰত। এই ত্ৰৈমাসিকত বেংকৰ জমা ধন বছৰি ভিত্তিত ৭ শতাংশ বৃদ্ধি পাই ১.৬৫ লাখ কোটি টকালৈ উন্নীত হৈছে। আনহাতে, মুঠ ঋণ বৃদ্ধি পাই ১.৫৬ লাখ কোটি টকালৈ উন্নীত হৈছে। বেংকৰ চলিত আৰু সঞ্চয়ী হিচাপ (CASA)ৰ অনুপাত ২৯.৪ শতাংশ। মূলধন পৰ্যাপ্ততা অনুপাত (CAR) ১৮.২ শতাংশ, যি নিয়ামকৰ নিৰ্ধাৰিত প্যঁনতম সীমাতকৈ যথেষ্ট অধিক। বেংকৰ ফলাফল সন্দৰ্ভত পৰিচালন সঞ্চালক আৰু মুখ্য কাৰ্যবাহী বিষয়া পাৰ্থ প্ৰতিম সেনগুপ্তই কয়, 'প্ৰথম ত্ৰৈমাসিকৰ এই ফলাফলে বন্ধন বেংকৰ শক্তিশালী ব্যৱসায়িক ভেটি, আমাৰ কৰ্মচাৰীসকলৰ নিষ্ঠা আৰু গ্ৰাহক-অংশীদাৰসকলৰ অব্যাহত আস্থাৰ প্ৰতিফলন ঘটাইছে। আমি গ্ৰাহক-কেন্দ্ৰিক আৰু ডিজিটেল সেৱাৰ সম্প্ৰসাৰণৰ ওপৰত বিশেষ গুৰুত্ব দি আগবাঢ়ি আছোঁ। শাখা নেটৱৰ্ক শক্তিশালী কৰা, নতুন নতুন বেংকিং সামগ্ৰী আগবঢ়োৱা আৰু তথ্য-ভিত্তিক সিদ্ধান্তগ্ৰহণৰ জৰিয়তে গ্ৰাহক আৰু অংশীদাৰসকলৰ বাবে অধিক মূল্য সৃষ্টি কৰাৰ লগতে সুস্থিৰ, সুষম আৰু ভৱিষ্যতমুখী বিকাশ নিশ্চিত কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ।' বন্ধন বেংকে ঋণ ব্যৱসায়ত অধিক বৈচিত্ৰ্য অনাৰ লগতে বিশেষকৈ খুচুৰা ঋণ বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। লগতে কাৰ্যক্ষমতা বৃদ্ধি, উৎপাদনশীলতা উন্নত কৰা আৰু গ্ৰাহকসকলক অধিক উন্নত বেংকিং অভিজ্ঞতা প্ৰদান কৰাৰ লক্ষ্যৰে ডিজিটেল প্ৰযুক্তিৰ ব্যৱহাৰ অধিক সম্প্ৰসাৰণ কৰি আহিছে।

*No. BDB/BTR/Tender/46/2023-24/ 7412* *Dtd.21/07/2026*

**SHORT NOTICE INVITING TENDER.**

Sealed tender affixing a non-refundable Court fee stamp of Rs.8.25(Rupees eight & twenty five paisa) only with a validity period of 180 days which will subsequently to be converted and drawn up in the printed of F-2 form are invited from the registered contractors of class-I (A,B & C),Class-II & Class III category of Assam PWD (Roads & Building) and BTC according to their eligibility for submitting tenders for the works under the award of 15th FC (Untied Grant ) for the FY 2025-26 to be implemented during 2026-27 of BTR as stated below. The tenders will be received by the undersigned up to 2.00PM on 17/08/26 and will be opened on the next date (as on 18/08/26) & place at 2.30 PM.

| Sl. No. | Name of activity | Estd. Value (in Lakhs) | Tender Value (in Lakhs) | EMD/Bid Security (in Rs.) | Cost of Tender paper (in Rs.) | Time of completion of Work |
|---|---|---|---|---|---|---|
| 1. | "Const. of Slab Culvert at Nizpatala near Rupon Basumatary house (Activity Code -128448234)" | 4,84,255./- | 4,84,255/- | (for 4,843, ST,SC) 9,685/- (for General | 150 | 3 month |
| 2. | "Const. of Slab Culvert at Jabangapathar (Activity Code – 128448250)" | 2,90,554/- | 2,90,554/- | (for,2,906, ST,SC) 5,811/- (for General | 150 | 3 month |
| 3. | "Const. of Slab culvert at Panisheli (Activity Code -128448240)" | 4,84,255./- | 4,84,255./- | (for,4,843 ST,SC) 9,685/- (forGeneral | 150 | 3 month |
| 4. | "Const. of road from Probin Rice Mill to Dibison Daimari house (Activity Code -128448244)" | 2,90,554/- | 2,90,554/- | (for,2,906, ST,SC) 5,811/- (for General | 150 | 3 month |
| 5. | "Const. of road from near L.P School to Ricky Kujur at Sikaribanglow (Activity Code -128448201)" | 4,84,255./- | 4,84,255./- | (for,4,843 S/T,S/C) 9,685/- (for General | 150 | 3 month |
| 6. | "Const. of road from Ranjit Boro house to Babul Boro house at Hanchara (Activity Code-128448209)" | 4,84,255./- | 4,84,255./- | (for,4,843 S/T,S/C) 9,685/- (for General | 150 | 3 month |

Pre-bid Date and Time:- 27/07/2026
Last date & time of bid submission:- 17/08/2026
Date & Time of bid opening:- 18/08/2026

Detail N.I.T. may be seen in all working days during office hours in the office of the undersigned. Tender papers will be issued to the contractors or their authorized agents from 27/06/26 to 18/08/26 up to 1.30 PM. In the office of the undersigned on payment in the form of demand draft/bankers cheque from any Nationalized Bank, duly pledged in favour of the Principal Secretary ,BTC Kokrajhar payable at Kokrajhar.

Sd/-
Block Dev. officer Block
Development Block, Bhergaon

***IPR(BTC)/C/2026-27/864***

দৈনিক বাতৰি কাকত সত্য আৰু ন্যায়ৰ সপক্ষে

# ব্যতিক্ৰম গ্ৰুপ-আৰোহণ ফাউণ্ডেচনৰ উদ্যোগত ‘যন্ত্ৰ-লাইভ ইন কনচাৰ্ট’ৰ সফল সামৰণি




**গুৱাহাটী, ২২জুলাইঃ** অসমৰ কিংবদন্তি সংগীতশিল্পী জুবিন গাৰ্গৰ সংগীত, সৃষ্টিশীলতা আৰু সাংস্কৃতিক উত্তৰাধিকাৰক শ্ৰদ্ধাঞ্জলি জনাই ব্যতিক্ৰম গ্ৰুপ আৰু আৰোহণ ফাউণ্ডেচনৰ যৌথ উদ্যোগত অসমৰ হাৰ্ট থ্ৰব জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে আয়োজিত যন্ত্ৰ - লাইভ ইন কনচাৰ্টৰ সফল সামৰণি পৰে। ১৮ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতিষ আইটিএ চেণ্টাৰত এক বৰ্ণাঢ্য, আবেগময় আৰু স্মৰণীয় পৰিৱেশত অনুষ্ঠিত হয় এই অনুষ্ঠান। সংগীতপ্ৰেমীৰ বিপুল সমাগমে সন্ধিয়াটো জুবিন গাৰ্গলৈ এক আন্তৰিক শ্ৰদ্ধাঞ্জলিত পৰিণত কৰে। অনুষ্ঠানৰ আৰম্ভণিতে ইণ্টাৰনেশ্যনেল স্কুলৰ শিক্ষাৰ্থীসকলে এক হৃদয়স্পৰ্শী নাট্য উপস্থাপনৰ জৰিয়তে জুবিন গাৰ্গৰ শৈশৱ, সংগীতযাত্ৰা, সংগ্ৰাম, সাফল্য আৰু অসমৰ সংস্কৃতিলৈ তেওঁৰ অসামান্য অৱদান সুন্দৰভাৱে উপস্থাপন কৰে। ইয়াৰ পাছতে বন্তি প্ৰজ্বলনৰ জৰিয়তে অনুষ্ঠানৰ আনুষ্ঠানিক শুভাৰম্ভ হয়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে প্ৰযোজক, ডিজাইনাৰ, সাংস্কৃতিক উদ্যোগী তথা জুবিন গাৰ্গৰ সহধৰ্মিণী গৰিমা গাৰ্গ, বিশিষ্ট সংগীতশিল্পী মনীষা হাজৰিকা, গুৱাহাটীত নিযুক্ত বাংলাদেশৰ সহকাৰী উচ্চায়ুক্ত জিকৰুল হাছান ফাহাদ, সমাজসেৱক শংকৰ লাল গোয়েংকা, চাই বিকাশ গ্ৰুপ অৱ ইনষ্টিটিউশ্যনছৰ পৰিচালন সঞ্চালক পি এছ ৰেড্ডী, অভিনেতা কপিল বৰা, ব্যতিক্ৰম গ্ৰুপৰ কৰ্ণধাৰ ড' সৌমেন ভাৰতীয়া আদিৰ লগতে শিক্ষা, সাহিত্য, সংস্কৃতি আৰু সমাজজীৱনৰ বহু বিশিষ্ট ব্যক্তি। অনুষ্ঠানৰ অন্যতম বিশেষ আকৰ্ষণ আছিল ড° সীমা কাশ্যপ ৰচিত 'Zubeen Garg - An Essence Beyond Iden-tity' গ্ৰন্থখনৰ ইংৰাজী সংস্কৰণৰ আনুষ্ঠানিক উন্মোচন। বিশিষ্ট অতিথিসকলৰ উপস্থিতিত গ্ৰন্থখন উন্মোচন কৰা হয়। আদৰণী ভাষণত ব্যতিক্ৰম গ্ৰুপৰ কৰ্ণধাৰ ড'সৌমেন ভাৰতীয়াই কয়, 'জুবিন গাৰ্গ কেৱল এজন শিল্পীৰ নাম নহয়। তেওঁ অসমৰ মানুহৰ অনুভূতি, আত্মপৰিচয় আৰু সাংস্কৃতিক চেতনাৰ এক অবিচ্ছেদ্য অংশ। তেওঁৰ সৃষ্টি আজিৰ প্ৰজন্মক সমৃদ্ধ কৰাৰ লগতে ভৱিষ্যৎ প্ৰজন্মকো অনুপ্ৰাণিত কৰি যাব। 'যন্ত্ৰ-লাইভ ইন কনচাৰ্ট'ৰ জৰিয়তে আমি কেৱল এজন কিংবদন্তি শিল্পীক সোঁৱৰা নাই, তেওঁৰ সংগীত ঐতিহ্যক নতুন ৰূপত উদযাপনৰ এক আন্তৰিক প্ৰয়াস আগবঢ়াইছোঁ। এই অভূতপূৰ্ব সঁহাৰিয়ে প্ৰমাণ কৰিছে যে জুবিন গাৰ্গৰ সংগীত সময় অতিক্ৰম কৰি চিৰদিন মানুহৰ হৃদয়ত জীয়াই থাকিব।' গৰিমা গাৰ্গে কয়, 'জুবিনক কেৱল এজন শিল্পী হিচাপে চাব নোৱাৰি। তেওঁ এনে এজন অসাধাৰণ ব্যক্তি আছিল, যিয়ে নিজৰ গান, সুৰ আৰু অপৰিসীম জীৱনশক্তিৰে অগণন মানুহৰ হৃদয়ত চিৰস্থায়ী স্থান দখল কৰিছিল। জুবিনক হেৰুৱাৰ পিছত মোৰ জীৱন যেন এপলকতে থমকি গৈছিল। বহুদিন ধৰি তেওঁৰ কোনো গান শুনিবলৈও মোৰ সাহস নাছিল। ক'ৰবাত যদি তেওঁৰ গান বাজিছিল, তেন্তে মই কোঠাৰ দুৱাৰ বন্ধ কৰি অকলে বহি থাকোঁ। সেই সময়ত মোৰ মানসিক আৰু শাৰীৰিক অৱস্থা ইমানেই ভাঙি পৰিছিল যে মানুহৰ সন্মুখত থিয় হোৱাৰ শক্তিও হেৰুৱাই পেলাইছিলোঁ। কিন্তু সময়ৰ লগে লগে যন্ত্ৰৰ প্ৰতিজন সদস্যই, যিসকলে বহু বছৰ ধৰি জুবিনৰ সৈতে সংগীতযাত্ৰাত সংগী হৈছিল, মোক পুনৰ সাহস আৰু আত্মবিশ্বাস ঘূৰাই দিলে।

# ইণ্ডিয়া ক্লাবৰ ৮৯সংখ্যক সাধাৰণ সভা নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন

**গুৱাহাটী,২২জুলাইঃ** ৰাজ্যৰ আগশাৰীৰ টেনিছ আৰু সামাজিক সংগঠন ইণ্ডিয়া ক্লাবৰ ৮৯সংখ্যক বাৰ্ষিক সাধাৰণ সভাখন ক্লাব চৌহদত সভাপতি বিজন কুমাৰ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত হয়। সাধাৰণ সম্পাদক আৰু কোষাধ্যক্ষই ক্লাবৰ বাৰ্ষিক প্ৰতিবেদন আৰু ২০২৫-২৬ চনৰ হিচাপ দাখিল কৰে আৰু আলোচনাৰ পাছত সভাই সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। সভাত সংস্থাটোৰ উন্নয়ন আৰু কল্যাণ সম্পৰ্কে আলোচনা কৰা হয়। উপস্থিত সদস্যসকলে ক্লাবৰ দীৰ্ঘম্যাদী লক্ষ্যৰ সৈতে জড়িত বিষয়ৰ ওপৰত গুৰুত্ব দিয়া প্ৰয়োজন বুলি মন্তব্য কৰে। ২০২৬-২৮ বৰ্ষৰ কাৰ্যকালৰ বাবে সভাত এখন নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। দীপ বৰুৱাক সভাপতি, অনিৰ্বাণ দাস আৰু সত্যকি ডিকম ভূঞাক উপ- সভাপতি, বিশ্বদীপ বৰাক সাধাৰণ সম্পাদক, ৰাজীৱ দত্তক যুটীয়া সম্পাদ (ক্লাব ছাৰ্ভিছেচ), সমৰজিৎ দুৰ্গা নেওগক যুটীয়া সম্পাদক (ক্ৰীড়া), অংশুমান দত্তক যুটীয়া সম্পাদক (টেনিছ) আৰু কৃষ্ণানন্দ দাসক কোষাধ্যক্ষ হিচাপে লৈ নতুন সমিতিখন গঠন কৰা হয়। কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যৰূপে নীৰেণ মজুমদাৰ, ভাস্কৰ হাজৰিকা, মানস কমাৰ দাস, কৌশিক তালুকদাৰ আৰু অংকুশ দত্ত নিৰ্বাচিত হয়।


# গুৱাহাটীত প্ৰ' হেলথ ফিজিকেল থেৰাপী এণ্ড ৰিহেবিলিটেচন ক্লিনিকৰ উন্নত ফিজিঅ'থেৰাপী, পুনৰ সংস্থাপন সেৱাৰ পৰিসৰ সম্প্ৰসাৰণ

**গুৱাহাটী, ২২জুলাইঃ** অসম আৰু সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত প্ৰমাণভিত্তিক ফিজিঅ'থেৰাপি আৰু সামগ্ৰিক পুনৰ্বাসন সেৱা অধিক সহজলভ্য কৰাৰ দিশত এক নতুন পদক্ষেপ গ্ৰহণ কৰিছে মণিপুৰৰ অন্যতম আগশাৰীৰ আৰু বিশ্বাসযোগ্য ফিজিঅ'থেৰাপি তথা পুনৰ্বাসন প্ৰতিষ্ঠান প্ৰ' হেলথ ফিজিকেল থেৰাপি এণ্ড ৰিহেবিলিটেচন ক্লিনিকে। সেই পদক্ষেপৰ অংশ হিচাপে গুৱাহাটীত প্ৰতিষ্ঠানটোৰ নতুন শাখাৰ আনুষ্ঠানিক উদ্বোধন কৰে নেডফিৰ উপ-মহাপ্ৰবন্ধক (ডিজিএম) প্ৰশান্ত কুমাৰ




তালুকদাৰে। নতুন শাখাটোৰ সূচনাৰ জৰিয়তে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত প্ৰমাণভিত্তিক ফিজিঅ'থেৰাপি আৰু বিস্তৃত পুনৰ্বাসন সেৱাৰ প্ৰসাৰ ঘটোৱাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য মাইলৰ খুঁটি স্পৰ্শ কৰে প্ৰতিষ্ঠানটোৱে। উল্লেখ্য যে, ৰোগীকেন্দ্ৰিক পুনৰ্বাসন সেৱা আগবঢ়োৱাৰ বাবে ইতিমধ্যে বিশেষ সুনাম আৰু বিশ্বাসযোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে প্ৰ' হেলথে। হাজাৰ হাজাৰ লোকক শাৰীৰিক গতিশীলতা পুনৰ ঘূৰাই পোৱাত, বিষ-যন্ত্ৰণা হ্ৰাস কৰাত আৰু পুনৰ স্বাভাৱিক দৈনন্দিন জীৱনলৈ উভতাই অনাত সহায় কৰি অহা প্ৰতিষ্ঠানটোৱে গুৱাহাটীত গুণগত মানসম্পন্ন ফিজিঅ'থেৰাপি সেৱাৰ ক্ৰমবৰ্ধমান চাহিদা পূৰণৰ লক্ষ্য লৈ নিজৰ উপস্থিতি সম্প্ৰসাৰিত কৰিছে। মন কৰিবলগীয়া যে, বৰ্তমানৰ ব্যস্ত জীৱনশৈলীৰ ফলত হাড়-মাংসপেশীজনিত সমস্যা, ক্ৰীড়াজনিত আঘাত, অস্ত্ৰোপচাৰৰ পিছৰ জটিলতা, স্নায়ুজনিত ৰোগ আৰু দীৰ্ঘদিনীয়া বিষ-যন্ত্ৰণাৰ দৰে স্বাস্থ্য সমস্যা ক্ৰমাৎ বৃদ্ধি পাইছে। সময়মতে চিকিৎসা নকৰা, বিষনাশক ঔষধৰ ওপৰত দীৰ্ঘদিন নিৰ্ভৰশীল হৈ থকা অথবা বিশেষজ্ঞ পুনৰ্বাসন সেৱা সহজে লাভ নকৰাৰ ফলত বহু লোকে আজিও এই সমস্যাবোৰৰ সৈতে জীৱন কটাবলগীয়া হৈছে। এই ব্যৱধান দূৰ কৰাৰ লক্ষ্য লৈ বৈজ্ঞানিক পদ্ধতি, ব্যক্তিকেন্দ্ৰিক মূল্যায়ন আৰু সুস্পষ্ট আৰোগ্য লক্ষ্যৰ ভিত্তিত চিকিৎসা পৰিকল্পনা আগবঢ়ায় আহিছে প্ৰ' হেলথে। কেৱল উপসৰ্গ নিয়ন্ত্ৰণতেই সীমাবদ্ধ নাথাকি, বিষ-যন্ত্ৰণাৰ মূল কাৰণ চিনাক্ত কৰি সেই অনুসৰিয়েই চিকিৎসা প্ৰদানত প্ৰতিষ্ঠানটোৱে গুৰুত্ব আৰোপ কৰে। ডিঙি আৰু পিঠিৰ বিষ, কান্ধৰ জঠৰতা, বাতবিষ, ক্ৰীড়াজনিত আঘাত, লিগামেণ্ট আৰু টেণ্ডনৰ আঘাতৰ বাবে বিশেষায়িত পুনৰ্বাসন সেৱা প্ৰদান কৰা হ'ব এই ক্লিনিকখনত। একেদৰে হাড় ভঙাৰ পিছৰ পুনৰ্বাসন, গাঁঠি সলনি আৰু মেৰুদণ্ডৰ অস্ত্ৰোপচাৰৰ পিছৰ পুনৰুদ্ধাৰ, ষ্ট্ৰ'কৰ পিছৰ পুনৰ্বাসন আৰু বিভিন্ন স্নায়ুজনিত সমস্যাৰ চিকিৎসাও ইয়াত প্ৰদান কৰা হ'ব। ভাৰসাম্য ৰক্ষা আৰু খোজ কঢ়াৰ প্ৰশিক্ষণ, জ্যেষ্ঠ নাগৰিকৰ পুনৰ্বাসন, মহিলাৰ ফিজিঅ'থেৰাপি আৰু এৰ্গ'নমিক পৰামৰ্শও ক্লিনিকখনৰ বিশেষ সেৱাৰ অন্তৰ্ভুক্ত। প্ৰতিজন ৰোগীৰ শাৰীৰিক অৱস্থা, জীৱনশৈলী আৰু আৰোগ্যৰ লক্ষ্য মূল্যায়ন কৰিহে সেই অনুসৰি চিকিৎসা পৰিকল্পনা প্ৰস্তুত কৰে বিশেষজ্ঞসকলে। গুৱাহাটীত নতুন শাখা মুকলি কৰাৰ জৰিয়তে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত গুণগত মানসম্পন্ন পুনৰ্বাসন সেৱা অধিক সহজলভ্য কৰাৰ লক্ষ্যক বাস্তৱায়িত কৰিছে ‘প্ৰ’ হেলথে। একে লগে সময়মতে চিকিৎসা আৰম্ভ কৰাৰ প্ৰয়োজনীয়তা আৰু প্ৰতিৰোধমূলক ফিজিঅ'থেৰাপিৰ উপকাৰিতা সম্পৰ্কে জনসচেতনতা গঢ়ি তোলাতো প্ৰতিষ্ঠানটোৱে সমান গুৰুত্ব দিছে। আঘাত বা অস্ত্ৰোপচাৰৰ পিছৰ পুনৰ্বাসন, স্নায়ুজনিত ৰোগ অথবা দীৰ্ঘদিনীয়া বিষ-যন্ত্ৰণাৰ চিকিৎসাৰ প্ৰয়োজন হোৱা ৰোগীসকলক এই ক্লিনিকত অভিজ্ঞ ফিজিঅ'থেৰাপি বিশেষজ্ঞই তেওঁলোকৰ শাৰীৰিক অৱস্থা, জীৱনশৈলী আৰু আৰোগ্যৰ লক্ষ্য অনুসৰি ব্যক্তিকেন্দ্ৰিক চিকিৎসা আৰু পুনৰ্বাসন সেৱা আগবঢ়ায়।

# পুৰী ৰথযাত্ৰাত ভিটামিন ডিৰ সজাগতা বৃদ্ধিৰ বাবে ছানফিষ্ট মেৰী লাইটৰ ‘সূৰ্য বৰদান’ অভিযান




**গুৱাহাটী,২২ জুলাইঃ** ছানফিষ্ট মেৰী লাইটে প্ৰচুৰ সূৰ্যৰ পোহৰ পোৱাৰ পিছতো দেশৰ লাখ লাখ ভাৰতীয়ক প্ৰভাৱিত কৰি অহা ভিটামিন ডিৰ অভাৱজনিত সমস্যাৰ বিষয়ে সজাগতা বৃদ্ধি কৰিবলৈ ঐতিহ্যমণ্ডিত পুৰী ৰথযাত্ৰাত সূৰ্য বৰদান পদক্ষেপৰ দ্বিতীয় সংস্কৰণ মুকলি কৰিছে। এই অভিযান ব্ৰেণ্ডটোৰ সূৰ্যৰ সৈতে থকা পুৰণি সম্পৰ্ক আৰু ভিটামিন ডিৰ গুণাগুণ শীৰ্ষক প্ৰস্তাৱৰ ওপৰত ভিত্তি কৰি গঢ়ি তোলা হৈছে। ওড়িশাৰ অন্যতম বৃহৎ সাংস্কৃতিক সমাৱেশৰ সময়ত আয়োজিত এই কাৰ্যসূচীয়ে ‘হৰ কিৰণ মে্য ছুপা হে্য ভিটামিন ডি কা বৰদান’ বাৰ্তা কঢ়িয়াই লৈ ফুৰিছে। যাতে ভক্ত আৰু পৰিয়ালসমূহে ভিটামিন ডিৰ প্ৰয়োজনীয়তা বুজি পায়।এই অনুষ্ঠানত সূৰ্য সহায়কসকলে দৰ্শনাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰে। দৰ্শনাৰ্থীক দুই মিনিটৰ এক ভিটামিন ডিৰ প্ৰয়োজনীয়তা পৰীক্ষা সম্পূৰ্ণ কৰাত সহায় কৰে। শিক্ষণীয় সামগ্ৰী বিতৰণ কৰে আৰু নিৰ্বাচিত অংশগ্ৰহণকাৰীক বিনামূলীয়া ভিটামিন ডিৰ চিকিৎসা পৰীক্ষাৰ সুবিধা আগবঢ়ায়। এই অভিযান হোৱাটছএপ-ভিত্তিক এক মূল্যায়নৰ জৰিয়তে অনলাইনযোগেও সম্প্ৰসাৰণ কৰা হৈছে। য'ত ব্যৱহাৰকাৰীয়ে সূৰ্যৰ পোহৰ গ্ৰহণ, বাহিৰত সময় কটোৱাৰ অভ্যাস আৰু ভিটামিন ডিৰ সজাগতাৰ ওপৰত সৰল প্ৰশ্নৰ উত্তৰ দিয়ে। আইটিচি লিমিটেডৰ বিস্কুট, খাদ্য বিভাগৰ উপাধ্যক্ষ তথা বিপণন প্ৰধান সুৰজ কাঠুৰিয়াই কয় যে, ওড়িশাৰ সূৰ্যৰ সৈতে থকা গভীৰ সাংস্কৃতিক সংযোগৰ বাবে এই সজাগতা বৃদ্ধিৰ বাবে ই এক সঠিক মঞ্চ। তেওঁ কয় যে এই পদক্ষেপে প্ৰযুক্তি, সামাজিক অংশগ্ৰহণ আৰু ৰথযাত্ৰাৰ ব্যাপকতাক একত্ৰিত কৰি সজাগতামূলক জীৱনশৈলী বাছি ল'বলৈ উৎসাহিত কৰে। যাৰ ভিতৰত আছে সূৰ্যৰ পোহৰত সময় কটোৱা আৰু ভিটামিন ডি যুক্ত ছানফিষ্ট মেৰী লাইটক দৈনন্দিন চাহ খোৱাৰ সময়ৰ অংশ কৰি লোৱা।জনপ্ৰিয় ওড়িয়া অভিনেত্ৰী তথা ব্ৰেণ্ড এম্বেচাডৰ অৰ্চিতা সাহুৱে কয় যে, ৰথযাত্ৰাই অভিনেত্ৰীগৰাকীৰ হৃদয়ত এক বিশেষ স্থান অধিকাৰ কৰি আছে আৰু ৰাইজক নিজৰ স্বাস্থ্যৰ প্ৰয়োজনীয়তা ভালদৰে বুজিবলৈ দুই মিনিটৰ ভিটামিন ডি প্ৰয়োজনীয়তা পৰীক্ষা কৰিবলৈ আহ্বান জনায়।পুষ্টি আৰু জীৱনশৈলী সম্পৰ্কীয় স্বাস্থ্য সমস্যাৰ ক্ৰমবৰ্ধমান সজাগতাৰ বাবে গুৱাহাটী মহানগৰীত স্বাস্থ্যকেন্দ্ৰিক খাদ্য সামগ্ৰী আৰু প্ৰতিৰোধমূলক সুস্থতা অভিযানৰ প্ৰতি গ্ৰাহকৰ আগ্ৰহ বৃদ্ধি পাইছে। সূৰ্য বৰদানৰ দৰে পদক্ষেপে চহৰখনৰ নগৰীয়া গ্ৰাহকৰ মাজত এক ইতিবাচক প্ৰভাৱ পেলাব পাৰে। য'ত পুষ্টিবৰ্ধিত দৈনন্দিন খাদ্য সামগ্ৰী আৰু ডিজিটেল স্বাস্থ্য সংযোগৰ চাহিদা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। ইয়াৰ ফলত ব্ৰেণ্ডসমূহৰ বাবে সজাগতাভিত্তিক বিপণনজনিত পদক্ষেপ সম্প্ৰসাৰণৰো সুযোগ সৃষ্টি হৈছে।

# ষ্টাৰ হেলথে বৃদ্ধি কৰিছে বৰ্ষাকালীন স্বাস্থ্যসেৱা

**গুৱাহাটী,২২জুলাইঃ** ষ্টাৰ হেলথ এণ্ড এলাইড ইঞ্চুৰেন্স কোম্পানী লিমিটেডে ৰাজ্যখনত মৌচুমী বতৰৰ আগমনৰ লগে লগে ডেংগু, মেলেৰিয়া, জ্বৰ আৰু অন্যান্য সংক্ৰামক ৰোগৰ প্ৰকোপ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি অসমত ভাৰ্চুৱেল চিকিৎসক পৰামৰ্শ আৰু ঘৰুৱা স্বাস্থ্যসেৱাৰ সক্ৰিয়তাৰে সম্প্ৰসাৰণ কৰিছে। কোম্পানীটোৱে জনোৱা মতে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ তথ্য অনুসৰি অসমত জ্বৰ আৰু সংক্ৰামক ৰোগৰ বাবে ঘৰুৱা স্বাস্থ্যসেৱা ব্যৱহাৰ কৰা গ্ৰাহকৰ সংখ্যা ১৬ গুণ বৃদ্ধি পাইছে। একে সময়তে, শেহতীয়াকৈ মুকলি কৰা ভাৰ্চুৱেল অ'পিডি সেৱাও সমগ্ৰ দেশতে জনপ্ৰিয় হৈ পৰিছে আৰু অধিক গ্ৰাহকে ইয়াক প্ৰাথমিক চিকিৎসা পৰামৰ্শৰ মাধ্যম হিচাপে বাছনি কৰিছে।এই পদক্ষেপৰ অধীনত পলিচীধাৰীসকলে ৭২০০ ২২২ ৩৩৩ নম্বৰৰ টক্ টু ষ্টাৰ হেল্পলাইনৰ জৰিয়তে সহায় লাভ কৰিব পাৰিব, য'ত ঘৰুৱা স্বাস্থ্যসেৱাৰ বাবে ১ আৰু পৰিকল্পিত হাস্পতাল ভৰ্তিৰ সহায়ৰ বাবে ২ টিপিব লাগিব। এই সেৱাই চিকিৎসাৰ পদ্ধতি, কেছলেছ চিকিৎসা, নেটৱৰ্ক হাস্পতাল আৰু প্ৰয়োজনীয় নথিপত্ৰৰ বিষয়ে নিৰ্দেশনা প্ৰদান কৰে। যোগ্য পলিচীধাৰীসকলে চিকিৎসকৰ তত্ত্বাৱধানত নাৰ্ছিং কেয়াৰ, ৰক্ত পৰীক্ষা, আইভি ফ্লুইড আৰু বেজীকৈ ধৰি কেছলেছ ঘৰুৱা চিকিৎসাৰ সুবিধা লাভ কৰিব পাৰিব। আনহাতে, যিসকল লোকৰ হাতত পলিচী নাই, সেইসকলেও ষ্টাৰ হেলথ কষ্টমাৰ এপ ডাউনলোড কৰি নিজৰ মৌলিক তথ্যসমূহ প্ৰদান কৰাৰ পিছত টেলিমেডিচিন বিকল্প বাছনি কৰি চৌবিশ ঘণ্টাই বিনামূলীয়া ভাৰ্চুৱেল অ'পিডি পৰামৰ্শ লাভৰ বাবে বুক কৰিব পাৰিব। ষ্টাৰ হেলথৰ উত্তৰ-পূৰ্বাঞ্চলৰ ব্যৱসায়িক মুৰব্বী অমিতাভ চৌধুৰীয়ে এই বিষয়ে কয় যে, এই পদক্ষেপৰ উদ্দেশ্য হৈছে প্ৰাৰম্ভিক পৰ্যায়তে চিকিৎসাৰ সজাগতা বৃদ্ধি কৰা, বিশেষকৈ শিশু, জ্যেষ্ঠ নাগৰিক আৰু যিসকল ৰোগীৰ বাবে মৌচুমী ঋতুৰ সময়ত হাস্পতাললৈ যোৱাটো কঠিন হৈ পৰে, সেইসকল ব্যক্তিক সহায় কৰা।২০২৬ চনত প্ৰকাশিত ৰাষ্ট্ৰীয় পৰিসংখ্যা কাৰ্যালয়ৰ ৮০ সংখ্যক সমীক্ষাৰ তথ্য উল্লেখ কৰি প্ৰতিষ্ঠানটোৱে জনায় যে অসমৰ গ্ৰামাঞ্চলত ব্যক্তিগত হাস্পতালত ভৰ্তি হোৱাৰ গড় খৰচ ৫২,৭৬৬ টকা আৰু নগৰীয়া অঞ্চলত ৭৯,৪০৬ টকা, যাৰ বাবে পৰিয়ালসমূহৰ ওপৰত এক ডাঙৰ আৰ্থিক বোজা পৰে। ষ্টাৰ হেলথে কৰা অনুসৰি প্ৰতিষ্ঠানটোৱে এই সেৱাসমূহৰ লক্ষ্য হৈছে ৰোগ গুৰুতৰ হোৱাৰ পূৰ্বেই পৰিয়ালসমূহক চিকিৎসা পৰামৰ্শ আৰু চিকিৎসা সহজলভ্য কৰি তোলা, যাতে স্থানীয় লোকসকলে দীৰ্ঘদিনীয়া জ্বৰক আওকাণ নকৰি সময়মতে চিকিৎসকৰ পৰামৰ্শ ল'বলৈ উৎসাহিত হয়।

# অ'জিএইচইৰ ল'গ, ফেচিয়া উন্মোচন

**গুৱাহাটী,২২জুলাইঃ** অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পী, তাঁতশিল্পী আৰু হস্তশিল্পীৰ ঐতিহ্যক বিশ্বদৰবাৰত নতুন পৰিচয় দিয়াৰ লক্ষ্যৰে OITIJJO Grameen Heritage Emporium (অ'জিএইচই)এ মঙলবাৰে গুৱাহাটীৰ আমবাৰীস্থিত জিএনবি ৰোডত নিজৰ আনুষ্ঠানিক ল'গ আৰু ফেচিয়া উন্মোচন কৰে। এই পদক্ষেপে অঞ্চলটোৰ ঐতিহ্যভিত্তিক জীৱিকা, ন্যায্য বাণিজ্য আৰু স্বচ্ছ বিপণন ব্যৱস্থাৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিলে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে




নাবাৰ্ড, অসম আঞ্চলিক কাৰ্যালয়ৰ মুখ্য মহাপ্ৰবন্ধক জি ৰমেশ কুমাৰ। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ সঞ্চালকালয়ৰ সঞ্চালিকা মযুৰী ওজা আৰু অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা সঞ্চালকালয়ৰ সঞ্চালক বাবুল চন্দ্ৰ দাস। উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পী, তাঁতশিল্পী আৰু হস্তশিল্পীসকলৰ বাবে এক স্থায়ী আৰু ন্যায্য বজাৰ সৃষ্টি কৰাৰ উদ্দেশ্যে AVA Creation Social Impact Founda-tion-এ নাবাৰ্ডৰ সহযোগিতাত এই অভিনৱ প্ৰকল্প ৰূপায়ণ কৰিছে। এই মঞ্চই স্বচ্ছতা, প্ৰামাণিকতা আৰু নৈতিক বাণিজ্যক অগ্ৰাধিকাৰ দিয়াৰ লগতে গ্ৰামীণ শিল্পীসকলৰ জীৱিকাৰ উন্নয়নত গুৰুত্ব আৰোপ কৰিছে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি জি ৰমেশ কুমাৰে গ্ৰামীণ ক্ষুদ্ৰ, সৰু আৰু মধ্যম উদ্যোগ শক্তিশালী কৰাৰ ক্ষেত্ৰত নাবাৰ্ডৰ অব্যাহত প্ৰতিশ্ৰুতি পুনৰ ব্যক্ত কৰে।

# অধ্যয়নত প্ৰকাশ-উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰীয়া ৰাজ্যসমূহত গ্ৰীষ্ম প্ৰবাহে গৰ্ভাৱস্থাত অধিক বিপদাশংকা কঢ়িয়াই আনিব পাৰে

**গুৱাহাটী,২২ জুলাইঃ** সমগ্ৰ দেশজুৰি চলোৱা এক অধ্যয়নত প্ৰকাশ পাইছে যে গৰ্ভাৱস্থাত দীৰ্ঘদিন ধৰি উৎকট গৰমৰ সংস্পৰ্শত থাকিলে নৱজাতকৰ জন্মৰ ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পৰাৰ সম্ভাৱনা যথেষ্ট বৃদ্ধি পায়। পৰম্পৰাগতভাৱে শীতল জলবায়ু, উষ্ণতা কম থকা ভাৰতৰ পাৰ্বত্য অঞ্চলসমূহ-যেনে মেঘালয়, নাগালেণ্ড আৰু অসমৰ কিছু অংশকে ধৰি উত্তৰ-পূবৰ ৰাজ্যসমূহৰ মহিলাসকল এই ক্ষেত্ৰত আটাইতকৈ বেছি স্পৰ্শকাতৰ বুলি প্ৰমাণিত হৈছে। এনভাইৰনমেণ্টেল ৰিচাৰ্চ কমিউনিকেচনছ নামৰ পিৰ-ৰিভিউড জাৰ্নেল(সমকক্ষ-সমীক্ষা জাৰ্নেল) আলোচনীত প্ৰকাশিত এই অধ্যয়নটোত ২০১৫চনৰপৰা ২০২০চনৰ ভিতৰত দেশজুৰি পঞ্জীয়ন হোৱা ২,০৯,২৬৬টা নৱজাতকৰ তথ্য বিশ্লেষণ কৰা হৈছিল। গৱেষকসকলে গড় উষ্ণতা জুখিবলৈ যোৱাৰ পৰিৱৰ্তে ইণ্ডিয়া হিট ইণ্ডেক্স ব্যৱহাৰ কৰি ক্ৰমাগত ‘অসহ্যকৰ গৰম’ৰ দিনবোৰৰ সৈতে প্ৰতিটো গৰ্ভাৱস্থাৰ তুলনা কৰিছিল।ফলাফলত দেখা গৈছে যে গৰ্ভাৱস্থাত তীব্ৰ গৰমৰ প্ৰতিটো অতিৰিক্ত ক্ৰমাগত দিনৰ বাবে কম ওজনৰ শিশু জন্ম হোৱাৰ সম্ভাৱনা প্ৰায় এক শতাংশ বৃদ্ধি পায়। গৰ্ভাৱস্থাৰ প্ৰথম তিনিমাহত গৰমৰ সংস্পৰ্শলৈ অহাটো অকাল প্ৰসৱ(প্ৰিটাৰ্ম বাৰ্থ)ৰ উচ্চ বিপদাশংকা দেখা গৈছিল। আনহাতে দ্বিতীয় তিনিমাহত গৰমৰ সংস্পৰ্শলৈ আহিলে কম ওজনৰ শিশু জন্ম হোৱা দিশটো পোহৰলৈ আহিছিল। ইউনিভাৰ্চিটী অৱ কুইন্সলেণ্ড-আইআইটি দিল্লী একাডেমী অৱ ৰিচাৰ্চ(ইউকইউআইডিএআৰ), আইআইটি দিল্লী আৰু ইউনিভাৰ্চিটি অৱ কুইন্সলেণ্ডৰ গৱেষকৰ নেতৃত্বত আৰু ইউএনএছডব্লিউ চিডনী, ইউনিভাৰ্চিটী অৱ এক্সটাৰ আৰু কোৰিয়া ইউনিভাৰ্চিটীৰ সহযোগত চলোৱা এই অধ্যয়নটোৱে ইংগিত দিয়ে যে পাৰ্বত্য অঞ্চলৰ মহিলাসকল দীৰ্ঘদিনীয়া গৰমৰ সৈতে খাপ খাই ল'ব নোৱাৰাৰ বাবেই এই প্ৰভাৱ বেছি হ'ব পাৰে।মুখ্য লেখিকা বিনীতা ভিনচেণ্টে কয় যে, অভাৱনীয় গ্ৰীষ্ম প্ৰবাহ এতিয়া গৰ্ভাৱস্থাত কেৱল এক পাৰিপাৰ্শ্বিক পটভূমি হিচাপে গণ্য কৰিব নোৱাৰি। ভিনচেণ্টে সতৰ্ক কৰি দি কয় যে জলবায়ু পৰিৱৰ্তনৰ বাবে দীৰ্ঘদিনীয়া আৰু সঘনাই হোৱা গ্ৰীষ্ম প্ৰবাহে স্পৰ্শকাতৰ মাতৃসকলক অসমানুপাতিকভাৱে প্ৰভাৱিত কৰিব পাৰে। সহ লেখক নিকোলাছ জে অছবৰ্নে কয় যে, ভাৰতৰ হিট একচন প্লেনসমূহত গৰ্ভৱতী মহিলাসকলক স্পষ্টভাৱে অগ্ৰাধিকাৰ প্ৰাপ্ত গোট হিচাপে স্বীকৃতি দিব লাগে। ইয়াত শৰীৰ শীতল কৰাৰ উপায়, হাইড্ৰেচন আৰু গৰ্ভকালীন যত্ন-চিকিৎসা শক্তিশালী কৰাৰ দৰে ব্যৱহাৰিক পদক্ষেপ অন্তৰ্ভুক্ত কৰিব লাগে।এই ফলাফলসমূহ গুৱাহাটী আৰু সামগ্ৰিকভাৱে অসমৰ বিশেষ অঞ্চলৰ বাবে যথেষ্ট প্ৰাসংগিক, য'ত গ্ৰীষ্মকালত উষ্ণতা বৃদ্ধি আৰু দীৰ্ঘদিন ধৰি আদ্ৰ বা অতিমাত্ৰা গৰম হোৱাটো ক্ৰমাৎ সাধাৰণ ঘটনা হৈ পৰিছে। জনস্বাস্থ্য বিশেষজ্ঞসকলে কয় যে এই অধ্যয়নে মাতৃ স্বাস্থ্যসেৱা, শৰীৰ শীতল কৰা ব্যৱস্থা, হাইড্ৰেচনকেন্দ্ৰিক সামগ্ৰী আৰু গৰম সম্পৰ্কীয় সজাগতা অভিযানৰ চাহিদা বৃদ্ধি কৰিব পাৰে। ইয়াৰ লগতে হাস্পতাল, স্বাস্থ্যসেৱা প্ৰদানকাৰী আৰু চৰকাৰী সংস্থাসমূহক দীৰ্ঘদিনীয়া গ্ৰীষ্ম প্ৰবাহৰ সময়ত গৰ্ভৱতী মহিলাসকলক সুৰক্ষিত কৰাৰ বাবে প্ৰস্তুতি শক্তিশালী কৰিবলৈ অনুপ্ৰাণিত কৰিব পাৰে।

# গণেশপাৰা আঞ্চলিক সাহিত্য সমাজৰ বাৰ্ষিক অধিৱেশন সম্পন্ন




**গুৱাহাটী,২২জুলাইঃ** চৰ্চা নকৰিলে ভাষা কেতিয়াও জীয়াই নাথাকে। আমাৰ নিজৰ ভাষাক গুৰুত্ব নিদিলে অস্তিত্ব নাথাকিব। এই মন্তব্য প্ৰাক্তন প্ৰশাসনিক বিষয়া,সাহিত্যিক থানেশ্বৰ মালাকাৰৰ।১৮ আৰু ১৯ জুলাইত গণেশপাৰা প্ৰাথমিক বিদ্যালয় প্ৰাংগনত অনুষ্ঠিত গণেশপাৰা আঞ্চলিক সাহিত্য সমাজৰ ২৯ সংখ্যক বাৰ্ষিক অধিৱেশনত এইদৰে মন্তব্য কৰে থানেশ্বৰ মালাকাৰে। বছৰেকীয়া মুখপত্ৰ ‘প্ৰত্যাশা’ সম্পাদনা সমিতিৰ সভাপতি উমেশ চন্দ্ৰ ভাগৱতী আৰু সম্পাদক নৱপ্ৰসাদ শৰ্মাৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা ‘প্ৰত্যাশা’ উন্মোচন কৰি পুনৰ থানেশ্বৰ মালাকাৰে কয়,‘পৰিৱেশ আমি নিজে তৈয়াৰ কৰি ল'ব লাগিব। অৰ্জুনৰ বাবে গীতাৰ সৃষ্টি হৈছে। আমাৰ ল'ৰা ছোৱালীৰ বৰ্তমান প্ৰকৃতিৰ লগত সম্পৰ্ক নোহোৱা হৈছে। সাংগঠনিক সম্পাদক গকুল বৰুৱাই আঁত ধৰা সভাত পৌৰোহিত্য কৰে সভাপতি শিৱ প্ৰসাদ ভট্টাচাৰ্যই। সভাত উপদেষ্টা, প্ৰাক্তন অধ্যাপক সুশীল চন্দ্ৰ বৰঠাকুৰ, প্ৰাক্তন অধ্যাপক ডঃ মুকুল চক্ৰৱৰ্তী উপস্থিত থাকে। সদস্য লংকেশ্বৰ ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাৰ আৰম্ভণিতে ৰীণা দাসৰ পৰিচালনাত মহিলা সদস্যসকলে গীত পৰিৱেশন কৰে। উপদেষ্টা সুশীল চন্দ্ৰ বৰঠাকুৰে আদৰণি ভাষণ দিয়া সভাত প্ৰাক্তন প্ৰশাসনিক বিষয়া থানেশ্বৰ মালাকাৰৰ পৰিচয় প্ৰদান কৰে সদস্যা নিৰদা দেৱীয়ে। সম্পাদক ৰঞ্জন বড়োয়ে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰা সভাত বিস্তিৰ্ণা শাণ্ডিল্য, তনুশ্ৰী বসাক, মৃদুস্মিতা মিশ্ৰই কবিতা আবৃত্তি কৰে। সভাত প্ৰাগজ্যোতিষ কলা নিকেতনৰ অধ্যক্ষৰ প্ৰচেষ্টাত হিয়াৰ আমঠু জুবিন গাৰ্গৰ ছবি অংকন কৰা হয়। সদস্য শুক্লেশ্বৰ কলিতাই আঁত ধৰা সভাত চলিত বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৮৫শতাংশ বা ততোধিক নম্বৰ পাই উত্তীৰ্ণ হোৱা ছেবা আৰু চিবিএছইৰ ১৪ গৰাকী ছাত্ৰ- ছাত্ৰীক অভিনন্দন জনোৱা হয়। সৰ্বাধিক নম্বৰ প্ৰাপ্ত ছাত্ৰীগৰাকীক সদস্যা দীপা শৰ্মাই গামোচা আৰু শৰাইৰে অভিনন্দন জনায়। সভাত সাধু কোৱা, থিতাতে লিখা কবিতা,থিতাতে লিখা গল্প, বিষয় ভিত্তিক বক্তৃতা,চিত্ৰাংকন,কবিতা আবৃত্তি প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত প্ৰতিযোগীক বঁটা প্ৰদান কৰে। সভাত সদস্য,সমাজকৰ্মী সঞ্জীৱ দেৱ চৌধুৰীয়ে কৃতী ছাত্ৰী এইচ বি দিব্যাক্ষী চৌধুৰীলৈ ৰিচাৰ্ছ জামাল কিনিবলৈ পঞ্চাছ হাজাৰ ধন আগবঢ়ায়।স মজুৱাৰ ফালৰ পৰা শিক্ষাবিদ ড° হোমেশ্বৰ কাকতিয়ে ভাষণ দিয়ে।মৌৰাম দাসে কবিতা পাঠ কৰে। সদস্য নৱ প্ৰসাদ শৰ্মাৰ শলাগৰ শৰাইৰে সভা সামৰণি মৰা হয়।

# শিখামণি বেজবৰুৱাক নৰেন্দ্ৰ মোডী বিচাৰ মঞ্চ মহিলা শাখাৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক নিযুক্তি

**গুৱাহাটী,২২জুলাইঃ**বিশিষ্ট সমাজকৰ্মী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ পৰিনাতিনী শিখামণি বেজবৰুৱা গোস্বামীক নৰেন্দ্ৰ মোডী বিচাৰ মঞ্চ মহিলা শাখাৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা উত্তৰ-পূৰৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে নিযুক্তি দিয়ে।ৰাজস্থানৰ বৈশালীনগৰস্থিত মহিলা শাখাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ পৰা ৰাষ্ট্ৰীয় অধ্যক্ষা লিলিয়ান গ্ৰেছে প্ৰেৰণ কৰা পত্ৰ অনুসৰি ১৯ জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ শিখামণি বেজবৰুৱা গোস্বামীক নিযুক্তি প্ৰদান কৰা হয়। বিগত ২০২৫ চনৰ ফেব্ৰুৱাৰীৰ পৰা নৰেন্দ্ৰ মোডী বিচাৰ মঞ্চ অসম প্ৰদেশ মহিলা শাখাৰ অধ্যক্ষৰ দায়িত্বত থাকি নিষ্ঠা,সততা তথা স্বচ্ছতাৰে ৰাষ্ট্ৰ নিৰ্মাণৰ সামগ্ৰিক দিশত সেৱা আগবঢ়োৱা শিখা বেজবৰুৱা গোস্বামীৰ নেতৃত্বত সমগ্ৰ ভাৰতবৰ্ষতে উৎকৃষ্ট ভাৰত নিৰ্মানৰ সপোন বাস্তৱায়িত কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰিব বুলি সংগঠনটোৱে আশা প্ৰকাশ কৰিছে। নিযুক্তিপত্ৰৰ প্ৰতিলিপি ৰাষ্ট্ৰীয় মুখ্য সমন্বয়ক ৰবি চাণক্য,অধ্যক্ষ অমৰ নাথ চনি আৰু মুখ্য সাধাৰণ সম্পাদকদ্বয়লৈ প্ৰেৰণ কৰা হয় বুলি জানিবলৈ দিয়ে। উল্লেখ্য যে সাংস্কৃতিক ক্ষেত্ৰখনত বিভিন্ন কৰ্মৰাজিৰে আত্মপ্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হোৱা গুৱাহাটী জুৰিপাৰ নিবাসী শিখা বেজবৰুৱা গোস্বামী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ পৰিনাতিনী আৰু বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা ইত্যাদি উত্তৰ-পূৰ্বাঞ্চল সাংস্কৃতিক মঞ্চৰো ৰাজ্যিক সভাপতি।



## সংহাৰী বানৰ কবলত শিৱসাগৰ নগৰ

# বহিঃজগতৰ সৈতে সংযোগ বিচ্ছিন্ন শিৱসাগৰবাসী

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ২২ জুলাই ঃ** সংহাৰী বানৰ কবলত ঐতিহাসিক শিৱসাগৰ নগৰ। ক্ৰমাৎ ভয়াবহ হৈ পৰিছে শিৱসাগৰ নগৰৰ পৰিৱেশ।নগৰখনৰ পাৰ্শ্ববৰ্তী এলেকা সমূহ বাঢ়নী পানীত এফালৰ পৰা ডুবিল। তীব্ৰ গতিত শিৱসাগৰ নগৰলৈ সোমাইছে পানী । ৰাইজৰ মাজত হাহাকাৰ পৰিস্থিতি। ঘৰ এৰি নিৰাপদ স্থানৰ বাবে দিশহাৰা হৈছে নগৰৰ বাসিন্দা। নগৰৰ সকলো ৱাৰ্ড বানপানীৰ তলত।ব্ৰহ্মপুত্ৰৰ মথাউৰিত আছে শ্লুইচ গেট। এই শ্লুইচ গেটেদি শিৱসাগৰৰ পৰা পানী ব্ৰহ্মপুত্ৰলৈ ওলাই যায়। দিচাংমুখৰ সমীপৰ গড়ভগা অঞ্চলত ব্ৰহ্মপুত্ৰ মথাউৰিত থকা শ্লুইচ গেট কেইখন বন্ধ থকালৈকে ভৱিষ্যতৰ দিনত শিৱসাগৰত বানপানীয়ে জটিল ৰূপ ধাৰণ কৰিব। এই শ্লুইচ গেট কেইখনৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ চৰকাৰক ৰাইজে দাবী জনাইছে। চৰকাৰী তথ্য অনুসৰি, শিৱসাগৰ জিলাৰ দিচাংমুখ আৰু দিহিংমুখত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ , নাজিৰাত দিখৌৰ জলপৃষ্ঠ, নঙলামৰাত দিচাঙৰ জলপৃষ্ঠৰ উচ্চতা সামান্য পৰিমাণে নিম্নগামী হৈছে। ফলস্বৰূপে বান সমস্যা দূৰীকৰণৰ বাট মুকলি হৈছে যদিও প্ৰধান নৈ কেইখন বিপদসীমাৰ ওপৰেদি বৈ থকাৰ বাবে সমস্যাটো জটিল হৈ আছে। দৰিকাৰ বাঢ়নী পানী তীব্ৰ বেগেৰে বি জি ৰোড বাগৰি আৰু যমুনালৈ অহাৰ পাছতেই আজি দিনটোৰ ভিতৰতে শিৱসাগৰ নগৰ জলমগ্ন হ'ল। আজি আগবেলা ৰজাবাৰী অঞ্চলত ধাই আলিৰ ওপৰেদি বানমুখ, কাথপাৰ অঞ্চললৈ পানী বাগৰিছে। পশ্চিম যমুনা পথত এবুকু পানী। উক্ত অঞ্চলত যমুনা আৰু দৰিকাৰ পানী একাকাৰ হৈ নিউ কলনী , বাবুপট্টি, ধাইআলি অঞ্চললৈকে জলমগ্ন হৈছে। সংহাৰী বানত শিৱসাগৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়সহ আৱাসগৃহ, জলসম্পদ বিভাগৰ অধীক্ষক অভিযন্তাৰ কাৰ্যালয়, শিৱসাগৰ জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যালয়, গেছ কোম্পানীৰ কাৰ্যালয়, শিৱসাগৰ জিলা পৰিষদৰ কাৰ্যালয়, আদৰ্শ শিক্ষা ভৱন, অতিৰিক্ত আয়ুক্তৰ বাসগৃহ, অগ্নিনিৰ্বাপক বাহিনীৰ কাৰ্যালয় , ন্যায়াধীশৰ বাসগৃহ, নগৰৰ মাজমজিয়াত থকা চৰকাৰী আদৰ্শ চিকিৎসালয়, জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ কাৰ্যালয়সহ বিষ্ণু নগৰ, ধাই আলি, পশ্চিম যমুনা , জেঙনিকটীয়া চাৰিআলি, নিউ কলনী , টেঙ্কি আলি , ষ্টেচন চাৰিআলি, জি এন জি ৰোড, দ'লমুখ চাৰিআলি, বাবুপট্টি আদি অঞ্চলসমূহ আজি পুৱাৰ ভাগতেই ডুবিল। সকলো এতিয়া পানীৰ তলত। চৌদিশে এতিয়া পানী আৰু পানী। এক কৰুণ আৰ্তনাদ। ভয়ানক পৰিস্থিতি। বলীয়া বানৰ মাজত ৰাইজৰ মাজত হাহাকাৰ অৱস্থা। বিদ্যুৎ সেৱা বন্ধ হৈ থকাৰ বাবে ৰাইজৰ হাতে হাতে থকা ম'বাইল ফোন বন্ধ হৈ পৰিছে। ফলস্বৰূপে ৰাইজে নিজেই বিপদত পৰি আনঠাইৰ লোকক নতুবা উদ্ধাৰ কাৰী দল , জিলা প্ৰশাসন , আৰক্ষী বিভাগৰ সৈতে যোগাযোগ কৰিব পৰা নাই। এক কথাত কক্সবলৈ গক্সলে বহিঃজগতৰ সৈতে বিচ্ছিন্ন হৈছে শিৱসাগৰ। ১২ নং এন ডি আৰ এফৰ নিৰ্দেশ আৰু তত্ত্বাৱধানত শিৱসাগৰত উদ্ধাৰ অভিযানৰ বাবে প্ত টা দল মোতায়েন কৰিছে। বাতৰি লিখাৰ সময়লৈকে এন ডি আৰ এফ দলে ২৩৯১ জন লোকক সুৰক্ষিত স্থানলৈ স্থানান্তৰিত কৰিছে আৰু ৩৫ জনক উদ্ধাৰ কৰিছে। ইয়াৰ উপৰিও ৪৬ টা পশুধন উদ্ধাৰ কৰিছে। এন ডি আৰ এফৰ দলসমূহ অভিযানত সক্ৰিয় হৈ আছে আৰু উদ্ধাৰ কাৰ্যসূচী অব্যাহত ৰাখিছে। ইপিনে,শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত বানপানীৰ ভয়াৱহ প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি, ভাৰত চৰকাৰৰ দূৰসংযোগ বিভাগে এক পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে তিনিখন জিলাৰ মোবাইল ফোন ব্যৱহাৰকাৰী সকলে নিৰ্দিষ্ট অঞ্চলত নিজৰ ম'বাইল অপাৰেটৰৰ নেটৱৰ্ক নাথাকিলেও মক্সবাইল সেৱা নিৰৱচ্ছিন্নভাৱে লাভ কৰাৰ ব্যৱস্থা কৰিছে। শিৱসাগৰ জিলাৰ বৰ্তমানৰ বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি শিৱসাগৰ জিলা কৃষি বিভাগে এক বানপানী নিয়ন্ত্ৰণ কক্ষ মুকলি কৰিছে। এই নিয়ন্ত্ৰণ কক্ষৰ জড়িয়তে কৃষক ৰাইজে কৃষিৰ ক্ষতি সম্পৰ্কীয় বাৰ্তা তাৎক্ষনিকভাৱে বিভাগক জনাব পাৰিব আৰু এই তথ্যৰ আধাৰত পৰৱৰ্তী সময়ত ক্ষতিপূৰণ আৰু বান সাহাৰ্য প্ৰদানত সুবিধা হ'ব। শিৱসাগৰ মহকুমা কৃষি বিষয়াৰ তত্বাৱধানত তিনিজনকৈ সহকাৰী কৃষি পৰিদৰ্শক নিয়ন্ত্ৰণ কক্ষত নিয়োগ কৰিছে। আজি শিৱসাগৰ জিলা তথ্য আৰু জনসম্পৰ্কৰক্ষী বিভাগৰ তথ্য অনুসৰি, শিৱসাগৰ জিলা প্ৰশাসনে জিলাখনত শেহতীয়াকৈ উদ্ভৱ হোৱা বানপানীৰ পৰিস্থিতিৰ সৈতে দৃঢ়তাৰে মোকাবিলা কৰি আহিছে। বানৰ কবলত পৰা লোকসকলক উদ্ধাৰ, খাদ্য আৰু অন্যান্য অত্যাৱশ্যকীয় সাহাৰ্য সামগ্ৰী প্ৰদান কাৰ্যসূচী অবিৰতভাৱে অব্যাহত ৰাখিছে।জিলা প্ৰশাসনে বন্যাৰ্ত সকলক সকাহ দিয়াৰ উদ্দেশ্যে বিশুদ্ধ খোৱাপানী, খাদ্য আৰু অত্যাৱশ্যকীয় সামগ্ৰী নিৰন্তৰ যোগান ধৰি আহিছে।শিৱসাগৰ জিলা প্ৰশাসনে অহা ২১ জুলাইলৈকে জিলাখনৰ ৰাজহ চক্ৰ পৰ্যায়ত বিশুদ্ধ খোৱাপানীৰ লগতে খাদ্য আৰু অত্যাৱশ্যকীয় সামগ্ৰী যোগান ধৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, চাউল- ১৩৩৫.৮১৪ কুইন্টল। দাইল- ২৫৯.১৯১ কুইন্টল। নিমখ-৬৭.৭৫৮ কুইন্টল।

## নগাঁও বেঙেনাআটিত জল জীৱন মিছনৰ অচলা অৱস্থা

**বাতৰি কাকত, ষ্টাফ ৰিপ'ৰ্টাৰ, ২২ জুলাই ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোনৰ আচঁনি জল জীৱন মিছনৰ বৰ্তমান অচল অৱস্থা। নগাঁও জিলাৰ নগাঁও-বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত বেঙেনাআটিৰ ৰাইজৰ দীৰ্ঘদিনীয়া সপোন পূৰণ কৰি বিশুদ্ধ খোৱাপানী যোগানৰ উদ্দেশ্যে বেঙেনাআটিত দুটাকৈ স্থানত অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগ (নগাঁও সংমণ্ডলে) জল জীৱন মিছনৰ অধিনত কেইবা কোটি টকা ব্যয় সাপেক্ষে স্থাপন কৰিছিল দুটাকৈ পানী যোগান আঁচনি। ইয়াৰে এটা আচঁনি বেঙেনাআটি গাওঁপঞ্চায়ত কাৰ্যলৰ সমীপত আনটো পশ্চিম বেঙেনাআটি কলংপাৰ পথত। এই দুয়োটা আঁচনিৰ নিৰ্মানকাৰ্যৰ ঠিকা লাভ কৰা ঠিকাদাৰ প্ৰতিষ্ঠানে নিম্ন মানৰ কাম কৰাৰ বাবেই বৃহত্তৰ বেঙেনাআটিৰ শ-শ ৰাইজে বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হৈছে। পশ্চিম বেঙেনাআটি পানীযোগান আঁচনিৰ পৰা প্ৰায় ৩০০ হিতাধিকাৰীয়ে পানী পোৱাৰ ব্যৱস্থা কৰা হৈছিল যদিও বৰ্তমান প্ৰায় ৫০ ঘৰ পৰিয়ালে কিছু পৰিমানে পানী লাভ কৰাৰ বিপৰিতে ২৫০ ঘৰ পৰিয়ালে বিশুদ্ধ খোৱাপানীৰ লাভৰ পৰা বঞ্চিত হৈছে। আনহাতে বেঙেনাআটি গাওঁপঞ্চায়তৰ সমীপৰ পানীযোগান আচঁনিটো বিভিন্ন কাৰিকৰী অসুবিধাৰ বাবে দীৰ্ঘদিনে পানীযোগান ব্যাহত হৈ আছে। যাৰ ফলত বৃহত্তৰ বেঙেনাআটীৰ ৰাইজে বিশুদ্ধ খোৱাপানী লাভৰ পৰা বঞ্চিত হৈ আছে। নগাঁও জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগে এই বিষয় বিলাকৰ ওপৰত ব্যৱস্থা গ্ৰহণ নকৰাত অঞ্চলটোৰ ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। এই সমগ্ৰ বিষয়টো ওপৰত ব্যৱস্থা গ্ৰহণৰ কৰিবলৈ জিলা আয়ুক্তৰ লগতে জিলা জন স্বাস্থ্য কাৰিকৰী বিভাগৰ উৰ্দ্ধতম কৰ্তৃপক্ষক স্থানীয় ৰাইজে দাবী জনাইছে।

*তামুলপুৰ জিলা খুচৰা সাৰ ব্যৱসায়ী সন্থাৰ বিশেষ কাৰ্যনিৰ্বাহক সভা*

## সাৰ ব্যৱসায়ীৰ স্মাৰকপত্ৰ ঃ এমআৰপি মূল্যত সাৰ যোগানৰ দাবী

**বাতৰি কাকত, তামুলপুৰ, ২২ জুলাই ঃ** সদৌ তামুলপুৰ জিলাৰ খুচুৰা সাৰ ব্যৱসায়ী সন্থাৰ আজি তামুলপুৰ ৰাজহুৱা উদ্যানৰ সভাগৃহত সন্থাৰ সভাপতি প্ৰদীপ চৰকাৰ সভাপতিত্বত এখন বিশেষ কাৰ্যনিৰ্বাহ সভা অনুষ্ঠিত হয়। সভাত সাৰ ব্যৱসায়ী সকলৰ মাজত সাৰ বিক্ৰী কৰাৰ ক্ষেত্ৰত হোৱা সমস্যা সমূহৰ উপৰত বিশেষ আলোচনা কৰা হয়। আলোচনাৰ অন্তত তামুলপুৰ জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী আৰু কৃষি মন্ত্ৰীলৈ ৰাসায়নিক সাৰৰ যোগান ব্যৱস্থা আৰু মূল্য নিৰ্ধাৰণ সন্দৰ্ভত এক স্মাৰকপত্ৰ দাখিল কৰি বিভিন্ন সমস্যাৰ কথা অৱগত কৰে। স্মাৰকপত্ৰত সন্থাই উল্লেখ কৰে যে, শেহতীয়াকৈ ৰাজ্যৰ কৃষিমন্ত্ৰী পীযূষ হাজৰিকাই সংবাদ মাধ্যম আৰু বিধানসভাত এমআৰপি শতত্ত্বত্নগ্নতকৈ অধিক মূল্যত ৰাসায়নিক সাৰ বিক্ৰী কৰা বা ইউৰীয়াৰ সৈতে অন্য সামগ্ৰী জোৰ-জুলুমকৈ বিক্ৰী কৰিলে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্তব্য কৰিছে। ব্যৱসায়ীসকলে কয় যে, এমআৰপি অতিক্ৰম কৰি সামগ্ৰী বিক্ৰী কৰাটো আইনসংগত নহয় বুলি তেওঁলোকেও স্বীকাৰ কৰে, কিন্তু বাস্তৱত কোম্পানী আৰু বিতৰণ ব্যৱস্থাৰ পৰা তেওঁলোকে সাৰ এমআৰপি মূল্যত নাপায়। সন্থাৰ অভিযোগ অনুসৰি, বৰপেটা বেক পইণ্টৰ পৰা গুদামলৈ ইউৰীয়া সাৰ অনাৰ ক্ষেত্ৰত ৩০০ টকাকৈ অধিক পৰিবহন আৰু আন আন ব্যয় বহন কৰিবলগীয়া হয়। ইয়াৰ উপৰিও অসম চৰকাৰে প্ৰতিবেগ ইউৰীয়াৰ বিপৰীতে দিবলগীয়া ৩২০ টকাৰ 'ইনটেনচিভ' ধন প্ৰায় দুবছৰ ধৰি আদায় নিদিয়াৰ ফলত ব্যৱসায়ীসকল আৰ্থিকভাৱে ক্ষতিগ্ৰস্ত হৈছে। আনহাতে, কোম্পানীসমূহে ইউৰীয়াৰ সৈতে নেন' ইউৰীয়া বা আন সামগ্ৰী বাধ্যতামূলকভাৱে 'টেগিং' কৰি যোগান দিয়ে। এই টেগিং সামগ্ৰী গ্ৰহণ নকৰিলে ইউৰীয়া যোগান দিয়া নহয় বুলি অভিযোগ উত্থাপন কৰিছে সন্থাই। কিন্তু কৃষকসকলে এই টেগিং সামগ্ৰী ক্ৰয় কৰিবলৈ আগ্ৰহ প্ৰকাশ নকৰাত ব্যৱসায়ীসকলে অধিক লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে। এই পৰিস্থিতিত এমআৰপি মূল্যত সাৰ বিক্ৰী কৰাটো ব্যৱসায়ীসকলৰ বাবে অসম্ভৱ হৈ পৰিছে বুলি উল্লেখ কৰি সন্থাই কয় যে, যেতিয়ালৈকে এমআৰপি মূল্যত সাৰ যোগান নিশ্চিত নহয়, তেতিয়ালৈকে নতুনকৈ ৰাসায়নিক সাৰ দোকানত নুঠোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বৰ্তমান শালিধানৰ টপ ড্ৰেছিংৰ সময়ত সাৰৰ নাটনি দেখা দিলে তাৰ বাবে সাৰ ব্যৱসায়ীসকলক দায়ী নকৰিবলৈও আহ্বান জনায় সন্থাই। স্মাৰকপত্ৰৰ জৰিয়তে বিষয়টো গুৰুত্বসহকাৰে বিবেচনা কৰি ব্যৱসায়ীসকলে এমআৰপি মূল্যত সাৰ বিক্ৰী কৰিব পৰাকৈ যোগান ব্যৱস্থা নিশ্চিত কৰাৰ লগতে কৃষক আৰু সাৰ ব্যৱসায়ী উভয়ৰে স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে অনতিপলমে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে। আজিৰ এই কাৰ্যনিৰ্বাহ সভাত সদৌ তামুলপুৰ জিলা খুচৰা সাৰ ব্যৱসায়ী সন্থাৰ সম্পাদক জাহিদুল খান, উপ সভাপতি আশিষ দাস, ইমৰান আনচাৰী, বিমল নাৰ্জাৰী, কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক ৰতন ঘিমিৰেৰ লগতে সদৌ তামুলপুৰ জিলা খুচৰা সাৰ ব্যৱসায়ী সন্থাৰ ব্যৱসায়ী সকল উপস্থিত থাকে।

## দুৰাৰোগ্যত আক্ৰান্ত জাগীৰোডৰ এটি কণমানি

**বাতৰি কাকত, জাগীৰোড, ২২ জুলাই ঃ** পখিলা খেদা বয়সত, যি সময়ত হাঁহি স্ফূৰ্তিৰে সমনীয়াৰ সৈতে খেলি ফুৰিব লাগিছিল, তেনে সময়তে এক দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ কঠোৰ জীৱন সংগ্ৰামেৰে যুঁজিবলগীয়া হৈছে জাগীৰোডৰ এটি কন্যা শিশু। উল্লেখ্য যে যকৃতৰ জটিল ৰোগত আক্ৰান্ত হৈ জীৱন যুদ্ধত অৱতীৰ্ণ হোৱা শিশুটি জাগীৰোডৰ সমীপৰ পালিগুৰি গাঁৱৰ শেফালী সৰকাৰ আৰু গোপাল সৰকাৰৰ ছয়বছৰীয়া কন্যা নমিতা সৰকাৰে । ইতিমধ্যে কন্যাৰ চিকিৎসাৰ নামত সৰ্বস্বান্ত হৈছে এটা উৰুখা পঁজাত বসবাস কৰা অতিকৈ দৰিদ্ৰ পৰিয়ালটো। ইপিনে,চিকিৎসকে জনোৱা অনুসৰি শিশুটিক সম্পূৰ্ণ সুস্থ কৰিবলৈ প্ৰয়োজন হ'ব প্ৰায় ৫০ লাখ টকাৰ । এই খবৰ লাভ কৰাৰ পিছতে মূৰত সৰগ ভাগি পৰিছে দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰা পৰিয়ালটোৰ। আনহাতে শিশুটিৰ চিকিৎসাৰ বাবে জাগীৰোড সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী পীয়ুষ হাজৰিকাই ২০ হাজাৰ টকা প্ৰদান কৰিছিল যদিও ইতিমধ্যে পৰীক্ষা নিৰীক্ষাতে ব্যয় হৈছে সেই ধনৰাশি।সম্প্ৰতি কণমানি সন্তানৰ চিকিৎসা কৰিব নোৱাৰি এতিয়া চকুলোৰে বাট নেদেখা হৈছে পিতৃ-মাতৃৰ লগতে আত্মীয়সকলৰ । সেয়ে শিশুটিক চৰকাৰীভাৱে উন্নত চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক কাতৰ আহ্বান জনাইছে পৰিয়ালটোৰ লগতে স্থানীয় হৃদয়বান লোকসকলে ।হয়তো মুখ্যমন্ত্ৰীৰ অকনমাণ সহায়ৰ হাতে পুনৰ শিশুটিৰ লগতে দুৰ্ভগীয়া পৰিয়ালটোৰ মুখত বিৰিঙাব পাৰে আনন্দৰ হাঁহি।

## দৌলাশালত অভিনেত্ৰী পূৰবী শৰ্মালৈ শ্ৰদ্ধাঞ্জলি

**বাতৰি কাকত, দৌলাশাল, ২২ জুলাই ঃ** নলবাৰী জিলাৰ দৌলাশালত কালি নিশা বিৰিণা গোষ্ঠী অসমে অনুষ্ঠিত কৰে অসমীয়া বোলছবি জগতৰ মোহময়ী অভিনেত্ৰী প্ৰয়াত পূৰবী শৰ্মাৰ এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। বিৰিণা গোষ্ঠী, অসমৰ দৌলাশালস্থিত মুখ্য কাৰ্যালয়ত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ বন্তিপ্ৰজ্বলন কৰে গোষ্ঠীটোৰ জ্যেষ্ঠ সদস্য ৰমণী নাথে। পূৰবী শৰ্মাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে সাংগঠনিক সম্পাদক কুশল চৌধুৰীয়ে আৰু সমূহীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে গোষ্ঠীটোৰ কাৰ্যনিৰ্বাহক সদস্য ছাহজাহান আলী আহমেদে। গোষ্ঠীটোৰ কেন্দ্ৰীয় সভাপতি জিয়াউৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত পূৰবী শৰ্মাৰ সাংস্কৃতিক কৰ্মৰাজিৰ বিষয়ে আলোকপাত কৰি বক্তব্য প্ৰদান কৰে বিৰিণা গোষ্ঠী অসমৰ প্ৰতিষ্ঠাপক সভাপতি লীলাধৰ পাঠকে। ভাষণ প্ৰসংগত লীলাধৰ পাঠকে মোহময়ী অভিনেত্ৰী গৰাকীৰ স্বামী বিশিষ্ট অভিনেতা, আবৃত্তিকাৰ তপন দাসৰ লগত থকা গোষ্ঠীটোৰ আত্মিক সম্পৰ্কৰ কথা ব্যক্ত কৰে। উল্লেখ্য যে বিশিষ্ট অভিনেতা তপন দাসক বিৰিণা গোষ্ঠী, অসমে কিছু বছৰ পূৰ্বে সম্বৰ্ধনা জ্ঞাপন কৰি এক অন্তৰংগ সাংস্কৃতিক মত-বিনিময় কৰিছিল। অনুষ্ঠানত গোষ্ঠীটোৰ উপ সভাপতি বাবুল বণিক্যই ভাষণ প্ৰদান কৰি অভিনেত্ৰী পূৰবী শৰ্মাৰ আকস্মিক মৃত্যু অসমৰ সাংস্কৃতিক জগতৰ বৃহৎ ক্ষতি বুলি উল্লেখ কৰে। বিৰিণা গোষ্ঠী, অসমৰ সম্পাদক বনজিৎ বৈশ্যই আঁত ধৰা অনুষ্ঠানটোত উপদেষ্টা ভৱেন কুমাৰ কলিতা, পত্ৰিকা সম্পাদক সুৰজিৎ পাঠক, বিত্ত সম্পাদক জয়ন্ত ডেকা, সদস্য ক্ৰমে নেকিবুৰ ৰহমান, ভৱেন শীল ,ময়ুৰ কাশ্যপকে আদি কৰি বৰপেটা আৰু নলবাৰী জিলাৰ কেইবাজনো সদস্য আৰু শুভাকাংক্ষী উপস্থিত থাকি পূৰবী শৰ্মালৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। সভাপতি জিয়াউৰ ৰহমানে নিজৰ ভাষণত পূৰবী শৰ্মা এগৰাকী কবিতা ভালপোৱা চিত্ৰশিল্পীও আছিল আৰু এগৰাকী সুগৃহিনীও আছিল বুলি উল্লেখ কৰে । পূৰবী শৰ্মাৰ আত্মাৰ সদগতি কামনা কৰি সভাই এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰাৰ লগতে পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা প্ৰকাশ কৰি এটি প্ৰস্তাৱ গ্ৰহণ কৰে।

## গোসাঁইগাঁৱত শোকাৱহ পথ দুৰ্ঘটনা

# মাটি কঢ়িওৱা ট্ৰেক্টৰৰ চেপাত শিশুৰ কৰুণ মৃত্যু

**বাতৰি কাকত, কচুগাঁও, ২২ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ অন্তৰ্গত গোসাঁইগাঁও মহকুমাৰ ২ নং বুঢ়িচাটাম গাঁৱত সোমবাৰে পুৱা প্ৰায় ৰব বজাত সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাত ৬ বছৰীয়া এজন নিষ্পাপ শিশুৰ কৰুণ মৃত্যু হয়। এই ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। প্ৰশাসন আৰু বন বিভাগৰ নিষ্ক্ৰিয়তাক দায়ী কৰি স্থানীয় ৰাইজে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। মৃত শিশুটি ২ নং বুঢ়চিটাম গাঁৱৰ সাহানুৰ ইছলাম ফকিৰৰ ছ বছৰীয়া পুত্ৰ ৰেজোৱান ফকিৰ বুলি জানিব পৰা গৈছে। অভিযোগ অনুসৰি, এটা কয়াৰীৰ পৰা অবৈধভাৱে মাটি কঢ়িয়াই অনা এ এছ-১৯ এচি-৪৭৪৪ নম্বৰৰ ট্ৰেক্টৰখনে নিয়ন্ত্ৰণ হেৰুৱাই শিশুটিক খুন্দা মাৰে। ফলত ট্ৰেক্টৰৰ চকাৰ তলত পৰি ঘটনাস্থলীতেই শিশু ৰেজোৱান ফকিৰৰ মৃত্যু হয়। স্থানীয় ৰাইজৰ অভিযোগ, অঞ্চলটোৰ চৰকাৰী মাটিত দীৰ্ঘদিন ধৰি একাংশ দুষ্টচক্ৰই অবৈধভাৱে মাটি খনন চলাই আহিছে। পূৰ্বেও একে ধৰণৰ অবৈধ মাটি খননৰ সৈতে জড়িত ঘটনাত এজন লোকৰ মৃত্যু হৈছিল যদিও প্ৰশাসনে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰাত এনে দুৰ্ঘটনা




পুনৰ সংঘটিত হৈছে। ঘটনাৰ পাছতে ট্ৰেক্টৰৰ মালিক নুৰ আলমক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰি কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ দাবী জনায় মৃতকৰ পৰিয়ালৰ লগতে স্থানীয় বাসিন্দাসকলে।খবৰ পাই আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে।

# চামগুৰিত মুখ্যমন্ত্ৰীৰ উদ্যমিতা অভিযানৰ চেক বিতৰণ, মন্ত্ৰী পীযুষ হাজৰিকাৰ




**বাতৰি কাকত, চামগুৰি, ২২ জুলাই ঃ** অসম প্ৰতিগৰাকী মহিলা জাগ্ৰত। সকলো মহিলাই নিজৰ স্বামীক সহায় কৰিব বিচাৰে। গতিকে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অসমৰ প্ৰতিগৰাকী মহিলাক স্বাবলম্বী কৰিবলৈ 'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আচঁনিৰ জৰিয়তে মহিলা সকলক সহায় কৰিবলৈ চেষ্টা কৰা হৈছে। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, নিযুত মইনা আৰু অৰুণোদয় আঁচনিয়ে আৰ্থিক সুৰক্ষা আৰু অৰ্থনৈতিক সৱলীকৰণৰ জৰিয়তে মহিলাসকলৰ মৰ্যদাপূৰ্ণ জীৱন নিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই চেষ্টা কৰিছে। এই মন্তব্য ৰাজ্যৰ কৃষি আৰু জলসিঞ্চন মন্ত্ৰী পিযুষ হাজৰিকাৰ। নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত ভাৰতীয় জনতা পাৰ্টিৰ চামগুৰি মণ্ডলৰ সহযোগত বাজিয়াগাওঁ খেলপথাৰত আজি অনুষ্ঠিত হোৱা মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আচঁনিৰ চেক বিতৰণৰ জনসভা খনত ৰাজ্যৰ কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা আৰু বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী বিজেপি নেতা সুৰেশ বৰা উপস্থিত থাকে। নগাঁও জিলাৰ চামগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত বাজিয়াগাৱঁত অনুষ্ঠিত হোৱা বৃহৎ ৰাজহুৱা সভা খনত মন্ত্ৰী পিযুষ হাজৰিকাই অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আঁচনিৰ অধীনত চামগুৰি সমষ্টিৰ ২৬,৬৫৮ গৰাকী মহিলা হিতাধিকাৰীৰ মাজত ১০,০০০ টকাৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী চিন্তাৰ ফচল এই যুগান্তকাৰী আঁচনিয়ে দৰিদ্ৰ তথা পিছপৰা শ্ৰেণীৰ মহিলাসকলক বহনক্ষম জীৱিকা গঢ়ি তুলিবলৈ আৰু ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশত সক্ৰিয়ভাৱে অৱদান যোগাবলৈ সক্ষম কৰি তুলিছে। তেওঁ উল্লেখ কৰে যে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, নিযুত মইনা আৰু অৰুণোদয়ৰ দৰে আঁচনিসমূহে মহিলাসকলক বিনামূলীয়া শিক্ষা, ক্ষুদ্ৰ ব্যৱসায় প্ৰতিষ্ঠাৰ বাবে প্ৰাৰম্ভিক মূলধন আৰু প্ৰত্যক্ষ আৰ্থিক সাহায্য প্ৰদান কৰি সমাজত তেওঁলোকৰ এক মৰ্যদাপূৰ্ণ জীৱন নিশ্চিত কৰিছে। কোনো ধৰণৰ বৈষম্য নোহোৱাকৈ ৰাজ্যৰ সকলো অঞ্চল আৰু সমাজৰ সকলো শ্ৰেণীৰ সমবিকাশৰ বাবে ৰাজ্য চৰকাৰৰ দৃঢ় সংকল্পৰ কথা দোহাৰি মন্ত্ৰী হাজৰিকাই প্ৰাৰম্ভিক ১০,০০০ টকাৰ মূলধন সঠিকভাৱে ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। তেওঁ সকলো মহিলা হিতাধিকাৰীক নিজৰ ব্যৱসায় গঢ়ি তোলাৰ বাবে এই আৰ্থিক সাহায্য ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিবলৈ আহ্বান জনায় যাতে তেওঁলোকে আঁচনিখনৰ অধীনত পৰৱৰ্তী পৰ্যায়ৰ ২৫,০০০ আৰু ৫০,০০০ টকা লাভ কৰিবলৈ যোগ্য বিবেচিত হয়। বিশ্বৰ উন্নত দেশসমূহত কৰ্মক্ষেত্ৰত মহিলাৰ অধিক অংশগ্ৰহণৰ উদাহৰণ দাঙি ধৰি মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ মহিলাসকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'বলৈ আৰু অসমৰ অৰ্থনীতিত অধিক অৱদান আগবঢ়াবলৈ এই চৰকাৰী পদক্ষেপসমূহৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।নগাঁও সংসদীয় সমষ্টিৰ উন্নয়ন ত্বৰান্বিত কৰাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই ৰাইজক বৰ্তমানৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক সমৰ্থন জনাবলৈ আহ্বান জনায় যাতে আন্তঃগাঁথনি, শিক্ষা, স্বাস্থ্য আৰু মহিলা সৱলীকৰণৰ ক্ষেত্ৰত দ্ৰুতগতিত সৰ্বাংগীণ উন্নয়ন সাধন কৰিব পৰা যায়। চৰকাৰী পদক্ষেপসমূহৰ পৰা ৰাইজে যাতে সৰ্বাধিক লাভালাভ আদায় কৰিব পাৰে তাৰ বাবে জনপ্ৰতিনিধি নিৰ্বাচনৰ ক্ষেত্ৰত অধিক সজাগ হক্সবলৈকো তেওঁ নাগৰিকসকলক আহ্বান জনায়। উক্ত সভাত বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামী, নগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## নগাঁও বেঙেনাআটিত জল জীৱন মিছনৰ অচলা অৱস্থা

**বাতৰি কাকত, ষ্টাফ ৰিপ'ৰ্টাৰ, ২২ জুলাই ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোনৰ আচঁনি জল জীৱন মিছনৰ বৰ্তমান অচল অৱস্থা। নগাঁও জিলাৰ নগাঁও-বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত বেঙেনাআটিৰ ৰাইজৰ দীৰ্ঘদিনীয়া সপোন পূৰণ কৰি বিশুদ্ধ খোৱাপানী যোগানৰ উদ্দেশ্যে বেঙেনাআটিত দুটাকৈ স্থানত অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগ (নগাঁও সংমণ্ডলে) জল জীৱন মিছনৰ অধিনত কেইবা কোটি টকা ব্যয় সাপেক্ষে স্থাপন কৰিছিল দুটাকৈ পানী যোগান আঁচনি। ইয়াৰে এটা আচঁনি বেঙেনাআটি গাওঁপঞ্চায়ত কাৰ্যলৰ সমীপত আনটো পশ্চিম বেঙেনাআটি কলংপাৰ পথত। এই দুয়োটা আঁচনিৰ নিৰ্মানকাৰ্যৰ ঠিকা লাভ কৰা ঠিকাদাৰ প্ৰতিষ্ঠানে নিম্ন মানৰ কাম কৰাৰ বাবেই বৃহত্তৰ বেঙেনাআটিৰ শ-শ ৰাইজে বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হৈছে। পশ্চিম বেঙেনাআটি পানীযোগান আঁচনিৰ পৰা প্ৰায় ৩০০ হিতাধিকাৰীয়ে পানী পোৱাৰ ব্যৱস্থা কৰা হৈছিল যদিও বৰ্তমান প্ৰায় ৫০ ঘৰ পৰিয়ালে কিছু পৰিমানে পানী লাভ কৰাৰ বিপৰিতে ২৫০ ঘৰ পৰিয়ালে বিশুদ্ধ খোৱাপানীৰ লাভৰ পৰা বঞ্চিত হৈছে। আনহাতে বেঙেনাআটি গাওঁপঞ্চায়তৰ সমীপৰ পানীযোগান আচঁনিটো বিভিন্ন কাৰিকৰী অসুবিধাৰ বাবে দীৰ্ঘদিনে পানীযোগান ব্যাহত হৈ আছে। যাৰ ফলত বৃহত্তৰ বেঙেনাআটীৰ ৰাইজে বিশুদ্ধ খোৱাপানী লাভৰ পৰা বঞ্চিত হৈ আছে। নগাঁও জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগে এই বিষয় বিলাকৰ ওপৰত ব্যৱস্থা গ্ৰহণ নকৰাত অঞ্চলটোৰ ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। এই সমগ্ৰ বিষয়টো ওপৰত ব্যৱস্থা গ্ৰহণৰ কৰিবলৈ জিলা আয়ুক্তৰ লগতে জিলা জন স্বাস্থ্য কাৰিকৰী বিভাগৰ উৰ্দ্ধতম কৰ্তৃপক্ষক স্থানীয় ৰাইজে দাবী জনাইছে।

*No. DPRD/BTC/(15th FC)Ut.IX/Chi-11/2026/8* *Dated Kokrajhar the22nd July,2026*

**PRESS NOTICE**

The Director, P&RD Department, BTC, Kokrajhar invites through e-Tendering process for an amount not exceeding to **Rs.50,00,000.00 (Rupees fifty lakh)** only for implantation work of **"Const. of Road from Kungkrajhora Chariali to Manas Road (Activity Code-128442784)."** under the Award of 15th Finance Commission (Untied Grant) for the year 2025-26 during 2025-26 from Register Contractor from APWD (Roads/Building/ Firm, Class, A,B, BTC, etc.

Details may be seen at **http:://assamtenders.gov.in** and also at the office of the undersigned during office hours

Sd/- Director,
Panchayat & Rural Development,
BTC, Kokrajhar

***IPR(BTC)/C/2026-27/854***

# ডিব্ৰুগড়ত দিহানামৰ ঐতিহ্য সংৰক্ষণৰ লক্ষ্যৰে অন্তৰংগ গোটৰ ৩ দিনীয়া কৰ্মশালাৰ সফল সামৰণি

**বাতৰি কাকত, ডিব্ৰুগড় ২২ জুলাইঃ** অসমীয়া সমাজ-সংস্কৃতিৰ এক অমূল্য ঐতিহ্য দিহানাম আৰু নেগেৰা বাদনৰ সংৰক্ষণ তথা নতুন প্ৰজন্মৰ মাজত ইয়াৰ প্ৰতি আগ্ৰহ সৃষ্টিৰ লক্ষ্যৰে অন্তৰংগ গোট, ডিব্ৰুগড়ৰ উদ্যোগত লক্ষ্মীনাথ বেজবৰুৱা ভৱনত আয়োজিত তিনিদিনীয়া দিহানাম আৰু নেগেৰা বাদন প্ৰশিক্ষণ কৰ্মশালাৰ সফল সামৰণি হয়। কৰ্মশালাত ডিব্ৰুগড়ৰ লগতে বিভিন্ন প্ৰান্তৰ প্ৰায় তিনি শতাধিক জীয়ৰী-বোৱাৰী, কিশোৰ-কিশোৰীয়ে উৎসাহেৰে অংশগ্ৰহণ কৰে।কৰ্মশালাৰ প্ৰথম দিনাৰ কাৰ্যসূচী উদ্বোধন কৰে বিশিষ্ট লেখক তথা সমাজসেৱক লম্বিত বৰুৱাই। প্ৰথম দিনা কমলাবাৰী সত্ৰৰ বৈষ্ণৱ শিৰপ্ৰসাদ হাজৰিকাই দিহানামৰ প্ৰশিক্ষণ প্ৰদান কৰে। দ্বিতীয় দিনা ডিব্ৰুগড়ৰ বিশিষ্ট নামাচাৰ্য তথা দিহানামৰ সাধক মুক্তিনাথ বৰগোহাঁইয়ে আৰু অন্তিম দিনা ভাগৱত আচাৰ্য তথা দিহানামৰ সাধক লোহিত সন্দিকৈয়ে অংশগ্ৰহণকাৰীসকলক প্ৰশিক্ষণ দিয়ে। সমগ্ৰ কৰ্মশালাজুৰি নেগেৰা বাদনৰ প্ৰশিক্ষণ প্ৰদান কৰে বিশিষ্ট নেগেৰা বাদক মাধুৰ্য বৰগোহাঁই,খোল আৰু তালত বাদ্য সংগত কৰে ৰাজীৱ দত্ত আৰু দুৰ্লভ গগৈয়ে।সামৰণি অনুষ্ঠানত সমাজসেৱাৰ ক্ষেত্ৰত বিশেষ অৱদানৰ বাবে নীৰৱ সমাজসেৱক কমল হাজৰিকাক অন্তৰংগ গোটৰ তৰফৰ পৰা "সমাজ প্ৰাণ বঁটা" প্ৰদান কৰা হয়। লগতে কৰ্মশালাত অংশগ্ৰহণ কৰা তিনি শতাধিক শিক্ষাৰ্থীক মানপত্ৰ বিতৰণ কৰা হয়।সামৰণি অনুষ্ঠানত তিনিচুকীয়া জিলাৰ আদৰ্শ সত্ৰৰ সত্ৰাধিকাৰ মুনমুন দেৱগোস্বামী, নামাচাৰ্য প্ৰশান্ত বৰা, নামাচাৰ্য-কবি জোনমণি চেতিয়া আৰু ভাৱৰীয়া বৈষ্ণৱ ৰাহুল দাস উপস্থিত থাকে। বিবিজান দত্তই আঁত ধৰা মুকলি সভাত ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক তথা সাংবাদিক ৰাতুল বুঢ়াগোহাঁই, ডিব্ৰুগড় আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক চান্দম সোণোৱাল, এম ডি ফাউণ্ডেচনৰ অধ্যক্ষ মাধৱ দাস, সদৌ অসম কৈৱৰ্ত যুৱ-ছাত্ৰ সন্মিলনৰ সাংগঠনিক সম্পাদক আনিত্য দাস, সদৌ অসম বাঙালী ফেডাৰেচনৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক তাপস দাসকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।বিশিষ্ট অতিথিৰ ভাষণত সাংবাদিক ৰাতুল বুঢ়াগোহাঁইয়ে অন্তৰংগ গোটৰ এই প্ৰশংসনীয় পদক্ষেপক শলাগ লৈ কয় যে, দিহানাম অসমীয়া সমাজ-সংস্কৃতিৰ এক অমূল্য ঐতিহ্য। দিহানামে ঈশ্বৰৰ প্ৰতি ভক্তি, সমাজৰ ঐক্য আৰু মানৱীয় মূল্যবোধৰ এক সুন্দৰ প্ৰকাশ ঘটায়। তেওঁ কয়, দিহানাম গোৱা বা শ্ৰৱণ কৰিলে মন শান্ত হয়, আত্মিক শক্তি বৃদ্ধি পায় আৰু নামঘৰ, ঘৰুৱা পূজা, শুভ অনুষ্ঠান তথা বিভিন্ন ধৰ্মীয় উৎসৱত এক পৱিত্ৰ পৰিৱেশৰ সৃষ্টি হয়। লগতে দিহানামে মানুহৰ মাজত ভ্ৰাতৃত্ববোধ, সহযোগিতা আৰু সামাজিক সম্প্ৰীতি সুদৃঢ় কৰাৰ লগতে নতুন প্ৰজন্মক নিজৰ ভাষা, সংস্কৃতি আৰু আধ্যাত্মিক মূল্যবোধৰ সৈতে সংযোগ স্থাপনতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই দিশত অন্তৰংগ গোটে গ্ৰহণ কৰা গঠন মূলক পদক্ষেপক তেওঁ সময়োপযোগী আৰু অত্যন্ত প্ৰশংসনীয় বুলি অভিহিত কৰে। আনহাতে সত্ৰাধিকাৰ মুনমুন দেৱগোস্বামীয়ে দিহানামৰ তাৎপৰ্য সন্দৰ্ভত বক্তব্য প্ৰদান কৰাৰ লগতে অংশগ্ৰহণকাৰী সকলক আশীৰ্বাদ প্ৰদান কৰে।

# বাঁহবাৰী ৰেঞ্জাৰ প্ৰাঞ্জল তালুকদাৰৰ বদলিকৰণক লৈ প্ৰতিক্ৰিয়া জীপ ছাফাৰি সংস্থাৰ




**বাতৰি কাকত, শালবাৰী, ২২ জুলাই ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জৰ দায়িত্বত থকা নিষ্ঠাবান বিষয়া প্ৰাঞ্জল তালুকদাৰৰ আকস্মিক বদলিকৰণক লৈ এতিয়া সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া। বিটিচি পৰিষদৰ পৰিৱেশ আৰু বন বিভাগে জাৰি কৰা এক নিৰ্দেশনাৰ জৰিয়তে ৰেঞ্জাৰ প্ৰাঞ্জল তালুকদাৰক মানাহৰ পৰা পৰ্বতজোৰা ডিভিজনৰ ৰূপহী ৰেঞ্জলৈ বদলি কৰা হৈছে। এই বদলিকৰণৰ বিৰোধিতা কৰিছে মানাহ জীপ ছাফাৰি সংস্থাই।

মানাহত এক সংবাদমেল সম্বোধন কৰি জীপ ছাফাৰি সংস্থাৰ বিষয়ববীয়াসকলে আক্ষেপ প্ৰকাশ কৰি কয় যে, মানাহ ৰাষ্ট্ৰীয় উদ্যানখন ৰাজনৈতিকভাৱে পৰিচালনা কৰাটো অতি দুৰ্ভাগ্যজনক। তেওঁলোকৰ মতে, প্ৰাঞ্জল তালুকদাৰ এগৰাকী অত্যন্ত নিষ্ঠাবান বিষয়া আৰু তেওঁৰ দৰে বিষয়াৰ বদলিয়ে উদ্যানখনৰ কাম-কাজত বিৰূপ প্ৰভাৱ পেলাব পাৰে। সংস্থাৰ তৰফৰ পৰা স্পষ্ট কৰা হৈছে যে, একাংশ স্থানীয় লোকৰ মাজত থকা এক ভুল ধাৰণাৰ বাবে এই সমস্যাৰ সৃষ্টি হৈছে। তেওঁলোকৰ মতে, মানাহৰ দক্ষিণ দিশে থকা ৰাস্তাটো বন বিভাগৰ ৰাস্তা আৰু ইয়াক চাফাৰি ৰোড হিচাপে চৰকাৰী জাননী যোগে ঘোষণা কৰা হৈছে। কিছুমানে এই ৰাস্তাটো প্ৰাঞ্জল তালুকদাৰে বন্ধ কৰি ৰখা বুলি যি অভিযোগ উত্থাপন কৰিছে, সেয়া সম্পূৰ্ণ ভিত্তিহীন। সংস্থাৰ মতে, অনাগত সময়ত অৰ্থাৎ জুলাইৰ শেষ আৰু আগষ্ট, চেপ্তেম্বৰ মাহত বহু পৰ্যটকৰ আগমন ঘটে।তেওঁলোকে জংঘলৰ ভিতৰলৈ নোযোৱাকৈ পথৰ দাঁতিৰ পৰা মানাহৰ সৌন্দৰ্য উপভোগ কৰে। এনে সময়ত এগৰাকী অভিজ্ঞ বিষয়াক বদলি কৰিলে পৰ্যটন খণ্ডটোৱে লোকচানৰ সন্মুখীন হ'ব পাৰে।তেওঁলোকে চৰকাৰক অনুৰোধ জনায় যে, এই বদলিকৰণ নিৰ্দেশনা স্থগিত ৰাখি ৰাস্তাৰ সমস্যাটো আলোচনাৰ মাধ্যমেৰে সমাধান কৰক। লগতে, বন বিভাগক জনসাধাৰণৰ অসুবিধা নোহোৱাকৈ ৰাস্তাটো কিছু সময়ৰ বাবে মুকলি কৰি দিয়াৰ পৰামৰ্শ আগবঢ়ায়। সামগ্ৰিকভাৱে, মানাহৰ পৰ্যটনৰ স্বাৰ্থত আৰু উদ্যানখনৰ সুচাৰু পৰিচালনাৰ বাবে প্ৰাঞ্জল তালুকদাৰক নিজৰ পদত বাহাল ৰাখিবলৈ সংস্থাটোৱে দাবী জনাইছে।

# মৰিগাঁৱত কৃষি আন্তঃগাঁথনি নিধি সন্দৰ্ভত কৰ্মশালা

**বাতৰি কাকত,ভূৰাগাঁও, ২২ জুলাই ঃ** মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত উদ্যোগীসকলৰ বাবে আজি কৃষি আন্তঃগাঁথনি নিধি (Agriculture Infrastructure Fund - AIF) বিষয়ক এখনি বিশেষ কৰ্মশালা জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। জিলা কৃষি বিষয়া দিলীপ কুমাৰ বৰাৰ সঞ্চালনাত তথা ষ্টেট বেংক অৱ ইণ্ডিয়াৰ সহযোগত অনুষ্ঠিত এই কৰ্মশালাৰ মূল উদ্দেশ্য আছিল কৃষি আন্তঃগাঁথনি নিধিৰ জৰিয়তে কৃষিভিত্তিক আন্তঃগাঁথনি গঢ়ি তোলা, কৃষি উদ্যোগক অধিক শক্তিশালী কৰা আৰু উদ্যোগীসকলক উপলব্ধ সুবিধাসমূহৰ বিষয়ে অৱগত কৰা। অনুষ্ঠানত ষ্টেট বেংক অৱ ইণ্ডিয়াৰ উপ-মহাপ্ৰবন্ধক টেজশ্বিতা ৰঞ্জনে কৃষি আন্তঃগাঁথনি নিধি আঁচনিৰ অধীনত উপলব্ধ ঋণ সুবিধা, সুতৰ ৰেহাই, ঋণ গেৰাণ্টি ব্যৱস্থা, আবেদন প্ৰক্ৰিয়া আৰু আঁচনিৰ বিভিন্ন দিশ সম্পৰ্কে বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়। এই কৰ্মশালাৰ জৰিয়তে আঁচনিৰ জিলা নক্সডেল তথা মহকুমা কৃষি বিষয়া মুছাহীদ ফাৰুকীয়ে উপস্থিত অংশগ্ৰহণকাৰীসকলক কৃষিভিত্তিক সংৰক্ষণ, প্ৰক্ৰিয়াকৰণ, পেকেজিং, শীতল ভঁৰাল, মূল্য সংযোজন আদি ক্ষেত্ৰত আন্তঃগাঁথনি গঢ়ি তোলাৰ বাবে এই আঁচনিৰ সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উক্ত কৰ্মশালাত জিলাখনৰ বিভিন্ন প্ৰান্তৰ কৃষক উৎপাদক কোম্পানী (FPC), কৃষক উৎপাদক গোট (FPO), ক্ৰেতা- বিক্ৰেতা আৰু কৃষি উদ্যোগীসকলৰ লগতে ষ্টেট বেংক অৱ ইণ্ডিয়াৰ বিষয় ববীয়া সকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত সহকাৰী কৃষি সঞ্চালক অসীম কুমাৰ নাথে কৃষি খণ্ডত অধিক বিনিয়োগ, আধুনিক আন্তঃগাঁথনি সৃষ্টি আৰু কৃষকৰ আয় বৃদ্ধিৰ ক্ষেত্ৰত কৃষি আন্তঃগাঁথনি নিধি আঁচনিৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি যোগ্য উদ্যোগীসকলক এই আঁচনিৰ সুবিধা গ্ৰহণ কৰি কৃষিভিত্তিক উদ্যোগ গঢ়ি তোলাৰ আহ্বান জনায়। আয়োজিত কৰ্মশালাত মহকুমা কৃষি বিষয়া মেহেদী আৰিফ হুচেইন, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া কিশোৰ কলিতা, মিডিয়া বিশেষজ্ঞ গৌতম কুমাৰ নাথকে প্ৰমুখ্য সংশ্লিষ্ট বিষয়া কৰ্মচাৰী সকল উপস্থিত থাকে।

# মাখিবাহাৰ সমাজকৰ্মী হৰিশ্চন্দ্ৰ ভট্টাচাৰ্যৰ মৃত্যুত শোকস্তব্ধ টিহু-মাখিবাহা

**কুমুদ বৰ্মন টিহু , ২২ জুলাই ঃ** টিহু নগৰৰ সমীপৱৰ্তী মাখিবাহা (ডেকা পাৰা) গাঁও নিবাসী, বিশিষ্ট সমাজকৰ্মী, অসম ৰাজ্যিক পৰিবহণ বিভাগৰ অৱসৰী কৰ্মচাৰী,ভাৰতীয় জনতা পাৰ্টীৰ সক্ৰিয় কাৰ্যকৰ্তা, মাখিবাহা গ্ৰামোন্নয়ন সমিতিৰ প্ৰাক্তন সভাপতি, মাখিবাহা শাখা সাহিত্য সভাৰ আজীৱন সভ্য, মাখিবাহা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সদস্য, লখিমী কৃষক উৎপাদক গোট টিহুৰ সভাপতি, ক্ৰীড়া সংঘৰ শুভাকাংক্ষী হৰিশ্চন্দ্ৰ ভট্টাচাৰ্যৰ পুৱা ১০.৩০ বজাত হৃদৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয় । উল্লেখ্য যে কেইবাদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি থকা ভট্টাচাৰ্যৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৭ বছৰ। মৃত্যুৰ খবৰটো বিয়পি পৰাৰ লগে লগেই তেওঁৰ বাসগৃহত অসংখ্যলোকে ভিৰ কৰা পৰিলক্ষিত হয় । শিক্ষক দেৱব্ৰত শৰ্মাই আঁত ধৰা এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰয়াত ভট্টাচাৰ্যৰ নশ্বৰ দেহত মাখিবাহা গ্ৰামোন্নয়ন সমিতিৰ সভাপতি গণেশ দত্ত আৰু সম্পাদক ৰঞ্জিত শৰ্মা,ডেকাপাৰা চুপা উন্নয়ন সমিতি, মাখিবাহা জ্যেষ্ঠ নাগৰিক সন্মিলন, মাখিবাহা শাখা সাহিত্য সভা, মাখিবাহা ব্যৱসায়ী সন্থা, মাখিবাহা ক্ৰীড়া সংঘ, মাখিবাহা দুৰ্গা পূজা উদযাপন সমিতি, মাখিবাহা উচ্চমাধ্যমিক বিদ্যালয়, লখিমী কৃষক উৎপাদক গোট টিহু, ভাৰতীয় ষ্টেট বেংক মাখিবাহা শাখা, মাখিবাহা মহিলা সমিতি, মাখিবাহা আঞ্চলিক ছাত্ৰ সন্থা আদি বিভিন্ন সংগঠন অনুষ্ঠানে গামোচা ফুল আদিৰে শ্ৰদ্ধাঞ্জলি জনাই শেষ বিদায় জ্ঞাপন কৰে । উল্লেখিত অনুষ্ঠান, সংগঠন সমূহৰ উপৰি টিহু মহকুমা ৰিপোৰ্টাৰ্ছ এছোচিয়েচন,প্ৰাক্তন সহকৰ্মী সকলেও গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী ,পুত্ৰ, বোৱাৰী, জী আৰু অসংখ্য গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়। আবেলি আত্মীয় আৰু গঞা ৰাইজৰ উপস্থিতিত ৰাজহুৱাভাৱে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

# ধিঙৰ সোনাৰীগাঁৱত কংগ্ৰেছৰ সক্ৰিয় কৰ্মী ছাহজাহান আলীৰ প্ৰয়াণ, শোকৰ ছাঁ

**বাতৰি কাকত ধিং,২২ জুলাই ঃ** নগাঁও জিলাৰ ধিং থানাৰ অন্তৰ্গত সোনাৰীগাঁৱৰ নিৱাসী প্ৰয়াত আব্দুল খালেকৰ পুত্ৰ তথা ধিং সমষ্টিৰ কংগ্ৰেছৰ সক্ৰিয় কৰ্মী আৰু বৰভেটি মণ্ডল কংগ্ৰেছৰ সভাপতি ছাহজাহান আলীৰ সন্ধিয়া ৭.৪০ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত কৰ্কট ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। তিনিদিন পূৰ্বে অসুস্থ হোৱাত তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে তেওঁৰ বাসগৃহত শোকাকুল লোকৰ ভিৰ লাগে। সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত সক্ৰিয় আলী বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতেও জড়িত আছিল। শনিবাৰে আবেলি ৩ বজাত সোনাৰীগাঁও আঞ্চলিক কৱৰস্থানত মৌলানা হেলাল উদ্দিনৰ ইমামতিত্বত তেওঁৰ জানাজা সম্পন্ন হয়। মৃত্যুৰ সময়ত তেওঁ পত্নী, এজন পুত্ৰ আৰু বহু আত্মীয়-স্বজনক এৰি যায়। তেওঁৰ মৃত্যুত ধিং কংগ্ৰেছ মহলৰ লগতে সমগ্ৰ সোনাৰীগাঁও অঞ্চলত গভীৰ শোকৰ ছাঁ নামি আহিছে।



# কঠীয়াতলীত নিচাযুক্ত টেবলেট সহ এজনক আটক

**বাতৰি কাকত, কচুৱা ২২ জুলাইঃ** নগাঁও জিলাৰ কঠীয়াতলীত নগাঁও আৰক্ষীয়ে এক অভিযান চলাই বৃহৎ পৰিমানৰ নিচাযুক্ত টেবলেট সহ এজন লোকক আটক কৰিবলৈ সক্ষম হয় । ধৃত লোকজন আনোৱাৰ হুছেইন বুলি জানিব পৰা গৈছে । ধৃত আনোৱাৰ হুছেইনে কঠীয়াতলীৰ এটা ভাড়া ঘৰৰ পৰাই নগাঁৱৰ বিভিন্ন প্ৰান্তলৈ সৰবৰাহ কৰিছিল নিচাযুক্ত টেবলেট সমূহ । বৰ্তমান ধৃত আনোৱাৰক অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে ।

# তেজপুৰ আৰক্ষীৰ জালত গৰুচোৰ

**বাতৰি কাকত , তেজপুৰ,২২ জুলাই ঃ** তেজপুৰৰ লগতে নদুৱাৰত গোহালিৰ গৰু চুৰ কৰি সন্ত্ৰাসৰ সৃষ্টি কৰা এটা গৰুচোৰৰ দলৰ দুই গৰুচোৰক নিশা তেজপুৰত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে।আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি, তেজপুৰত সংঘটিত এক গৰু চুৰিৰ ঘটনাৰ অনুসন্ধান কৰা তেজপুৰ আৰক্ষীয়ে যোৱা নিশা পৰোৱাত কৰায়ত্ত কৰিবলৈ সক্ষম হয় বৰঘাট গাঁৱৰ চাহেদ আলি নামৰ অভিযুক্তক। ধৃত চাহেদৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে নিশাই তেজপুৰৰ ভোজখোৱাৰ মুকচিদুল ইছলামকো কৰায়ত্ত কৰে। আৰক্ষীয়ে মুকচিদুলৰ ঘৰৰ পৰা চুৰি গৰুৰ লগতে গৰুচুৰিত ব্যৱহৃত এএছ১২এএ৭২৭৭ নম্বৰৰ বাহনখন জব্দ কৰিবলৈ সক্ষম হয়। আনহাতে, দুই অভিযুক্তই আৰক্ষীৰ আগত গৰু চুৰিৰ ঘটনাৰে শোণিতপুৰ ইটাখোলাৰ ইনতাজ আলী ওৰফে কটিবাবু নামৰ দুধৰ্ষ গৰুচোৰো জড়িত থকাৰ বিষয়ে সদৰি কৰে আৰু বৰ্তমান আৰক্ষীয়ে ইনতাজক বিচাৰি অভিযান অব্যাহত ৰাখিছে বুলি তেজপুৰ সদৰ আৰক্ষীৰ প্ৰভাৰী বিষয়া ভাস্কৰজ্যোতি বেজবৰুৱাই সদৰি কৰিছে।

# আধ্যাত্মিক চিন্তা-চৰ্চাই মানুহৰ মন প্ৰাণ সজীৱ কৰি ৰাখে ঃ পিতৰাম দাস

**বাতৰি কাকত,শুৱালকুছি,২২ জুলাইঃ** কামৰূপ জিলাৰ বংশৰৰ অন্যতম প্ৰাচীন ধৰ্মীয় অনুষ্ঠান শ্ৰীশ্ৰীগোপাল থানৰ সুবৰি উৎসৱৰ পঞ্চাশ বছৰ উপলক্ষে সোণালী জয়ন্তী মহোৎসৱৰ শুভাৰম্ভ অনুষ্ঠান ৰূপায়ন কৰা হয়। এই উপলক্ষে পুৱা সোণালী জয়ন্তী মহোৎসৱৰ শুভাৰম্ভ অনুষ্ঠানৰ পতাকা উত্তোলন কৰে আদৰণি সমিতিৰ সভাপতি নগেন দাসে। বন্তি প্ৰজ্বলন কৰে গোপাল থান পৰিচালনা সমিতিৰ সভাপতি পিতৰাম দাসে। বন্তি প্ৰজ্বলন কৰি দিয়া ভাষণত তেওঁ বংশৰৰ ঐতিহাসিক গোপাল থান আধ্যাত্মিক চৰ্চাৰ এক উপসনাস্থলী। ইয়াত বহুত দূৰ দুৰণিৰ পৰা অহা ভক্তপ্ৰাণ ৰাইজে নিজৰ মনোকামনাৰে নিত্য নৈমিত্তিক শৰাই, ভোগ আদি দি গোপালৰ ওচৰত সেৱা লয়। আনহাতে বহুত লোকে জন্মদিন আদি ধৰ্মীয় পৰম্পৰাৰে উদযাপন কৰে। গতিকে এই অনুষ্ঠানখনে আধ্যাত্মিক পৰিৱেশ বৃহত্তৰ অঞ্চলটোত গঢ়ি তুলিছে। তেওঁ পুনৰ কয় যে আধাত্মিক চিন্তা-চৰ্চাই মানুহৰ মন- প্ৰাণ সজীৱ কৰি ৰাখে। তেওঁ এটি সুন্দৰ কবিতা পাঠ কৰি সকলোকে মুগ্ধ কৰে। ইয়াৰ পিছতে গণেশ পাঞ্চালী পাঠ কৰে সত্যৰাম দাসে। পুৱা ৯ বজাত অনুষ্ঠিত হয় গণেশ পূজা। ৯.৩০ বজাত ভাগৱত পাঠ কৰে গিৰীশ দাসে। ১০ বজাত অনুষ্ঠিত হয় বীৰনাম প্ৰদৰ্শন। ১২.৩০ বজাত হোমাদিকৃত্য। সন্ধিয়া বন্তি প্ৰজ্বলন আৰু নিশা নাগাৰা নাম পৰিৱেশন কৰে পাঠক সুভাষ নাথে।

# গ্ৰীষ্মকালীন ক্ৰীড়া প্ৰশিক্ষণ সম্পন্ন

**বাতৰি কাকত, ছিপাঝাৰ,২২ জুলাই ঃ** দৰং জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ উদ্যোগত, ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশী আৰু ৰাইজিং ক্লাব, হাজৰিকাপাৰাৰ সহযোগত হাজৰিকাপাৰাৰ গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ১৯ জুলাইলৈ এটি গ্ৰীষ্মকালীন ক্ৰীড়া প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰা হয় ।ৰাষ্ট্ৰীয় খেলুৱৈ বিপুল চহৰীয়া, নিজৰা ডেকা, মানস প্ৰতিম হাজৰিকা, হৰি চৰণ কলিতা, হৰি প্ৰিয়া বণিয়া আৰু জিগ্নুৱাৰা বেগমৰ দ্বাৰা ক্ৰমে ফুটবল, এথলেটিকচ, কাবাডী আৰু কালাৰিপাইটোৰ প্ৰশিক্ষণ প্ৰদান কৰা প্ৰশিক্ষণ শিবিৰটোত ডেৰ শতাধিক প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰিছে।

# তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অৱসৰী শিক্ষক-কৰ্মচাৰীৰ প্ৰীতি সন্মিলন

**তৰুণ বৰা, তেজপুৰ,২২ জুলাইঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা,নটসূৰ্য ফণী শৰ্মা, সুধাকণ্ঠ ভূপেন হাজৰিকা, লক্ষীধৰ শৰ্মা, চন্দ্ৰনাথ শৰ্মা, ত্যাগবীৰ হেম বৰুৱাৰ পৰা প্ৰয়াত নাট্যকাৰ-ঔপন্যাসিক অৰুণ শৰ্মা, প্ৰসিদ্ধ কবি হীৰেন ভট্টাচাৰ্য, জ্যেষ্ঠ প্ৰশাসনিক বিষয়া অশোক শইকীয়াকে ধৰি জাতীয় জীৱনৰ বহু পুৰোধা, প্ৰাতঃস্মৰণীয় ব্যক্তিয়ে অধ্যয়ন কৰা ঐতিহ্যমণ্ডিত তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত নষ্টালজিক হৈ পৰিল বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকল। বিদ্যালয়ৰ ঐতিহ্যৰে নৱ প্ৰজন্মৰ মাজত তুলি ধৰাৰ লগতে বিগত দিনৰ স্মৃতি সজীৱ কৰা আৰু অনাগত দিনত আত্মীয়তা গঢ়ি তোলাৰ মানসেৰে পঞ্চম বাৰৰ বাবে সম্পন্ন হ'ল বিদ্যালয়খনৰ প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীৰ প্ৰীতি সন্মিলন।কৰ্মজীৱনৰ স্মৃতিক সুঁৱৰি এই ঐতিহ্যমণ্ডিত বিদ্যালয়খনত নষ্টালজিক হৈ পৰে বিদ্যালয়খনত এসময়ত শিক্ষাদান কৰা শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে একাংশ কৰ্মচাৰী। ১৮৬৮ চনতে গঢ় লৈ উঠা ডেৰশ বছৰীয়া জয়ন্তী পালন কৰা তথা ৰাজ্যৰ জাতীয় জীৱনৰ বহু প্ৰবাদ পুৰুষৰ অধ্যয়নস্থলী ঐতিহ্যমণ্ডিত বিদ্যালয়খনৰ প্ৰীতি সন্মিলনলৈ দূৰ-দূৰণিৰ পৰা আহি অৱসৰপ্ৰাপ্ত অশীতিপৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে এসময়ৰ কৰ্মচাৰীসকলে স্মৃতি ৰোমন্থন কৰে। বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰিঞ্জুমণি নেওগ বৰাৰ নেতৃত্বত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ক্ৰমে মিনতি মহন্ত, অঞ্জলি মহন্ত, বাসন্তী বৰ্মন পাঠক, শেৱালি দেৱী আৰু ৰাণী দাসে জ্যোতি সংগীত তোৰে মোৰে আলোকৰে যাত্ৰা ৰে শুভাৰম্ভ কৰা অনুষ্ঠানত পৌৰোহিত্য কৰে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক হেমধৰ বৰাই। ইয়াৰ পিছতেই বন্তিপ্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, অশীতিপৰ প্ৰণৱ কুমাৰ মজুমদাৰ, পবিন্দ্ৰ কলিতা, হেমধৰ বৰা, মহেন্দ্ৰ দাস আৰু নৰেন বৰ্মনে। অৱসৰপ্ৰাপ্ত শিক্ষক জিতেন বৰাই আঁত ধৰা এই দুয়োটা অনুষ্ঠানত শ্লোক আৰু ঘোষাৰে প্ৰয়াত শিক্ষক -শিক্ষয়িত্ৰী , কৰ্মচাৰী , ৰাজ্যিক ,ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ শিক্ষাবিদ, সমাজকৰ্মী, শিল্পী -সাহিত্যিক সকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক লক্ষীধৰ বৰাই সভাৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে আদৰণি ভাষণ প্ৰদান কৰা এই অনুষ্ঠানটোত মঞ্চৰ সম্পাদক হেমন্ত কিশোৰ পাঠকে বিগত চতুৰ্থ প্ৰীতি সন্মিলনৰ কাৰ্যবিৱৰণীৰ প্ৰতিবেদন পাঠ কৰে আৰু সভাই সৰ্বসন্মতিক্ৰমে এই প্ৰতিবেদন গ্ৰহণ কৰে। ইয়াৰ পিছতেই সভাত উপস্থিত ছয়গৰাকী বয়োজ্যেষ্ঠ অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে অশীতিপৰ প্ৰণৱ কুমাৰ মজুমদাৰ, মহেন্দ্ৰ দাস, পবিন্দ্ৰ কলিতা, হেমধৰ বৰা নিৰ্মল চলিহা আৰু অৱসৰপ্ৰাপ্ত অধ্যক্ষ স্মৃতি ৰেখা গোস্বামীক গামোচা আৰু চেলেঙেৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা অনুষ্ঠানৰ পিছতেই সম্পাদক পাঠকে বাৰ্ষিক প্ৰতিবেদন পাঠ কৰে আৰু সভাত সৰ্বসন্মতিক্ৰমে এই প্ৰতিবেদন গৃহীত হয়। প্ৰীতি সন্মিলনৰ অন্তৰংগ আলাপ অনুষ্ঠানত অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ নৰহৰি চুতীয়াই প্ৰতি ছয়মাহৰ অন্তৰে অন্তৰে এনে সন্মিলন অনুষ্ঠিত কৰাৰ পোষকতা কৰে আৰু অৱসৰপ্ৰাপ্ত শিক্ষক - শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীৰ প্ৰতিভাৰ ওপৰত বুৰঞ্জীমূলক পুথি প্ৰকাশ কৰাৰ পোষকতা কৰে। পিতৃ, পুত্ৰ আৰু নিজে অধ্যয়ন কৰাৰ লগতে শিক্ষকতা কৰি অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰা অশীতিপৰ প্ৰণৱ কুমাৰ মজুমদাৰে এনে প্ৰীতি সন্মিলন অনুষ্ঠিত কৰাত সন্তুষ্টি প্ৰকাশ কৰে আৰু সকলোলৈকে শুভকামনা সহ ধন্যবাদ জ্ঞাপন কৰে। অৱসৰপ্ৰাপ্ত শিক্ষক সঞ্জীৱ প্ৰসাদ বৰাই হাস্যৰসৰ জোৱাৰ তুলি সকলোকে আপ্লুত কৰে। গুৱাহাটীৰ পৰা অহা অৱসৰপ্ৰাপ্ত অধ্যক্ষ স্মৃতিৰেখা গোস্বামীয়ে আজৰি সময়ত এৰিথৈ যোৱা বিদ্যালয়খনৰ স্মৃতি ৰোমন্থন কৰি সন্তুষ্টি লাভ কৰে বুলি কয়। একেদৰেই অৱসৰপ্ৰাপ্ত অধ্যক্ষ থানেশ্বৰ ডেকা, মহেন্দ্ৰ দাস, দেবেন ডেকা, পবিন্দ্ৰ কলিতা, ভৱেশ হুজুৰীৰ লগতে যোৰহাটৰ পৰা অহা খৰ্গেশ্বৰ বৰাই চাকৰি কালত লাভ কৰা অভিজ্ঞতাৰ কথা ৰোমন্থন কৰি বিদ্যালয়ৰ শিক্ষক -শিক্ষয়িত্ৰী সকলৰ পৰা পোৱা মৰম - চেনেহ আৰু আত্মীয়তা কথা স্মৰণ কৰি গৌৰৱ অনুভৱ কৰে। অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰিঞ্জুমণি নেওগ বৰাই বিদ্যালয়খনত যোগদান কৰাৰ পৰা বয়োজ্যেষ্ঠ শিক্ষক -শিক্ষয়িত্ৰী সকলৰ পৰা লাভ কৰা শিক্ষা কথা স্মৰণ কৰাৰ লগতে এটি গীতেৰে উপস্থিত সকলোৰে মন জীপাল কৰি তোলে। এই প্ৰীতি সন্মিলনত তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সমূহ শিক্ষক -শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীৰ জীৱনীমূলক এখন পুথি প্ৰকাশ কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰি ইয়াক কাৰ্যকৰী কৰা বাবে সঞ্জীৱ বৰাক সভাপতি ,ৰিঞ্জুমণি নেওগ বৰা , নৰহৰি চুতীয়াক যুটীয়া সম্পাদক আৰু বাসন্তী বৰ্মন পাঠকৰ লগতে ৰাণী দাসক সদস্য হিচাপে লৈ এখন সমিতি গঠন কৰা হয়।

# জোলহা জনগোষ্ঠী অসমৰ আহ্বান জোলহাসকলে মাতৃ ভাষা অসমীয়া লিখক

**বাতৰি কাকত, বকো ,২২ জুলাই ঃ** অসমৰ ভূমিপুত্ৰ সকলৰ অন্যতম জনগোষ্ঠী জোলহা জনগোষ্ঠী। এই জনগোষ্ঠীৰ সামগ্ৰীক বিকাশৰ বাবে সংঘবদ্ধ হোৱা জাতীয় সংগঠন সদৌ অসম জোলহা জনগোষ্ঠী সন্মিলনীৰ ৰাজ্যিক সমিতিৰ এখন বিশেষ কাৰ্যকৰী সভা অলপতে গুৱাহাটীত অনুষ্ঠিত হয়। সদৌ অসম জোলহা জনগোষ্ঠী সন্মিলনীৰ সভাপতি আব্দুছ ছাত্তাৰ আৰু সাধাৰণ সম্পাদক তথা অধিবক্তা আব্দুল মান্নান আল আমানৰ উপৰিও সংগঠনটোৰ বিষয় ববীয়াই কয় যে ; সংগঠনটোৰ কাৰ্যকৰী সভাত ৰাজ্য চৰকাৰে অসমৰ জনগাঁথনিৰ ওপৰত লোকপিয়ল কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰাক আদৰণি জনায়। চৰকাৰৰ সকলো ভাল কামত সন্মান জনাই নিজৰ জনগোষ্ঠীটোৰ লোক সকলোক হাড়ে হিমজুৰে অসমীয়া ভাষা সংস্কৃতিৰ লগত জড়িত হ'বলৈ পৰামৰ্শ আগবঢ়ায়। সভাত লোৱা সিদ্ধান্ত সমূহ এই যে , চৰকাৰৰ আগন্তুক লোকপিয়লত অসমৰ জোলহা জনগোষ্ঠীয় ৰাইজে নিজৰ নিজৰ মাতৃ ভাষা অসমীয়া লিখিবলৈ আহ্বান জনায়। সভাত লোৱা সিদ্ধান্ত অনুসৰি জোলহা জনগোষ্ঠীৰ লোকসকলে নিজৰ নিজৰ জাতীয় পৰিচয় অসমীয়া জোলহা জনগোষ্ঠীৰ লোক হিচাপে লিখিবলৈ আহ্বান জনায়। আনহাতে সংগঠনটোৰ সভাপতি আৰু সম্পাদকে জনোৱা অনুসৰি জোলহা জনগোষ্ঠীটো অতিকৈ পিছপৰা লগতে দেশৰ স্বাধীনত্তোৰ কালৰে পৰা চৰকাৰৰ দ্বাৰা জনগোষ্ঠীটোৰ বিকাশৰ বাবে কোনো বিশেষ উন্নয়ন মুলক আঁচনি গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল। ইয়াকে লৈ সভাত দুখ প্ৰকাশ কৰে জনগোষ্ঠীটোৰ লোক সকলে। ইফালে বৰ্তমানৰ বি জে পি চৰকাৰে অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে সমূহীয়া আয়োগ গঠন কৰা কাৰ্যক শলাগ লৈ ধন্যবাদ জ্ঞাপন কৰে। লগতে জোলহা জনগোষ্ঠীক অতি শীঘ্ৰে অ বি চিৰ মৰ্যাদা প্ৰদান কৰিবলৈ আহ্বান জনায়। ইয়াৰ উপৰি জনগোষ্ঠীটোৰ বিভিন্ন জাতীয় সমস্যা ; সামাজিক - সাংস্কৃতিক - শৈক্ষিক আৰু অৰ্থনৈতিক সমস্যা সমাধানৰ ওপৰত আলোকপাত কৰে বুলি জানিব দিয়ে সাধাৰণ সম্পাদক তথা অধিবক্তা আব্দুল মান্নান আল আমানে।

# গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ত এনচিচিৰ সপ্তম আসাম বেটেলিয়ানৰ সামূহিক বাৰ্ষিক প্ৰশিক্ষণ শিবিৰৰ সামৰণি

**আজাৰা,২২জুলাইঃ** ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী চমুকৈ এন চি চিৰ সপ্তম আসাম বেটেলিয়ানৰ উদ্যোগত গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ আজাৰাস্থিত গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয় চৌহদত অনুষ্ঠিত ২০২৬ বৰ্ষৰ সামূহিক বাৰ্ষিক প্ৰশিক্ষণ শিবিৰৰ মঙলবাৰে সামৰণি পৰে। উল্লেখ্য যে, যোৱা ৫জুনৰ পৰা চাৰিটা পৰ্যায়ত ভাগে ভাগে অনুষ্ঠিত শিবিৰত বেটেলিয়ানৰ অন্তৰ্গত ৰাজ্যৰ বিভিন্ন শিক্ষা প্ৰতিষ্ঠানৰ জুনিয়ৰ আৰু চিনিয়ৰ ডিভিজনৰ এটা পৰ্যায়ত ৪০০ জনকৈ মুঠ ১,৬০০জন কেডেটে ভাগ লৈছিল। আনহাতে বেটেলিয়ানৰ কমাণ্ডিং অফিচাৰৰ নেতৃত্বত অনুষ্ঠিত শিবিৰত কেডেটসকলক ৰাইফল চালনা,




পেৰেড, ড্ৰিল, মেপ ৰিডিং, যুদ্ধত বাধা অতিক্ৰমি শত্ৰুক পৰাস্ত কৰাৰ কৌশল, সামূহিক দৌৰ, যোগ, ব্যক্তিত্ব বিকাশ, শাৰীৰিক অনুশীলন, ব্যায়ামৰ উপৰিও দৈনিক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হৈছিল। য'ত কেডেটসকলে বিহু, বাগৰুম্বাকে ধৰি নিজৰ নিজৰ জনগোষ্ঠীৰ কৃষ্টি -সংস্কৃতি প্ৰদৰ্শন কৰিছিল। তেনেদৰে শিবিৰৰ লগত সংগতি ৰাখি উত্তৰ পূৱ মণ্ডল ভিত্তিত আন্তঃ সঞ্চালকায় চাৰ্ভিছ শ্যুটিং চেম্পিয়নশ্বিপ (আইডিএছএছচি) - ২০২৬ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। চাৰিটা পৰ্যায়ত প্ৰায় ডেৰ মাহ ধৰি অনুষ্ঠিত শিবিৰত এনচিচিৰ দায়িত্বত থকা কেবাজনো সেনা বাহিনীৰ উচ্চপদস্থ বিষয়াই মাজে সময়ে শিবিৰ পৰিদৰ্শন কৰি কেডেটসকলৰ অভিবাদন গ্ৰহণ কৰাৰ লগতে তেওঁলোকৰ সৈতে মত-বিনিময় কৰে। ইয়াৰ উপৰিও সেনা বিষয়াসকলে শিবিৰত ভাষণ প্ৰসংগত কেডেটসকলে পৰৱৰ্তী সময়ত সশস্ত্ৰ বাহিনী, কেন্দ্ৰীয় অৰ্ধ সামৰিক বাহিনী, ৰাজ্যিক আৰক্ষী বাহিনীত নিজৰ যোগ্যতা, দক্ষতাৰ জৰিয়তে ভৰ্তি হৈ দেশমাতৃক সেৱা আগবঢ়াব পাৰে তাৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ আহ্বান জনায়। প্ৰতিটো পৰ্যায়ত শিবিৰৰ সামৰণি অনুষ্ঠানত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা কেডেটসকলক বঁটা আৰু মানপত্ৰ প্ৰদান কৰে হয়। আনহাতে সপ্তম আসাম এন চি চি বেটেলিয়ানৰ ফালৰ পৰা ডেৰ মাহ ধৰি শিবিৰ সুকলমে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱা বাবে গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ৰ আচাৰ্য, উপাচাৰ্য , পঞ্জীয়কক ধৰি সংশ্লিষ্ট কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰিছে।

# বঙাইগাঁৱৰত মেছাৰ্ছ বিমল অটোৰ সৈতে অশোক লেলেণ্ডৰ নতুন ৩এছ কেন্দ্ৰ উদ্বোধন




**বঙাইগাঁও, ২২জুলাইঃ** উত্তৰ-পূৰ্বাঞ্চলত বাণিজ্যিক বাহন খণ্ডত নিজৰ উপস্থিতি অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে হিন্দুজা গোটৰ অগ্ৰণী প্ৰতিষ্ঠান অশোক লেলেণ্ডে দেওবাৰে মেছাৰ্ছ বিমল অটো কমাৰ্চিয়েল প্ৰাইভেট লিমিটেডৰ সহযোগত বঙাইগাঁৱৰত এক অত্যাধুনিক সমন্বিত ৩এছ (বিক্ৰী, সেৱা আৰু খুচৰা যন্ত্ৰাংশ) ডিলাৰশ্বিপ উদ্বোধন কৰে। ইয়াত বাহন বিক্ৰী, মেৰামতি সেৱা আৰু প্ৰকৃত খুচৰা যন্ত্ৰাংশৰ সুবিধা উপলব্ধ হ'ব। বিশেষকৈ বঙাইগাঁও, কোকৰাঝাৰ, চিৰাং, বৰপেটা, নলবাৰী, গোৱালপাৰা, ধুবুৰী আৰু কামৰূপ জিলাৰ বাণিজ্যিক বাহন ব্যৱহাৰকাৰী আৰু পৰিবহণ ব্যৱসায়ীসকলক অধিক দ্ৰুত আৰু মানসম্পন্ন সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে এই ডিলাৰশ্বিপ স্থাপন কৰা হৈছে। ডিলাৰশ্বিপটোত আধুনিক কাৰ্যশালা আন্তঃগাঁথনি, অত্যাধুনিক ডায়েগনষ্টিক সঁজুলি, হুইল এলাইনমেণ্ট সুবিধা, দুৰ্ঘটনাগ্ৰস্ত বাহন মেৰামতিৰ ব্যৱস্থা, নিউমেটিক সঁজুলি আৰু মোবাইল ছাৰ্ভিচ সুবিধা উপলব্ধ থাকিব। উদ্বোধনী অনুষ্ঠানত অশোক লেলেণ্ডৰ ৰাষ্ট্ৰীয় বিক্ৰী বিভাগৰ মুৰব্বী মাধৱী দেশমুখে কয়, 'গ্ৰাহকৰ অধিক সুবিধা নিশ্চিত কৰাৰ লক্ষ্যৰে অশোক লেলেণ্ডে দেশৰ গুৰুত্বপূৰ্ণ বজাৰসমূহত নিজৰ সেৱা নেটৱৰ্ক সম্প্ৰসাৰণ অব্যাহত ৰাখিছে। বঙাইগাঁৱৰ এই নতুন ডিলাৰশ্বিপে পশ্চিম অসমৰ গ্ৰাহকসকলৰ বাবে উন্নত বিক্ৰীৰ পিছৰ সেৱা নিশ্চিত কৰিব। মেছাৰ্ছ বিমল অটো কমাৰ্চিয়েল প্ৰাইভেট লিমিটেডৰ সৈতে অংশীদাৰিত্বৰ জৰিয়তে আমি বিশ্বমানৰ সামগ্ৰী আৰু সেৱা আগবঢ়াবলৈ প্ৰতিশ্ৰুতিবদ্ধ।' আনহাতে, মেছাৰ্ছ বিমল অটো কমাৰ্চিয়েল প্ৰাইভেট লিমিটেডৰ সঞ্চালক অমিত ছাৰাৱগীয়ে কয়, 'বঙাইগাঁৱৰ এই নতুন ডিলাৰশ্বিপ আমাৰ আৰু অশোক লেলেণ্ডৰ দীৰ্ঘদিনীয়া অংশীদাৰিত্বৰ এক উল্লেখযোগ্য মাইলৰ খুঁটি। আধুনিক আন্তঃগাঁথনি, দক্ষ কৰ্মীবাহিনী আৰু গ্ৰাহককেন্দ্ৰিক দৃষ্টিভংগীৰে পশ্চিম অসমৰ পৰিবহণ ব্যৱসায়ী আৰু উদ্যোগসমূহক অধিক মানসম্পন্ন সেৱা আগবঢ়াবলৈ আমি বদ্ধপৰিকৰ।'এই নতুন ডিলাৰশ্বিপৰ জৰিয়তে অশোক লেলেণ্ডৰ ইণ্টাৰমিডিয়েট কমাৰ্চিয়েল ভেহিকল, হ'লেজ ট্ৰাক, ট্ৰেক্টৰ-ট্ৰেইলাৰ, সকলো শ্ৰেণীৰ টিপাৰ, ষ্টাফ বাছ, স্কুল বাছ আৰু ৰুট বাছসহ কোম্পানীটোৰ সম্পূৰ্ণ বাণিজ্যিক বাহনৰ পৰিসৰ উপলব্ধ হ'ব। লগতে প্ৰকৃত খুচৰা যন্ত্ৰাংশ আৰু দক্ষ বিক্ৰীৰ পিছৰ সেৱাৰ সুবিধাও গ্ৰাহকসকলে লাভ কৰিব ।এই ডিলাৰশ্বিপৰ উদ্বোধনে উত্তৰ-পূৰ্বাঞ্চলত অশোক লেলেণ্ডৰ ক্ৰমবৰ্ধমান নেটৱৰ্ক অধিক শক্তিশালী কৰাৰ লগতে পশ্চিম অসমৰ গ্ৰাহকসকলৰ ওচৰলৈ উন্নত মানৰ সামগ্ৰী আৰু সেৱা অধিক সহজলভ্য কৰি তুলিব বুলি কোম্পানীটোৱে আশা প্ৰকাশ কৰিছে।

# ফাৰ্নবৰো এয়াৰশ্ব'ত এৰ'স্পেচ উৎপাদনৰ শক্তি প্ৰদৰ্শন গড্ৰেজৰ

**গুৱাহাটী,২২জুলাইঃ** গড্ৰেজ এণ্টাৰপ্ৰাইজ গ্ৰুপৰ এৰ'স্পেচ ব্যৱসায়ে গ্ৰেট ব্ৰিটেইনত অনুষ্ঠিত ফাৰ্নবৰো ইণ্টাৰনেচনেল এয়াৰশ্ব' ২০২৬ত বিশ্বজোৰা এৰ'স্পেচ আৰু এৰ' ইঞ্জিন উৎপাদনৰ ক্ষেত্ৰত ভাৰতৰ ক্ৰমবৰ্ধমান সক্ষমতা প্ৰদৰ্শন কৰিছে। ইয়াৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় এৰ'স্পেচ যোগান শৃংখলত দেশখনৰ সম্প্ৰসাৰিত ভূমিকাক তুলি ধৰা হৈছে। ২০ জুলাইৰ পৰা ২৪জুলাইলৈকে আয়োজিত এই অনুষ্ঠানে বিশ্বৰ আগশাৰীৰ বিমান নিৰ্মাতা, এৰ'ইঞ্জিনৰ মূল সঁজুলি নিৰ্মাতা(অ'ইএম), যোগানকাৰী, প্ৰযুক্তি প্ৰতিষ্ঠান আৰু নীতি নিৰ্ধাৰকসকলক একত্ৰিত কৰিছে।প্ৰতিষ্ঠানটোৰে জনোৱা মতে, ৰপ্তানিৰ ক্ষেত্ৰত ৩০ শতাংশতকৈ অধিক বৃদ্ধি হৈছে, যিয়ে ভাৰতত নিৰ্মিত নিখুঁতভাৱে অভিযান্ত্ৰিক এৰ'স্পেচ সামগ্ৰীৰ প্ৰতি গোলকীয় চাহিদাক প্ৰতিফলিত কৰে। চাৰি দশকৰো অধিক সময়ৰ অভিজ্ঞতাৰে পুষ্ট এই এৰ'স্পেচ ব্যৱসায়ে গোলকীয় বিমান পৰিবহণ কাৰ্যসূচীৰ বাবে গুৰুত্বপূৰ্ণ বিমান আৰু এৰ'-ইঞ্জিনৰ যন্ত্ৰাংশ নিৰ্মাণ কৰিবলৈ উন্নত উৎপাদন অভিযান্ত্ৰিকবিদ্যা, নিখুঁত যন্ত্ৰ, ফেব্ৰিকেচন, হট ফৰ্মিং, বিশেষ ব্ৰেজিং আৰু বেল্ডিং আদি ক্ষেত্ৰত দক্ষতা অৰ্জন কৰিছে। ব্যৱসায়িক মুৰব্বী মানেক বেহৰামকামদিনে এই বিষয়ে কয় যে, ভাৰতৰ ভূমিকা কেৱল এক উৎপাদন ঘাটি হৈ থকাৰ পৰিবৰ্তে উন্নত বিমান পৰিবহণ কাৰ্যসূচীৰ বাবে এক অভিযান্ত্ৰিক আৰু প্ৰযুক্তি অংশীদাৰলৈ ৰূপান্তৰিত হৈছে। তেওঁ কয় যে, কোম্পানীটোৱে উন্নত উৎপাদন, গৱেষণা আৰু উন্নয়ন, তথা ডিজাইনকেন্দ্ৰিক সক্ষমতাৰ ক্ষেত্ৰত বিনিয়োগ অব্যাহত ৰাখিছে, যাৰ ভিতৰত বিমানৰ একচুৱেশ্বন ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰা বেংগালুৰুস্থিত এৰক্সস্পেচ ডিজাইন কাৰ্যালয়ো অন্তৰ্ভুক্ত। গ্লবেল এৰ'স্পেচ কাৰ্যসূচীত ভাৰতীয় কোম্পানীসমূহৰ ক্ৰমবৰ্ধমান অংশগ্ৰহণে উত্তৰ-পূৰ্বাঞ্চলকে ধৰি সমগ্ৰ দেশতে অভিযান্ত্ৰিক প্ৰতিভা, নিখুঁত উৎপাদন আৰু যন্ত্ৰাংশ যোগানকাৰীসকলৰ বাবে দীৰ্ঘম্যাদী সুযোগৰ সৃষ্টি কৰিব পাৰে। গুৱাহাটী মহানগৰীৰ বাবে, এৰ'স্পেচ ৰপ্তানিৰ সম্প্ৰসাৰণ আৰু শক্তিশালী গোলকীয় অংশীদাৰিত্বই উন্নত উৎপাদন দক্ষতা, এমএছএমই যোগান শৃংখলা আৰু কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত বিনিয়োগক উৎসাহিত কৰিব পাৰে, যিয়ে ভাৰতত ক্ৰমবৰ্ধমান উচ্চ-প্ৰযুক্তি উৎপাদন ব্যৱস্থাত অংশগ্ৰহণ কৰাৰ বাবে এই অঞ্চলটোৰ আকাংক্ষাক সহায় কৰিব। ফাৰ্নবৰো ইণ্টাৰনেচনেল এয়াৰশ্ব' ২০২৬ত গড্ৰেজ এণ্টাৰপ্ৰাইজ গ্ৰুপে হ'ল অ', বুথ-০০৩০ত প্ৰদৰ্শনী উপস্থাপন কৰিছে।

# ভাৰতত ডেংগু প্ৰতিৰোধত ঐতিহাসিক পদক্ষেপ টাকেডাৰ

**গুৱাহাটী,২২জুলাইঃ** দেশৰ জনস্বাস্থ্য খণ্ডৰ বাবে এক ঐতিহাসিক পদক্ষেপ হিচাপে ভাৰতৰ ঔষধ নিয়ন্ত্ৰক মহাপ্ৰৱন্ধকে টাকেডা বায়'ফাৰ্মাচিউটিকেলছ ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ 'কিউডেংগা'ক অনুমোদন জনাইছে।ইয়াৰ ফলত ৪ৰ পৰা ৬০ বছৰ বয়সৰ লোকৰ বাবে ডেংগু প্ৰতিৰোধৰ উদ্দেশ্যে ভাৰতত অনুমোদিত প্ৰথম ডেংগু ভেকচিন হিচাপে কিউডেংগাই স্বীকৃতি লাভ কৰিলে।দেশত বিগত দুটা দশকত ডেংগুৰ প্ৰাদুৰ্ভাৱ উল্লেখযোগ্যভাৱে বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত এই অনুমোদনক এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি গণ্য কৰা হৈছে। কিউডেংগাৰ অন্যতম বিশেষত্ব হৈছে। পূৰ্বে ডেংগুত আক্ৰান্ত হৈছিল নে নহয়, সেই পৰীক্ষাৰ প্ৰয়োজন নোহোৱাকৈ এই ভেকচিন প্ৰয়োগ কৰিব পাৰি। ভেকচিনখন ডেংগু ভাইৰাছৰ চাৰিওটা ছেৰ'টাইপ বিৰুদ্ধে সুৰক্ষা প্ৰদান কৰাৰ লক্ষ্যৰে প্ৰস্তুত কৰা হৈছে। এই ভেকচিন দুটা ড'জত দিয়া হয় আৰু দুয়োটা ড'জৰ মাজত তিনি মাহৰ ব্যৱধান থাকে। টাকেডাই জনোৱা মতে, কিউডেংগাই এতিয়ালৈকে ভাৰতকে ধৰি ৪৩খন দেশত অনুমোদন লাভ কৰিছে আৰু বিশ্বজুৰি ৰাজহুৱা আৰু ব্যক্তিগত টীকাকৰণ কাৰ্যসূচীৰ জৰিয়তে ৩.২ কোটিতকৈ অধিক ড'জ বিতৰণ কৰা হৈছে। বিশ্ব স্বাস্থ্য সংস্থাই ডেংগু প্ৰৱণ অঞ্চলসমূহত এই ভেকচিন ব্যৱহাৰৰ পৰামৰ্শ আগবঢ়াইছে আৰু ইয়াকডব্লিউএইচঅ'ৰ Prequalificationও প্ৰদান কৰা হৈছে। এই অনুমোদন বিশ্বজুৰি আৰু ভাৰতত সম্পন্ন হোৱা ক্লিনিকেল অধ্যয়নৰ ভিত্তিত প্ৰদান কৰা হৈছে, য'ত ২৮ হাজাৰতকৈ অধিক অংশগ্ৰহণকাৰী অন্তৰ্ভুক্ত আছিল। Phase III TIDES অধ্যয়নত এই ভেকচিনে ভাইৰ'লজিকেলি নিশ্চিত ডেংগুৰ বিৰুদ্ধে ৮০.২ শতাংশ কাৰ্যকাৰিতা আৰু ডেংগুজনিত চিকিৎসালয়ত ভৰ্তি হোৱাৰ সম্ভাৱনা ৮৪.১ শতাংশ হ্ৰাস কৰাৰ ফলাফল প্ৰদৰ্শন কৰে। লগতে সাত বছৰলৈকে ইয়াৰ সুৰক্ষা আৰু কাৰ্যকাৰিতা অব্যাহত থকাৰ তথ্যও পোৱা গৈছে। টাকেডাই বিষয়ববীয়াসকলে কয় যে, এই অনুমোদনে ভাৰতত ডেংগু প্ৰতিৰোধ ব্যৱস্থা অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য পদক্ষেপ হিচাপে কাম কৰিব। কোম্পানীটোৱে নিয়ন্ত্ৰক সংস্থা, স্বাস্থ্য বিশেষজ্ঞ আৰু জনস্বাস্থ্য বিভাগৰ সৈতে সমন্বয় সাধন কৰি ভাৰতত কিউডেংগাৰ উপলব্ধতা আৰু সফল ৰূপায়ণ নিশ্চিত কৰাৰ দিশত কাম অব্যাহত ৰাখিব বুলি জানিবলৈ দিয়ে।

# চচল শতদল শাখা সাহিত্য সভাৰ বিনামূলীয়া সংগীতৰ কৰ্মাশালাৰ সামৰণি

**গুৱাহাটী,২২জুলাইঃ** চচল শতদল শাখা সাহিত্য সভাৰ উদ্যোগত শাখাৰ কাৰ্যালয় ৰবীন্দ্ৰনাথ দাস সভা গৃহত ১৭,১৮ আৰু ১৯ জুলাইত তিনিদিনীয়াকৈ এটি বিনামুলীয়া সংগীতৰ কৰ্মাশালা অনুষ্ঠিত হৈ যায়। এই শাখাৰে দুগৰাকী সদস্যা তথা অসম সাহিত্য সভাৰ আজীৱন সদস্য আৰু আকাশবাণী গুৱাহাটী, ডিব্ৰুগড় তথা দিল্লী কেন্দ্ৰৰ স্বীকৃতি প্ৰাপ্ত শিল্পী প্ৰণতি বৰুৱা আৰু ড° সুদৰ্শনা বৰুৱাৰ প্ৰশিক্ষণত



অনুষ্ঠিত হোৱা এই কৰ্মশালাত বৃহত্তৰ চচল অঞ্চলৰ ১৫জন স্কুলীয়া ছাত্ৰ-ছাত্ৰীক শাস্ত্ৰীয়, লঘু সংগীত আৰু আধুনিক গীতৰ প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণৰ শেষত সামৰণী অনুষ্ঠানত শাখা সাহিত্য সভাৰ ফালৰ পৰা অংশগ্ৰহণকাৰী প্ৰশিক্ষাৰ্থীসকলক শাখাৰ সভাপতি ড° মিনেশ্বৰ হাজৰিকা আৰু সম্পাদক নিকুঞ্জ কুমাৰ দাসে একোখনকৈ প্ৰমাণ পত্ৰ প্ৰদান কৰাৰ লগতে তেওঁলোকৰ ভৱিষ্যত উজ্জ্বল কামনা কৰে লগতে দুয়োগৰাকী প্ৰশিক্ষকে আন্তৰিক শলাগ জনায় আৰু একোখনকৈ কৃতজ্ঞতা পত্ৰ প্ৰদান কৰে।

# সংহত তৈলপাম কমপ্লেক্স মুকলি গড্ৰেজ এগ্ৰ'ভেটৰ

**গুৱাহাটী, ২২ জুলাইঃ** সোমবাৰে গড্ৰেজ এগ্ৰ'ভেট লিমিটেডে দেশৰ ভোজ্য তেলৰ মূল্যে শৃংখল শক্তিশালী কৰাৰ লক্ষ্যৰে তেলেংগানাৰ খাম্মামত ভাৰতৰ প্ৰথমটো সংহত তৈলপাম কমপ্লেক্স উদ্বোধন কৰে। কোম্পানীটোৱে জনোৱা মতে, বীজৰ পৰা শোধনাগাৰলৈ বিস্তৃত প্ৰকল্পটোত মুঠ ৩০০ কোটি টকা বিনিয়োগ কৰিব। এই একেটা চৌহদতে বীজ উৎপাদন, জেনেটিক্স, নাৰ্ছাৰী, গৱেষণা আৰু উন্নয়ন, তৈলপামৰ মিলিং আৰু এটা আগন্তুক তেল শোধনাগাৰ অন্তৰ্ভুক্ত কৰা হৈছে।তেলেংগানাৰ উপ-মুখ্যমন্ত্ৰী ভট্টি বিক্ৰমাৰ্ক মাল্লুয়ে ৰাজ্যখনৰ জ্যেষ্ঠ মন্ত্ৰী, সাংসদ আৰু গড্ৰেজ ইণ্ডাষ্ট্ৰীজ গ্ৰুপৰ নেতৃত্ব(যাৰ ভিতৰত আছিল অধ্যক্ষ নাদিৰ গড্ৰেজ, মনোনীত অধ্যক্ষ বুৰজিচ গড্ৰেজ আৰু গড্ৰেজ এগ্ৰ'ভেটৰ পৰিচালন সঞ্চালক তথা মুখ্য কাৰ্যবাহী বিষয়া সুনীল কাটাৰিয়া আদি)ৰ উপস্থিতিত এই কমপ্লেক্সটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। কোম্পানীটোৱে প্ৰকাশ কৰা অনুসৰি, এই প্ৰকল্পটো ভাৰতৰ ভোজ্য তেলৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে তেলেংগানাত তৈলপামৰ খেতি বৰ্তমানৰ ১০,০০০ হেক্টৰৰ পৰা ২০৩০ চনৰ ভিতৰত ৩০,০০০ হেক্টৰলৈ বৃদ্ধি কৰাৰ উদ্দেশ্যে বিশেষ ধৰণে প্ৰস্তুত কৰা হৈছে। এই মিলটোৱে প্ৰতি ঘণ্টাত ৩০ টন তেল সংসাধন কৰিব পৰা ক্ষমতাৰে কাম আৰম্ভ কৰিছে। যাক পৰৱৰ্তী সময়ত প্ৰতি ঘণ্টাত ৬০ টনলৈ বৃদ্ধি কৰিব পৰা যাব। এই প্ৰকল্পত গোলকীয় অংশীদাৰসকলৰ সহযোগত গঢ়ি তোলা এখন বীজ উদ্যান, জলবায়ু-অনুকূল হাইব্ৰিড পুলি উৎপাদনৰ ওপৰত গুৰুত্ব দিয়া এটা গৱেষণা কেন্দ্ৰ আৰু পাম খেতিয়কসকলক পৰামৰ্শ তথা কৃষি সামগ্ৰী যোগান ধৰিবলৈ এটা সমাধান কেন্দ্ৰও অন্তৰ্ভুক্ত কৰা হৈছে। গুৱাহাটী মহানগৰীত এই বৃহৎ বিনিয়োগে উত্তৰ-পূব ভাৰতৰ বাবে ক্ৰমান্বয়ে প্ৰাসংগিক হৈ পৰা সংহত কৃষি-সংসাধন আৰু ভোজ্য তেলৰ মূল্য শৃংখল খণ্ডৰ বৰ্ধিত সুযোগসমূহক প্ৰদৰ্শন কৰিছে। উদ্যোগ জগতৰ বিশেষজ্ঞসকলৰ মতে, এই প্ৰকল্পই অসম আৰু চুবুৰীয়া ৰাজ্যসমূহতো অনুৰূপ বিনিয়োগক উৎসাহিত কৰিব পাৰে, য'ত কৃষি-গাঁথনিৰ উন্নয়ন, মূল্য সংযোজন আৰু কৃষক সহায়ক সেৱাসমূহ উন্নত কৰাটো কৃষি উৎপাদন বৃদ্ধি আৰু আমদানি কৰা ভোজ্য তেলৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ বাবে মূল অগ্ৰাধিকাৰ হৈ আছে।

# ১৩টা নুডলচ ৰেচিপিৰে খাদ্য সম্ভাৰক নতুন ৰূপ ইপ্পিৰ

**গুৱাহাটী,২২জুলাইঃ** চানফিষ্ট ইপ্পিয়ে ৰথযাত্ৰাৰ সময়ত ওড়িশাৰ সমৃদ্ধ ৰন্ধন ঐতিহ্যক উদযাপন কৰিবলৈ বাৰ মাছা, ইপ্পি পৰ্ব নামৰ এক সাংস্কৃতিক আৰু ৰন্ধন কাৰ্যসূচীৰ আয়োজন কৰে। এই অভিযান ৰাজ্যখনৰ পৰম্পৰাগত দৰ্শন 'বাৰ মাহত তেৰ পৰ্ব'ৰ দ্বাৰা অনুপ্ৰাণিত। এই প্ৰচাৰ অভিযানৰ অধীনত ওড়িশাৰ বিখ্যাত উৎসৱৰ ব্যঞ্জনসমূহক নুডলচৰ জৰিয়তে ১৩টা অভিনৱ উপায়েৰে প্ৰস্তুত কৰি দৰ্শনাৰ্থীসকলৰ সন্মুখত আঞ্চলিক সোৱাদৰ এক আধুনিক ৰূপ দাঙি ধৰা হয়।পুৰীৰ সাগৰতীৰত স্থাপন কৰা এই বিশেষ থিমযুক্ত পেভিলিয়নটোত ওড়িয়া কেলেণ্ডাৰক প্ৰতিনিধিত্ব কৰা ১২টা মাহ-অনুপ্ৰাণিত খিৰিকী ৰখা হৈছিল, যিবোৰৰ প্ৰতিটোতে পৰম্পৰাগত উৎসৱৰ খাদ্যৰ দ্বাৰা অনুপ্ৰাণিত একোখনকৈ অনন্য নুডলচ ৰেচিপি প্ৰদৰ্শন কৰা হৈছিল। ওড়িশাৰ জনপ্ৰিয় খাদ্য যেনে- পোটলা পোস্তা, দহি বৰা আলু দম, চাউল বৰা আৰু মুগ ডালি খিচিৰি আদি ব্যঞ্জনসমূহৰ আঞ্চলিক সোৱাদ অটুট ৰাখি ইপ্পি নুডলচ ব্যৱহাৰ




কৰি নতুন ৰূপত প্ৰস্তুত কৰা হৈছিল। ওড়িশাৰ পটচিত্ৰ শিল্পকলা আৰু গল্প কথন পৰম্পৰাৰ দ্বাৰা অনুপ্ৰাণিত হৈ এই প্ৰদৰ্শনীত ৰাজ্যখনৰ উৎসৱ আৰু সংস্কৃতি উদযাপন কৰা কেইবাটাও বাৰ্তালাপমূলক সঁজুলিও অন্তৰ্ভুক্ত কৰা হৈছিল। মাষ্টাৰচেফ চিজন ৬-ৰ বিজয়ী অভিনাশ নায়কে দৰ্শনাৰ্থীসকলৰ সৈতে বাৰ্তালাপ কৰি এই বিশেষভাৱে প্ৰস্তুত কৰা ব্যঞ্জনসমূহ পৰিৱেশন কৰে। আইটিচি লিমিটেডৰ খাদ্য বিভাগৰ স্নেক ফুডচ এণ্ড বেভাৰেজ শাখাৰ বিইউ চিফ এগজেকিউটিভ আলী হেৰিছ শ্বেৰে কয় যে, এই কাৰ্যসূচীৰ লক্ষ্য আছিল অভিনৱ নুডলচৰ জৰিয়তে গ্ৰাহকসকলক পৰিচিত আঞ্চলিক সোৱাদৰ এক নতুন অভিজ্ঞতা প্ৰদান কৰি ওড়িশাৰ উৎসৱৰ পৰম্পৰাক উদযাপন কৰা। দৰ্শনাৰ্থীসকলে উপহাৰ হিচাপে নিজৰ পছন্দৰ পটচিত্ৰ শৈলীৰ পট্ৰেইট, বিশেষ ইপ্পি কেলেণ্ডাৰ আৰু টোট' বেগ লাভ কৰে। এই প্ৰচাৰ অভিযানে গ্ৰাহকৰ সৈতে সম্পৰ্ক অধিক গভীৰ কৰিবলৈ ৰাষ্ট্ৰীয় খাদ্য ব্ৰেণ্ডসমূহে অঞ্চল-ভিত্তিক ৰন্ধন অভিজ্ঞতা সৃষ্টি কৰাৰ ক্ৰমবৰ্ধমান ট্ৰেণ্ডকে প্ৰতিফলিত কৰে।গুৱাহাটী মহানগৰীত অভিনৱ আৰু সহজতে প্ৰস্তুত কৰিব পৰা খাদ্যৰ চাহিদা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। এনেধৰণৰ স্থানীয় প্ৰচাৰ অভিযানে আধুনিক ৰূপত পৰিচিত আঞ্চলিক সোৱাদ বিচৰা যুৱ গ্ৰাহকসকলক তীব্ৰভাৱে আকৰ্ষিত কৰিব পাৰে। এই কাৰ্যসূচীয়ে লগতে প্ৰকাশ কৰে যে কেনেকৈ সাংস্কৃতিক উৎসৱৰ সৈতে জড়িত অভিজ্ঞতামূলক বিপণন পূব আৰু উত্তৰ-পূৰ্বাঞ্চলত নিজৰ উপস্থিতি শক্তিশালী কৰিব বিচৰা ব্ৰেণ্ডসমূহৰ বাবে এক গুৰুত্বপূৰ্ণ আহিলা হৈ পৰিছে।

# শিক্ষাৰ্থীসকলৰ বাবে বেক-টু-স্কুল অফাৰ ছেমছাঙৰ

**গুৱাহাটী, ২২ জুলাইঃ** ছেমছাং ইণ্ডিয়াই নতুন শিক্ষাবৰ্ষ আৰম্ভ হোৱাৰ পূৰ্বে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰযুক্তি সহজলভ্য কৰি তোলাৰ উদ্দেশ্যে মুকলি কৰিছে বেক টু স্কুল অভিযান। ইয়াৰ অধীনত ছেমছাঙৰ গেলেক্সী এআই চালিত ইক'চিষ্টেমৰ ডিভাইচসমূহত আকৰ্ষণীয় ৰেহাই, ফাইনেন্সৰ সুবিধা আৰু আপগ্ৰেড কৰাৰ সুবিধা আগবঢ়োৱা হৈছে। সোমবাৰে ঘোষণা কৰা এই অফাৰসমূহ ষ্টাৰ্ট স্কুল, ষ্টেণ্ড আউট, গ্ৰ ফাৰ্ডাৰ উইথ ছেমছাং এআই শীৰ্ষক থিমৰ অধীনত স্মাৰ্টফোন, টেবলেট, লেপটপ, মনিটৰ, পৰিধানযোগ্য গেজেট আৰু আনুষংগিক সামগ্ৰীত উপলব্ধ হ'ব ।ছেমছাং ষ্টুডেণ্ট প্লাছ প্ৰগ্ৰেমৰ জৰিয়তে যোগ্য ছাত্ৰ-ছাত্ৰীসকলে নিৰ্বাচিত ডিভাইচত অতিৰিক্ত ১০ শতাংশলৈকে ৰেহাই, ৫,০০০ টকালৈকে বেংক ৰেহাই, ন-কষ্ট ইএমআই আৰু আপগ্ৰেডেড অফাৰ লাভ কৰিব পাৰিব। ইয়াৰ উপৰিও কোম্পানীটোৱে গেলেক্সী ফৰএভাৰ এচিউৰ্ড বাইবেক প্ৰগ্ৰেমৰ অধীনত গেলেক্সী এছ২৬ চিৰিজত ৫০শতাংশ পৰ্যন্ত ৰেহাইৰ সুবিধা দিছে। এই পদক্ষেপৰ ভিতৰত মেলেক্সী বুকছ প্ৰ', গেলেক্সী টেব এছৰৰ আল্ট্ৰা, স্মাৰ্ট মনিটৰ এম৮, গেলেক্সী এছ২৬ চিৰিজ, গেলেক্সী ৱাটচ৮ আৰু গেলেক্সী বাডচ৪ চিৰিজ অন্তৰ্ভুক্ত আছে। ছেমছাঙে জনোৱা মতে, লাইভ ট্ৰেন্সলেট,চাট এচিষ্ট আৰু গুগলৰ ছাৰ্কল টু চাৰ্চ আদি গেলেক্সী এআই বৈশিষ্ট্যসমূহ ছাত্ৰ-ছাত্ৰীৰ উৎপাদনশীলতা, যোগাযোগ আৰু শিক্ষণ প্ৰক্ৰিয়া উন্নত কৰাকৈ ডিজাইন কৰা হৈছে। গেলেক্সী ফৰএভাৰ প্ৰগ্ৰেমৰ অধীনত গেলেক্সী এছ২৬ চিৰিজ ক্ৰয় কৰা গ্ৰাহকসকলে ১৩মাহৰ বাবে ছেমছাং কেয়াৰ প্লাছ সুৰক্ষাও লাভ কৰিব। শিক্ষাৰ্থীসকলে নিজৰ শিক্ষানুষ্ঠানৰ পৰা পোৱা ইমেইল আইডি ব্যৱহাৰ কৰি পঞ্জীয়ন কৰি বা ছেমছাঙৰ ষ্টুডেণ্ট ষ্ট'ৰত ইউনিডে'জ প্লেটফৰ্মৰ জৰিয়তে নিজৰ শিক্ষাগত অৰ্হতা প্ৰমাণ কৰি এই অফাৰসমূহ লাভ কৰিব পাৰিব ।গুৱাহাটী মহানগৰীত নামভৰ্তি আৰু কলেজত পাঠদান আৰম্ভ হোৱাৰ এই ক্ষণত চাহিদা বৃদ্ধিৰ লক্ষ্যৰে ছাত্ৰ-ছাত্ৰীকেন্দ্ৰিক এই অফাৰসমূহ আগবঢ়াইছে। সুলভ ইএমআই, বেংক ৰেহাই আৰু এআই-সুবিধা থকা ডিভাইচসমূহে লেপটপ, স্মাৰ্টফোন আৰু টেবলেট আপগ্ৰেড কৰিব বিচৰা ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলক নিশ্চিতভাৱে আকৰ্ষিত কৰিব, যিয়ে মহানগৰখনৰ সংগঠিত ইলেকট্ৰনিক্স বজাৰৰ বিক্ৰী বৃদ্ধিতো সহায় কৰিব।

# 'লয়া দৰ্পণ'ত ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ অনুষ্ঠান সম্পন্ন




**গুৱাহাটী,২২জুলাইঃ** প্ৰজেক্সেল ফাউণ্ডেচনৰ সাংস্কৃতিক শাখা নৃত্যদীক্ষাৰ উদ্যোগত ১৯ জুলাইত 'লয়া দৰ্পণ' শীৰ্ষক ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ এক বৰ্ণাঢ্য অনুষ্ঠান সফলতাৰে আয়োজন কৰা হয়। এই অনুষ্ঠানত কথক, ওডিছী আৰু ভৰতনাট্যম নৃত্যশৈলীৰ মনোমোহা পৰিবেশনে দৰ্শকক মুগ্ধ কৰি তোলে। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰদ্যন্যা ৰয় আৰু তেওঁৰ শিষ্যাই এক মনোৰম বিশুদ্ধ কথক নৃত্য পৰিবেশন কৰে। ইয়াৰ পিছতে প্ৰদ্যন্যা ৰয় আৰু মোহৰ দাস পুৰকায়স্থৰ মনোমোহা যুগলবন্দী পৰিবেশনে দৰ্শকৰ ব্যাপক প্ৰশংসা লাভ কৰে। অনুষ্ঠানত বিশেষ অতিথি শিল্পী হিচাপে আগৰতলাৰ পিংকি দেববৰ্মা আৰু চিত্ৰকলা ওডিছী ডান্স একাডেমীৰ শিল্পীসকলে ওডিছী নৃত্য পৰিবেশন কৰি অনুষ্ঠানটোলৈ সাংস্কৃতিক বৈচিত্ৰ্যৰ নতুন মাত্ৰা সংযোজন কৰে। একে সময়তে স্বীতি ৰয়, সঞ্চিতা ৰয় আৰু চয়নিকা মহন্তই সুনিপুণ ভৰতনাট্যম পৰিবেশন কৰি উপস্থিত দৰ্শকক আপ্লুত কৰে। অনুষ্ঠানৰ এক বিশেষ আকৰ্ষণ আছিল বিশিষ্ট কথক গুৰু তথা সংগীত নাটক অকাডেমি বঁটা প্ৰাপক বিপুল দাসক জনোৱা সম্বৰ্ধনা। ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ সংৰক্ষণ, বিকাশ আৰু প্ৰচাৰত তেখেতৰ আজীৱন অৱদানৰ স্বীকৃতিস্বৰূপ প্ৰজেক্সেল ফাউণ্ডেচনৰ প্ৰতিষ্ঠাপক, নৃত্যদীক্ষাৰ ছাত্ৰ-ছাত্ৰী আৰু পৰিয়ালৰ সদস্যসকলৰ উপস্থিতিত তেখেতক আন্তৰিকভাৱে সম্বৰ্ধনা জনোৱা হয়। ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ চিৰসেউজ সৌন্দৰ্য, সাংস্কৃতিক ঐতিহ্য আৰু সামাজিক ঐক্যৰ বাৰ্তা বহন কৰা 'লয়া দৰ্পণ' অনুষ্ঠানটো সফলতাৰে সামৰণি পৰে। এই আয়োজনৰ জৰিয়তে ভাৰতীয় শাস্ত্ৰীয় কলাৰ সংৰক্ষণ আৰু প্ৰচাৰৰ ক্ষেত্ৰত প্ৰজেক্সেল ফাউণ্ডেচনে পুনৰবাৰ নিজৰ অংগীকাৰ প্ৰতিফলিত কৰে।

# পিএম-এনএপিএছ আঁচনি সম্প্ৰসাৰণ কেন্দ্ৰৰ

**গুৱাহাটী,২২জুলাইঃ** সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৩০,০০০ যুৱক-যুৱতীক শিক্ষানবিচৰ সুযোগ প্ৰদান কৰাৰ উদ্দেশ্যে, দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় শিক্ষানবিচ প্ৰসাৰ আঁচনিৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলত শিক্ষানবিচ প্ৰসাৰৰ বিশেষ পদক্ষেপ আঁচনিখন ২০২৬-২৭ বিত্তীয় বৰ্ষলৈ সম্প্ৰসাৰণ কৰিছে। গুৱাহাটীৰ ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ দ্বাৰা ৰূপায়ণ হ'বলগীয়া এই পদক্ষেপ ২০২৫ চনৰ মে' মাহত আৰম্ভ কৰা পাইলট প্ৰকল্পৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। এই পদক্ষেপৰ উদ্দেশ্য হৈছে উদ্যোগসমূহৰ অংশগ্ৰহণ বৃদ্ধি কৰা, শিক্ষানবিচ ব্যৱস্থাটোক শক্তিশালী কৰা আৰু স্কিল ইণ্ডিয়া অভিযানৰ অধীনত যুৱক-যুৱতীসকলৰ নিয়োগৰ যোগ্যতা বৃদ্ধি কৰা।কেন্দ্ৰীয় চৰকাৰে পিএম-এনএপিএছৰ উত্তৰ-পূৰ্বাঞ্চলৰ অংশটোৰ জৰিয়তে এই কাৰ্যসূচীৰ বাবে ৫৭.৫৮ কোটি টকা ধাৰ্য কৰিছে। এই ৩০,০০০ শিক্ষানবিচৰ সুযোগৰ ভিতৰত, ১৫,০০০ সুযোগ উত্তৰ-পূৰ্বাঞ্চলৰ বাহিৰত যেনে কেন্দ্ৰীয় চৰকাৰৰ বিভাগসমূহ আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহত প্ৰদান কৰা হ'ব। আনহাতে বাকী থকা ১৫,০০০ সুযোগ উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত আৰু শিক্ষানবিচসকলৰ নিজা গৃহ ৰাজ্যসমূহতে সৃষ্টি কৰা হ'ব। এই সংশোধিত আঁচনিখনে বৰ্তমানৰ পিএম-এনএপিএছ সাহায্যৰ লগতে নিজৰ গৃহ ৰাজ্যৰ ভিতৰত কাম কৰা শিক্ষানবিচসকলক প্ৰতি মাহে অতিৰিক্ত ১,৫০০ টকাৰ বিত্তীয় উদগনিও প্ৰদান কৰিব। দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ) জয়ন্ত চৌধুৰীয়ে কয় যে, এই পদক্ষেপে গুণগত মানদণ্ডৰ শিক্ষানবিচৰ সুযোগ লাভৰ পৰিসৰ বৃদ্ধি কৰিব, উদ্যোগসমূহত অংশগ্ৰহণ অধিক উৎসাহিত কৰিব আৰু যুৱ প্ৰজন্মক উত্তৰ-পূৰ্বাঞ্চলৰ লগতে সমগ্ৰ দেশতে এক মূল্যৱান কৰ্মক্ষেত্ৰৰ অভিজ্ঞতাৰে সমৃদ্ধ কৰিব ।মন্ত্ৰালয়ে জনোৱা মতে, এই পদক্ষেপৰ পাইলট পৰ্যায়ত ২৬,০০০গৰাকী শিক্ষানবিচৰ লক্ষ্যৰ বিপৰীতে ২৩,৪৭০ গৰাকী শিক্ষানবিচক সহায় কৰি লক্ষ্যৰ ৯০শতাংশতকৈও অধিক অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ২০২৪-২৫ বিত্তীয় বৰ্ষ আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষৰ ভিতৰত অঞ্চলটোত শিক্ষানবিচৰ অংশগ্ৰহণ ৫১শতাংশ বৃদ্ধি পাইছে, য'ত মেঘালয়ে সৰ্বাধিক ৯৫ শতাংশ বৃদ্ধি পঞ্জীয়ন কৰিছে। এই কাৰ্যসূচীত মহিলা, চৰকাৰী প্ৰতিষ্ঠান আৰু ব্যক্তিগত খণ্ডৰ নিয়োগকৰ্তাসকলৰ অংশগ্ৰহণো ক্ৰমাৎ বৃদ্ধি পাইছে।

## ভটীয়াপাৰত শৈক্ষিক সজাগতা সভা সম্পন্ন

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ ২২ জুলাই ঃ** শিৱসাগৰ জিলাৰ ভটীয়াপাৰ অঞ্চলত কিশলয় মহিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত গ্ৰীষ্মকালীন কৰ্মশালাৰ দ্বিতীয় দিনা এখন শৈক্ষিক সজাগতা সভা অনুষ্ঠিত হয়।ৰুদ্ৰসাগৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়িকা বৰ্ণালী দত্তৰ নেতৃত্বত আয়োজিত সভাখনত জিলা শিক্ষা বিভাগৰ বিষয়া, শিক্ষক- শিক্ষয়িত্ৰী, শিক্ষানুৰাগী ব্যক্তি আৰু স্থানীয় ৰাইজে উৎসাহেৰে অংশগ্ৰহণ কৰে।সভাত বিদ্যালয়সমূহৰ পৰিদৰ্শক ডঃ সমীৰণ বৰাই মুখ্য বক্তা হিচাপে উপস্থিত থাকি বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে কেনেদৰে সুপৰিকল্পিতভাৱে প্ৰস্তুত কৰিব লাগে, সেই বিষয়ে বিশদভাৱে আলোকপাত কৰে। তেওঁ লগতে শিৱসাগৰ জিলা শিক্ষা বিভাগে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক দক্ষ কৰি তুলিবলৈ গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়েও সবিস্তাৰে ব্যাখ্যা আগবঢ়ায়। বিদ্যালয়, অভিভাৱক আৰু সমাজৰ সমন্বিত প্ৰচেষ্টাৰ জৰিয়তেহে শিক্ষাৰ ক্ষেত্ৰত অধিক সফলতা অৰ্জন সম্ভৱ বুলি তেওঁ মত প্ৰকাশ কৰে। সভাত শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক অজিত দাসে শিক্ষাৰ গুণগত মান উন্নয়ন, নৈতিক শিক্ষা আৰু শিক্ষাৰ্থীৰ সৰ্বাংগীণ বিকাশৰ ওপৰত তাৎপৰ্যপূৰ্ণ বক্তব্য আগবঢ়ায়। ৰুদ্ৰসাগৰ মণ্ডলত আগষ্ট মাহত বিনামূলীয়াকৈ কচিং চেণ্টাৰ খোলা হ'ব বুলি সমন্বয়ক বৰ্ণালী দত্তই ৰাইজক অৱগত কৰা সভাখনত ডি পি অ' গৌৰীশংকৰ বৰুৱা ,আতিকুৰ হাজৰিকাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

## পাথৰিঘাটত কামৰূপী লোকগীতৰ কৰ্মশালা সম্পন্ন

**বাতৰি কাকত, ছিপাঝাৰ ,২২ জুলাই ঃ** অবিভক্ত দৰং জিলা লোক শিল্পী কল্যাণ নিধি আৰু ৰামেশ্বৰ পাঠক আৰু ধনদা পাঠক ফ'ক কালচাৰ ট্ৰাষ্টৰ যুটীয়া উদ্যোগত পাথৰিঘাট কৃষক শ্বহীদ প্ৰকল্পত কামৰূপী লোকগীতৰ কৰ্মশালা অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি ১১ বজাত বন্তি প্ৰজ্বলন কৰে যশস্বী শিল্পী বিৰিণা পাঠকে। লোক শিল্পী ৰামেশ্বৰ পাঠকৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে লোক শিল্পী মিঠু বড়োই।১১.১৫ বজাত স্থানীয় বিধায়ক পৰমানন্দ ৰাজবংশীৰ সঞ্চালনত কামৰূপী লোকগীত কৰ্মাশালা শুভাৰম্ভ কৰা হয়। কৰ্মশালাৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠান উদ্বোধন কৰে সদৌ অসম নাগাৰা নাম সংঘৰ প্ৰাক্তন সভাপতি বলোৰাম বৈশ্যই। বিশিষ্ট অতিথি হিচাপে মঙলদৈ পৌৰসভাৰ পৌৰপতি নিৰ্মালী দেৱী শৰ্মা, ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি জয়ন্ত শৰ্মা, আঞ্চলিক সদস্য ৰূপালী দেৱী,চণ্ডী চৰণ চৌধুৰী, দৰং জিলা পৰিষদৰ প্ৰাক্তন সভাপতি ধীৰেণ ডেকা উপস্থিত থাকে। সন্ধিয়া ৫.৩০ বজাত অ পক্ষী ৰৈয়া যা ৰে... শীৰ্ষক অন্তৰংগ আলাপ অনুষ্ঠান আৰু সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰে অনাতাঁৰ শিল্পী ক্ৰমে বংশীধৰ ডেকা, ভদ্ৰ কান্ত নাথ,গজেন নাথ,গজেন ডেকা, হিৰণ্য প্ৰভাৱ নাথ আৰু পূৰ্ণিমা ডেকাই। অন্যান্য শিল্পী সকল উপস্থিত আছিল ক্ৰমে এনি ডেকা, তৰুণ শইকীয়া দিপাক্ষী চহৰীয়া, কৰবী দেৱী, হৰি হৰ্ষিত, জ্যোতিষ্মিতা আনুৰাগিনী আৰু মিন্টু ৰাজবংশী। লোক শিল্পী, অন্যতম সচিব মুকুট চন্দ্ৰ হাজৰিকাই আঁত ধৰা অনুষ্ঠানত বিৰিণা পাঠকে কৰ্মশালাৰ লক্ষ্য, উদ্দেশ্য আৰু আদৰ্শৰ বিষয়ত বহলাই আলোকপাত কৰে। অনুষ্ঠানৰ আন আন আঁত ধৰোঁতা ৰূপে আছিল গোপাল কৃষ্ণ ডেকা আৰু মৃণাল ৰাজবংশী। সামৰণি ভাষণ প্ৰদান কৰে বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে। ভাষণত তেওঁ কামৰূপী লোকগীতক যোগেশ ভঁড়ালীৰ পিছতে প্ৰচাৰ প্ৰসাৰৰ ক্ষেত্ৰত ৰামেশ্বৰ পাঠকৰ অৱদান অনস্বীকাৰ্য আছিল বুলি মন্তব্য কৰে। অনুষ্ঠানৰ আয়োজক ৰূপে আছিল ক্ৰমে ভূপেন কলিতা,সত্য বৈশ্যই, মহেশ ভূঞা আৰু মনোজ চহৰীয়া। কৰ্মশালাত চল্লিশ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছিল। সকলো প্ৰশিক্ষাৰ্থীক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়।

## শাওণ মাহ উপলক্ষে প্ৰকৃতি প্ৰেমী তিলক খৰ্কাৰ গছপুলি



**বাতৰি কাকত, তামুলপুৰ,২২ জুলাই ঃ** তামুলপুৰ জিলাৰ এগৰাকী নীৰৱ প্ৰকৃতি প্ৰেমী ভাৰত- ভূটান সীমান্তৰ গুৱাবাৰী নিবাসী তিলক খৰ্কাই পৱিত্ৰ শাওণ মাহ উপলক্ষে সম্পূৰ্ণ একক প্ৰচেষ্টাত আজিৰে পৰা ভাৰত-ভূটান সীমান্তবৰ্তী অঞ্চলসমূহত ৫ হাজাৰ গছপুলি ৰোপণ কৰাৰ প্ৰচেষ্টা হাতত হৈছে। আজি গুৱাবাৰী গোৰ্খা ভৱনত এই গছপুলিৰ শুভাৰম্ভ কৰি কিছু গছপুলি ৰোপণ কৰে। উল্লেখযোগ্য যে অসম চৰকাৰৰ ৪ৰ্থ বৰ্গৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তিলক খৰ্কাই বিগত বহুবছৰ ধৰি বিভিন্ন উপলক্ষত বিভিন্ন অনুষ্ঠান -প্ৰতিষ্ঠানত গছপুলি ৰোপণ কৰাৰ উপৰিও বিবাহ সবাহ উপলক্ষে গছপুলি উপহাৰ হিচাপে প্ৰদান কৰি আহিছে । জীৱিত কালতে লক্ষাধিক গছপুলি ৰোপণৰ লক্ষ্য স্থিৰ কৰা সমাজকৰ্মী তিলক খৰ্কাই ইতিমধ্যে তিনি সহস্ৰাধিক গছপুলি ৰোপণ কৰিছে । সমাজকৰ্মী মোহন ভট্টৰায়ে আঁতধৰা আজি গছপুলি ৰোপণ কাৰ্যসূচীত অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী উপেন ছেত্ৰী, মহিলা সমিতিৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

## শিলিগুড়িৰ পৰা শিশুসহ উদ্ধাৰ তিনি যুৱতী-মহিলা

**বাতৰি কাকত ,তেজপুৰ, ২২ জুলাই ঃ** কৰ্মসংস্থাপনৰ প্ৰলোভন দি আৰ্থিক সমস্যাত ভোগা ৰাজ্যৰ একাংশ যুৱতী আৰু মহিলাক বহিঃৰাজ্যত দেহ ব্যৱসায়ত বলপূৰ্বক লিপ্ত কৰোৱাৰ ঘটনা সংঘটিত হৈ আহিছে। শোণিতপুৰৰ চাৰিদুৱাৰ আৰক্ষীয়ে চলোৱা এক অভিযানত এইদৰে বলপূৰ্বক ভাবে দেহব্যৱসায়ত জড়িত কৰোৱা তিনিগৰাকী মহিলাক শিলিগুৰিৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হোৱাৰ পিছতে এই জঘন্য অপৰাধ পোহৰলৈ আহিছে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি,যোৱা ৩০জুনত চাৰিদুৱাৰ আৰক্ষী থানা অন্তৰ্গত এটা অঞ্চলৰ পৰা এগৰাকী যুৱতী নিৰুদ্দেশ হোৱাৰ অভিযোগ লাভ কৰে আৰক্ষীয়ে ৷ইয়াৰ পিছৰে পৰা যুৱতীগৰাকীৰ সন্ধান অব্যাহত ৰখা আৰক্ষীয়ে যুৱতীগৰাকীৰ অৱস্থিতিৰ বিষয়ে জানিব পৰাত চাৰিদুৱাৰ আৰক্ষীৰ এটা অভিযানকাৰী দল শিলিগুৰিলৈ যাত্ৰা কৰে ৷যুৱতীগৰাকীৰ মোবাইল নম্বৰ ট্ৰেক কৰি পশ্চিমবংগৰ আৰক্ষীৰ সহায়ত শিলিগুৰিৰ পৰা চাৰিদুৱাৰৰ যুৱতীগৰাকীক উদ্ধাৰ কৰাৰ লগতে একেই অৱস্থাৰ বলি হোৱা আন দুগৰাকী যুৱতীকো উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে,ইয়াৰে এগৰাকী এটি নমহীয়া সন্তানৰ মাতৃ ৷প্ৰনিধানযোগ্য যে,অভিযানকাৰী আৰক্ষীয়ে উদ্ধাৰ কৰা আন দুগৰাকীৰ ভিতৰত এগৰাকীৰ ঘৰ নগাঁৱত আৰু এগৰাকীৰ ঘৰ গুৱাহাটীত ৷তিনিওকে কৰ্মসংস্থাপনৰ প্ৰলোভন দি শিলিগুৰিলৈ নিয়াৰ পিছত তেওঁলোকক দেহ ব্যৱসায়ত লিপ্ত হ'বলৈ বাধ্য কৰোৱা হৈছিল ৷কালি শিশুটি সহ তিনিওগৰাকী ভুক্তভোগীক চাৰিদুৱাৰ আৰক্ষীয়ে চাৰিদুৱাৰলৈ অনাৰ পিছত বৰ্তমান তেওঁলোকৰ কাউঞ্চিলিঙৰ ব্যৱস্থা কৰা হৈছে আৰু তেওঁলোকৰ আত্মীয়ৰ স'তেও যোগাযোগ কৰা হৈছে। আনহাতে তেওঁলোকক প্ৰৱঞ্চনাৰে শিলিগুৰিলৈ নিয়া সৰবৰাহকাৰীৰ সন্ধানো আৰক্ষীয়ে অব্যাহত ৰাখিছে।




## বঙাইগাঁৱত চুৰি সামগ্ৰী উদ্ধাৰঃ দুজনক গ্ৰেপ্তাৰ

**বঙাইগাঁও, ২২ জুলাই ঃ** বঙাইগাঁও জিলাৰ চৌৰাগুৰিৰ এটা গুদামৰ পৰা চুৰি হোৱা কিছু ষ্ট্ৰীট লাইট উত্তৰ বঙাইগাঁও তদলদাৰী আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে । আৰক্ষীয়ে লগতে চুৰিৰ ঘটনাৰ সৈতে জড়িত দুজন মূল অভিযুক্তকো গ্ৰেপ্তাৰ কৰিছে । ধৃত ব্যক্তি দুজনৰ এজন ট্ৰাক চালক আৰু আনজন ট্ৰাকৰ মালিক । প্ৰাপ্ত বাতৰি মতে বঙাইগাঁৱৰ চৌৰাগুৰিস্থিত ৰিছা ইনফ্ৰাষ্টাকচাৰৰ গুদামত বিগত ৰ এপ্ৰিলত সংঘটিত হৈছিল এক চুৰি কাণ্ড । প্ৰায় দুই শতাধিক টা মূল্যবান ষ্ট্ৰীট লাইট চুৰি কৰি উধাও হৈছিল চোৰ। পিছত এই চুৰিৰ ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছিল উত্তৰ বঙাইগাঁও তহলদাৰী আৰক্ষীয়ে । অৱশেষত এক গোপন সূত্ৰৰ পমখেদি উত্তৰ বঙাইগাঁও আৰক্ষীয়ে চলোৱা অভিযানত চুৰি হোৱা দুই শতাধিক ষ্ট্ৰীট লাইটৰ ভিতৰত ১২০ টা লাইট উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে । আৰক্ষীয়ে এই চুৰি কাৰ্যত ব্যৱহৃত এএছ ২৮ চি ৯৪৫৫ নম্বৰৰ ট্ৰাকখন জব্দ কৰাৰ লগতে ট্ৰাকখনৰ মালিক শ্বাহজুদ্দিন আলী আৰু চালক ৰহিজুদ্দিন আলীকো গ্ৰেপ্তাৰ কৰিছে। ধৃত শ্বাহজুদ্দিনৰ ঘৰ চিৰাং জিলাৰ কাজলগাঁও থানাৰ অন্তৰ্গত শালঝোৰত আৰু ৰহিজুদ্দিনৰ ঘৰ একেখন জিলাৰে বান্দুগুৰিত । আৰক্ষীয়ে চুৰি হোৱা বাকী সামগ্ৰীখিনি উদ্ধাৰৰ লগতে এই চুৰি চক্ৰটোৰ সৈতে জড়িত আন সহযোগীক কৰায়ত্ত কৰিবলৈ ধৃত ব্যক্তিদ্বয়ক জেৰা অব্যাহত ৰাখিছে।

## নাজিৰা বিধান সভা সমষ্টিত দিহানাম, নাগাৰাবাদন-কামৰূপীয়া লোকগীতৰ গ্ৰীষ্মকালীন কৰ্মশালা

**বাতৰি কাকত, নাজিৰা২২জুলাই ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু নাজিৰা সমজিলা প্ৰশাসনৰ সহযোগত শংকৰদেৱ শিশু নিকেতন, গেলেকীত দিহানাম, নাগাৰাবাদন আৰু কামৰূপীয়া লোকগীতৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ শুভাৰম্ভ কৰা হয় ৷কৰ্মশালাখনৰ শুভ উদ্বোধন কৰে নাজিৰা সমজিলাৰ সহকাৰী আয়ুক্ত পৰ্চিয়া খনিকৰে। তদুপৰি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নাজিৰা বিধানসভা সমষ্টিৰ বিধায়কৰ প্ৰতিনিধি তথা বিশিষ্ট সমাজকৰ্মী জীতেন হাতীমূৰীয়া, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি বীৰেন শইকীয়া, গেলেকী লাহন গাঁও সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ সম্পাদক বুবুল গগৈ, শংকৰদেৱ শিশু নিকেতন, গেলেকীৰ প্ৰধানাচাৰ্য চাৰিকা হাতীমূৰীয়া ৰাজখোৱা আৰু কৰ্মশালা পৰিচালনা সমিতিৰ সদস্য ক্ৰমে গোপাল বৰুৱা আৰু ৰেখা বৰুৱা। উল্লেখ্য যে, ১৭ জুলাইৰ পৰা ৩১ জুলাইলৈ অনুষ্ঠিত হ'বলগীয়া এই কৰ্মশালাত শিক্ষাৰ্থীসকলক অসমৰ আধ্যাত্মিক, লোকসংগীত আৰু লোকবাদ্যৰ ঐতিহ্যৰ সৈতে পৰিচিত কৰাৰ উদ্দেশ্যে দিহানাম, নাগাৰাবাদন আৰু কামৰূপীয়া লোকগীতৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব আৰু প্ৰশিক্ষণ প্ৰদান কৰিব অভিজ্ঞ প্ৰশিক্ষক অমিয়া নেওঁগ কলিতা আৰু তেওঁৰ দলে। এই অনুষ্ঠানত উপস্থিত থকা অতিথিসকলে নিজৰ বক্তব্যত অসমৰ সমৃদ্ধ লোক-সংস্কৃতি, ভক্তিমূলক সংগীত, লোকবাদ্য আৰু লোকগীতৰ সংৰক্ষণ আৰু প্ৰচাৰৰ ক্ষেত্ৰত এনে কৰ্মশালাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। লগতে শিক্ষাৰ্থীসকলক নিষ্ঠা আৰু আগ্ৰহেৰে প্ৰশিক্ষণ গ্ৰহণ কৰি নিজৰ সৃজনশীল প্ৰতিভাৰ বিকাশ ঘটোৱাৰ আহ্বান জনায়।

## শিক্ষাৰ্থীৰ মানসিক-আধ্যাত্মিক উৎকৰ্ষ সাধন কৰিব ঃ দেৱাশীষ শৰ্মা

**বিশেষ প্ৰতিনিধি, নগাঁও, ২২ জুলাই ঃ** ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু নগাঁও জিলা প্ৰশাসনৰ সহযোগত নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টি ভিত্তিত নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ সংগীত শিল্পী মঞ্চত আয়োজন কৰা গ্ৰীষ্মকালীন কৰ্মশালাখন জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই শুভ উদ্বোধন কৰে। এই উপলক্ষে দিয়া ভাষণত জিলা আয়ুক্তই কৰ্মশালাখনৰ উদ্দেশ্য আৰু গুৰুত্বৰ বিষয়ে আলোকপাত কৰি কয় যে গ্ৰীষ্মকালীন বন্ধৰ এই সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলে সুধাকণ্ঠ ভূপেন হাজৰিকাৰ অমৰ সৃষ্টিৰাজি আৰু অসমৰ লোক-সংস্কৃতিৰ চৰ্চা কৰাটো অত্যন্ত আদৰণীয় পদক্ষেপ। তেওঁ লগতে উল্লেখ কৰে যে এনে সাংস্কৃতিক কাৰ্যসূচীয়ে নতুন প্ৰজন্মক নিজৰ ঐতিহ্যৰ সৈতে চিনাকি কৰাই দিয়াৰ লগতে তেওঁলোকৰ মানসিক আৰু আধ্যাত্মিক বিকাশতো সহায় কৰিব। নগাঁও সাংস্কৃতিক উন্নয়ন বিষয়া নম্ৰতা বৰাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানটোত জিলাখনৰ ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি, সংগীত শিল্পী মঞ্চৰ সন্মানীয় কৰ্মকৰ্তাসকল, বিষয়ববীয়াসকল, প্ৰশিক্ষাৰ্থীসকল আৰু তেওঁলোকৰ অভিভাৱকসকল উপস্থিত থাকে। নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ সংগীত শিল্পী মঞ্চত আয়োজন কৰা এই কৰ্মশালাখনত অংশগ্ৰহণ কাৰা নৱপ্ৰজন্মৰ মাজত সুধাকণ্ঠ ভূপেন হাজৰিকাৰ কালজয়ী গীত আৰু অসমৰ চহকী লোকসংগীতৰ প্ৰশিক্ষণ প্ৰদান কৰি থকা হৈছে। কৰ্মশালাখন অহা ৩০ জুলাইলৈ অনুষ্ঠিত হ'ব। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জনাইছে যে, জিলাখনৰ সাতোটা বিধানসভা সমষ্টিৰ প্ৰতিটোতে দুখনকৈ এনে পযেকীয়া কৰ্মশালা অনুষ্ঠিত হৈছে, য'ত ভিন ভিন বিষয়ত বিশেষজ্ঞ ব্যক্তিৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত দ্বিতীয়খন কৰ্মশালা অনুষ্ঠিত হৈছে বৰদোৱা থানৰ আই খেৰসূতী মুকলি মঞ্চত সত্ৰীয়া নৃত্য বিষয়ত। এই কৰ্মশালাখনৰ ২৯ জুলাইত সামৰণি পৰিব। কলিয়াবৰ বিধানসভা সমষ্টিৰ টি আও ষ্টেডিয়ামত নৃত্য বিষয়ক কৰ্মশালাখন আৰু নলতলি আৰিমৰাৰ পশ্চিম কলিয়াবৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত ভূপেন্দ্ৰ সংগীত বিষয়ক কৰ্মশালাখন অ আৰম্ভ হৈছে আৰু অহা ৩১ জুলাইত সামৰণি পৰিব। বড়মপুৰ সমষ্টিৰ অন্তৰ্গত চাপানলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৬ জুলাইৰ পৰা ৩১ জুলাইলৈকে 'আৱৰ্জনা সামগ্ৰীৰ পৰা শিল্পসৃষ্টিৰ ধাৰণা, টেৰাকোটা, ধ্যান আৰু মাটি আখৰা, ডঃ ভূপেন্দ্ৰ সংগীত'আদি বিষয়ত, আৰু যমুনামুখৰ শংকৰদেৱ শিশু নিকেতনত ১৭ জুলাইৰ পৰা ৩১ জুলাইলৈকে 'নাটক', বিষয়ত গ্ৰীষ্মকালীন কৰ্মশালা আয়োজন কৰা হৈছে। ৰহা বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰহা মাধ্যমিক বিদ্যালয়, পুৰণা চাৰিআলিত ১৬ জুলাইৰ পৰা ৩০ জুলাইলৈকে 'নাটক, মাটি আখৰা'সত্ৰীয়া নৃত্য আদি বিষয়ত, আৰু শংকৰদেৱ চিত্ৰকলা বিদ্যালয়ত, হাতিচুং, চামুৱাগাঁৱত ১২ জুলাইৰ পৰা ২৬ জুলাইলৈকে শংকৰী চিত্ৰ, লোক নৃত্য, খোল বাদ্য , বিষয়ত গ্ৰীষ্মকালীন কৰ্মশালা আয়োজন কৰা হৈছে। ধিং সমষ্টিৰ অন্তৰ্গত আঠগাঁও মাধ্যমিক বিদ্যালয়ত ১৫ জুলাইৰ পৰা ২৯ জুলাইলৈকে পৰম্পৰাগত সত্ৰীয়া মুখা প্ৰস্তুত, অসমীয়া ভাওনাৰ পৰম্পৰাগত প্ৰসাধন আৰু সাজ-সজ্জা আদি বিষয়ত আৰু মহাদেৱ নাট্য মন্দিৰ, ধিংত ১১ জুলাইৰ পৰা ২৫ জুলাইলৈকে নাটক বিষয়ত গ্ৰীষ্মকালীন কৰ্মশালা আয়োজন কৰা হৈছে।চামগুৰি সমষ্টিৰ অন্তৰ্গত ডিফলু প্ৰাথমিক বিদ্যালয়ত ১৫ জুলাইৰ পৰা ৩০ জুলাইলৈকে হিন্দুস্তানী শাস্ত্ৰীয় সংগীত আৰু ভূপেন্দ্ৰ সংগীত আদি বিষয়ত, আৰু ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৬ জুলাইৰ পৰা ৩০ জুলাইলৈকে নাটক বিষয়ত গ্ৰীষ্মকালীন কৰ্মশালা আয়োজন কৰা হৈছে। ৰূপহীহাত সমষ্টিৰ অন্তৰ্গত জুৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৪ জুলাইৰ পৰা ২৯ জুলাইলৈকে সত্ৰীয়া নৃত্য আৰু পৰম্পৰাগত নৃত্য আদি বিষয়ত আৰু জুৰিয়া ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ত ১৬ জুলাইৰ পৰা ৩০ জুলাইলৈকে যোগ, সত্ৰীয়া নৃত্য আৰু অসমৰ পৰম্পৰগত লোক নৃত্য বিষয়ত গ্ৰীষ্মকালীন কৰ্মশালা আয়োজন কৰা হৈছে।

## নাজিৰাত ৰেলৰ খুন্দাত দিখৌ নদীত ওফৰি পৰিল বিহাৰৰ ৪২ বছৰীয়া ব্যক্তি

**নাজিৰা, ২২ জুলাই ঃ** নাজিৰা - শিমলুগুৰি সংযোগী দিখৌ নদীৰ ৰেলৱে দলঙৰ ওপৰত ৰেলৰ খুন্দাত এজন ৪২ বছৰীয়া ব্যক্তি নদীৰ জলধাৰাত ওফৰি পৰি সন্ধানহীন হয় । ঘটনা মৰ্মে , নিশা নাজিৰা - শিমলুগুৰি সংযোগী ৰেলপথেদি এজন ব্যক্তি আহি থকা অৱস্থাত উজনিমুৱা এক্সপ্ৰেছ ৰেলৰ খুন্দাত ব্যক্তি জন ওফৰি গৈ দিখৌ নদীৰ জলধাৰাত পৰি সন্ধানহীন হয় । ৰেল পথৰ দলঙত পৰি যোৱা ব্যক্তিজনৰ এটা বেগত কাপোৰৰ লগতে গীতা দেৱী নামৰ এগৰাকী মহিলাৰ আধাৰ কাৰ্ড আৰু তপেশ্বৰ ৰায়ৰ ভোটাৰ কাৰ্ড উদ্ধাৰ হোৱাত ব্যক্তিজন বিহাৰৰ মুজাফৰপুৰ জিলাৰ মহুলী চৌমূখ অঞ্চলৰ বুলি চিনাক্ত কৰে শিমলুগুৰি ৰেল জংচনৰ জি আৰ পি এফৰ আৰক্ষীয়ে। ব্যক্তিজন কিছুদিন পূৰ্বে বিহাৰৰ পৰা শিৱসাগৰ ৰেল ষ্টেচনত মটিয়া কামৰ বাবে অহা তপেশ্বৰ ৰায় আৰু গীতা দেৱীৰ ৪২ বছৰীয়া পুত্ৰ ৰাম বচন ৰায় কামত নিয়োজিত নোহোৱাৰ বাবে নিশা ৰেলত ঘৰলৈ উভতি যাবলৈ শিমলুগুৰি ৰেল জংচনলৈ অহা বুলি শিমলুগুৰি ৰেলৱে আৰক্ষীৰ আগত ব্যক্ত কৰে সতীৰ্থসকলে। দিখৌ নদীৰ প্ৰৱল সোঁতে উটুৱাই নিয়াত বৰ্তমানলৈকে ব্যক্তিজনক উদ্ধাৰ কৰিব পৰা নাই ব্যক্তিজনক। ইফালে শিমলুগুৰি ৰেল জংচনৰ অসম আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া অনুপ দত্ত আৰু ৰেলৱে আৰক্ষীৰ বিষয়া কৃষ্ণ বাহাদুৰ থাপাৰ নেতৃত্বত পুৱাৰে পৰা এছ ডি আৰ এফৰ জোৱানে ব্যক্তিজনৰ সন্ধানত দিখৌ নদীৰ বুকুত অভিযান অব্যাহত ৰাখিছে যদিও বৰ্তমানলৈকে কোনো শুংসূত্ৰ লাভ কৰিবলৈ সক্ষম হোৱা নাই ।

## মৰিগাঁৱত বন্ধ হৈ থকা চাৰিটা বাছ আস্থান মুকলি বিধায়ক ৰমাকান্তৰ

**মৰিগাঁও,২২ জুলাই ঃ** ১৮ মাহ পূৰ্বে মৰিগাঁও জিলা প্ৰশাসনে এক নিৰ্দেশৰ জৰিয়তে মৰিগাঁও নগৰৰ বাছ আস্থান সমূহ নগৰৰ উপকণ্ঠলৈ স্থানান্তৰ কৰাৰ ফলত জীয়াতু ভোগা বাছ যাত্ৰী আৰু নাগৰিক সকলৰ সুবিধাৰ প্ৰতি লক্ষ্য কৰি মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে বৈধ কাগজ পাতি থকা চাৰিটা বাছ আস্থান নগৰৰ পূৰ্বৰ স্থানলৈ স্থানান্তৰিত কৰা কাৰ্যক সমৰ্থন জনাই পুৱাৰ ভাগত এটা আস্থানত ফিটা কাটি আৰু নিচান জোকাৰি বাচ চলাচলৰ শুভাৰম্ভ কৰে। উল্লেখ্য বাছ আস্থান সমূহ নগৰৰ উপকণ্ঠলৈ লৈ যোৱাৰ ফলত আস্থানলৈ যাবলৈ যাত্ৰীসকলে ই -ৰিক্সা ,ৰিক্সা আদিত অত্যধিক ভাড়া ভৰিবলগীয়া হৈছিল। আনহাতে নগৰৰ অভ্যন্তৰত মানুহৰ সমাগম কমি যোৱাত বেচা কিনা বন্ধ হৈ সৰ্বস্বান্ত হৈছিল ক্ষুদ্ৰ ব্যৱসায়ী সকল। আস্থান সমূহ নগৰৰ আগৰ স্থানলৈ অনাৰ বাবে মৰিগাঁও সদৰ ছাত্ৰ, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উদ্যোগত অনুষ্ঠিত হৈছিল প্ৰতিবাদী নাগৰিক সভা। ব্যৱসায়ী সকলেও কেইবালানিও সভা, প্ৰতিবাদী সমদলেৰে বিক্ষোভ প্ৰদৰ্শন কৰিছিল। মৰিগাঁও পৌৰসভাৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ কতৃপক্ষ লগতে নাগৰিকসকল উপস্থিত থকা এক যুটিয়া সভাত আস্থান সমূহ পুনৰ আগৰ স্থানলৈ অনাৰ সিদ্ধান্ত কাৰ্যকৰী কৰা হয় ৷বাছ আস্থান মুকলি কৰি বিধায়ক ৰমাকান্ত দেউৰীয়ে কয়,ৰাইজে যাতায়তৰ ক্ষেত্ৰত ভূগি থকা অসুবিধা আজিৰ পৰা দূৰ হ'ব। কিন্তু বাছৰ মালিক আৰু চালকসকলে নিয়ম শৃংখলা মানি চলিড লাগিব। কোনোবাই ইয়াৰ বিৰোধিতা কৰিলে মানি লোৱা নহ'ব। কাৰণ ব্যক্তিগত স্বাৰ্থতকৈ ৰাজহুৱা স্বাৰ্থ উৰ্ধত। লক্ষণীয়



বাছৰ চালক সকলে যাতে যাত্ৰী উঠোৱাৰ প্ৰতিযোগিতাত লিপ্ত হৈ পথৰ ওপৰত বাছ ৰাখি যানজঁট সৃষ্টি কৰিলে মৰিগাঁও নগৰত সূচল যাতায়াত ব্যাহত হ'ব। মৰিগাঁও আৰক্ষী প্ৰশাসনে এই ক্ষেত্ৰত চোকা দৃষ্টি ৰখাৰ পোষকতা কৰিছে ৰাইজে।।

## মুক্তিৰ পূৰ্বে চৰ্চাত ‘ঐ পুলিচ’ৰ ট্ৰেইলাৰ

‘ঐ পুলিচ’ ছবিখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে ছুপাৰষ্টাৰ ৰবি শৰ্মা আৰু অমৃতা গগৈয়ে। লক্ষ্যণীয় যে ছবিপ্ৰেমিৰ দ্বাৰা সমাদৃত ছবি ‘শ্ৰী ৰঘুপতি’ৰ পিছত এই ছবিৰ জৰিয়তে পুনৰ এবাৰ দৰ্শকৰ বাবে উভতি আহিছে ৰবি শৰ্মা আৰু নতুন প্ৰজন্মৰ জনপ্ৰিয় পৰিচালক সুব্ৰত (সুব) কাকতি। ট্ৰেইলাৰ উন্মোচনৰ পাছত উপস্থিত সকলক সম্বোধন কৰি ছুপাৰষ্টাৰ ৰবি শৰ্মাই কয়— প্ৰতিখন ছবিয়েই বিশেষ। কিন্তু ‘ঐ পুলিচ’ক লৈ উৎসাহ একেবাৰেই বেলেগ। ট্ৰেইলাৰ উন্মোচনৰ পাছত আজি দৰ্শকৰ পৰা লাভ কৰা মৰমে আমাক আপ্লুত কৰিছে। ইয়াৰ পৰাই বুজা যায়, ছবিখন ছবিগৃহত চাবলৈ দৰ্শক আগ্ৰহেৰে অপেক্ষা কৰি আছে। মোৰ আন্তৰিক আশা, অহা ৭ আগষ্টত ‘ঐ পুলিচ’য়ে পৰিয়ালৰ সকলো সদস্যক মনোৰঞ্জন প্ৰদান কৰাৰ লগতে দৰ্শকক আৰু এক স্মৰণীয় চলচ্চিত্ৰ অভিজ্ঞতা উপহাৰ দিব। ছবিখনৰ বিষয়ে পৰিচালক সুব্ৰত (সুব) কাকতিয়ে কয়— আৰম্ভণিৰে পৰাই আমাৰ লক্ষ্য আছিল এনে এখন সম্পূৰ্ণ মনোৰঞ্জনধৰ্মী ছবি নিৰ্মাণ কৰা, যিখন ছবি পৰিয়ালৰ সকলোকে লগত লৈ ছবিগৃহত উপভোগ কৰিব পাৰি। বৰ্তমান আঞ্চলিক চলচ্চিত্ৰৰ পৰা দৰ্শকৰ প্ৰত্যাশা যথেষ্ট বৃদ্ধি পাইছে। সেই কথা মনত ৰাখিয়েই চিত্ৰনাট্য, অভিনয়, সংগীত আৰু দৃশ্যায়নৰ প্ৰতিটো দিশত আমি বিশেষভাৱে কাম কৰিছোঁ। ট্ৰেইলাৰত কেৱল ছবিখনৰ এক আভাসহে দেখা গৈছে। সম্পূৰ্ণ ছবিখনত দৰ্শকৰ বাবে এতিয়াও বহু চমক অপেক্ষা কৰি আছে। ছবিখনত ৰবি শৰ্মাৰ বিপৰীতে মুখ্য চৰিত্ৰত অভিনয় কৰা জনপ্ৰিয় অভিনেত্ৰী অমৃতা গগৈয়ে কয় যে ট্ৰেইলাৰ উন্মোচনী অনুষ্ঠানত লাভ কৰা সঁহাৰিয়ে অসমীয়া চলচ্চিত্ৰৰ প্ৰতি দৰ্শকৰ অটুট ভালপোৱাক পুনৰ এবাৰ স্পষ্ট কৰি তুলিছে। তেওঁ কয়— ট্ৰেইলাৰক লৈ দৰ্শকৰ ইতিবাচক সঁহাৰিয়ে আমাক নতুন আত্মবিশ্বাস দিছে। ইয়াৰ পৰাই এই কথা স্পষ্ট হৈ পৰিছে যে ভাল কাহিনীয়ে আজিও দৰ্শকৰ হৃদয় স্পৰ্শ কৰে। ৰবি দাৰ সৈতে অভিনয় কৰা আৰু সুব্ৰতৰ পৰিচালনাত কাম কৰাটো মোৰ বাবে এক অনন্য শিক্ষণীয় অভিজ্ঞতা। ছবিগৃহত দৰ্শকে সম্পূৰ্ণ ছবিখন চোৱাৰ মুহূৰ্তলৈ এতিয়া মই অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছোঁ। প্ৰণিধানযোগ্য যে, ‘শ্ৰী ৰঘুপতি’ৰ সফলতাৰ পাছত পুনৰ ডাঙৰ পৰ্দাত একেলগে কাম কৰিছে ৰবি শৰ্মা, সুব্ৰত কাকতি আৰু প্ৰণয় দত্তই। ট্ৰেইলাৰ উন্মোচনৰ পিছৰে পৰা ছবিখনক লৈ দৰ্শকৰ মাজত যথেষ্ট উৎসাহৰ সৃষ্টি হৈছে। সেই উৎসাহক সঙ্গী কৰিয়েই অহা জ্জআগষ্টত ছবিগৃহলৈ আহিব ‘ঐ পুলিচ’। এই পূৰ্ণদৈৰ্ঘ্যৰ ছবিখনে অসমীয়া দৰ্শকক এক সম্পূৰ্ণ মনোৰঞ্জনধৰ্মী চলচ্চিত্ৰৰ অভিজ্ঞতা প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰিছে ছবিখনৰ সৈতে জড়িত প্ৰযোজক, পৰিচালক আৰু কলা-কুশলীসকলে।

## বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

সৈতে উদ্ধাৰ আৰু সাহায্য অভিযানৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে দুৰ্গম অঞ্চলত আৱদ্ধ হৈ থকা লোকসকলক উদ্ধাৰ কৰাত সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়েও আলোচনা কৰে। সংবাদ মাধ্যমৰ সৈতে কথা পাতি মুখ্যমন্ত্ৰীয়ে কয়— এইটো এক অভূতপূৰ্ব পৰিস্থিতি। বহু লোক সাহায্য শিবিৰত আশ্ৰয় লৈ আছে, আনহাতে বহু লোক এতিয়াও বানপানীত আৱদ্ধ হৈ আছে। কেইবাজনো লোকে প্ৰাণ হেৰুৱাইছে আৰু এতিয়াও বিভিন্ন ঠাইত মৃতদেহ উদ্ধাৰ হৈ আছে। ক্ষয়-ক্ষতি আমাৰ প্ৰাথমিক ধাৰণাতকৈ বহু বেছি। তেওঁ জনায় যে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী, ভাৰতীয় সেনাবাহিনী, অসম চৰকাৰ আৰু জিলা প্ৰশাসনে যৌথভাৱে উদ্ধাৰ আৰু সাহায্য অভিযান চলাই আছে। মুখ্যমন্ত্ৰীয়ে দুৰ্যোগ ব্যৱস্থাপনা আৰু বান সাহায্যৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ আৰ্থিক সহযোগিতাৰ বিষয়েও উল্লেখ কৰি কয়— ৰাজ্য চৰকাৰৰ সাহায্য পুঁজিৰ সমগ্ৰ ধন কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰে। বান সাহায্য আৰু উদ্ধাৰ অভিযানৰ বাবে প্ৰয়োজনীয় ১০০ শতাংশ ধন কেন্দ্ৰই বহন কৰে। তেওঁ লগতে কয় যে কেন্দ্ৰীয় চৰকাৰে আগতীয়াকৈ ৰাজ্যখনলৈ এক নিৰ্দিষ্ট পৰিমাণৰ ধন আবণ্টন দিয়ে আৰু প্ৰয়োজন হক্সলে অতিৰিক্ত সাহায্যৰ বাবেও আবেদন জনোৱা হ'ব। প্ৰয়োজন হ'লে আমি প্ৰধানমন্ত্ৰীৰ ওচৰতো অধিক সাহায্য বিচাৰিম, বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। বানাক্ৰান্ত অঞ্চলসমূহত এন ডি আৰ এফ, এছ ডি আৰ এফ, ভাৰতীয় সশস্ত্ৰ বাহিনী, অসম আৰক্ষী আৰু জিলা প্ৰশাসনে উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে।

## ক'কৰোচৰ সংসদ চলো অভিযানত দিল্লী আৰক্ষীৰ শক্তি প্ৰয়োগ

শিক্ষাৰ ক্ষেত্ৰত দুৰ্নীতি আৰু নীট প্ৰশ্ন ফাদিলৰ প্ৰতিবাদত ২০ জুলাইত সংসদ অভিযানৰ আহ্বান জনাইছিল চিজেপিয়ে। দীৰ্ঘদিন ধৰি দিল্লীৰ যন্তৰ মন্তৰৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। সোণম ৰাংচুকেও তেওঁলোকৰ সমৰ্থনত অনশন কাৰ্যসূচী গ্ৰহণ কৰি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবী জনাইছে। এনে পৰিস্থিতিত কেইবাহাজাৰ ক্ষুব্ধ লোকে চিজেপিৰ শোভাযাত্ৰাত যোগদান কৰে। অভিযোগ অনুসৰি গধুৰ হাতেৰে প্ৰতিবাদ দমন কৰাৰ চেষ্টা কৰা হৈছিল। শান্তিপূৰ্ণ প্ৰতিবাদকাৰীক আৰক্ষীয়ে লাঠিচালনা কৰা বুলিও অভিযোগ উত্থাপন হৈছে। এই সন্দৰ্ভত দিল্লী উচ্চ ন্যায়ালয়ত দুটাকৈ জনস্বাৰ্থৰ গোচৰ ৰুজু হৈছিল। সেই আধাৰত দিল্লী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি কে উপাধ্যায় আৰু ন্যায়াধীশ তেজস কৰিয়াৰ বিচাৰপীঠে আৰক্ষী আৰু কেন্দ্ৰৰ বিবৃতি বিচাৰিছিল। ১১ ছেপ্টেম্বৰত পুনৰ শুনানি গ্ৰহণ কৰা হ'ব এই গোচৰ। তাৰ পূৰ্বে আৰক্ষী আৰু কেন্দ্ৰই শপতনামাৰ জৰিয়তে নিজৰ বক্তব্য দাখিল কৰিব লাগিব। দিল্লী উচ্চন্যায়ালয়ত আবেদনকাৰীৰ হৈ যুক্তি আগবঢ়ায় জ্যেষ্ঠ অধিবক্তা এন হৰিহৰণ, বিকাশ সিং, গোপাল শংকৰ নাৰায়ণে। প্ৰতিবাদকাৰীসকলে নিজৰ সাংবিধানিক অধিকাৰৰ অধীনত শান্তিপূৰ্ণভাৱে সমদল উলিয়াব বুলিও কয়। আৰক্ষীয়ে তেওঁলোকৰ ওপৰত অত্যধিক বল প্ৰয়োগ কৰিছিল। মহিলা আৰু শিশুসকলকো লাঠী চাৰ্জ কৰা হৈছিল। সাধাৰণ পোছাক পৰিহিত একাংশ আৰক্ষী বিষয়া লাঠি লৈ পথলৈ ওলাই অহাৰ অভিযোগো উত্থাপন হৈছে। লাঠিবোৰত নখ লাগি আছিল। দিল্লী আৰক্ষীৰ অতিৰিক্ত উপায়ুক্ত সন্দীপ লাম্বাই এগৰাকী মহিলাক কোনো প্ৰৰোচনা নোহোৱাকৈ চৰ মাৰি দিয়াৰ অভিযোগ। আবেদনকাৰীসকলৰ অধিবক্তাসকলেও এই বিষয়ত আদালতৰ দৃষ্টি আকৰ্ষণ কৰে। কেন্দ্ৰক প্ৰতিনিধিত্ব কৰি অতিৰিক্ত ছলিচিটৰ জেনেৰেল এছ ভি ৰাজুৱে আৰক্ষীৰ বৰ্বৰতাৰ অভিযোগ অস্বীকাৰ কৰে। লগতে তেওঁ দাবী কৰে যে প্ৰতিবাদত যদি কোনো লোক আহত হয় তেন্তে ব্যক্তিগতভাৱে আৰক্ষী বা দণ্ডাধীশৰ ওচৰত এজাহাৰ দাখিল কৰিব লাগে। অৱশ্যে আদালতে তেওঁৰ এই প্ৰস্তাৱ নাকচ কৰে। মুখ্য ন্যায়াধীশ উপাধ্যায়ে কয় যে এয়া ব্যক্তিগত ঘটনা নহয়। গতিকে ব্যক্তিগতভাৱে থানালৈ গৈ এজাহাৰ দাখিল কৰাৰ কোনো প্ৰশ্নই উত্থাপন নহয়। অনশন কৰি থকা সোণমক সাধাৰণ কাপোৰ পিন্ধা আৰক্ষীয়ে যন্তৰ মন্তৰৰ পৰা লৈ যোৱাৰ বিৰুদ্ধে এক সুকীয়া গোচৰ ৰুজু কৰে। কিন্তু বুধবাৰে সেই গোচৰ খাৰিজ কৰে দিল্লী উচ্চন্যায়ালয়ে। কাৰণ এই সন্দৰ্ভত সোণমৰ পত্নীৰ গোচৰ ইতিমধ্যে নিষ্পত্তি হৈছে।

## ৰূপহীহাট- চামগুৰিত ৪৫ সহস্ৰাধিক হিতাধিকাৰীক চেক বিতৰণ কৃষি মন্ত্ৰীৰ

অধীনত ক্ৰমে ১৯,৮৪০ আৰু ২৫,৬৫৮ গৰাকী মহিলা হিতাধিকাৰীৰ মাজত ১০,০০০ টকাৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী চিন্তাৰ ফচল এই যুগান্তকাৰী আঁচনিয়ে দৰিদ্ৰ তথা পিছপৰা শ্ৰেণীৰ মহিলাসকলক বহনক্ষম জীৱিকা গঢ়ি তুলিবলৈ আৰু ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশত সক্ৰিয়ভাৱে অৱদান যোগাবলৈ সক্ষম কৰি তুলিছে। তেওঁ উল্লেখ কৰে যে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, নিযুত মইনা আৰু অৰুণোদয়ৰ দৰে আঁচনিসমূহে মহিলাসকলক বিনামূলীয়া শিক্ষা, ক্ষুদ্ৰ ব্যৱসায় প্ৰতিষ্ঠাৰ বাবে প্ৰাৰম্ভিক মূলধন আৰু প্ৰত্যক্ষ আৰ্থিক সাহায্য প্ৰদান কৰি সমাজত তেওঁলোকৰ এক মৰ্যদাপূৰ্ণ জীৱন নিশ্চিত কৰিছে। কোনো ধৰণৰ বৈষম্য নোহোৱাকৈ ৰাজ্যৰ সকলো অঞ্চল আৰু সমাজৰ সকলো শ্ৰেণীৰ সমবিকাশৰ বাবে ৰাজ্য চৰকাৰৰ দৃঢ় সংকল্পৰ কথা দোহাৰি মন্ত্ৰী হাজৰিকাই প্ৰাৰম্ভিক ১০,০০০ টকাৰ মূলধন সঠিকভাৱে ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। তেওঁ সকলো মহিলা হিতাধিকাৰীক নিজৰ ব্যৱসায় গঢ়ি তোলাৰ বাবে এই আৰ্থিক সাহায্য ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিবলৈ আহ্বান জনায় যাতে তেওঁলোকে আঁচনিখনৰ অধীনত পৰৱৰ্তী পৰ্যায়ৰ ২৫,০০০ আৰু ৫০,০০০ টকা লাভ কৰিবলৈ যোগ্য বিবেচিত হয়। বিশ্বৰ উন্নত দেশসমূহত কৰ্মক্ষেত্ৰত মহিলাৰ অধিক অংশগ্ৰহণৰ উদাহৰণ দাঙি ধৰি মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ মহিলাসকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'বলৈ আৰু অসমৰ অৰ্থনীতিত অধিক অৱদান আগবঢ়াবলৈ এই চৰকাৰী পদক্ষেপসমূহৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। নগাঁও সংসদীয় সমষ্টিৰ উন্নয়ন ত্বৰান্বিত কৰাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই ৰাইজক বৰ্তমানৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক সমৰ্থন জনাবলৈ আহ্বান জনায় যাতে আন্তঃগাঁথনি, শিক্ষা, স্বাস্থ্য আৰু মহিলা সৱলীকৰণৰ ক্ষেত্ৰত দ্ৰুতগতিত সৰ্বাংগীণ উন্নয়ন সাধন কৰিব পৰা যায়। চৰকাৰী পদক্ষেপসমূহৰ পৰা ৰাইজে যাতে সৰ্বাধিক লাভালাভ আদায় কৰিব পাৰে তাৰ বাবে জনপ্ৰতিনিধি নিৰ্বাচনৰ ক্ষেত্ৰত অধিক সজাগ হ'বলৈকো তেওঁ নাগৰিকসকলক আহ্বান জনায়। আজিৰ দুয়োখন সভাতে বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামী, নগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাকে ধৰি আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## উজনিত প্ৰলয়ংকাৰী বান- ৩১ গৰাকী

ধেমাজিত ২, গোলাঘাটত ২, শোণিতপুৰত এগৰাকী আৰু কাৰ্বি আংলঙত এগৰাকীৰ মৃত্যু হয়। আনহাতে, গৃহহীন আৰু বানাক্ৰান্ত লোকসকলক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰাৰ বাবে জিলা প্ৰশাসনে ৯৫টা সাহায্য শিবিৰ প্ৰস্তুত কৰি তুলিছে। খাদ্য, খোৱাপানী আৰু জৰুৰী সামগ্ৰী বিতৰণৰ বাবে ৰাজ্যজুৰি ৪৬৯টা সাহায্য বিতৰণ কেন্দ্ৰ কাৰ্যক্ষম কৰি ৰখা হৈছে।

## প্ৰধানমন্ত্ৰীৰ বাসভৱনৰ সমীপত বিৰোধীৰ প্ৰতিবাদ

ৰাহুল গান্ধী, কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু প্ৰিয়ংকা গান্ধী ভাদ্ৰাই ধৰ্ণাত বহিছিল। পিছত সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱ আৰু শৰদ পাৱাৰৰ এন চি পি সমৰ্থক সুপ্ৰিয়া চুলেও তালৈ যায়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী জিতেন্দ্ৰ সিঙৰ জৰিয়তে লোক কল্যাণ মাৰ্গৰ দৰে উচ্চ নিৰাপত্তাসম্পন্ন অঞ্চলত প্ৰতিবাদ নকৰিবলৈ বাৰ্তা প্ৰেৰণ কৰিছিল। কিন্তু সেই কথাক আওকাণ কৰি দিল্লী আৰক্ষীয়ে ৰাহুল গান্ধীক আটক কৰে ৰাহুল গান্ধীক নিশাৰ ধৰ্নাৰ প্ৰস্তুতি আৰম্ভ হোৱাৰ সন্ধিয়া। প্ৰিয়ংকা আৰু দুই এজনক মন্দিৰ মাৰ্গ থানালৈ লৈ যোৱা হয়। ইয়াৰ পিছত কংগ্ৰেছ সংসদীয় দলৰ অধ্যক্ষ ছোনিয়া গান্ধী আৰু শিৱসেনাৰ মুৰব্বী উদ্ধৱ থাকৰে তাত উপস্থিত হয়। ৰাহুলৰ লগতে আন দুই এজনক ষ্টেডিয়ামত আবদ্ধ কৰি ৰাখিছিল। অৱশেষত পুলিচে ৰাতি সকলোকে মুকলি কৰি দিলে। মেডিকেল এণ্ট্ৰেন্স এক্সাম চমুকৈ নীট প্ৰশ্নকাকত ফাদিল হোৱাৰ প্ৰতিবাদত ককৰোচ জনতা পাৰ্টিৰ সংসদ অভিযানৰ আহ্বানক লৈ সোমবাৰে দিল্লীত উত্তাল হৈ পৰে। আৰক্ষীৰ লাঠিচাৰ্জ আৰু কন্দুৱা গেছ অতিক্ৰম কৰি সোমবাৰে বিয়লি সংসদ ভৱনত উপস্থিত হয় প্ৰতিবাদকাৰীসকলে। নিৰাপত্তাজনিত কাৰণত বন্ধ কৰি দিয়া হৈছিল সংসদৰ মূল গেট। সোমবাৰৰ পৰা আৰম্ভ হৈছে সংসদৰ অধিৱেশন। সংসদ ভৱনত বিভিন্ন দলৰ সাংসদ উপস্থিত থাকে। প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় কেবিনেটৰ অন্যান্য সদস্যসকলো উপস্থিত থাকে। শান্তিপূৰ্ণ আন্দোলনত আৰক্ষীয়ে দমনমূলক কাম কৰা বুলি অভিযোগ উত্থাপন কৰে চিজেপি আৰু বিৰোধী নেতৃত্বই। আহত হৈছে ৮০ জনৰো অধিক প্ৰতিবাদকাৰী। (আৰক্ষীৰ মতে আহত প্ৰতিবাদকাৰীৰ সংখ্যা ৬০ জন) কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই মঙলবাৰে দিল্লীৰ ৰাম মনোহৰ লোহিয়া (আৰ এল এম) হাস্পতাল আৰু লেডী হাৰ্ডিং মেডিকেল কলেজ এণ্ড হস্পিতাল পৰিদৰ্শন কৰে। আহত ছাত্ৰ-ছাত্ৰীক সাক্ষাৎ কৰে। আনহাতে, ৰাহুল আৰু প্ৰিয়ংকাইও আহত ছাত্ৰ-ছাত্ৰীক আৰ এম এল হাস্পতালত সাক্ষাৎ কৰে। সংসদৰ বাদল অধিৱেশনৰ সময়ত হোৱা প্ৰতিবাদ আৰু সংঘৰ্ষৰ পিছত দিল্লীৰ পৰিস্থিতিৰ ওপৰত আৰক্ষীয়ে কঠোৰ চোৰাংচোৱাগিৰি কৰিছে। যন্তৰ মন্তৰত চিজেপি থকা মঞ্চৰ আশে-পাশেও আৰক্ষীৰ নিয়োগ বৃদ্ধি কৰা হৈছে। অৱশ্যে সোমবাৰে আটক কৰা চিজেপি সমৰ্থকসকলৰ কোনো এজনকো গ্ৰেপ্তাৰ কৰা হোৱা নাই বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। এনে পৰিস্থিতিত দিল্লী আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত প্ৰস্তাৱিত প্ৰতিবাদী কাৰ্যসূচী প্ৰত্যাহাৰ কৰিছে চিজেপিয়ে। কিন্তু মঙলবাৰে নিশা চিজেপি সমৰ্থকে যন্তৰ মন্তৰত ইটা-শিল নিক্ষেপ কৰাৰ অভিযোগ উত্থাপন হৈছে। প্ৰসংগক্ৰমে যোৱা ৬ জুনৰ পৰা চিজেপিয়ে যন্তৰ মন্তৰত প্ৰতিবাদ সাব্যস্ত কৰি আহিছে।নিট প্ৰশ্নকাকত ফাদিল হোৱাৰ দায়িত্ব লৈ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক পদত্যাগ কৰিবলৈ দাবী জনাইছে। সমাজকৰ্মী সোণম ৰাংচুকে ২৮ জুনৰ পৰা সেই মঞ্চতে অনশন আৰম্ভ কৰিছিল। ১৮ জুনত সাধাৰণ কাপোৰ পিন্ধা আৰক্ষীয়ে সোণমক প্ৰতিবাদস্থলীৰ পৰা আঁতৰাই লৈ গৈছিল। ছাফদাৰজং হাস্পতালত ভৰ্তি কৰোৱা হয়। কিন্তু চিকিৎসালয়তো ভংগ কৰিব পৰা নগ'ল তাইৰ অনশন। মঙলবাৰে দিল্লী উচ্চন্যায়ালয়ে সোণমক চিকিৎসালয় সলনি কৰিবলৈ অনুমতি দিছিল। আৰু কেন্দ্ৰই ইয়াৰ ওপৰত আপত্তি কৰা নাছিল। ৰাংচুকৰ চিকিৎসাৰ বাবে মেডান্টা হাস্পতালত বিশেষ চিকিৎসক ব'ৰ্ড গঠন কৰিব লাগে বুলি আদালতে জানিবলৈ দিয়ে। মন্দিৰ মাৰ্গ থানাৰ পৰা মুক্তি পোৱাৰ পিছত প্ৰিয়ংকাই কয়— যদি বিৰোধী নেতাই সংসদত কথা ক'ব বিচাৰে তেন্তে তেওঁক কথা ক'বলৈ দিয়া নহয়। আমি প্ৰতিবাদ কৰিবলৈ অনুমতি বিচাৰিলে সেই অনুমতিও দিয়া নহয়। গতিকে আমি এনে এখন ঠাইলৈ গ'লো য'ত তেওঁলোকে (চৰকাৰে) আমাৰ উপস্থিতিৰ কম আশা কৰিছিল। ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীসকলক যিদৰে মাৰপিট কৰা হৈছে, তেওঁলোকৰ মূৰ ফাটিছে, আনকি ছোৱালীবোৰৰ কাপোৰো ফাটি গৈছে, গণতন্ত্ৰত চৰকাৰৰ পৰা এইটোৱেই আশা কৰা হৈছে নেকি ? দিল্লীত ছাত্ৰ আৰু যুৱক-যুৱতীৰ শোভাযাত্ৰাত ‘পুলিচৰ আক্ৰমণ’ৰ প্ৰতিবাদ কৰিবলৈ লোকসভাৰ বিৰোধী দলপতি ৰাহুলে এক্স পোষ্টত লিখিছে— ছাত্ৰ-ছাত্ৰীক আক্ৰমণ কৰা মানে প্ৰধানমন্ত্ৰী মোদীয়ে ভাবে যে তেওঁ কোনো উত্তৰ নিদিয়াকৈ, কোনো পৰিণতিৰ সন্মুখীন নোহোৱাকৈয়ে ৰক্ষা পৰিব পাৰে - তেওঁ নোৱাৰে, এইবাৰ একেবাৰেই নহয় যে মই প্ৰতিজন দেশপ্ৰেমিক আমাৰ ছাত্ৰ-ছাত্ৰীসকলে ন্যায় পাব লাগে, প্ৰধানমন্ত্ৰীৰ বাসগৃহৰ সন্মুখত আমাৰ ধৰ্ণাত যোগদান কৰিবলৈ ভাৰতৰ ছাত্ৰ-ছাত্ৰীৰ কণ্ঠক আওকাণ কৰিব নোৱাৰি। ৰাহুলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰক চাৰিটা দাবী উত্থাপন কৰিছিল সংসদত শ্বাহ আৰু সংসদৰ বন্ধ অধিৱেশনত কেন্দ্ৰীয় শিক্ষা নীতিৰ ওপৰত আলোচনা কিন্তু সেই দাবীসমূহ মানি লোৱাৰ সংকেত নিদিলে মোডী চৰকাৰে।

## আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত অসমীয়া ছবি ‘ৰ'দৰ পাখি'লৈ জুৰীৰ বিশেষ সন্মান

এই স্বীকৃতিয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱসমূহত ছবিখনৰ সফল যাত্ৰাত আন এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে চিহ্নিত কৰিব। ড° ববি শৰ্মা বৰুৱাৰ পৰিচালনাত নিৰ্মিত ‘ৰ'দৰ পাখি’ (মৰ্ণিং চানছাইন) লেখিকা শৰ্মিষ্ঠা প্ৰীতম-ৰ বাস্তৱ জীৱনৰ পৰা অনুপ্ৰাণিত। কম বয়সতে স্পাইনেল মাস্কুলাৰ এট্ৰফি মেৰুদণ্ডজনিত পেশী দুৰ্বলতা ৰোগত আক্ৰান্ত অসমৰ এগৰাকী উচ্চাকাংক্ষী সাহিত্যিক জ্যোতিক কেন্দ্ৰ কৰি ছবিখন নিৰ্মাণ কৰা হৈছে। তীব্ৰ শাৰীৰিক প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ পিছতো স্বাধীন ভাৱে জীৱন গঢ়ি তোলাৰ লগতে নিজৰ সপোন পূৰণৰ অবিচল প্ৰয়াসেই ছবিখনৰ আৱেগিক মূল বিষয়বস্তু। এই স্বীকৃতিত আনন্দ প্ৰকাশ কৰি ড° ববী শৰ্মা বৰুৱাই কয়— আমাৰ ছবিখনে জুৰী স্পেচিয়েল মেনচন- ছুপাৰ মামা বঁটা লাভ কৰাত এই যাত্ৰা আৰু অধিক অৰ্থপূৰ্ণ হৈ পৰিল। আন্তঃৰাষ্ট্ৰীয় মঞ্চত এই স্বীকৃতি লাভ কৰাটো আমাৰ সমগ্ৰ দলটোৰ বাবে এক গৌৰৱ আৰু স্মৰণীয় মুহূৰ্ত। তেওঁ লগতে কয়— এই সন্মান আমাৰ নিষ্ঠাৱান অভিনয়শিল্পী আৰু কাৰিকৰী দলৰ প্ৰতিগৰাকী সদস্যৰ, যাৰ নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমৰ ফলতেই এই কাহিনীয়ে জীৱন্ত ৰূপ লাভ কৰিছে। আমাৰ শুভাকাংক্ষী, বন্ধু-বান্ধৱ আৰু সদায় সাহস যোগোৱা প্ৰতিগৰাকী ব্যক্তিলৈও আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।আপোনালোকৰ মৰম, প্ৰাৰ্থনা আৰু অহৰহ সমৰ্থনে এই যাত্ৰা সম্ভৱ কৰি তুলিলে। মস্কোত এই সন্মান লাভ কৰাৰ পূৰ্বেই ‘ৰ'দৰ পাখি’এ বিভিন্ন সন্মানীয় চলচ্চিত্ৰ মহোৎসৱত এক দৃঢ় উপস্থিতি প্ৰতিষ্ঠা কৰিছিল। ছবিখন প্ৰথমে এনএফডিচি ফিল্ম বাজাৰ ক'-প্ৰডাকচন মাৰ্কেটত নিৰ্বাচিত হোৱাৰ পাছত ২০২৪ চনত গোৱাত অনুষ্ঠিত ৫৫সংখ্যক ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ ইণ্ডিয়ান পেনোৰামা শিতানত ছবিখনৰ প্ৰদৰ্শনী কৰা হৈছিল। ইয়াৰ পিছত ২০২৫ চনত ছবিখন মুম্বাইৰ ২৭তম থাৰ্ড আই এছিয়ান ফিল্ম ফেষ্টিভেল-ৰ এছিয়ান স্পেকট্ৰাম শাখা, ২৩ সংখ্যক পুনে আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ, আৰু ১৬ সংখ্যক বেংগালুৰু আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ ভাৰতীয় প্ৰতিযোগিতা শিতানলৈ নিৰ্বাচিত হয়। ইয়াৰ উপৰিও ইণ্ডিয়ান ফিল্ম ফেষ্টিভেল অৱ মেলবৰ্ণ, ২০ সংখ্যক থ্ৰিছুৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ, আৰু কানাডাৰ মোজেইক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱতো ছবিখন নিৰ্বাচিত হৈছিল। ২০২৬ চনত মস্কোৰ ইণ্টাৰনেশ্যনেল ফিল্ম ফেষ্টিভেল মেড বাই উইমেনত নিৰ্বাচন আৰু এই স্বীকৃতি লাভৰ জৰিয়তে ছবিখনৰ আন্তঃৰাষ্ট্ৰীয় যাত্ৰাই আৰু অধিক বিস্তৃতি লাভ কৰিলে। বসন্ত কুমাৰ বৰুৱা, ড° ববি শৰ্মা বৰুৱা আৰু সুলক্ষণা বৰুৱা-ই প্ৰযোজনা কৰা ৰ'দৰ পাখি’ (মৰ্ণিং চানছাইন) ছবিখনত সুলক্ষণা বৰুৱা, কমল লোচন, অৰুণ নাথ আৰু বীণা পটংগীয়া-ই গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰিছে। ড° ববি শৰ্মা বৰুৱাই কয় যে এই শেহতীয়া সন্মানে দলটোক সংস্কৃতি আৰু ভৌগোলিক সীমাৰ সিপাৰে দৰ্শকৰ সৈতে সংযোগ স্থাপন কৰিব পৰা মূল্যবোধেৰে সমৃদ্ধ চলচ্চিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত নতুন উৎসাহ যোগাব। তেওঁ কয়— এই সন্মানে আমাৰ হৃদয় চুই যোৱা আৰু ভৌগোলিক সীমা অতিক্ৰম কৰি সকলোৰে সৈতে সংযোগ স্থাপন কৰিব পৰা কাহিনী ক'বলৈ অনুপ্ৰাণিত কৰিলে। হৃদয়ৰ অন্তঃস্থলৰ পৰা সকলোকে ধন্যবাদ জনাইছোঁ। মস্কোত লাভ কৰা এই জুৰী স্পেচিয়েল মেনচন-এ ‘ৰ'দৰ পাখি’ৰ আন্তঃৰাষ্ট্ৰীয় যাত্ৰাক অধিক শক্তিশালী কৰাৰ লগতে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থপূৰ্ণ চলচ্চিত্ৰক অধিক স্বীকৃতি প্ৰদান কৰিছে।

## আদালতৰ মজিয়াত জুবিন গাৰ্গক বদনামী কৰাৰ চেষ্টা অধিবক্তাৰ

গ'ল, সমগ্ৰ বিশ্বত চিনাকি কৰি গ'ল, সমগ্ৰ জীৱনটো কামেই কৰি গ'ল সেই মানুহজনক কেৱল সুৰাপায়ী বুলি প্ৰমাণ কৰিবলৈ অপ্ৰাণ চেষ্টা চলিছে। তেওঁ যদি ইমানে সুৰাপান কৰিছিল, তেওঁ গানৰ সৃষ্টি কেতিয়া কৰিছিল, চিনেমাৰ কাম কেতিয়া কৰিছিল, মানুহক সহায় কেতিয়া কৰিছিল, প্ৰ'গ্ৰেম কেতিয়া কৰিছিল। গোটেই জীৱনজুৰি কাম কেতিয়া কৰিছিল। অসমৰ প্ৰতিগৰাকী পৰিয়ালৰ মানুহে কিয় ভাল পায় ? এগৰাকী সুৰাপায়ীক মানুহে ইমান ভাল নাপায় ? জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰে লগতে কয় যে তেওঁৰ গোটেই সৃষ্টি আৰু কামখিনি উপেক্ষা কৰিছে। এই গোটেই কথাটো মই দুখ পাইছো। জুবিন গাৰ্গৰ সমগ্ৰ কাম আৰু সত্তাটো বাদ দি ২৪ ঘণ্টাই যেন সুৰাপান কৰে সেই কথাটোকে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে। মই সেই কথাটো বৰ দুখ পাইছো। এই কাম কৰিছে অভিযুক্তৰ অধিবক্তাই। অসমৰে উকীলে, মই আচৰিত, তেওঁলোকে কিয় এনেকুৱা কৰিছে।”

## নিৰ্ধাৰিত সময়ত বিতৰণ সুনিশ্চিত

কঠোৰভাৱে মানি চলি সুসংহত যোগান ব্যৱস্থাৰে বিতৰণ প্ৰক্ৰিয়া অধিক কাৰ্যক্ষম কৰি তোলাৰ বাবে সংশ্লিষ্ট সকলো পক্ষকে আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্য চৰকাৰ খাদ্য সুৰক্ষা নিশ্চিত কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। জনকল্যাণমূলক আঁচনিসমূহ যাতে স্বচ্ছতা, দক্ষতা আৰু সময়ানুবৰ্তিতাৰে ৰূপায়ণ হয় আৰু ইয়াৰ সুবিধা যাতে প্ৰতিগৰাকী যোগ্য হিতাধিকাৰীয়ে লাভ কৰে, সেই লক্ষ্যৰে চৰকাৰে অবিৰতভাৱে কাম কৰি আছে। বৈঠকত বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব বিশ্বৰঞ্জন ছামাল, সচিব অনুসূয়া দত্ত বৰুৱা, আয়ুক্ত হেমন্ত ভূএঁাকে ধৰি জ্যেষ্ঠ বিষয়াবৰ্গ উপস্থিত থাকে।

## দিল্লী হাইক'ৰ্টৰ নিৰ্দেশত ছফদৰজং হাস্পতালৰ পৰা ৰিলিজ কৰিলে সোণম

কয় যে ২৪ দিনীয়া অনশনৰ বাবে অসুস্থ সোণমক নিজৰ পছন্দৰ চিকিৎসালয়ত চিকিৎসা গ্ৰহণ কৰিব পাৰিব। কেন্দ্ৰীয় চৰকাৰেও এই সন্দৰ্ভত কোনো আপত্তি উত্থাপন কৰা নাছিল। ইয়াৰ পিছত সোণমক ছফদাৰজং হাস্পতালৰ পৰা ৰিলিজ দিয়া হয়। মঙলবাৰে সন্ধিয়া ৬.৪০ বজাত সোণমক চিকিৎসালয়ৰ পৰা মুকলি কৰি দিয়া হয়। গুৰুগ্ৰাম চিকিৎসালয়ৰ চিকিৎসকৰ হাতত গতাই দিয়ে তাইক। ইয়াৰ লগতে চিকিৎসাৰ তথ্যও প্ৰদান কৰা হৈছে। দিল্লী উচ্চ ন্যায়ালয়ৰ ৯৮ জুলাইৰ নিৰ্দেশ মানি এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। চিকিৎসালয়ৰ পৰা ৰিলিজ দিয়াৰ সময়ত তেওঁৰ শাৰীৰিক অৱস্থা সুস্থিৰ আছিল। ৰাংচুকৰ পত্নী গীতাঞ্জলি জে আংমোৱে আদালতত আবেদন জনাই যে যন্তৰ মন্তৰত দীৰ্ঘদিনীয়া অনশনৰ বাবে স্বামীৰ শাৰীৰিক অৱস্থাৰ অৱনতি ঘটিছে। সেইবাবেই তেওঁলোকে সফদাৰজং হাস্পতালৰ সলনি সোণমক মেদান্ত হাস্পতাললৈ বদলি কৰিব বিচাৰিছে। আদালতে কয়— সোনামক মেদান্ত হাস্পতাললৈ বদলি কৰিব লাগে। তাতেই চিকিৎসা কৰা হ'ব। চফদাৰজং হাস্পতালত এতিয়ালৈকে যি চিকিৎসা লাভ কৰিছে তাৰ সকলো নথি-পত্ৰ, প্ৰতিবেদন আৰু চিকিৎসাৰ তথ্য মেদান্ত হাস্পতাললৈ প্ৰেৰণ কৰিব লাগে। একে সময়তে উচ্চ ন্যায়ালয়ে মেডান্টা হাস্পতালত ৰাংচুকৰ চিকিৎসাৰ বাবে বিশেষজ্ঞ চিকিৎসকৰ পেনেল গঠন কৰিবলৈ নিৰ্দেশ দিয়ে। দেওবাৰে দিল্লী উচ্চন্যায়ালয়ৰ কাষ চাপিছিল গীতাঞ্জলিয়ে সোণমক ছফদাৰজং হাস্পতালৰ পৰা আন ঠাইলৈ স্থানান্তৰিত কৰিবলৈ অনুৰোধ জনাই। জৰুৰী ভিত্তিত শুনানি অনুষ্ঠিত হয়। সোনামৰ পত্নীয়ে জনোৱা মতে চিকিৎসালয় কৰ্তৃপক্ষই তথ্য লুকুৱাই ৰাখিছে। সেয়ে তাই আৰু সিহঁতক বিশ্বাস নকৰে। কিন্তু আদালতে সেইদিনা সোণমক চিকিৎসালয়ৰ পৰা বদলি কৰাৰ নিৰ্দেশ দিয়া নাছিল। মঙলবাৰে জাৰি কৰা হৈছে এই নিৰ্দেশ। শিক্ষাৰ দুৰ্নীতি, প্ৰশ্নকাকত ফাদিল হোৱাৰ প্ৰতিবাদ আৰু কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত সোণমে যোৱা ২৮ জুনত দিল্লীৰ যন্তৰ মন্তৰৰ সন্মুখত অনশন কাৰ্যসূচী আৰম্ভ কৰিছিল। মঙলবাৰে সেই অনশনৰ ২৪ সংখ্যক দিন। শনিবাৰে সাধাৰণ কাপোৰ পিন্ধা আৰক্ষীয়ে প্ৰতিবাদস্থলীৰ পৰা সোণমক আঁতৰাই লৈ যায়। চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় তাইক। কিন্তু চিকিৎসালয়তো ভংগ কৰিব পৰা নগ'ল তাইৰ অনশন।

## মৃতকৰ পৰিয়ালৰ ঘৰত ৰাজহ মন্ত্ৰী কেশৱ মহন্ত

বাগিচাখনৰ বৰলাইনস্থিত দুয়োগৰাকী কিশোৰীৰ ঘৰলৈ গৈ শোকসন্তপ্ত পৰিয়ালক দেখা কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে ৰাজ্য চৰকাৰৰ হৈ সমবেদনা জনায়। দুৰ্ভগীয়া পৰিয়াল দুটাক সাক্ষাতৰ সময়ত মন্ত্ৰীগৰাকীৰ সৈতে তিতাবৰৰ বিধায়ক ধীৰাজ গোৱালা, যোৰহাটৰ জিলা আয়ুক্ত জয় শিৱানী আৰু তিতাবৰৰ সমজিলা আয়ুক্ত প্ৰীতম কুমাৰ দাসো উপস্থিত থাকে। শোকাকুল পৰিয়ালক সাক্ষাতৰ সময়ত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী মহন্তই অসম চৰকাৰৰ ফালৰ পৰা দুয়োগৰাকী কিশোৰীৰ দুৰ্ভগীয়া পৰিয়াললৈ ৪ লাখ টকাকৈ এককালীন সাহাৰ্য প্ৰদানৰ ব্যৱস্থা কৰাৰ বিষয়েও পৰিয়ালৰ সদস্যক অৱগত কৰে। তিতাবৰৰ বিধায়ক আৰু সমজিলা আয়ুক্তই কাইলৈৰ ভিতৰতে কিশোৰী দুগৰাকীৰ ঘৰলৈ আহি এই এককালীন সাহাৰ্যৰ চেক পৰিয়ালক প্ৰদান কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। ইফালে, চাহ বাগিচাখনত সংঘটিত কালিৰ এই একেটা শোকাবহ ঘটনাতে ছোনিয়া পাহাৰীয়া আৰু সুস্মিতা মিৰ্ধাৰ সৈতে থকা ববীতা চেত্ৰী (১৫ বছৰ) নামৰ আন এগৰাকী কিশোৰীও বৰজানৰ বাঢ়নি পানীত ডুব গৈছিল যদিও সৌভাগ্যক্ৰমে তেওঁক উদ্ধাৰ কৰিব পৰা হয়। বৰ্তমান যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ থকা কিশোৰীগৰাকীৰ অৱস্থা ক্ৰমশঃ উন্নতি ঘটিছে। ৰাজহ মন্ত্ৰীগৰাকীয়ে আজি নাৰায়নপুৰ পাণবাৰী চাহ বাগিচাৰ বৰলাইনতে থকা ববীতা চেত্ৰীৰ ঘৰলৈও গৈ তেওঁৰ পৰিয়ালৰ খবৰ লয়। বৰ্তমান যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন কিশোৰীগৰাকীৰ চিকিৎসাৰ সম্পূৰ্ণ ব্যয় চৰকাৰৰ ফালৰ পৰাই বহন কৰাৰ ব্যৱস্থা লোৱাৰ বিষয়ে মন্ত্ৰী মহন্তই তেওঁৰ পিতৃ-মাতৃক অৱগত কৰে।

## কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত প্ৰদেশ কংগ্ৰেছৰ সমদল

প্ৰত্যাহাৰৰ দাবীত বিৰোধী দলপতি ৰাজেদ আলী চৌধুৰীৰ নেতৃত্বত এই প্ৰতিবাদী সমদল উলিওৱা হয়। এই প্ৰতিবাদী সমদলত অসম বিধানসভাৰ বিৰোধী দলৰ উপ-দলপতি ডাঃ জয়প্ৰকাশ দাস, বিধায়ক জাকিৰ হুছেইন শিকদাৰ, নুৰুল হুদা, বেবী বেগম, আছিফ নজৰ, জুবেইৰ আনম, তানজিল হুছেইনকে প্ৰমুখ্যে কৰি কেবাজনো বিধায়কৰ লগতে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ জ্যেষ্ঠ নেতা-কৰ্মীসকলে অংশগ্ৰহণ কৰে। ভাৰতীয় জাতীয় কংগ্ৰেছৰ পতাকা হাতে হাতে লৈ প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক বিপুল গগৈ, মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি স্বপন দাসৰ লগতে জ্যেষ্ঠ নেত্ৰী ৰূপা দেউৰী, সাধাৰণ সম্পাদক ইমদাদ হুছেইন, বনদীপ দত্ত, মইনাজান বেগম, অনুসূচিত জাতি কোষৰ অধ্যক্ষ কৃষ্ণা দাস, সংবাদ মাধ্যম বিভাগৰ প্ৰতিনিধি হেপ্পী গগৈ, ৰূপা কলিতা, এনএছইউআইৰ সভাপতি কৌশিক কাশ্যপকে ধৰি ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে।

## কাৰ্বি পাহাৰৰ পৰা নামি অহা পানীয়ে বুৰাব বঢ়মপুৰ-কঠীয়াতলী অঞ্চল

কামপুৰ ৰাজহ খণ্ডৰ তেঁতেলিসৰা পঞ্চায়তৰ পৰা হাৰিয়া নামেৰে পশ্চিমলৈ গতি কৰি চাপৰমুখত কপিলীত চামিল। ইতিমধ্যে শেহতীয়াকৈ নিশাৰী তথা হাৰিয়ানৈ খন ভয়াবহ ভাবে ওফন্দি পৰিছে। নিশাৰী গৰুবন্ধা প্লাবিত কৰিছ আৰু সেই ঠাইত স্থানীয় বিধায়কক মথাউৰী নিৰ্মাণৰ বহু দাবী কৰাৰ পৰিপ্ৰেক্ষিতটো নিৰ্মাণ নকৰাত ভেলৌগুৰি পঞ্চাৰতত এতিয়া ব্যাপক বানৰ পানী লগতে কঠীয়াতলী পঞ্চায়ত, নিজ কঠীয়াতলী পঞ্চায়ত , ৰাঙলু পঞ্চায়ত , তেঁতেলিসৰা পঞ্চায়তলৈও বানে ভয়াবহতা নমাই আনিছে। কৃষক ৰাইজে খৰাঙ বতৰকো নেওচাদি হাজাৰ হাজাৰ একৰ কৃষি ভূমিত কৃষি কৰ্মৰ বাবে পানী সিঁচি সিঁচি যি কঠীয়া পাৰিছিল সেয়া কৃষকৰ সমুদায় কঠীয়া প্ৰথমটো শাওঁনীয়া বানত বিনষ্ট হোৱাৰ আশংকাই চিন্তিত কৰি তুলিছে। ৰাইজে স্থানীয় বিধায়ক জ্বি গোস্বামীক বৃহত্তৰ কৃষকৰ বাবে কঠীয়া যোগাৰ কৰাৰ ওপৰত গুৰুত্ব দিবলৈ দাবী জনাইছে । লগতে কোনো কৃপনালি বিহনে বান দুৰ্গতক খাদ্য যোগান ধৰা আৰু পতিতক উদ্ধাৰৰ হকে ব্যৱস্থা তৰান্বিত কৰাৰো জনপ্ৰতিনিধি জনক সতৰ্ক কৰি দিছে।

## নগাঁৱৰ সুৰৰ পানচৈৰ প্ৰতিষ্ঠা দিৱস

**বাতৰি কাকত, নগাঁও, ২২ জুলাই ঃ** সংগীত সাধনা অসমীয়া সাহিত্য গীতৰ উত্তৰণৰ মঞ্চ হিচাপে পৰিচিত নগাঁৱৰ সুৰৰ পানচৈ শিল্পী সমাজ এটি অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান। বিগত ২০০৭ চনৰ ২৯ জুলাইত প্ৰতিষ্ঠা লাভকৰা অনুষ্ঠানটিয়ে জন্মলগ্নৰে পৰাই অসমীয়া সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰলৈ নিষ্ঠা আৰু সততাৰে সেৱা আগবঢ়াই আহিছে। এইবাৰো সংগীত সাধনা অসমীয়া সাহিত্য গীতৰ লগত নিবিড়ভাৱে জড়িত হৈ থকা সুৰৰ পানচৈ শিল্পী সমাজে চলিত মাহৰ ২৯ জুলাইত উনবিংশতিতম প্ৰতিষ্ঠা দিৱস পালনৰ দিহা কৰিছে। অৱশ্যে অসমৰ প্ৰান্তে প্ৰান্তে মহাসিন্ধুৰ সৃষ্টি কৰি বানে জীৱ জগতৰ বিলাই বিপত্তি নোহোৱা কৰা সময়ত শিল্পী সমাজ অত্যন্ত ব্যথিত। তাৰ মাজতেই ৰং-আনন্দৰ বিপৰীতে পৰিশীলিত ৰূপত আয়োজন কৰিবলৈ লোৱা ২৯ জুলাইৰ প্ৰতিষ্ঠা দিৱসটি নগাঁও জিলাৰ জিলা আযুক্ত দেৱাশীষ শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব বুলি সুৰৰ পানচৈ শিল্পী সমাজে জনাইছে। সুৰৰ পানচৈ শিল্পী সমাজৰ প্ৰতিষ্ঠাপক তথা বৰ্তমানৰ সম্পাদক প্ৰাঞ্জল বৰদলৈয়ে জনোৱা মতে নগাঁৱৰ কমলা দেৱী তোদী স্মৃতি ভৱনত দিনৰ ২-৪৫ বজাত আৰম্ভ হ'বলগীয়া এইবাৰৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱসত সুৰৰ পানচৈ শিল্পী সমাজৰ প্ৰয়াত তিনিগৰাকী শিল্পী-সাহিত্যিকৰ সোঁৱৰণীত আগবঢ়োৱা হ'ব একোটিকৈ বঁটা। সমাজৰ মুখ্য পৰামৰ্শদাতা, যশস্বী কথাশিল্পী প্ৰয়াত ভদ্ৰেশ্বৰ ৰাজখোৱা সোঁৱৰণী ‘সুৰৰ পানচৈ সাহিত্য বঁটা’ ‘অস্তিত্বৰ সময়’ খ্যাত কবি-সাহিত্যিক লক্ষেশ্বৰ শৰ্মালৈ, সমাজৰ প্ৰাক্তন সভাপতি, সংগীত শিল্পী দিগেন মহন্ত সোঁৱৰণী ‘সুৰৰ পানচৈ শিল্পী বঁটা’ প্ৰবীণ অনাতাঁৰ শিল্পী গম্ভীৰ নাথলৈ আৰু সমাজৰ কাৰ্যকৰী সভাপতি, দৰদী কণ্ঠ শিল্পী আতিকুৰ ৰহমান সোঁৱৰণী ‘সুৰৰ পানচৈ শিল্পী প্ৰেৰণা বঁটা’ নৱ প্ৰজন্মৰ প্ৰতিভাশালী কণ্ঠ শিল্পী ইন্দুশ্ৰী কলিতাক প্ৰদান কৰা হ'ব বুলি সুৰৰ পানচৈ শিল্পী সমাজৰ কাৰ্যকৰী সভাপতি তথা সুকণ্ঠী গায়িকা অঞ্জলী কটকীয়ে সদৰী কৰিছে। আনহাতে উক্ত অনুষ্ঠানতে লেখিকা মীনা শইকীয়া বৰুৱাৰ ‘মোৰ বুকুৰ নৈখন’ শীৰ্ষক কাব্য সংকলনখনি উন্মোচন কৰিব পঁপুৰ মোমাইদেউ খ্যাত শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্যই। সেয়ে উক্ত অনুষ্ঠানলৈ সাহিত্যানুৰাগী, সংগীতপ্ৰেমী সকলোৰে উপস্থিতি সুৰৰ পানচৈ শিল্পী সমাজে গভীৰ আন্তৰিকতাৰে কামনা কৰিছে।

# বিশ্বকাপৰ ১০০ বছৰ উপলক্ষে তিনি দেশে অতিৰিক্তভাৱে আয়োজন কৰিব উদ্বোধনী খেল

## প্ৰথমবাৰলৈ ৩খন মহাদেশত অনুষ্ঠিত হ'ব ২০৩০ৰ ফিফা বিশ্বকাপ

**মেক্সিকো চিটি, ২২ জুলাই ঃ** কানাডা, মেক্সিকো আৰু আমেৰিকাত চলা ২০২৬ ৰ ফিফা বিশ্বকাপৰ অন্ত পৰিছে। এইবাৰ তিনিখন দেশে যৌথভাৱে আয়োজন কৰে আটাইতকৈ ডাঙৰ প্ৰথমখন বিশ্বকাপ। এই বিশ্বকাপৰ পিছত ২০৩০ বিশ্বকাপ তিনিখন দেশে যৌথভাৱে আয়োজন কৰিব। যি তিনিখন দেশে মিলি আয়োজন কৰা দ্বিতীয়খন বিশ্বকাপ হৈ পৰিব। ইয়াৰ লগতে ২০৩০ৰ ফিফা বিশ্বকাপ তিনিটা বেলেগ বেলেগ মহাদেশত খেলিবলগীয়া প্ৰথমখন বিশ্বকাপ হ'ব, য'ত টুৰ্নামেণ্টখনৰ এশ বছৰ সম্পূৰ্ণ হোৱাৰ বাবে ছয়খন বেলেগ বেলেগ দেশত খেলসমূহ অনুষ্ঠিত হ'ব। ২০৩০ চনৰ ফিফা বিশ্বকাপখন তিনিখন দেশে মিলি আয়োজন কৰিব। সেয়া হৈছে মৰক্কো, পৰ্তুগাল আৰু স্পেইন। বিশ্বকাপৰ ইতিহাসত এয়া দ্বিতীয়বাৰৰ বাবে ঘটিব, য'ত তিনিখন দেশে একেলগে বিশ্বকাপ আয়োজন কৰিব। ২০০৪ চনৰ ৰৰ ডিচেম্বৰত ২০৩০ চনৰ ফিফা বিশ্বকাপ যুটীয়াভাৱে আয়োজন কৰাৰ বাবে মৰক্কো, পৰ্তুগাল আৰু স্পেইনক আনুষ্ঠানিকভাৱে অনুমোদন জনোৱা হৈছিল। ইয়াৰ বাবে নিবিদা প্ৰক্ৰিয়া ২০২০ চনৰ অক্টোবৰ মাহত আৰম্ভ হৈছিল আৰু ২০২৩ চনৰ অক্টোবৰত সমাপ্ত হৈছিল, য'ত এই তিনিখন দেশে একমাত্ৰ আবেদনকাৰী হিচাপে অংশ লৈছিল। মৰক্কো প্ৰথমতে এই যুটীয়া আবেদনৰ অংশ নাছিল, কাৰণ তেওঁলোকে অকলেই এই প্ৰতিযোগিতাখন আয়োজন কৰিব বিচাৰিছিল। কিন্তু পাছত ২০২৩ চনৰ মাৰ্চ মাহত মৰক্কোও এই দলটোত যোগ দিয়ে। ২০৩০ চনৰ ফিফা বিশ্বকাপ ৮ জুন, ২০৩০ ৰ পৰা ২১ জুলাই, ২০৩০ লৈ অনুষ্ঠিত হ'ব। এই ৪৪ দিনীয়া সময়ছোৱাই ইয়াক এতিয়ালৈকে হোৱা আটাইতকৈ দীঘলীয়া বিশ্বকাপ হিচাপে গঢ়ি তুলিব। ২০২৬ চনৰ ৩৯ দিনীয়া বিশ্বকাপতকৈও এইবাৰ সময় বেছি লাগিব, কাৰণ এশ বছৰীয়া বৰ্ষপূৰ্তি উদযাপনৰ বাবে খেলুৱৈসকলে বিভিন্ন মহাদেশ ভ্ৰমণ কৰিব লগা হ'ব। ২০৩০ চনৰ ফিফা বিশ্বকাপে এই প্ৰতিযোগিতাৰ ১০০ বছৰ সম্পূৰ্ণ কৰিব। এই ১০০ বছৰীয়া বৰ্ষপূৰ্তি উদ্‌যাপন কৰিবলৈ ফিফাই আৰ্জেণ্টিনা, পেৰাগুৱে আৰু উৰুগুৱেক তিনিখন সুকীয়া উদ্বোধনী খেল অনুষ্ঠিত কৰাৰ দায়িত্ব দিছে। ১৯৩০ চনৰ প্ৰথম ফিফা বিশ্বকাপৰ প্ৰতি সন্মান জনাই এই সিদ্ধান্ত




লোৱা হৈছে। উৰুগুৱে আছিল ফিফা বিশ্বকাপৰ প্ৰথম আয়োজক আৰু বিজয়ী দেশ। এই বিশেষ খেলখন মণ্টেভিডিঅ'ৰ 'এষ্টাদিঅ' চেণ্টেনাৰিঅ' ষ্টেডিয়ামত খেলা হ'ব-এইটো সেই একেখন ষ্টেডিয়াম যিখন ১৯৩০ চনৰ প্ৰতিযোগিতাখনৰ বাবে নিৰ্মাণ কৰা হৈছিল। ১৯৩০ চনৰ ৰানাৰ্ছ-আপ (দ্বিতীয় স্থান পোৱা) দল হিচাপে আৰ্জেণ্টিনাই বুয়েনছ আয়াৰ্ছৰ 'এষ্টাদিঅ' মনুমেণ্টেলক্স ষ্টেডিয়ামত এখন খেল আয়োজন কৰিব। আনহাতে, দক্ষিণ আমেৰিকান ফুটবল ফেডাৰেচনৰ মুখ্য কাৰ্যালয় থকা বাবে পেৰাগুৱেৰ আছুনচিয়ন চহৰৰ 'এষ্টাদিঅ' ওছভালডো ডমিংগেজ ডিব' ষ্টেডিয়ামত আন এখন খেল অনুষ্ঠিত হ'ব।

# স্বদেশত উপস্থিত আৰ্জেণ্টিনাৰ ফুটবল দল

## বিমান বন্দৰত হাজাৰ হাজাৰ অনুৰাগীয়ে দলটোক জনালে উষ্ণ আদৰণি

**বুৱেনছ আয়াৰ্ছ, ২২ জুলাই ঃ** বিশ্বকাপৰ ফাইনেলত স্পেইনৰ হাতত পৰাজিত হোৱাৰ পিছত আৰ্জেণ্টিনাৰ ফুটবল দলটো নিজ দেশত উপস্থিত হৈছে। অৱশ্যে, অধিনায়ক লিয়নেল মেছি আৰু কেইজনমান খেলুৱৈ দলটোৰ সৈতে একেখন বিমানত নাছিল ।বিমান বন্দৰৰ বাহিৰত প্ৰচণ্ড ঠাণ্ডা আৰু বৰষুণক নেওচি হাজাৰ হাজাৰ অনুৰাগীয়ে ৰাষ্ট্ৰীয় পতাকা লৈ দলটোক উষ্ণ আদৰণি জনায়। ২০২২ চনৰ দৰে বিজয় উল্লাস কৰিব নোৱাৰিলেও, অনুৰাগীসকলে খেলুৱৈসকলৰ সুন্দৰ প্ৰদৰ্শনৰ বাবে ধন্যবাদ জনায়। দলটোৰ প্ৰশিক্ষক লিয়নেল স্কালোনি আৰু অন্যান্য খেলুৱৈসকলক ৰেড কাৰ্পেট আৰু সামৰিক বেণ্ডেৰে আদৰণি জনোৱা হয়। বিশ্বকাপৰ ফাইনেলত পৰাস্ত হোৱা সত্ত্বেও অনুৰাগীসকলে অধিনায়ক মেছিক দেশৰ হৈ খেলা অব্যাহত ৰাখিবলৈ অনুৰোধ জনায়।

# ইন্টাৰ মিয়ামীৰ পৰৱৰ্তী মেচসমূহ নেখেলে লিয়নেল মেচী-ৰড্ৰিগো ডি পলে

**মিয়মী, ২২ জুলাই ঃ** বিশ্বকাপ ফুটবল ২০২৬ ৰ সমাপ্তিৰ পিছত আৰ্জেন্টিনাৰ তাৰকা ফুটবলাৰ লিয়নেল মেচী আৰু তেওঁৰ সতীৰ্থ ৰড্ৰিগো ডি পলক লৈ এক গুৰুত্বপূৰ্ণ খবৰ প্ৰকাশ পাইছে। বাতৰি অনুসৰি, মেজৰ লিগ ছকাৰৰ ক্লাব ইন্টাৰ মিয়ামীৰ হ'বলগীয়া পৰৱৰ্তী দুখন মেচত এই দুজন খেলুৱৈয়ে অংশগ্ৰহণ নকৰে। অহা বুধবাৰে চিকাগো ফাইয়াৰ আৰু শনিবাৰে চি এফ মনট্ৰিয়েলৰ বিৰুদ্ধে হ'বলগীয়া মেচকেইখনত মেচী আৰু ডি পলক দেখা পোৱা নাযাব। ২৯ জুলাইত হ'বলগীয়া 'এম এল এছ অল-ষ্টাৰ মেচ'তো এই দুজন ফুটবলাৰে অংশ নলয়। ইন্টাৰ মিয়ামীয়ে ইতিমধ্যে এই বিষয়ে লিগ কৰ্তৃপক্ষক অৱগত কৰিছে। বিশ্বজুৰি খেলুৱৈসকলৰ সংস্থা 'FIFPRO'ৰ স্বাস্থ্য নিয়মাৱলী অনুসৰি, এখন ব্যস্ত প্ৰতিযোগিতাৰ শেষত খেলুৱৈসকলৰ বাবে ২১ দিনৰ বিশ্ৰামৰ পৰামৰ্শ দিয়া হয়। বিশ্বজুৰি অনুষ্ঠিত বিশ্বকাপৰ সকলো ৮খন মেচতেই মেচীয়ে সম্পূৰ্ণ ১২০ মিনিট পৰ্যন্ত খেলিছিল, য'ত তেওঁ ৮টা গ'ল কৰাৰ লগতে ৪টা গ'লত সহায় কৰিছিল। ১ আগষ্টত কলম্বাসৰ বিৰুদ্ধে খেলাৰ পিছত, মিয়ামীয়ে ৫ ৰ পৰা ১২ আগষ্টলৈ অনুষ্ঠিত হ'বলগীয়া 'লিগছ কাপ'ত অংশ ল'ব। বৰ্তমান ইন্টাৰ মিয়ামী দলটো ৯-২-৪ ৰেকৰ্ডৰে এম এল এছ ইষ্টাৰ্ন কনফাৰেঞ্চৰ পইন্ট তালিকাৰ দ্বিতীয় স্থানত আছে।

# আৰ্জেণ্টিনাক অতিক্ৰম কৰি ফিফা ৰেংকিঙৰ শীৰ্ষত স্পেইন

## পুৰুষ আৰু মহিলা উভয় শাখাতে বিশ্বৰ ১ নম্বৰ দল হিচাপে নিজকে প্ৰতিষ্ঠা

স্পেইনে অতিৰিক্ত সময়ত ১-০ গ'লত ডিফেণ্ডিং চেম্পিয়ন আৰ্জেণ্টিনাক পৰাস্ত কৰি বিশ্ব চেম্পিয়নৰ মুকুট পিন্ধে। স্পেইনৰ হৈ জয়সূচক গ'লটো দিয়ে ফেৰান টৰেছে। এই সফলতাৰ লগে লগে স্পেইনে পুৰুষ আৰু মহিলা — উভয় শাখাতে বিশ্বৰ ১ নম্বৰ দল হিচাপে নিজকে প্ৰতিষ্ঠা কৰিলে ।লিয়নেল মেছিৰ নেতৃত্বাধীন আৰ্জেণ্টিনা দ্বিতীয় স্থানলৈ অৱনমিত হৈছে। বিশ্বকাপত চতুৰ্থ স্থান পোৱা ফ্ৰান্সে তৃতীয় স্থান বাহাল ৰাখিছে। কোৱাৰ্টাৰ ফাইনেললৈ যোৱা মৰক্কোৱে ষষ্ঠ স্থান লাভ কৰিছে, যিটো তেওঁলোকৰ ইতিহাসৰ শ্ৰেষ্ঠ ৰেংকিং। ব্ৰাজিল পুনৰ শীৰ্ষ ৫টা দলৰ ভিতৰত সোমাই ৫ম স্থানত আছে। আনহাতে পৰ্তুগাল ৭ম স্থানলৈ অৱনমিত হৈছে। চাৰিবাৰৰ বিশ্ব চেম্পিয়ন জাৰ্মানী ৩২টা দলৰ পৰ্যায়ৰ পৰা বিদায় লৈ ৰেংকিংত ১২ নম্বৰ স্থানলৈ অৱনমিত হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰ, মেক্সিকো আৰু কানাডাৰ যৌথ উদ্যোগত অনুষ্ঠিত এই বিশ্বকাপত মেক্সিকো ১০ম স্থানলৈ উন্নীত হৈছে।



**নতুন দিল্লী, ২২ জুলাই ঃ** ২০২৬ চনৰ ফিফা পুৰুষ বিশ্বকাপৰ ঐতিহাসিক জয়ৰ পাছত স্পেইনে পুনৰ ফিফা ৰেংকিঙৰ শীৰ্ষ স্থান দখল কৰিছে। ১৯ জুলাইত অনুষ্ঠিত ফাইনেলখনত

# মুকলি বাছত উঠি খেলুৱৈসকলে মাদ্ৰিদ চহৰত উলিয়াই বিজয় ৰেলী




**মাদ্ৰিদ, ২২ জুলাই ঃ** নিউ জাৰ্চীত অনুষ্ঠিত ফিফা বিশ্বকাপ ২০২৬-ৰ ফাইনেলত আৰ্জেন্টিনাক ১-০ গ'লত পৰাস্ত কৰি দ্বিতীয়বাৰৰ বাবে বিশ্ব চেম্পিয়ন হোৱা স্পেইনৰ ফুটবল দলটো সোমবাৰে নিজ দেশত উপস্থিত হয়। ৰাজধানী মাদ্ৰিদৰ ৰাস্তাত একত্ৰিত হোৱা প্ৰায় ২০ লাখ আনন্দিত অনুৰাগীয়ে বিজয়ী দলটোক এক ঐতিহাসিক আৰু ৰাজকীয় আদৰণি জনায়। ২৬ জনীয়া খেলুৱৈৰ

# স্পেইনৰ বিশ্বকাপ বিজয়ী দলক গৃহভূমিত উষ্ম আদৰণি

দলটো আৰু প্ৰশিক্ষকসকলে প্ৰথমে স্পেইনৰ ৰাজপৰিয়াল আৰু তাৰ পিছত প্ৰধানমন্ত্ৰী পেড্ৰ' ছাঞ্চেজক সাক্ষাৎ কৰে। প্ৰধানমন্ত্ৰীয়ে দলটোৰ সুন্দৰ খেল আৰু কঠোৰ পৰিশ্ৰমৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পিছতে 'ষ্টাৰ্চ ছাইন টুগেদাৰ' লিখা এখন মুকলি বাছত উঠি খেলুৱৈসকলে মাদ্ৰিদ চহৰত বিজয় ৰেলী উলিয়ায়। বাছখন মাক্ল'ৱা প্ৰাসাদৰ পৰা ঐতিহাসিক কিবেলেছ স্কোৱেৰলৈ যায়, য'ত প্ৰায় ১,২০,০০০ লোক অনুষ্ঠানটো উপভোগ কৰিবলৈ উপস্থিত আছিল। অতিৰিক্ত সময়ত জয়সূচক গ'লটো দিয়া ফেৰান টৰেছ আৰু বিশ্বকাপৰ ট্ৰফীৰ সৈতে আটাইবোৰ খেলুৱৈয়ে সংগীত আৰু নৃত্যৰে অনুৰাগীসকলৰ সৈতে এই সাফল্য উদযাপন কৰে। উল্লেখ্য যে ২০২৩ চনত মহিলা বিশ্বকাপ জয় কৰাৰ পিছত, স্পেইন এতিয়া একে সময়তে পুৰুষ আৰু মহিলা উভয়ৰে বিশ্বকাপ ট্ৰফী দখল কৰা বিশ্বৰ প্ৰথমটো দেশ হৈ পৰিল। এই জয়ৰ পিছতে স্পেইনে আৰ্জেন্টিনাক পিছ পেলাই ফিফা ৰেংকিং-ৰ প্ৰথম স্থান দখল কৰিছে। ইফালে, সমগ্ৰ দেশতে জয়ৰ উলাহ চলি থকাৰ মাজতে ছালামাংকা চহৰত বিজয় উদযাপনৰ সময়ত ফাউণ্টেইন ভাঙি পৰি এজন ১৩ বছৰীয়া কিশোৰৰ মৃত্যু হোৱাৰ দুখজনক ঘটনাও পোহৰলৈ আহিছে। যি নহওক, ২০১০ চনৰ পিছত প্ৰথমবাৰৰ বাবে জয় কৰা এই পুৰুষ বিশ্বকাপ ট্ৰফীয়ে সমগ্ৰ স্পেইনবাসীৰ মাজত এক অভূতপূৰ্ব আনন্দ আৰু উৎসাহৰ ঢৌ তুলিছে।

# বিশ্বকাপ ফাইনেলত স্পেইনৰ জয়ঃ গাজাৰ প্ৰতি বিশ্বৰ সমৰ্থন

**নিউ জাৰ্চি, ২২ জুলাই ঃ** ২০২৬ ৰ ফিফা বিশ্বকাপৰ চূড়ান্ত খেলখনত স্পেইনে আৰ্জেন্টিনাক পৰাস্ত কৰি বিশ্ব চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। কিন্তু এইবাৰৰ বিশ্বকাপ কেৱল এক ক্ৰীড়া প্ৰতিযোগিতাতেই সীমাবদ্ধ হৈ থকা নাছিল; ইয়াৰ লগত জৰিত হৈ পৰিছিল বিশ্বজুৰি মানৱতা আৰু নৈতিকতাৰ প্ৰশ্ন। গাজাৰ সংকটময় পৰিস্থিতিয়ে বিশ্বৰ কোটি কোটি মানুহৰ মানসিকতাক সলনি কৰি পেলাইছে। খেলপথাৰতো ইয়াৰ প্ৰভাৱ স্পষ্ট হৈ পৰে, য'ত অসংখ্য দৰ্শকে নৈতিক স্থিতিৰ ভিত্তিত স্পেইনক সমৰ্থন জনাইছিল ।পশ্চিমীয়া দেশসমূহৰ মৌনতাৰ বিপৰীতে স্পেইন চৰকাৰে ফিলিস্তিনক স্বাধীন ৰাষ্ট্ৰ হিচাপে স্বীকৃতি দিছে আৰু গাজাৰ আক্ৰমণৰ বিৰুদ্ধে স্পষ্ট মত প্ৰকাশ কৰিছে। এই সাহসিক স্থিতিয়ে বিশ্বজুৰি মানৱতাবাদী মানুহৰ মনত স্পেইনৰ প্ৰতি বিশেষ শ্ৰদ্ধা গঢ়ি তুলিছে। স্পেইনৰ উদীয়মান তাৰকা লামিন ইয়ামালে ইয়াৰ পূৰ্বে ফিলিস্তিনৰ পতাকা উৰুৱাই সমৰ্থন ব্যক্ত কৰিছিল। তেওঁৰ এই পদক্ষেপে লাখ লাখ অনুৰাগীক প্ৰভাৱিত কৰিছিল। বিপৰীতফালে, মেছিৰ দৰে মহান খেলুৱৈ থকা সত্ত্বেও আৰ্জেন্টিনাৰ ৰাষ্ট্ৰপতি হাভিয়াৰ মিলেইৰ ইজৰাইল-পন্থী ৰাজনৈতিক স্থিতিৰ বাবে বহু দৰ্শকৰ মনত বিৰূপ প্ৰভাৱ পৰিছিল। ফুটবল খেলখন কেৱল জয়-পৰাজয়ৰ খেল হৈ থকা নাই; ই ফিলিস্তিনৰ নিপীড়িত মানুহখিনিৰ প্ৰতি একতা আৰু সমৰ্থন প্ৰকাশৰ এক মাধ্যম হৈ পৰিল। স্পেইনৰ এই বিজয়ে ফুটবলৰ গণ্ডী পাৰ হৈ মানৱীয় প্ৰতীক হিচাপে বিশ্বজুৰি সমাদৰ লাভ কৰিছে।

# ২০২৬ ফিফা বিশ্বকাপ ঃ সাফল্য আৰু বিতৰ্কৰ এক মিশ্ৰণ


## ৰাজনৈতিক হস্তক্ষেপ, বাণিজ্যিক নীতিয়ে ফিফাৰ স্বচ্ছতাক লৈ উত্থাপন কৰিছে ডাঙৰ প্ৰশ্ন

**নতুন দিল্লী, ২২ জুলাই ঃ** সদ্যসমাপ্ত ২০২৬ ফিফা বিশ্বকাপ খেলপথাৰৰ অভূতপূৰ্ব শিহৰণ আৰু প্ৰশাসনিক বিতৰ্ক-এই দুয়োৰে এক অপূৰ্ব মিশ্ৰণ হিচাপে পৰিগণিত হৈছে। এফালে যিদৰে তাৰকা খেলুৱৈসকলৰ চমকপ্ৰদ প্ৰদৰ্শনে বিশ্ববাসীক মোহিত কৰিলে, আনফালে ৰাজনৈতিক হস্তক্ষেপ আৰু বাণিজ্যিক নীতিয়ে ফিফাৰ স্বচ্ছতাক লৈ ডাঙৰ প্ৰশ্ন উত্থাপন কৰিছে। স্পেইনে ফাইনেলত জয়লাভ কৰি ইতিহাস ৰচিলে। এতিয়া স্পেইন এনেখন একমাত্ৰ দেশ, যি একে সময়তে পুৰুষ আৰু মহিলা দুয়োটা বিশ্বকাপৰ খিতাপ দখল কৰি



আছে। কিলিয়ান এমবাপে মেছি আৰু বেলিংহামক পিছ পেলাই প্ৰতিযোগিতাৰ সৰ্বোচ্চ গ'লদাতা হিচাপে 'গোল্ডেন বুট' অৰ্জন কৰে। সহ-আয়োজক আমেৰিকাই তেওঁলোকৰ ফুটবল ইতিহাসত প্ৰথমবাৰলৈ ৩খন মেচ জিকি ৰবটা গ'ল দিয়ে। কানাডায়ো প্ৰথমবাৰৰ বাবে নক-আউট পৰ্যায়লৈ অগ্ৰগতি লাভ কৰে। এইসমূহ আছিল এইবাৰৰ ফিফা বিশ্বকাপৰ সফলতা। কিন্তু এইবাৰ কিছু বিতৰ্কৰো সৃষ্টি হয়। আমেৰিকান ফুটবলাৰ ফক্সলাৰিন বেলোগানৰ ওপৰত থকা নিলম্বন আঁতৰাবলৈ আমেৰিকা চৰকাৰ আৰু ট্ৰাম্প প্ৰশাসনৰ প্ৰত্যক্ষ হস্তক্ষেপে খেলখনৰ নিৰপেক্ষতাক লৈ প্ৰশ্ন তুলিছে। ইনডোৰ ষ্টেডিয়ামত বিজ্ঞাপনৰ বাবে খেলৰ মাজতে বাধ্যতামূলক 'ৱাটৰ ব্ৰেক' দিয়া আৰু টিকটৰ অত্যাধিক মূল্যই অনুৰাগীসকলক হতাশ কৰে। যুদ্ধসদৃশ পৰিস্থিতিৰ মাজত ইৰান দলে ভ্ৰমণ আৰু খেল খেলাক লৈ চূড়ান্ত অনিশ্চয়তাত ভুগিবলগীয়া হয়। কিছুমান ডাঙৰ প্ৰশাসনিক ভুল আৰু বিতৰ্ক স্বত্বেও, ২০২৬ ৰ এই ফুটবল মহাকুম্ভই বিশ্বজুৰি কোটি কোটি অনুৰাগীক আমোদ প্ৰদান কৰিবলৈ সক্ষম হ'ল। ফুটবলৰ এই নান্দনিক ৰূপ আৰু অপূৰ্ব উত্তেজনাই খেলপ্ৰেমীসকলক পুনৰবাৰ মোহিত কৰি তুলিলে।

# বিশ্বকাপ ফাইনেলৰ পাছত খেলপথাৰত সৃষ্টি হোৱা বিশৃঙ্খলাৰ তদন্ত আৰম্ভ ফিফাৰ



**নিউ জাৰ্চি, ২২ জুলাই ঃ** ২০২৬ৰ ফিফা বিশ্বকাপৰ চূড়ান্ত খেলখনৰ শেষত স্পেইন আৰু আৰ্জেণ্টিনাৰ খেলুৱৈসকলৰ মাজত হোৱা অনাকাংক্ষিত সংঘাতৰ বিৰুদ্ধে বিশ্ব ফুটবল সংস্থা 'ফিফা'ই আনুষ্ঠানিক তদন্ত আৰম্ভ কৰিছে। বিশ্বকাপ ফাইনেলৰ খেলখনত স্পেইনে আৰ্জেণ্টিনাক ১-০ গ'লত পৰাস্ত কৰি দ্বিতীয়বাৰৰ বাবে বিশ্ব চেম্পিয়নৰ খিতাপ দখল কৰে। কিন্তু খেলৰ অন্তিম হুচেইল বজাৰ লগে লগে দুয়োটা দলৰ খেলুৱৈসকলৰ মাজত তীব্ৰ বাকবিতণ্ডা আৰু মাৰপিটৰ সৃষ্টি হয় ।আৰ্জেণ্টিনাৰ খেলুৱৈ লিয়ান্দ্ৰ' পাৰেডেছে স্পেইনৰ খেলুৱৈ এৰিক গাৰ্চিয়া আৰু গাভিক ঠেলা-হেঁচা কৰাক লৈ পৰিস্থিতি উত্তপ্ত হৈ পৰে ।ফিফাৰ অনুশাসন সমিতিয়ে জনোৱা মতে, খেলপথাৰত নিয়ম ভংগ কৰা খেলুৱৈসকলৰ বিৰুদ্ধে এক বিশেষ তদন্ত চলোৱা হৈছে। তদন্তৰ প্ৰতিবেদন অহাৰ পাছতহে পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰা হ'ব। এফালে ফুটবল তাৰকা লামিন য়ামালে জয়ৰ পাছত ঈশ্বৰক প্ৰাৰ্থনা জনোৱা দৃশ্য আৰু মেছিকো সাবটি ধৰা দেখা গৈছিল, আনফালে পুৰস্কাৰ বিতৰণ অনুষ্ঠানত আৰ্জেণ্টিনাৰ খেলুৱৈসকলে স্পেইনৰ বিজয়ী দলটোলৈ পিঠি দি অসৌজন্যমূলক আচৰণ কৰা দেখা যায় ।ফিফাই স্পষ্ট কৰি দিছে যে খেলপথাৰৰ শৃঙ্খলতা ভংগ কৰা যিকোনো ঘটনাৰ বিৰুদ্ধে সংস্থাই কঠোৰ আইনী অনুশাসনমূলক নীতি অনুসৰণ কৰিব।

এ বি পাব্লিকেশ্বনৰ হৈ অনিল বৰ্মনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, গুৱাহাটী-১৬ত মুদ্ৰিত। কাৰ্যালয় ঃ পেঞ্চনপাৰা ৰোড, গোস্বামী ছাৰ্ভিচ, গুৱাহাটী-৩, ফোন ঃ ২৬৬০২৬০, বিজ্ঞাপন ঃ লক্ষ্যধৰ ডেকা, ৯৮৬৪৪-৯১৫৯৫ ■ কোকৰাঝাৰ কাৰ্যালয়, জে ডি ৰোড, ফোন ঃ ৯৪৩৫৪-৮৩৮৩৬। তেজপুৰ কাৰ্যালয় ঃ তুলিকা কাৰ্ফ, অপূৰ্ব বৰা ৯৮৫৪২-১১৩০৪, ৯০৮৫০-৭১৩০৪, চাৰ্কুলেচন ঃ অৰুণ শৰণীয়া (৯৭০৭৬-৮৩১১২)
Owner, Publisher & Printer Anil Barman, Published from Pension Para Road, Goswami Service, Silpukhuri, Guwahati-781003 and Printed at Pee Gee India, MIE, Kalapahar, Guwahati-781016. Editor: Anil Barman. Phone : 0361-2660260 ■ Fax : 0361-2665919 ■ batorikakot@rediffmail.com
■ মুখ্য সম্পাদক ঃ ভুৱনেশ্বৰ শৰ্মা ■ সম্পাদকঃ অনিল বৰ্মন